ওঁ

# শ্ৰীমদ্ভাগৱত অভিধান




অসম সাধু সেৱক সন্মিলনী

ওঁ

# শ্ৰীমদ্ভাগৱত অভিধান

মূকং কৰোতি ৱাচালং পঙ্গুং লংঘয়তে গিৰিম্।
যৎ কৃপা তমহং ৱন্দে পৰমানন্দ মাধৱম্।।



শ্ৰীনাৰায়ণাৰ্পণমস্তু


নীতিবাগিশ উমেশ কলিতা ভাগৱতী
সাধাৰণ সম্পাদক



অসম সাধু সেৱক সন্মিলনী

প্ৰকাশক ঃ অসম সাধু সেৱক সন্মিলনী।

প্ৰথম প্ৰকাশ ঃ ১৫ কাতি শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসযাত্ৰা।
২ নবেম্বৰ, ২০০৯ ইং চন।

অৰিহণা ঃ ৩৫.০০ (পয়ত্ৰিশ) টকা

মুদ্ৰক ঃ জয়া অফ্‌ছেট প্ৰেছ, হাজো
ফোন ঃ ৯৮৬৪২-০৫৫৬৯
৯৪৩৫৮-৩৯৪৬৭

ওঁ নমো ভগৱতে বাসুদেৱায়

# ভূমিকা

শাস্ত্ৰৰ উত্তম গীতা ভাগৱত
ধৰ্মৰ উত্তম নাম।
দেৱৰ উত্তম দৈৱকী নন্দন
চৰণে কৰো প্ৰণাম।।

বৰ্ত্তমান যুগক কলিযুগ বুলি কোৱা হয়। কলিৰ কলুষত সকলো কলুষিত। কলিৰ মলিন, অল্পায়ু আৰু ক্ষুদ্ৰ জ্ঞানৰ মানৱৰ বাবে দ্বাপৰৰ শেষত শ্ৰীমদ্ভাগৱত গীতা আৰু শ্ৰীমদ্ভাগৱত গ্ৰন্থ সৃষ্টি হ'ল। মানৱ জীৱনৰ আৱশ্যকীয় সকলো জ্ঞান শ্ৰীমদ্ভাগৱত গীতাত নিহিত হৈ আছে। চাৰি পুৰুষাৰ্থ (ধৰ্ম, অৰ্থ, কাম, মোক্ষ) সাধনৰ সকলো উপায় সম্পৰ্কীয় জ্ঞান শ্ৰীমদ্ভাগৱত গীতাত আছে। শ্ৰীমদ্ভাগৱত হৈছে ভক্তিৰসৰ অমৃতময় মহাসমুদ্ৰ। ইয়াত অৱগাহন কৰি ভক্তি ৰসেৰে সিক্ত হৈ মানুহে মুক্তি বা মোক্ষৰ দুৱাৰদলিত উপনীত হ'ব পাৰে। এনেহেন অমূল্য শাস্ত্ৰৰ আধ্যাত্মিক জ্ঞান যি সকলে বিলাই ফুৰিছে সেইসকলৰ জীৱন ধন্য। সেই সকলে পূৰ্বজন্মৰ বহু পুণ্যৰ ফলত এনে কাৰ্যত ব্ৰতী হ'ব পাৰিছে। এই সম্পৰ্কে মাধৱদেৱ মহাপুৰুষে কৈছে—

তাৰাসৱে পূজ্য তাৰাসৱে ধন্য
তাৰাসে সুহৃদ জন।
কলিযুগে হৰি আনকো বোলাৱে।
আপুনি কৰে কীৰ্ত্তন। (নামঘোষা)

এনে এজন মহানুভৱ ব্যক্তি হৈছে বৈষ্ণৱ নীতিবাগীশ উমেশ ভাগৱতী। চাৰি জাতিৰ শ্ৰেষ্ঠ কৰ্ম শিক্ষকতাত ব্ৰতী হৈ থাকিও সামাজিকভাৱে আধ্যাত্মিক শিক্ষকৰ দায়িত্বও তেখেতে পালন কৰি আহিছে। এতিয়া তেখেতে বানপ্ৰস্থী হৈ একমাত্ৰ অধ্যাত্ম সাধনাতে নিজকে উছৰ্গা কৰি দিছে। গাঁৱে-ভূঞে, চহৰে-নগৰে গীতা ভাগৱতৰ অমৃতময় জ্ঞান প্ৰদান কৰি ত্ৰিতাপ জৰ্জৰিত মানুহৰ মনত পৰম শান্তি আৰু পৰমানন্দ ভক্তিৰস বিলাই ফুৰিছে।

গীতা আৰু ভাগৱত মূলতঃ সংস্কৃত ভাষাত ৰচিত শ্ৰীমন্ত শঙ্কৰদেৱকে ধৰি মধ্যযুগৰ সন্ত বৈষ্ণৱ কৱিসকলে উক্ত গ্ৰন্থ দুখন আমাৰ ভাষালৈ অনুবাদ কৰি আমাৰ দৰে সংস্কৃত নজনা সকলৰ পৰম উপকাৰ সাধন কৰি গৈছে। কিন্তু তাৰ ভিতৰতো এনে কিছুমান শব্দ আছে, যিবোৰৰ অৰ্থ বিচাৰি উলিওৱা বৰ টান হয়। গীতা ভাগৱত পাঠ কৰি ফুৰোঁতে বৈষ্ণৱ নীতিবাগীশ উমেশ ভাগৱতী দেৱেও এনে সমস্যাৰ সন্মুখীন হোৱাৰ কথা প্ৰায় আমাৰ আগত ব্যক্ত কৰে। এনে সমস্যাৰ সমাধান বিচাৰি তেখেতে

"শ্ৰীমদ্ভাগৱত অভিধান" ৰচনা কৰি উলিয়াইছে। এই সম্পৰ্কে আমাৰ লগতো আলোচনা কৰা হয়। আমি আমাৰ ক্ষুদ্ৰ জ্ঞানেৰে যিখিনি পাৰিছো পৰামৰ্শ দিবলৈ চেষ্টা কৰিছো।

এতিয়া পুথিখন প্ৰকাশ হ'ব বুলি শুনি পৰম আহ্লাদিত হৈছো। এই পুথিখনৰ দ্বাৰা অসমীয়া ভাগৱত পাঠক আৰু ভাগৱত ভক্তসকল উপকৃত হ'ব বুলি আমি নিশ্চিত। ভাগৱতী দেৱে কেইখনো আধ্যাত্মিক পুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰিছে। পৰম পিতা পৰমেশ্বৰে তেখেতৰ ভৱিষ্যতে আৰু অধিক মানৱ কল্যাণৰ কাম সমাধা কৰক। এয়ে প্ৰভুৰ চৰণত প্ৰাৰ্থনা।

অসম সাধুসেৱক সন্মিলনীয়ে পুথিখন প্ৰকাশ কৰি উলিওৱাত সোণত সুৱগা চৰিছে। সন্মিলনীৰ এনে প্ৰচেষ্টা প্ৰশংসনীয়।

ওঁ সৰ্বে ভৱন্তু সুখিনঃ


ব্ৰহ্মসত্ৰ, তেতেলীয়া
গুৱাহাটী-৩৩

ড° দেবেন চন্দ্ৰ দাস- 'সুদামা'
১৪ আহাৰ ১৪১৬ ভাঃ
ৰাষ্ট্ৰীয় উপ-সভাপতি
অখিল ভাৰতীয় সাহিত্য পৰিষদ


# পাতনি

## ওঁম নমো ভগৱতে বাসুদেৱায়।

*পৰম গহন ইটো ভাগৱত শাস্ত্ৰ। শব্দৰ নেপাও উলি অৰ্থ লিখো মাত্ৰ।।*
*মূঢ় হুয়া পণ্ডিতৰ কৰ্মক আচৰো। সুধী সমাজৰ মাত্ৰ সেৱাহে বিচাৰো।।*

অভিধান লিখা পণ্ডিতৰ কাম। আমি পণ্ডিত নহও। গোপীভৰ্ত্তাৰ দাসৰো দাস তান দাসহে। নিগম কল্পতৰু শ্ৰীমদ্ভাগৱত মহাপুৰাণৰ দুৰ্ব্বোধ্য শব্দবোৰৰ সহজ সৰল অৰ্থ লিখি 'শ্ৰীমদ্ভাগৱত অভিধান' নামেৰে নামকৰণ কৰি এখন অভিধান লিখি ছপা কৰি উলিয়াবলৈ প্ৰথমে অসম সাধু সেৱক সন্মিলনীৰ মহানুভৱ বৈষ্ণৱ সকলে চিন্তা-চৰ্চা কৰি সন্মিলনীৰ ৫৫তম বাৰ্ষিক অধিৱেশনৰ বিষয় বাছনি সভাত প্ৰস্তাৱ গ্ৰহণ কৰি এই গুৰুভাৰ সন্মিলনীৰ সাধাৰণ সম্পাদকৰ সেৱা কাৰ্য্যত ধাৰাবাহিকভাৱে সুদীৰ্ঘ ২০বছৰে ন্যস্ত থকাৰ পৰিপ্ৰেক্ষিতত মূঢ় স্বত্বেও আমাৰ ওপৰতে অৰ্পণ কৰে। আমি অযোগ্য হৈও এনে অপৰিহাৰ্য কামক 'কৰ্ম' বুলি ভাৱি সমাপন কৰিলো যদিও প্ৰথম তাণ্ডৰণত ভুল-ত্ৰুটি হোৱাতো স্বাভাৱিক। সেই বাবে আমি সুশীল সমাজৰ ওচৰত ক্ষমাৰ পাত্ৰ। সৰ্বসাধাৰণে অৰ্থবোৰ বিচাৰি পোৱাৰ সুবিধাৰ্থে প্ৰতিটো স্কন্ধৰ শব্দাৰ্থবোৰ সুকীয়া সুকীয়াভাৱে সণ্চালনিকৈ লিখা হ'ল। অৱশ্যে পুনৰ ৫৬তম্ বাৰ্ষিক অধিৱেশনৰ বিষয় বাছনি সভাৰ প্ৰস্তাৱৰ সিদ্ধান্ত মৰ্মে শেষৰফালে 'ওপৰঞ্চি' নামকৰণ কৰি গীতা আৰু নামঘোষাৰ কিছু জটিল শব্দাৰ্থ লিখাৰ লগতে ৰজিতা খোৱা ইছলাম ধৰ্মৰো কিছু ধৰ্মমূলক শব্দাৰ্থ সন্নিবিষ্ট কৰিবলৈ দিয়া নিৰ্দ্দেশো পালন কৰা হ'ল। ইয়াত সৰ্বমুঠ ৬১৬১ টা শব্দাৰ্থ সন্নিবিষ্ট কৰা হৈছে।

যেনেকৈ সোণৰ পৰীক্ষা জুইৰ দ্বাৰা কৰা হয় তেনেকৈ পুথিৰ পৰীক্ষা সুজান পাঠকৰ দ্বাৰা কৰিব পাৰি। সেইবাবে এই অভিধানখনৰ পৰীক্ষা-নিৰীক্ষাৰ ভাৰ বিজ্ঞতম্ ভাগৱত ভক্তসকলৰ কৰকমলত অৰ্পণ কৰা হ'ল। অভিধানখনৰ শব্দাৰ্থ সংগ্ৰহ কৰোতে কেইবাখনো অসমীয়া অভিধানৰ সাহায্য লোৱাৰ উপৰিও সংস্কৃত, হিন্দী আৰু বঙালী ভাষাৰ অভিধানৰো সহায় লোৱা হৈছে। অৱশ্যে শব্দ চেৰেকৰ নিগম অৰ্থ স্বঅভিজ্ঞতাৰ পৰাও লিখা হৈছে। অভিধানখনৰ অৰ্থ যুগুতোৱাৰ ক্ষেত্ৰত সুপণ্ডিত ড° দেবেন চন্দ্ৰ দাসদেৱে কিছু পৌৰাণিক শব্দৰ অৰ্থ কৈ দিয়াৰ বাবে আৰু ভাতৃসম শ্ৰীমান বসন্ত কুমাৰ দাসে শব্দসমূহ পৰিপাটি কৰি পাণ্ডুলিপি লিখাত সহায় কৰি দিয়া বাবে দুয়োজনাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলো।

অভিধানখনে সুধী সমাজৰ লগতে ভাগৱতপ্ৰেমী ভক্ত সকলৰ নূন্যতম চাহিদা কিছু পৰিমাণে হ'লেও পূৰণ কৰিব পাৰিলে অকিঞ্চনৰ ত্ৰিপ্ৰকাৰ হেপোৰ-তেপোৰ অহেতুক শ্ৰম সাৰ্থক হ'ব।

অভিধানখন কম মূল্যত ছপা কৰি দিয়া বাবে জয়া অফ্‌ছেট প্ৰেছৰ স্বত্তাধিকাৰী আৰু কৰ্মীবৃন্দলৈ ধন্যবাদ থাকিল।

*ওম্ শান্তি, ওম্ শান্তি, ওম্ শান্তি।*


বৈষ্ণৱ সৱৰ চৰণ পখালি
**নীতিবাগীশ উমেশ কলিতা ভাগৱতী**
সাধাৰণ সম্পাদক
অসম সাধু সেৱক সন্মিলনী

ফোন ঃ ৯৮৬৪০-৩৮৬১৪

ওঁ

## ভাগৱত শব্দটিৰ বিশ্লেষণ

চাৰি অক্ষৰযুক্ত 'ভাগৱত' শব্দটিৰ বিশ্লেষণ নানা বৈষ্ণৱ পণ্ডিত সকলৰ লিখনিৰ পৰা এনেদৰে পোৱা যায়—

১। ভা— ভা কাৰং ভাবুক জ্ঞেয়। অৰ্থাৎ ভাবুক হ'বলৈ বা ভাবেৰে বিচাৰি চাবলৈ কৈছে।

গ— গ কাৰং জ্ঞানম্ উদ্ভাৱম্। অৰ্থাৎ জ্ঞানৰ উদ্ভৱ হয়।

ৱ— ৱ কাৰং বৈষ্ণৱ জ্ঞানম্। অৰ্থাৎ বৈষ্ণৱ জ্ঞানৰ কথা কৈছে।

ত— ত কাৰং তত্ত্ব দৰ্শনম্— অৰ্থাৎ তত্ত্ব দৰ্শন বুলিছে।

২। ভা— এই মহান ভাগৱত শাস্ত্ৰই তিনিও লোকক জ্ঞান আলোকেৰে উদ্ভাষিত কৰে বাবে— 'ভা'।

গ— পৰম হংস চূড়ামণি সনকাদি চাৰি সিদ্ধ আৰু দেৱৰ্ষি নাৰদ, শুকদেৱ আদিয়ে অধ্যয়ন কৰে বাবে— 'গ'।

ৱ— এই শাস্ত্ৰত ঋক্, যজুঃ, সাম এই তিনিও বেদৰ তত্ত্ব নিহিত আছে বাবে — 'ৱ'।

ত— এই শাস্ত্ৰই শ্ৰোতা বক্তা সকলোৰে সংসাৰ বন্ধন ত্ৰাণ কৰা কাৰণে— 'ত'।

৩। ভা— ভা দীপ্তৌ সচ্চিদানন্দে— যি সদায় আনন্দ বৰ্দ্ধন কৰি পোহৰ দি থাকে।

গ— গতিৰ্য্যস্য অলৌকিকী— যিহৰ গতি (সোঁত) অপাৰ্থিৱ।

ৱ— ৱৰিষ্ঠম্ সৰ্ব শাস্ত্ৰাণাম্— সকলো শাস্ত্ৰৰ ভিতৰত ই উত্তমোত্তম।

ত— তৰী ইৱ ভৱাৰ্ণৱম্— ই ভৱ সাগৰৰ জীৱ তৰণৰ নৌকা।

৪। ভা— ভাস্কৰ— সূৰ্য, অখণ্ডজ্যোতি, দীপ্তি, স্বপ্ৰকাশ।

গ— গতি— অনন্তধামলৈ।

ৱ— ৱক্ৰাঙ্গ— ৰাজহাঁহ অৰ্থাৎ নীৰ এৰি ক্ষীৰ গ্ৰহণ কৰা (বিদ্যা) জ্ঞান, বুদ্ধি।

ত— তৰণ, উদ্ধাৰ, জীৱন মুক্তি।

৫। ভা— কীৰ্ত্তি, যশস্যা।

গ— গতি, গমন।

ৱ— অভিলষিত, ঈপ্সিত।

ত— তৰিত, বিস্তাৰিত।

---

## প্ৰথম স্কন্ধ

অঙ্কিত- লিখিত; চিহ্নিত; লিখা।

অঙ্কুশ- হাতী চলোৱা আকোঁৰা মাৰি; লাংচিং; গজাকোঁহ, শাসন মাৰি

অঙ্গীকাৰ- প্ৰতিজ্ঞা, স্বীকাৰ, সন্মতি।

অঙ্গুষ্ঠ- বুঢ়া আঙুলি।

অকুলীন- অন্ত্যজ, নীচ জাতি।

অৰ্ঘ্য- পূজাৰ উপকৰণ।

অচিৰ কালতে- অতি সোনকালে।

অৰ্চ্চা- অৰ্চ্চনা; পূজা; উপাসনা।

অৰ্চিলা- পূজিলা, উপাসনা কৰিলা।

অজয়- যাক কোনেও জয় কৰিব নোৱাৰে; অজেয়; অপৰাজয়ী।

অথিৰ- থিৰ নোহোৱা; চঞ্চল; ব্যাকুল।

অৰ্থে- নিমিত্তে, কাৰণে।

অধঃ- তললৈ; নষ্ট।

অধৰ- ওঁঠ; তলৰ ওঁঠ।

অধোমুখে- তললৈ মুখ কৰি থকা।

অনাচাৰী- দুৰাচাৰী; কুকৰ্মত ৰত।

অনাদৰি- আদৰৰ অভাৱ; আওহেলা।

অনুদিনে- সদায়; প্ৰতিদিনে।

অনুৰাগ- আসক্তি; প্ৰেম; স্নেহ; প্ৰীতি।

অনুশোচ- অনুতাপ; কোনো বেয়া কাম কৰাৰ পাচত হোৱা বেজাৰ।

অনুক্ষণে- প্ৰতি মুহূৰ্ত্তে, ঘনে ঘনে।

অন্তক-যম; নাশকাৰী।

অন্তকালে- জীৱনৰ শেষ সময়ত; মৰিবৰ বেলা।

অন্তৰ্দ্ধান- নেদেখা হোৱা; লুকুৱা।

অন্ত্যজাতি- নীচ জাতি; নীচ কুল; অধম জাতি।

অন্তৰ্য্যামী- ঈশ্বৰ, যি অন্তৰৰ কথা জানে, মনৰ সকলো ভাৱ বুজা।

অন্তৰীক্ষ- আকাশ।

অন্তজ্যো- নীচ জাতিও।

অৰ্পণা-নিবেদন।

অৰ্পিয়া- সমৰ্পিয়া।

অপ্ৰয়াসে- চেষ্টা নকৰাকৈ; অনায়াসে; অতি সহজে।

অবধূত- সকলো ধৰণৰ সংস্কাৰমুক্ত সন্ন্যাসী; নাঙঠ; উলঙ্গ।

অবিচ্ছেদ- ছেদ-ভেদ নথকা।

অবিশ্ৰান্ত- বাধা নোহোৱাকৈ; ভাগৰি নপৰা।

অবোধ- মূৰ্খ; অজ্ঞান; অজলা।

অভয়- আশ্বাস; সাহস।

অভিলাষ- ইচ্ছা; হাবিয়াহ; হেপাহ।

অভিষেক- সিংহাসনত বহুওৱাৰ অনুষ্ঠান।

অমৃত- খালে অমৰ হোৱা বস্তু।

অৰবিন্দ- পদুম ফুল; পংকজ।

অৰুণ- সুৰ্য্য, বেলি, ৰঙা।

অলকা- কুবেৰৰ নগৰ।

অলঙ্কৃত- শোভিত; ভূষিত।

অল্পতে- অলপ সময়ৰ ভিতৰতে।

অশ্বত্থ- আঁহত গছ।

অষ্টাদশ- ওঠৰ (১৮)

অসন্ত- অসত্য।

অস্ত- বুৰা; মাৰযোৱা; অদৃশ্য হোৱা।

অহংকাৰ- গৰ্ব্ব; দৰ্প, মই বৰ ভাব।

অহম্মম- অহংকাৰ; গৌৰৱ ভাৱ।

অক্ষৌহিণী- ৬৫,৬১০ ঘোঁৰা; ২১৮৭০ হাতী; ২১৮৭০ ৰথ আৰু ১,০৯,৩৫০ পদাতিকেৰে গঠিত সৈন্য দল।

আউৰ- পুনৰ; আকৌ; আৰু।

আঙ্ক- এওঁক।
আক- ইয়াক।
আকুল- ব্যগ্র, বিয়াকুল, বিতত, অস্থিৰ।
আকুঞ্চিত- কেকোঁৰা, সংকুচিত।
আখি- চকু, নয়ন।
আজানুলম্বিত- আঠুলৈকে ওলমি থকা (হাত)।
আৰ্ত্তনাদ- দুখৰ কান্দোন; আতুৰ কণ্ঠৰ চিঞঁৰ।
আত্ম-ৰাম- যি নিজ গুণৰ পৰা আনন্দ উপভোগ কৰে।
আত্মঘাতী- আপোন-ঘাতী; আত্ম-হত্যাকাৰী।
আদিত্য- সূৰ্য্য; বেলি।
আনৰ্ত্ত- দ্বাৰকা; নৃত্যশালা; মঞ্চ; যুদ্ধ; সমৰ।
আঞ্চলে- কাপোৰৰ আগেৰে।
আমোচন- বন্ধনৰ পৰা মুকলি নোহোৱা, খণ্ডন নোযোৱা।
আৰকত- অৰক্ত; ৰঙা।
আৰাৱ- ধ্বনি।
আল- আলপৈচান।
আলচ- আলোচনা, পৰামৰ্শ; মন্ত্ৰণা।
আলগাই- আলাগতে।
আলাপ- কথা-বতৰা।
আলাস- আকাশ, শূন্য।
আৱেশ- বিহ্বলতা, আসক্তি, গভীৰ মনোযোগ।
আৱেসে- এতিয়াহে।
আশ্বাস- ভৰসা, প্ৰবোধ, সান্ত্বনা, অভয়।
আস্ফালি- তৰ্জন-গৰ্জন কৰি; বীৰত্ব প্ৰকাশ কৰি।
আহাঙ্কো- এওঁকো, ইয়াকো।
আহ্মাৰ- আমাৰ।

আয়ত- বৈ পৰা, দীঘল-চানেকীয়া।
আয়ুপাত- মৃত্যু।
ইন্দ্ৰধনু- ৰামধেনু।
ইন্দ্ৰিয়- বাহ্য বিষয়ৰ জ্ঞান আহৰণ কৰিব পৰা কৰ্ম্ম বা সাধন কৰিব পৰা অংগ বা শক্তি।
ঈষত- অলপ, কিঞ্চিৎ, সামান্য।
উগুল-থুগুল- মনৰ অস্থিৰতা, উচপিচ।
উচপিচ- উগুল-থুগুল, অস্থিৰতা।
উচ্ছেদ- ধ্বংস, বিনাশ।
উচ্ছিষ্ট গৰ্ত্ততো- খাই এৰা বস্তু পেলোৱা গাঁততকৈও।
উৎসুক- উৎসাহী, ব্যগ্ৰ, উৎকণ্ঠিত।
উৎসুকে- আগ্ৰহেৰে।
উত্ৰাৱল- অস্থিৰ, চঞ্চল।
উদৰ- পেট; গৰ্ভ।
উদাস- বিষয়ৰ প্ৰতি বিমুখ, অনুৰাগহীন।
উদিত- প্ৰকাশিত, আবিৰ্ভূত।
উৰ্দ্ধবাহু- ওপৰলৈ হাত দাঙি।
উপগত- উপস্থিত, মৈথুনৰত।
উপনিষদ- বেদৰ ব্ৰাহ্মণ ভাগৰ শেষ অংশ, ব্ৰহ্মবিদ্যা।
উপমা- তুলনা।
উপালম্ভ- উপহাস, তিৰস্কাৰ, বিদ্ৰূপ, দুৰ্বাক্য, গালি।
উলটি- উভতি, আকৌ, পুনৰ।
উশীনৰ- এজন যদুবংশী ৰজা, গান্ধাৰ দেশ।
উৰু- কৰঙণ।
ঋষি- শাস্ত্ৰবিদ, তপস্বী, মন্ত্ৰদ্ৰষ্টা কবি।
উৰু- কৰঙন।
একক্ষণ- একমুহূৰ্ত্ত, অলপ সময়।
এন্তে- এওঁ।



এভৱ- এই সংসাৰ।
ঐকান্তিক- একমনে কাৰ্য্যত লগা, প্ৰগাঢ়।
কঙ্কণ- খাৰু।
কটকটাই- যযুৎসা, যুদ্ধৰ কাৰণে ইচ্ছুক।
কটাক্ষ নয়ন- পোনে পোনে নেচাই বেঁকাকৈ চোৱা; তুচ্ছ জ্ঞান; কোপ দৃষ্টি।
কণ্ঠ- টেঁটু; গল।
কৰ্ণ- কাণ, শ্ৰৱণেন্দ্ৰিয়।
কতিপয়- কিছুদিন।
কদৰ্থি- গালি পাৰি, তিৰস্কাৰ কৰি।
কনক- স্বৰ্ণ; সোণ; হেম; সুৱৰ্ণ।
কপটী- যাৰ মনত কপট বা চাতুৰী ভাৱ আছে।
কৰচ- কৰ্‌কৰ্ শব্দ কৰি চোৱা।
কৰতাল- এচলা বাঁহত খাঁজ কাটি লৈ কড়ি এটাৰে বজোৱা বাদ্য-বিশেষ।
কমল লোচন- পদুমৰ দৰে চকু।
কন্দৰ্প- কামদেৱ; প্ৰেমৰ দেৱতা।
কম্বুকণ্ঠ- শঙ্খৰ পাকৰ দৰে ডিঙিত পথালি আঁচ থকা মানুহ।
কলহ- কাজিয়া; খৰিয়াল।
কলেবৰ- শৰীৰ; দেহ; অৱয়ব, গা।
কক্ষা- দৃঢ় প্ৰতিজ্ঞা; জিদ।
কাউবাউ- বিনয়, মিনতি, কাকুতি।
কাকতুল্য- কাউৰিৰ দৰে।
কাজী- পাকৈত শিপিনী; ব'ব-কাটিব জনা তিৰোতা; ইছলাম ধৰ্মৰ আইন অনুসৰি বিচাৰ কৰোঁতা।
কাঞ্চী- কঁকালৰ পৰা ওলমাই পিন্ধা কেইঁবাগছীয়া হাৰ।
কামী- কামুক, কামাতুৰ, মতলীয়া।
কাম্য- কোনো ফল পাবৰ বাঞ্ছাৰে কৰা।

কাৰ্য্য- সাৰ্থক; কৃতকাৰ্য্য।
কাহাল- কালি সদৃশ; সুষিৰ বাদ্যযন্ত্ৰ।
কাম্পে- কঁপে, অস্থিৰ হয়।
কিঙ্কিণী- ঘুগুৰা।
কিৰিটি- মুকুট, শিৰোভূষণ।
কিশলয়- গছৰ কুমলীয়া পাত।
কিঞ্চিতেকো- নিচেই অকণমানো।
কীৰ্ত্তি- যস; খ্যাতি; যশস্যা।
কীৰ্ত্তন- গুণ-গান গোৱা বৰ্ণনা; যশস্যা; আবৃত্তিকৰণ।
কুণ্ডল- কাণত ওলমাই পিন্ধা এবিধ অলংকাৰ।
কুন্তল- কেশ; চুলি।
কুন্দকড়ি- কুন্দফুলৰ কলি।
কুতৰ্কী- মিছা যুক্তি দেখুৱাই অনৰ্থক তৰ্ক কৰা লোক।
কুবেশ- মন্দ বেশ; বেয়া সাজ।
কুল- বংশ; জাতি।
কুশ- বৰাহৰূপী বিষ্ণুৰ শৰীৰৰ পৰা জন্ম পোৱা এবিধ পবিত্ৰ বন।
কুশিক- বিশ্বমিত্ৰৰ ককাক; গাধিৰ পুত্ৰ, হালৰ ফাল।
কুটিল- বেঁকা, কপটীয়া, খল।
কূটনাট- টুটকীয়া কথা ; লগনীয়া কথা।
কূৰ্ম- কাছ; কচ্ছপ।
কৃতাঞ্জলি- যি হাতযোৰ কৰিছে।
কৃতকৃত্য- কৃতকাৰ্য্য; কৃতাৰ্থ।
কেশৱ- কেশী অসুৰক মাৰোঁতা বিষ্ণু।
কেয়ূৰ- বাজু, বাহুত পিন্ধা এবিধ অলংকাৰ।
ক্লেশ- দুখ, কষ্ট, যন্ত্ৰণা।
কোচতে- কোলাতে।
কোপ- ক্ৰোধ; খং; ৰোষ।

কোপিলন্ত- ক্ৰোধ কৰিলে।
ক্ৰীড়া- খেল-ধেমালি।
ক্ৰন্দন- শোকৰ চিয়ঁৰ, কান্দোন।
ক্ৰোধ- খং; ৰোষ।
কৌস্তুভমণি- বিষ্ণুৰ গলৰ মণি বা মালা।
খটচোৰ- দুষ্টচোৰ।
খসাই- এৰুৱাই তললৈ পেলাই।
খাইলেক- দংশিলে।
খাটে- পালন কৰে; পৰিশ্ৰম কৰে।
খাণ্ডা- ডাঙৰ তৰোৱাল, ডাঙৰ দা।
খনিতেক- খন্তেক, অলপ সময়।
খেদ- দুখ; সন্তাপ; অনুতাপ; আক্ষেপ।
খেৰি- খেলা, তামাছা কৰা।
গণতি- নেওতা; গণনা।
গতি- সিদ্ধি।
গদা- যুদ্ধত ব্যৱহাৰ কৰা দীঘল আৰু শকত লোৰ টাঙোন।
গদাধৰ- বিষ্ণু; শ্ৰীকৃষ্ণ
গৰ্ব্ব- অহংকাৰ; গপ।
গৰ্ভগুটি- গৰ্ভত থকা সন্তান।
গমন- যোৱা কাৰ্য্য; চলন; প্ৰস্থান।
গম্ভীৰ- দ; গহীন, গধুৰ, স্থিৰ।
গহ- গৰ্ব্ব; সাহস; অহংকাৰ।
গাউন- পাতল কাপোৰৰ হলৌ চোলা, উকিলৰ পোছাক-বিশেষ।
গাণ্ডীৱ- অৰ্জুনৰ ধেনুৰ নাম।
গৰিহিত- নিন্দিত; তিৰস্কৃত; নিন্দা যোগ্য; বেয়া।
গৰিহিলা- গৰিহণা দিলা; নিন্দিলা।
গুণি-গান্থি- ভাৱি-চিন্তি; গুণি-গাঁথি।
গোত্ৰ- বংশ; জ্ঞাতি আদি
গোমুখ- গৰুৰ মুখৰ দৰে শঙ্খ সদৃশ এবিধ বাদ্যযন্ত্ৰ।
গোমুখ শঙ্খ- গৰুৰ মুখৰ দৰে শঙ্খ; পবিত্ৰ শঙ্খ।
গোষ্ঠী- জ্ঞাতি; লগা-ভগা; সম্প্ৰদায়।
গ্ৰন্থ- কিতাপ, পুথি।
গ্ৰাম- গাঁও সমূহ।
গ্ৰাম্য- গাঁৱলীয়া, অমাৰ্জিত।
গৌতমী- অহল্যা।
গৌতমী পুত্ৰ- অশ্বত্থামা।
গৌৰ- গেৰুৱা।
ঘাৰ- গলধন; ডিঙিৰ পাছফাল।
ঘোঁটক- ঘোঁড়া, অশ্ব
ঘৰ্ম্মবিন্দু- বীৰ্য্য মিশ্ৰিত ঘাম।
চণ্ড- বৰ খঙাল; বলিয়া; অলপতে খং উঠা।
চণ্ডশাপ- ভয়ানক শাও; মৃত্যুতুল্য অভিশাপ।
চণ্ডাল- প্ৰাচীন কালৰ এটা জাতি; সদাচৰ হীন লোক।
চক্ৰ- চকা; ঘূৰণীয়া চকৰিৰ আকাৰৰ বস্তু।
চক্ৰপাণি- বিষ্ণু; শ্ৰীকৃষ্ণ।
চটক- ঘৰ-চিৰিকা।
চৰণ- ভৰি; পদ।
চড়ি- আগবাঢ়ি; উঠি।
চপয়- স্তৱ বিশেষ।
চতৰ্ভুজ- চাৰিহাত থকা।
চাটবাৰি- আঘাত কৰা মাৰি; বাঁহৰ নিচান।
চানি- জুৰি; আগুৰি; লাগি।
চাপ- ধেনু; ওচৰলৈ আহ।
চাৰু- ধুনীয়া।
চামৰ- চোঁৱৰ; চুঁৱৰী পছুৰ নেজৰ মুঠা।
চিৰঞ্জীৱ- চিৰজীৱী; অমৰ; দীৰ্ঘায়ু।
চিকিমিকি- চিক্‌মিক্ কৰি থকা।
চিহ্ন- চিন।



চেৰী- দাসী।
চেষ্টা- যত্ন; কাৰ্য।
চূড়ামণি- শিৰোমণি; কিৰীটিত পিন্ধা মণি।
চৌণ্ডা- পতাকাত দিয়া চূড়া।
ছত্ৰ- জাপি; ৰদ-বৰষুণৰ পৰা গা ঢকা বস্তু বিশেষ।
ছত্ৰাকৃত- জাপিৰ আকৃতিৰ দৰে ঘূৰণীয়া; ছাতিৰ দৰে।
ছদ্ম- কপট ভাৱ।
ছন্ন- ভংগ।
ছাগ- ছাগলী।
ছাৱাল- শিশু।
ছিণ্ডিল- ছিঙিল।
ছেদ- কাট; দুই বা অধিক খণ্ড কৰ।
ছেদিলা- কাটিলা; অধিক খণ্ড কৰিলা।
জংঘা- কলাফুল; সৰু গাঁঠিৰ ওপৰ আৰু আঁঠুৰ মাজৰ খণ্ড।
জপ- মনে মনে বাৰে বাৰে কৰা ইষ্টমন্ত্ৰাদিৰ উচ্চাৰণ।
জড় পিশাচ- ভূত; প্ৰেত; কুৰূপ; অনাচাৰী লোক।
জলাঞ্জলি- তৰ্পণ; শৱ-শৎকাৰৰ পাছত প্ৰেতাত্মাৰ উদ্দেশ্যে দিয়া পানীৰ আঁজলি।
জম্বুদ্বীপ- প্ৰাচীন ভাৰতবৰ্ষ; পৃথিৱীৰ সাত খণ্ডৰ মাজৰ খণ্ড।
জাঁজি- জাঁজৰি; উটি অহা কাঠ; বাঁহ; ইকৰা খাগৰি আদিৰ থূপ।
জাজ্বল্য- অতি স্পষ্ট; বৰকৈ জিলিকি থকা।
জাত- যি জন্মিছে; যি উৎপন্ন হৈছে।
জানু- আঁঠু।
জাম্পে- জাপ মাৰি; ডেও দি, লাফ মাৰি।
জীৱ- প্ৰাণী, প্ৰাণ, দেহধাৰী আত্মা।
জুৰি- চানি।
ঝৰে- টোপ-টোপকৈ সৰি পৰে; ক্ষৰিত হয়।
ঝাণ্টে- তৎক্ষণাৎ।
টাটেক নাটেক- এই আছে এই নাই।
টেণ্টন- ঠগ; সিয়ান মানুহ; টেটোন।
ডগৰ/দগৰ- খঞ্জৰি; এটা মূৰ খোলা আৰু আনটো মূৰ ছালেৰে ছোৱা হাতত লৈ বজোৱা এবিধ সৰু বাদ্য।
ডাক- চিয়ঁৰি মাতা মাত; ডাঙৰকৈ মাতা।
ডাবৰ- মুখ ধোৱাৰ বাবে ব্যৱহৃত পাত্ৰ; তৰোৱালৰ খাম।
ডিণ্ডিম- ঢোল জাতীয় বাদ্য যন্ত্ৰ।
ঢক্কা- হাতৰ তলুৱাৰে পিঠিত কৰা আঘাত; চাপৰ; ঢকা।
ঢোল- কাঠ খুলি দুই মূৰ জন্তুৰ ছালেৰে ছোৱা ডিঙিত ওলোমাই বজোৱা এবিধ বাদ্য।
তৰ্কিবে- চকুৰে মনিব; বুজিব।
তত্ত্ব- সত্য; মূল কথা; পাৰমাৰ্থিক জ্ঞান।
তনু- দেহ; শৰীৰ।
তপ- শৰীৰক কষ্ট দি কৰা দেৱতাৰ আৰাধনা।
তপত- গৰম, তপত অৱস্থাত; তপস্যাত।
তপতে- গৰমে, উষ্ণ।
তপস্যাত- শৰীৰক দুখ দি কৰা দেৱতাৰ সাধনাত।
তবধ- তধা, আচৰিত হৈ মাত।
তমাল- নীল বৰণীয়া তাল।
তড়িত- বিজুলী।
তৰুণ- ডেক; যুৱা।
তৰুণ-অৰুণ- নতুনকৈ উদয় হোৱা সূৰ্য্য।
তৰো- উদ্ধাৰ পাও।
তক্ষক- পৰীক্ষিত ৰজাক খুঁটিওৱা এটা বিষাক্ত সাপ; নাগ।

তপ্তি- শান্ত হৈ।
তাঙ্ক- তাক; তেওঁক।
ত্রাণ- নিস্তাৰ, উদ্ধাৰ; ৰক্ষা।
তান্তপৰে- তেওঁৰ বাহিৰে।
তাৰক- ৰক্ষা কৰোঁতা; উদ্ধাৰ কৰোঁতা।
তাৰো- তাত।
তাব্রদেকে- তেতিয়ালৈকে।
ত্রাস- ভয়; অনিষ্টৰ আশংকা।
তাসাম্বাৰ- তেওঁলোক।
তিৰস্কাৰ- ভৎর্সনা; নিন্দা; অপমান।
তিনিওলোক- ত্রিভুবন; স্বৰ্গ, মর্ত্য, পাতাল।
তিলেক- খন্তেক; অতি অলপ সময়।
তিমিত- তিতিল।
তীক্ষ্ণ- চোকা, ধাৰ থকা।
তুৰঙ্গম- ঘোঁৰা, অশ্ব।
তুল- তুলাচনী; তুলনা।
তৃষ্ণাতুৰ- পিয়াহত কষ্ট পোৱা।
তেজ- শোণিত; শক্তি; পৰাক্রম।
তেহ্ - তেৰ; ১৩।
ত্যাজিলন্ত- ত্যাগ কৰিলে; এৰিলে।
দণ্ড- শাস্তি, জগৰৰ নিমিত্তে দিয়া পীড়া; জৰিমনা।
দণ্ডপাট - লাঠিৰ দৰে দীঘল হৈ মাটিত পৰি কৰা প্রণাম।
দংশন- খোঁট; দাঁতেৰে কামোৰ।
দশন- দাঁত, দন্ত।
দক্ষিণ পশে- সোঁফালে।
দিব্য চক্ষু- পাৰমার্থিক দৃষ্টি; পৰম জ্ঞান।
দীপ- চাকি; প্রদীপ।
দুর্জন- দুষ্ট লোক; বেয়া মানুহ।
দুতি - দ্বিতীয়!
দুন্দুভি- ডাঙৰ নাগেৰা; ঢোল; দবা।
দুৰন্ত- দুর্দান্ত; দমাব নোৱাৰা।
দুর্দ্দৈৱ-বেয়া কপাল; দুর্ভাগ্য।
দুৰ্ব্বোধ- যিটো বুজা টান।
দুর্ম্মতি- বেয়া-ইচ্ছা; কুমতি; দুর্বুদ্ধি।
দুষ্কৰ- কঠিন; কৰিবলৈ টান।
দুষ্মহ- দুঃসহ; ভীষণ; কঠোৰ; প্রচণ্ড।
দোহন- গাই দোৱা।
দৈৱজ্ঞ- গণক; জ্যোতির্বিদ।
দ্রৱে- পনীয়া হয়; জুলীয়া হয়; গলিত হয়।
দ্রোণী- দ্রোণ পুত্র অশ্বত্থামা; এবিধ জলপাত্র।
ধৰণী- পৃথিৱী; মর্ত্ত্যলোক; ধৰাতল।
ধ্বজ- পতাকা; জয়-ধ্বজা।
ধ্বনি- শব্দ; ব্যঙ্গ্যার্থ।
ধর্ম্মিষ্ঠ- ধর্মশীল; ঈশ্বৰ পৰায়ণ।
ধৱল- বগা; শ্বেত; শুক্ল।
ধান্ধা- চিন্তা; ভাবনা; উদ্দেশ্য।
ধাৰণা- বোধ; চিত্তৰ একগ্ৰতা; কল্পনা।
ধূম্র- ধোঁৱা; পাপ; দোষ।
ধূম্রবর্ণ- ধোঁৱা বৰণীয়া বর্ণৰ
ধূসৰ- ছাই বৰণ।
ধেনু- পোৱালি; হোৱা গাই; গাৱীৰতি গাই; এটা সিকি মূল্যৰ পৰাচিত।
ধোকোচাই-আফাল মাৰি; আছাৰ মাৰি।
ধ্যান- গভীৰ চিন্তা, ৰূপ চিন্তন।
নট- নর্ত্তক; অভিনেতা।
নতু- কেতিয়াও।
নর্ত্তকী- নাচনী।
নৱ- নতুন।
নৱনিধি- নৱবিধ ভকতি, নৱৰত্ন; একেলগে গঁথা নবিধ মণি।
নয়নৰ নীৰ- চকুৰ পানী, নেত্ৰ জল।
নাথ- গৰাকী, প্রভু, স্বামী।
নাসা- নাক; নাসিকা।



নাশ- শেষ; ধ্বংস।
নিকাল- বাহিৰ কৰ; খেদাই দি।
নিকাৰ- দুখ; কষ্ট।
নিগ্রহ- দমন; শাসন।
নিগ্ৰহিলা- দমন কৰিলে; নিয়ন্ত্রণ কৰিলে।
নিজম- মিহি; খহটা নোহোৱা; শীতল; সমান।
নিত- নিতৌ।
নিতে- সদায়; নিতৌ।
নিতি- সদায়; প্রতিদিনে; নিতৌ।
নিদ্রা- টোপনি; ঘুমটি।
নিবর্ত্তাইলা- প্রৱর্ত্তাইলা, প্রবৃত্ত কৰাইলা।
নির্ম্মূল- নাশ; শিপাৰে সৈতে লুপ্ত; সমূলি নষ্ট।
নিৰন্তৰে- নেৰানেপেৰাকৈ, অবিচ্ছিন্নভাৱে।
নিৰেখি- নিৰীক্ষণ কৰি।
নিৰোধ- ভেঁটা; বাধা; আটক কৰি ৰখা কার্য্য।
নিৰীক্ষি- দুৰৈৰ পৰা চোৱা; পৰীক্ষা কৰি; দৃষ্টি কৰি।
নিশৱদ- নিস্তব্ধ; হাই নথকা; অমাত।
নিশা- ৰাতি; ৰজনী; নিশি।
নিষ্পন্ন- সম্পন্ন; সমাপ্ত; সিদ্ধ।
নিষ্পাপ- পাপ শূন্য; পৱিত্র।
নিষ্ঠ- সত্য।
নিস্তাৰক- উদ্ধাৰক।
নূপুৰ- জুনুকা।
নেৰন্তি- নেৰে।
পঙ্কজ- পদুম; পদ্ম।
পঞ্চসূনা- (উদকুম্ভ) পানীৰ কলহ, (চুল্লা) চৌকা, (কণ্ডনী) ঢেকী, (পেষণী) পটা, (উপস্কন) বাঢ়নী।
পছোৱা- এবিধ চেলেং; পাছৰা।
পটন্তৰ- উদাহৰণ; যোজোনা।
পদ্ম- পদুম, পঙ্কজ।
পন্থ- বাট; পথ; সম্প্রদায়।
পদ্মিনী- সুলক্ষণা; সুন্দৰী নাৰী।
পৰম- উত্তম, শ্ৰেষ্ঠ, চৰম।
পৰমপদ- উত্তম গতি, মুক্তি।
পৰতেক- প্ৰত্যেক।
পশিলা- সোমালা, ভিতৰলৈ গ'লা।
পৰায়- প্ৰায়।
পশুপতি- শংকৰ, মহাদেৱ; ভোলানাথ।
পক্ষপাত- এক পক্ষত থাকি আন পক্ষৰ প্ৰতি বিপক্ষ আচৰণ কৰা।
পয়াৰ- ছন্দত লিখা কবিতা।
পর্য্যটি- ঘূৰি ফুৰি; ভ্ৰমণ কৰি।
পাঞ্চজন্য শঙ্খ-পঞ্চজন্য নামৰ এটা দত্য তিমিমাছ ৰূপ ধৰি সাগৰত আছিল। তাৰ অস্থিৰ পৰা হোৱা শঙ্খ।
পাঞ্চালী- দ্রৌপদী
পাঞ্চিলেসে- কামলৈ পঠিয়ালেহে।
পাণ- তামোলৰ লগত চোবাই খোৱা এবিধ লতাৰ পাত।
পান- পি খোৱা কার্য।
পান্তি- শ্রেণী, শাৰী; লানি।
পাদপদ্মমধু- পদুম ফুলৰ দৰে চৰণৰ অমৃত।
পাদোদক- পদ-জল; ভৰি ধোৱা পানী।
পাৰিজাত- স্বর্গৰ ইন্দ্ৰৰ বাগিচাৰ এবিধ ফুল।
পাদ্য- ভৰি ধুবৰ বাবে দিয়া পানী।
পাপ- অধর্ম, দোষ, অসৎ কার্য্য।
পাৰিষদী- লগৰীয়া; সভাসদ; স্বর্গৰ দূত।
পালটি- ওলটি; ওভতি।
পাষণ্ড- অনাচাৰী মানুহ; অধার্মিক; দুৰাচাৰ।

পাসি- পাহি।
পিণ্ড- মৃতকৰ উদ্দেশ্যে দিয়া গুড়; গাখীৰ আৰু কলৰে সনা অন্নৰ লাৰু, গোলাকাৰ বস্তু, দেহ।
পীতবস্ত্ৰ- হালধীয়া কাপোৰ।
পীড়িল- অতিশয় কষ্ট দিয়া।
পীড়া- কষ্ট; ৰোগ; ব্যাধি; বেদনা; উপদ্ৰৱ।
পুণ্য- ধৰ্ম, সৎকৰ্ম, পবিত্ৰ।
পুৰন্দৰ- ইন্দ্ৰ, দেৱৰাজ।
পুৰী- নগৰ, জগন্নাথ ক্ষেত্ৰ।
পুলক- আনন্দ।
পুলকিত- আনন্দত গাৰ নোম শিয়ঁৰা; আকুলিত।
পুষ্প- ফুল।
পুষ্পুক- কুবেৰৰ আকাশ গামী ৰথ।
প্ৰকটি- বহলাই।
প্ৰণাম- সেৱা, নমস্কাৰ।
প্ৰণিপাত- ভূমি ছুই কৰা সেৱা; মাটিত দণ্ডৱত হৈ কৰা প্ৰণাম।
প্ৰবন্ধে- যত্নে।
প্ৰত্যক্ষ- চকুৰে দেখা; দেখাদেখি।
প্ৰবোধ- শান্তনা; বুজনি।
প্ৰমত্ত- বলিয়া; মতলীয়া; ভ্ৰান্ত।
প্ৰলয়- সৃষ্টিৰ সম্পূৰ্ণ ধ্বংস; নাশ; পইমাল; সংহাৰ।
প্ৰয়াণ- মৃত্যু; পৰলোক প্ৰাপ্তি; মৰণ; প্ৰস্থান।
প্ৰায়শ্চিত্ত- পৰাচিত।
বঞ্চিত- প্ৰতাৰিত; ফাকিত পৰা; নিৰাশ।
বজ্ৰ- ইন্দ্ৰৰ অস্ত্ৰ-বিশেষ; শত্ৰু নিধন অমোঘ অস্ত্ৰ।
বৰ্ত্তুল- ঘূৰণীয়া।
বদন- মুখ, মুখ-মণ্ডল।
বধূ- বোৱাৰী; কইনা।
বৰ্য্য- প্ৰসিদ্ধ; শ্ৰেষ্ঠ।
বল্লভ- প্ৰিয়জন; স্বামী।
বলিষ্ঠ- আটাইতকৈ বলী।
বশ্য- যি আনৰ দাস বা তলতীয়া হয়।
বক্ষস্থল- বুকু; হৃদয়।
বহ্নি- জুই; অগ্নি।
বাণী- কথা; উক্তি; উপদেশ পূৰ্ণ কথা।
বাঞ্ছা- ইচ্ছা; প্ৰবৃত্তি।
বাঘজৰী- ৰথত জোৰা ঘোঁৰাৰ লেকাম।
বাৰ্ত্তাকু- বেঙেনা।
বাতুল- পগলা; বলিয়া।
বাপ- ঈশ্বৰ; পিতা; গুৰু সজ্জনক কৰা সম্বোধন।
বামপাশে- বাওঁফালে।
বাহ্- বাৰ; ১২
বিকল- অচল; ঘূৰ্ণীয়া; বিকৃত; বিহ্বল; বিজুতি ঘতা।
বিকৃত- বিকাৰ প্ৰাপ্ত; দোষযুক্ত।
বিঘাত- বিঘিনি; বিপদ; বিঘ্ন; অনিষ্ট।
বিঘ্নি- ব্যাঘাত; বিঘিনি।
বিচাট- বিৰক্তি; মানসিক অশান্তি, শোকজনিত বৈৰাগ্য।
বিচিত্ৰ- নানা-বৰণীয়া, মনোহৰ; সুশোভন।
বিজুলীপ্ৰায়- খন্তেকীয়া পোহৰ।
বিজুলীচমক- ক্ষণস্থায়ী উচপ বা চ'ক।
বিত্ত- বিত; ধন।
বিদিত- জ্ঞাত; প্ৰখ্যাত; অৱগত; যি জানিছে।
বিমৰিষি- চিন্তা ভাৱনা কৰি।
বিৰকতি- অসন্তোষ জনক, বিষয়ৰ প্ৰতি স্পৃহাহীন।
বিৰস্ময়- দুৰ্গতি হোৱা; দুৰাৱস্তা হোৱা।



বিদূৰ- দূৰলৈ; আঁতৰলৈ।
বিপাক- সঙ্কট; এৰাব নোৱাৰা লেঠা; দুৰ্ভোগ; পৰিণাম।
বিপ্ৰ- ব্ৰাহ্মণ।
বিলাপ- বিননি; খেদ প্ৰকাশ।
বিলম্ব- পলম; বেলি।
বিশিষ্ট- শ্ৰেষ্ঠ, অসাধাৰণ।
বিহ্বল- বিবশ; আতুৰ; ভয়ত অভিভূত।
বিষ্ণুৰাত- পৰীক্ষিত।
বীজ- গুটি; বীৰ্য, শুক্ৰ
বীৰাসন- সোঁ-ভৰি বাঁও উৰুত, বাওঁ ভৰি সোঁ উৰুত ৰাখি আসন গ্ৰহণ কৰা।
বৃকোদৰ- ভীম, বায়ু নন্দন।
বৃত্তান্ত- বৰ্ণনা; বাৰ্ত্তা; ঘটনা।
বৃষভ-ষাঁড় গৰু; বৃষ; ভতঁৰা গৰু।
বেকত- ব্যক্ত; দৃশ্যমান; প্ৰকাশ।
বেদান্ত- উপনিষদ; বেদৰ মত অনুসৰি এজনা পৰমেশ্বৰৰ উপাসনাৰ বিধান কৰা শাস্ত্ৰ।
বোম্বালে- ধাৰাসাৰে।
ব্ৰহ্মঋষি- জিতেন্দ্ৰিয় আৰু তপস্যাত ৰত ব্ৰাহ্মণ বা ঋষি।
ব্ৰহ্মজ্ঞান- ব্ৰহ্ম বিষয়ক জ্ঞান, পৰমেশ্বৰক জানা।
বৈকুণ্ঠ- ভয় ৰহিত স্থান; বিষ্ণুৰ বাসস্থান; মায়াশূন্য ঠাই।
বৈৰাগ্য- সুখৰ বাঞ্ছা এৰি ঈশ্বৰত মন লগোৱা কাৰ্য্য; সংসাৰৰ প্ৰতি বিৰাগ।
বৈষ্ণৱ- বিষ্ণুৰ উপাসক; বিষ্ণুপূজক সম্প্ৰদায়।
ভণে- কয়; কোৱা।
ভাট- স্তুতি পাঠক।
ভাণ্ডাৰ- ভঁৰাল; যি কোনো বস্তুৰ সংৰক্ষণৰ ঠাই।
ভাৰত যুদ্ধ- কৌৰৱ আৰু পাণ্ডৱৰ মাজত হোৱা যুদ্ধ; কুৰুক্ষেত্ৰ যুদ্ধ।
ভিণ্ঠিৰো- স্বৰ্গৰো।
ভীতি- ভয়; ত্ৰাশ; শঙ্কা।
ভীষ্মগতি- পৰম গতি।
ভুকুতি- ভক্তি; ঈশ্বৰত পৰম অনুৰাগ।
ভুঞ্জি- ভোগকৰি।
ভুনি- ধুতি; চুৰিয়া।
ভেট- আগচি ধৰ; আগুৰ।
ভোল- মুগ্ধ, বিস্মৃত, মোহিত।
ভ্ৰৱ- চেলাউৰি।
ভ্ৰষ্ট- পতিত হোৱা; নষ্ট হোৱা; নিষ্ফল; যি অধঃপাতে গৈছে।
ভৃত্য- চাকৰ; দাস; লগুৱা।
মকৰ-কুণ্ডল- মকৰৰ (ঘৰিয়াল) আকৃতিৰ কুণ্ডল।
মদন- কন্দৰ্প; কামদেৱ; অতনু; ৰতিপতি।
মল- শৌচ; বিষ্ঠা; গূ।
মৎস্য- মাছ
মদ্য- মদ; সুৰা; ফটিকা।
মধু- মৌ; এজন পৰাক্ৰমী দত্য; মকৰন্দ।
মৰ্ত্ত্যলোক- পৃথিৱী; ভুৱন।
মনস্কাম- মনৰ কামনা।
মন্দকৰ্ম- বেয়া কৰ্ম; অকৰ্ম।
মন্দমতি- মূৰ্খ; বুদ্ধিহীন।
মৰ্ম্ম- সন্তাপ; শোক।
মহন্ত- ধৰ্মগুৰু; ঈশ্বৰ ভক্তলোক; বিষয় মুক্ত লোক।
মহাগহ- অতিগৰ্ব্ব; অধিক অহংকাৰ।
মহাক্লেশ- অসন্তোষ।
মহাশ্ৰান্ত- ভাগৰত লাল কাল হৈ।
মহাহৰি- হৰিৰো হৰি; এতেকে পৰম ব্ৰহ্ম।

মানসপুত্র- মনৰ পৰা ওপজা পুত্ৰ।
মানুষ- মনুষ্য; মানৱ।
মায়া- ঈশ্বৰৰ যাদুকৰী শক্তি।
ম্লেচ্ছ- অনাৰ্য্য; সদাচাৰ বৰ্জিত লোক।
মীমাংসকে- মীমাংসা দৰ্শনবাদী।
মুণ্ড- মূৰ; শিৰ; মস্তক।
মুণ্ডি- খুৰাই।
মুনিন্দ্ৰ- মুনি সকলৰ ভিতৰত শ্ৰেষ্ঠ; শুকদেৱ।
মুৰ- বিষ্ণুৰ দ্বাৰা নিহত এটা প্ৰতাপী দৈত্য।
মূষিক- এন্দুৰ; নিগনি; চোৰ।
মুষ্টি- মুঠি; আঙুলি জপোৱা হাত; ভুকু।
মুমূৰ্ষু- মৰাৰ তুল্য।
মূঢ়মতি- নিৰ্বোধ; মূৰ্খ।
মোক্ষ- মুক্তি, নিৰ্বাণ; সংসাৰ বন্ধনৰ পৰা মোচন।
মোক্ষ ধৰ্ম- পৰম গতি পোৱা ধৰ্ম; নিৰ্ব্বাণ পথ।
মৃণাল- পদুমৰ কোমল ঠাৰি।
মৃগেন্দ্ৰ- সিংহ।
মৃদঙ্গ- এবিধ খোলৰ নিচিনা বাদ্য; ঢোল জাতীয় বাদ্য।
ম্ৰিয়মাণ- মুমূৰ্ষু; মৰাৰ তুল্য।
যজ্ঞ- বৈদিক অনুষ্ঠান-বিশেষ।
যৱ- যৱ ধান, এবিধ শস্য।
যশ- খ্যাতি; গৌৰৱ; সুনাম; কীৰ্ত্তি।
যাগ- যজ্ঞ; হোম।
যোগ- ঈশ্বৰত মনৰ সংযোগ; নিস্কাম সাধনা।
যদ্যপি- যদিও।
ৰতি- আসক্তি; কামভাৱ; মৈথুন।
ৰবি- সূৰ্য্য; বেলি।
ৰসজ্ঞ- ভক্তিৰস আস্বাদানকাৰী।
ৰাজঋষি- ঋষিৰ দৰে সদায় দেৱতাৰ উপাসনা কৰা আৰু জিতেন্দ্ৰিয় ৰজা।
ৰাজসূয় যজ্ঞ- নিজৰ কৰতলীয়া ৰজাবিলাকক নিমন্ত্ৰণ কৰি তেওঁলোকৰ পৰা কৰ লৈ কৰা যজ্ঞ।
ৰাতুল- ৰঙা; ৰক্ত।
ৰিণিঝিণি- অস্পষ্টকৈ; অলপ অলপ।
ৰিপু- শত্ৰু; অশুভ প্ৰবৃত্তি। কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য্য।
ৰোমাঞ্চিত- পুলকিত; বিস্মিত।
ৰোল- হাই-উৰুমি; চিঞৰ বাখৰ, উচ্চ-ৰৱ; কোৰ্হাল।
লম্পট- কামুক; দুশ্চৰিত্ৰ, দুষ্ট।
লয়- ধ্বংস, নাশ; বিনাশ।
লাঞ্জকাটা- নিলাজ, অতি দুষ্ট; নিধক।
লোকৱৰ্ত্তি-শাস্ত্ৰ- লোক সাধাৰণৰ মাজত জনপ্ৰিয় আৰু বহু প্ৰচাৰিত দৰ্শন শাস্ত্ৰ আদি।
লোকবৰ্ত্তি- জনশ্ৰুতি; লোক প্ৰবাদ।
লোটে- মাটিত লাগি চুচৰি যোৱা।
লোটাৰি- মাটিত বাগৰি বাগৰি।
লোতক- চকুপানী; অশ্ৰু।
লীলা- ক্ৰীড়া; কেলি; বিলাস।
লুলে- দোলে।
শঙ্কা- ভয়; সংশয়, আশংকা।
শঙ্খ- কম্বু।
শঠ- প্ৰবঞ্চক, প্ৰতাৰক, খল।
শৰণ- আশ্ৰয়; দোহাই; বৈষ্ণৱ ধৰ্মৰ দীক্ষা।
শলকা- শেল; হুল; দুৱাৰ মৰা ডাং মাৰি।
শৱদ- ধ্বনি, মাত, শব্দ।
শয্যা- বিছনা; শোৱা পাটী।
শচী- ইন্দ্ৰৰ ভাৰ্য্যা।



শশী- চন্দ্ৰ, শশধৰ; জোন।
শায়ক- কাঁড়; বাণ; শৰ।
শাস্তা- শাস্তি দিওতা।
শিৰ- মূৰ; মস্তক; মুণ্ড।
শিৰচ্ছেদ- মূৰ কটা কাৰ্য্য।
শিষ্ট-শান্ত- ভদ্ৰ; নম্ৰ; মাৰ্জিত; সুশীল।
শিঁহৰি- ক্ষুদ্ৰ শিপা; সূতাৰ নিচিনা মিহি শিপা।
শূদ্ৰ- বৰ্ণাশ্ৰম ব্যৱস্থা অনুসৰি চতুৰ্থ বৰ্ণ; অশৰণীয়া লোক।
শৌচ- বাহ্যিক শুচিতা, মলত্যাগ, বিষ্ঠা।
শ্ৰৱণ- শুনা।
শ্যাম- ক'লা, মেঘ বৰ্ণ, কৃষ্ণবৰ্ণ।
শ্ৰী-শোভা; লাৱণ্য; আয়ুস; সৌভাগ্য, সম্পত্তি; লক্ষ্মী; ধৰ্ম; বেলগছ।
ষড়শ- ১৬ সংখ্যক; যোল।
সঙ্কট- বিপদ; আপদ; টান।
সঞ্চাৰ- গমন; চলন।
সঙ্গম- একলগ হোৱা অৱস্থা; মিলন; শৃঙ্গাৰ।
সঙ্কোচ- কুণ্ঠা; আশঙ্কা; দোধোৰ-মোধৰ।
সঞ্জাত- বিশ্বাস; প্ৰত্যয়; সঁজাত; পতিয়ন।
সচকিত- চমকিত; শঙ্কিত।
সদয়- দয়ালু; মৰমীয়াল; সন্তুষ্ট।
সত্বৰে- শীঘ্ৰে; বেগতে; সোনকালে।
সনাতন- সত্য; শাশ্বত; প্ৰাচীন; পুৰণি; চিৰস্থায়ী।
সনিয়া- কঁকালত বান্ধা এক প্ৰকাৰ কাপোৰ।
সন্নিত- ওচৰ; নিকট।
সন্নিধান- ওচৰ; সান্নিধ্য।
সন্ন্যাসী- ভিক্ষু, সংসাৰ ত্যাগী; বৈৰাগী।
সন্তাপ- শোক; মনৰ দুখ; ক্লেশ; মনস্তাপ।
সব্যসাচী- বাওঁ হাতেৰেও ধনু কাঁড় চলাব পৰাৰ বাবে অৰ্জুনৰ আন এটা নাম।
সমাধি- গভীৰ ধ্যান; কবৰ।
সমীপ- ওচৰ; নিকট।
সমীপতে- ওচৰতে; নিকটতে।
সেৱলি- সেৱা।
সম্যক- উত্তমৰূপে; সম্পূৰ্ণৰূপে।
সৰি- ভঠেলিৰ এটা নাম।
সসাগৰা- সাগৰৰ পৰ্যন্ত।
সম্বল- সমল; অৱলম্বন; খৰচ-পাতি।
সম্বাদ- বাতৰি।
সলোতক- চকু দুটা লোতকেৰে তিতিছে; চকুপানীৰ সৈতে।
সম্পজিল- উপজিল; জন্মিল।
সম্ভ্ৰম- সন্মান- সমাদৰ; মৰ্য্যাদা।
সাম্প্ৰত- বৰ্ত্তমান; এতিয়া।
সাতোমাতৃ- শ্ৰীকৃষ্ণৰ সাতজনী মাতৃ- বৃকদেৱা, উপদেৱা, দেৱৰক্ষিতা, শ্ৰীদেৱা, শান্তিদেৱা, সহদেৱা, ৰোহিনী আৰু দৈৱকী।
সাম্ফল- সফল।
সাৰথি- ৰথৰ চালক; সংগী।
সালঙ্কৃত- অলংকাৰযুক্ত; ভূষিত।
সিঞ্চে- ছটিয়াই দিয়ে; উলিয়াই পেলায়।
সিন্ধু- সাগৰ, অৰ্ণৱ।
স্থিতি- অৱস্থান; বিদ্যমানতা।
সৃষ্টি- নিৰ্মাণ; সঁজা কাৰ্য্য।
সুকুমাৰ- বৰ কম বয়সীয়া; সুন্দৰ।
সুচান্দ- ধুনীয়া মুখ; শুৱনী মুখ।
সুৰ- স্বৰ, নিয়ন্ত্ৰিত ধ্বনি, দেৱতা; সূৰ্য্য
সুৱৰ্ণ- সোণ; স্বৰ্ণ; কনক; কাঞ্চন।
সুৱলিত- শুনিবলৈ মিষ্ট; সুশ্ৰাব্য; মধুৰ।
সুত- পুত্ৰ; ঋণৰ ৰাঢ়ি, বিয়াজ।
সূত- পুৰাণ শাস্ত্ৰৰ বক্তা; লোম হৰ্ষনৰ পুত্ৰ।

স্বধর্ম- আত্মাৰ ধৰ্ম, আপোনাৰ ধৰ্ম।
স্বস্থ- সুস্থ; স্বাভাৱিক; প্ৰকৃতিস্থ।
স্বাদ- সোৱাদ; আস্বাদ।
স্ফূৰ্ত্তি- আনন্দ, ৰং-তামাছা।
স্রবন্তে- বৈ পৰোঁতে।
হংস- হাঁহ।
হৰিষি- আনন্দ মনে; হৰষি।
হুমহুমি- দূৰৈৰ পৰা শুনা মেঘ আদিৰ গাজনিৰ দৰে শব্দ।
হৰৈ- হৰণ কৰে; চুৰ কৰে।
হৃষীকেশ- ইন্দ্ৰিয়ক জয় কৰোতা, শ্ৰীকৃষ্ণ, বিষ্ণু।
হস্তী- হাতী; গজ; কৰী; কুঞ্জৰ।
হুয়া- পায়া।
ক্ষীণ- কৃশ; দুৰ্বল; শৰ্ণ।

## দ্বিতীয় স্কন্ধ

অঙ্গদ- বালিৰ পুতেক।
অৰ্চ্চন-অৰ্চ্চনা- পূজা; উপাসনা।
অৰ্চা- খোৱাৰ পিছত মুখ ধোৱা।
অনুপম- নিৰুপম; অতুলনীয়।
অনুৰাগ- স্পৃহা; আসক্তি; প্ৰেম।
অপাৰ- ইপাৰ-সিপাৰ বিহীন।
অপেশ্বৰী- স্বৰ্গৰ নাচনী; উপদেৱী।
অবস্তুক- অসত্য বস্তুক।
অবিশ্ৰাম- অবিৰত; যাৰ জিৰণি নাই।
অভিলাষ- ইচ্ছা; হেপাহ; কামনা; হাবিয়াহ; বাঞ্ছা।
অলকা- কপালত ওলমি থকা কেঁকোৱা চুলি।
আকাশীবাণী- দৈৱবাণী।
আখণ্ডল- ইন্দ্ৰ; দেৱৰাজ।
আজগদং- শিৱধনু; পিনাক; ত্ৰিশূল।
আধাৰ- আশ্ৰয়; পাত্ৰ; স্থান।
আন্তৰীয়া- ভিতৰত পিন্ধা কাপোৰ।
আৰ্ত্তৰাৱ- আৰ্ত্তনাদ; আতুৰ কণ্ঠৰ চিঞঁৰ; দুখৰ কান্দোন।
আলপন- আলোচনা; কথা বতৰা।
আৱে- এতিয়া।
আশ্ৰয়- সহায়; ৰক্ষক; ৰক্ষাৰ ঠাই; অৱলম্বন; জীৱবোৰে ভগৱানত লোৱা শৰণ।
আৰৈচাউল- নিসিজোৱা ধানৰ চাউল।
ইন্দ্ৰমখ- ইন্দ্ৰৰ বাবে কৰা যজ্ঞ।
ইষ্টদেৱ- নিজে উপাসনা কৰা দেৱতা।
ঈশান- ভগৱান আৰু ভক্তৰ আখ্যান যুক্ত চৰিত্ৰ; মহাদেৱ; শিৱ; ব্ৰহ্মঃ।
ঈষত- অলপ; সামান্য।
উতি- কৰ্ম্ম বাসনা।
উপনিকা- পাতনি; ভূমিকা।
এসম্বাক- এওঁলোকক।
কঙ্ক- বগলী, ভেশচন ধৰা ব্ৰাহ্মণ; যুধিষ্ঠিৰৰ এটা ছদ্ম নাম।
কঙ্কণ- খাৰু; হাতৰ বাউসিত পিন্ধা অলংকাৰ।
কণ্টক- কাঁইট।
কন্দৰ্প- কামদেৱ; মদন।
কপট- চাতুৰী; প্ৰতাৰণা।
কমনি- কমোৱা কাৰ্য্য।
কলসী- কলহ; কুম্ভ।
কল্যাণ- মঙ্গল; কুশল; নিৰোগ অৱস্থা।
কম্বুকণ্ঠ- শঙ্খৰ দৰে গল।
কটিতটে- কঁকালত।
কৰীকৰ- হাতীৰ শুৰ; শুণ্ড।
কাকুতি- মিনতি; প্ৰাৰ্থনা; বন্দনা; স্তুতি।
কামদেৱ- কন্দৰ্প; পুৰুষ তিৰোতাৰ প্ৰেমৰ অধিকাৰী দেৱতা।



কিঞ্চিত- সামান্য; নিচেই অকণমান।
কিন্নৰ- কিম্পুৰুষ; ঘোঁৰাৰ দৰে মুখ আৰু মানুহৰ দৰে শৰীৰেৰে দেৱলোকৰ এজাতি গায়ক।
কিৰাত- জাতি-বিশেষ।
কিৰিটি- ৰজা বা দেৱতাৰ মূৰত পিন্ধা ভূষণ; মুকুট।
কুটুম্ব- জ্ঞাতী; একে বংশৰ মানুহ।
কুণ্ডল- কাণত ওলোমাই পিন্ধা এবিধ অলংকাৰ; লোকাপাৰ।
কুলদেৱতা- কৃষ্ণ।
কুৰাচ- আনৰ দোষ ৰটনা কৰি ফুৰা জাতি বা লোক।
কূৰ্ম্ম- কাছ; কচ্ছপ।
খঞ্জন- বালিমাহী চৰাই।
খৰ- শীঘ্ৰ; বেগী; দদ্ৰু; গাধ; অনাবৃষ্টি; এবিধ চৰ্ম্মৰোগ।
খুণ্টা- কাম।
গজপতি- গজেন্দ্ৰ।
গন্ধৰ্ব- স্বৰ্গৰ গায়ক; এক শ্ৰেণীৰ দেৱ যোনি প্ৰাণী।
গৰুড়কেতু- কৃষ্ণ; বিষ্ণু।
গৃধ্ৰ- শগুণ।
গোৰইন্দ্ৰ- প্ৰধান ইন্দ্ৰ।
গোৱাল- গৰু ৰাখোঁতা; গৰু চৰাওঁতা।
ঘ্ৰাণ- গোন্ধ; গন্ধ।
ঘৃত- ঘিউ; ঘী।
ঘোটক- ঘোঁৰা; অশ্ব।
ঘোষ- ঘোষণা।
চণ্ডাল- প্ৰাচীন কালৰ এটা জাতি; সদাচাৰ হীন লোক।
চতুঃশ্লোক- নাৰায়ণে পদ্ম কল্পত ব্ৰহ্মাক কোৱা ভাগৱতৰ চাৰি শ্লোক। জ্ঞান, বিজ্ঞান তদং, ৰহস্য।
চন্দ্ৰমা- জোন; চন্দ্ৰ; শশধৰ, ইন্দু।
চামৰ- চোঁৱৰ; চুঁৰৰী পহুৰ নেজৰ নোমেৰে কৰা।
চাৰণ- গন্ধৰ্ব বিশেষ; গৰু আদি চৰোৱা কাৰ্য্য।
চাম্পদি- থাপ মাৰি।
চাৰিবেদ- ঋক্, যজুঃ, সাম অথৰ্ব।
ছত্ৰ- ছাতি।
ছালিলা- ছলনা কৰিলা; প্ৰতাৰণা কৰিলা।
ছিড়ি- তাত বওঁতে সূতাৰ মাজত দিয়া চেপেটা বাঁহ।
জঙ্ঘা- সৰু গাঁঠিৰ ওপৰ আৰু আঠুৰ মাজৰ খণ্ড; কলাফুল।
জঁটা- জঁট; এডালৰ গাত আনডালৰ্ মেৰ খোৱা চুলি বা শিপা।
জঙ্গম- গতি কৰা; লৰি চৰি ফুৰা।
জপ- মনে মনে বাৰে বাৰে ইষ্ট মন্ত্ৰাদিৰ উচ্চাৰণ।
জানু- আঁঠু।
জীৰ্ণ- হজম হোৱা; পৰিপাক হৈ শৰীৰৰ পুষ্টি সাধন কৰা।
ঝুৰায়- চেঁচা কৰি; শীতল কৰি।
টীকা- অৰ্থৰ সংক্ষেপ ব্যাখ্যা।
ডাকিলন্ত- চিয়ঁৰি মতা মাত।
তপ- শৰীৰক কষ্ট দি কৰা দেৱতাৰ আৰাধনা।
তন্তু- সূতা।
তৰঙ্গ- ঢৌ; ঊৰ্মি।
তড়িত- বিজুলী; তৰিত।
ত্ৰাণ- উদ্ধাৰ; ৰক্ষা; নিস্তাৰ।
ত্ৰিভুবন- স্বৰ্গ, মৰ্ত্ত্য, পাতাল।
তুচ্ছ- নগণ্য; নীচ; অকামিলা।
তুৰুক- তুৰস্ক দেশৰ মোচলমান জাতি।

তপোধন- তপস্বী; মুনি ঋষি; নাৰদ।
ত্যাজি- ত্যাগ কৰি।
দণ্ড- লাঠি টোকোন; শাস্তি; জৰিমনা।
দত্ত- দান কৰা; যিটো দিয়া হৈছে।
দধি- দৈ গাখীৰ।
দ্বাৰী- দুৱৰী; দাৰোৱান; প্ৰহৰী।
দুগ্ধ- এৰা গাখীৰ।
দূৰ্ব্বা- দুবৰি বন।
দূষণ- দোষ দিয়া বা ধৰা কাৰ্য্য।
দুস্ত্যজ- এৰিবলৈ টান।
ধোবা- কাপোৰ ধুই জীৱিকা নিৰ্বাহ কৰা লোক।
নতি- নমস্কাৰ; সেৱা; প্ৰণাম।
নন্দন- পুত্ৰ; স্বামীৰ ভায়েক; নন্দেক।
নাটয়- নুকুলায়; নোযোৱে।
নিকাৰ- দুঃখ; কষ্ট; যাতনা; যন্ত্ৰণা।
নিকালি- বাহিৰ কৰি।
নিখিল- সমুদায়; গোটেই; কোনো অংশ এৰা নপৰা।
নিৰ্গত- নিলাজ; অপমানলৈ ভয় নকৰা।
নিপাতিলা- বধ কৰিলা।
নিবাৰ- বাৰণ কৰ; বাধা কৰ; নিষেধ কৰ।
নিৰ্ব্বাণ- ধ্বংস; গমন; তিৰোভাৱ।
নিস্তাৰহেতু- উদ্ধাৰৰ বাবে।
নিৰুপম- অতুলনীয়; যাৰ তুলনা নাই।
নিৰোধ- জগতৰ বিপৰীত গতিক আৰু লোকৰ অপশক্তিক অৱৰোধ কৰা কাৰ্য্য; আটক কৰি ৰখা কাৰ্য্য।
নিয়ম- বিধি; ব্যৱস্থা; নীতি; দস্তুৰ।
নৈকেশী- ৰাৱণৰ মাক।
পদৰজ- ভৰিৰ ধূলি।
পৰবাসী- নিজ ঘৰত বাজে আন ঠাইত থকা।
পৰমহংস- মহাযোগী; সমস্ত ইন্দ্ৰিয়ক দমি সংসাৰৰ বাসনা ত্যাগ কৰা যোগী।
পৰমাৰ্থ- শ্ৰেষ্ঠ জ্ঞান; পৰমেশ্বৰ বিষয়ক জ্ঞান।
পৰমায়ু- জীয়াই থকা কাল।
পটাপো- পটাগুটি।
পতিত- পাপী; ভ্ৰষ্ট মানুহ, ছন পৰি থকা।
পৰিহাস- ঠাট্টা; ধেমেলীয়া কথা।
পয়োসাৰ- প্ৰবেশ।
পাতকী- পাপী; অধৰ্ম্মী।
পাস্তি- শাৰী; শ্ৰেণী।
পামৰ- পাপী; অতি নীচ; নৰাধম।
পাৱন- উদ্ধাৰ কাৰী; পবিত্ৰকাৰী।
পঞ্চভূত- ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম্।
পাঞ্চিলেক- পাচিলে।
পিশাচ- ভূত; প্ৰেত।
পীত- হালধীয়া।
পুটী- কৌপীন; লেংটি।
পুলক- ৰোমাঞ্চ; আনন্দ।
পুলকিত- আনন্দত গাৰ নোম শিয়ঁৰা।
প্ৰকটি- প্ৰকাশিত; ওলাই থকা; উলিয়াই দি।
প্ৰজাপতি- ব্ৰহ্মা; চতুৰানন।
প্ৰণতি- প্ৰণাম; মিনতি; নমস্কাৰ।
প্ৰত্যক্ষ- চকুৰে দেখা; ইন্দ্ৰিয়ৰ দ্বাৰা উপলব্ধ।
প্ৰপঞ্চ- বিকাশ; বিস্তৃত বিৱৰণ; বহল ব্যাখ্যা।
প্ৰসাদত- কৃপাত, দেৱতাক নিবেদন কৰা খাদ্যত।
প্ৰতিনিত- সদায়; প্ৰতিদিন।



প্ৰকৃতিৰ গুণ- সত্ত্ব, ৰজ, তম, ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম ইত্যাদি।
প্ৰেত- মৰা মানুহৰ আত্মা; পিশাচ।
পোষণ- পোহপাল বা প্ৰতিপালন কৰা।
ফল্গু- গয়াতীৰ্থৰ অন্তঃসলিলা নদী।
বন্দুলি- ৰঙা আৰু বগা দুই ধৰণৰ ফুলৰ এবিধ ফুল গছ।
বলি- ছেদন; উছৰ্গা; ত্যাগ।
বস্তক- সত্যবস্তক।
বৎস- গৰু ম'হৰ পোৱালি।
বাউল- উন্মত্ত, বলিয়া, পাগল।
বাছৰু- দামুৰি, গৰু পোৱালি।
বামন- বাওনা, কঁটীয়া মানুহ।
বাৰ্ত্তা- বাতৰি; খবৰ, সমাচাৰ।
বিচক্ষণ- নিপুন; পাৰ্গত; দক্ষ।
বিপঞ্চি- বিস্তৃতভাৱে বৰ্ণনা কৰি কোৱা।
বিৱক্ষা- কবলৈ ইচ্ছা; কামনা।
বিসৰ্গ- বাসনা বিশিষ্ট সৃষ্টি; বিকিৰণ।
বিষ্ঠা- শৌচ; মল; গু।
বিঘাত- বিঘিনি, অনিষ্ট, বিপদ; ব্যাঘাত।
বিদ্যাধৰ- গন্ধৰ্ব্ব।
বিলাস- সুখভোগ; আৰাম।
বিহাৰ- আনন্দ মনেৰে কৰা ভ্ৰমণ; ধেমালি।
বিঘিনি- বিপদ, বাধা; সংকট, আপদ।
বিধি- ব্ৰহ্মা; বিধাতা; আইন।
বিষ্ণুৰাত- পৰীক্ষিত।
বিচ্ছেদ- এৰা-এৰি; বিয়োগ; বিৰহ।
বৃত্তি- ব্যৱসায়, জীৱিকা; জলপানি; গুণ; ধৰ্ম।
বৃষ- ষাঁড়; বৃষভ; ভঁতৰা গৰু।
বেকত- বিদিত; প্ৰকাশিত।
ব্যোম- আকাশ; গগন।
বৈকুণ্ঠ- বিষ্ণুৰ বাসস্থান; ঈশ্বৰ।
ভকত বৎসল- ভকতৰ প্ৰিয়; ভকতৰ প্ৰতি দয়ালু।
ভাথি- ভাতী; ধাতু গঢ়া শালৰ জুই জলোৱা যতন।
ভাষ্য- টীকা; টিপ্পনী; অৰ্থপ্ৰকাশ।
ভুঞ্জে- ভোগ কৰে; ভক্ষণ কৰে।
ভূত- পিশাচ; উপদেৱতা; অতীত কাল।
ভূপ- ৰজা; নৃপ; নৃপতি।
ভৃত্য- চাকৰ; দাস; নফৰ।
মকৰন্দ- ফুলৰ মৌ।
মধু- মৌ।
মধুকৰ- মৌমাখি।
মন্বন্তৰ- একোজন মনুৰ ৰাজত্ব কাল।
মমতা- মায়া; মোহ; মৰম; স্নেহ।
মন্দিৰা- সৰু খুটিতাল; মঞ্জিৰা।
মহিপাল- ৰজা; ভূপতি; নৃপতি।
মঞ্জীৰ- এবিধ নেপুৰ।
মুকুতি- আত্যন্তিক প্ৰলয়ৰ পৰা ৰক্ষা; উদ্ধাৰ; পৰিত্ৰাণ।
মুহুৰ্ত্তে- ক্ষণিকতে; সোনকালে।
মূত্ৰ- প্ৰস্ৰাৱ; মূত।
মৃদু- ধীৰ; কোমল; অলপীয়া।
মৃগমদ- কস্তুৰী।
মৃণাল- পদুমৰ কোমল ঠাৰি।
ম্লেচ্ছ- অনাৰ্য্য; সদাচাৰ বৰ্জিত লোক।
যবন- পশ্চিমৰ পৰা ভাৰতলৈ অহা সকলো অহিন্দু জাতি; ব্যভিচাৰী লোক।
যম- সত্য; অহিংসা; আস্তেয়; ব্ৰহ্মাচৰ্য্য; অপৰিগ্ৰহ; মৰণৰ দেৱতা।
যশস্যা- যশ; খ্যাতি; গৌৰৱ; সুনাম।
যক্ষ- একশ্ৰেনীৰ প্ৰেত, যখ; অতি কৃপণ লোক।
যাতহন্তে- যাৰপৰা।
ৰকত- তেজ, ৰঙা।

ৰশ্মিপুঞ্জ- পোহৰৰ ছটা; পোহৰ ৰাশি।
ৰহিত- ৰদ; স্থগিত; পৰিত্যক্ত।
ৰাক্ষস- মানুহ খোৱা এবিধ বনৰীয়া মানুহ; ভাল বেয়াৰ বিচাৰ নকৰি পেটত ধৰে মানে খোৱা মানুহ।
ৰুদ্র- শিৱ, মহাদেৱ; ভৰ্গ; নাভ্যঃ।
ৰোমাঞ্চিত- গাৰ নোম শিঁয়ৰি উঠা।
লৱণু- মাখন।
ললিত- সুন্দৰ, মনোহৰ, চাৰু।
লাৱণ্য- শৰীৰৰ কান্তি, শৰীৰৰ শোভা।
শঙ্কিত- ভীতিগ্রস্ত; ভয়প্রাপ্ত।
শকট- গাড়ী, বাহন
শৰাসন- ধনু; ধেনু।
শালি- ৰোপিত মাটিত ৰোৱা ধান।
শিফা- গছৰ মূল; শিয়া।
শীঘ্রে- বেগাই; খৰ গতিৰে; দ্রুততাৰে।
শীল- সাধু আঁচৰণ; সৎ স্বভাৱ; প্রবৃত্তি।
শূকৰ- বৰাহ; বৰা।
শৃগাল- শিয়াল।
শৃঙ্গাৰ- ৰতিক্রিয়া; মৈথুন; আদি ৰস।
শ্বেতছত্র- বগা ছাতি।
শ্রৱণ- শুনা কাৰ্য্য; কাণ; শ্রৱণেন্দ্রিয়।
শ্রীবৎসপান্তি- শ্রীকৃষ্ণৰ বুকুত থকা নোমৰ চকৰ।
শ্রোতব্য- শুনিব লগীয়া।
স্বৰ্গ- সৃষ্টি।
সবাহাঙ্কো- সকলোকে।
সাঙ্গে- সম্পূৰ্ণকৈ।
সাতলোক- ভূঃ ভুৱঃ, স্বঃ, জন, মহঃ, তপঃ সত্য।
সাম্ফল- সফল; কৃতকাৰ্য্য; ফলবান।
স্থান- বিবাত পুৰুষৰ নিৰূপিত স্থল; য'ত কোনো বস্তু থাকে।
স্থাৱৰ- একে ঠাইতে স্থিৰে থকা; অচল।
সিদ্ধ- সাধনাৰ ফলত অলৌকিক শক্তি পোৱা; সিজা; সফল; পূৰ্ণ।
সুকুমাৰ- বৰ কম বয়সীয়া; অতিশয় কোমল; সুন্দৰ।
সুধাংশু- চন্দ্র; ইন্দু; জোন; নিশাকৰ; শশধৰ; শশী; শশাঙ্ক।
সুৰঙ্গ- পৰ্ব্বতৰ মাজেদি কাটি উলিওৱা বাট; সুৰুঙা।
সুললিত- সুকুমল; অতি মনোহৰ; ধুনীয়া।
স্থূল- শকত; পুষ্ট; মোটা।
সূক্ষ্ম- অতি সৰু; বৰ মিহি।
সেব্য- সেৱনীয়।
স্রৱে- ক্ষৰিত হয়।
ষড়দৰ্শন- সাংখ্য; পাতঞ্জল; পূৰ্ব্ব মীমাংসা; বেদান্ত বা উত্তৰ মীমাংসা; বৈশেষিক; ন্যায়।
ষড়ৰ্ঘে- পূজাত ছয় বিধ দ্রব্যৰে অৰ্ঘ্য দিয়া- তুলসী; আৰৈ চাউল; ফুল; চন্দন; দুবৰিবন আৰু পানী।
হাম্ফুলিয়া- দুই বাহু মেলি আগবাঢ়ি গৈ আকোঁৱালি ধৰা কাৰ্য্য।
হিয়ে- বুকুত; হিয়াত।

## তৃতীয় স্কন্ধ

অঙ্গদ- বাহুত পিন্ধা এবিধ অলংকাৰ।
অঙ্গন- চোতাল।
অণ্ড- কণী; ডিমা।
অণ্ডজ- কণীৰ পৰা জন্ম।
অতসীপুষ্প- তিচী গছৰ ফুল।
অদ্বৈত- ভেদশূন্য, দ্বিতীয়হীন।
অধিষ্ঠান- নগৰ; ঠাই লোৱা; প্রভাৱ; প্রভুত্ব।



অনাচাৰী- আচাৰ বিচাৰ নমনা।
অনাদি- যাৰ আদি নাই।
অনাদিপাতন- ভগৱানৰ জগত সৃষ্টি।
অনিন্দিত- যি নিন্দাৰ পাত্র নহয়; যাৰ দুৰ্নাম নাই।
অন্তৰ্ভুক্ত- ভিতৰত নাইবা মাজত থকা।
অন্তৰ্যামী- যি অন্তৰৰ কথা জানে; ঈশ্বৰ।
অন্তৰীক্ষ- আকাশ, গগন।
অনুজ্ঞা- আদেশ, হুকুম।
অনুব্রত- পুণ্যৰ কাৰণে উপবাসৰে কৰা লঘুব্রত।
অনুচৰ- লগুৱা, লগৰীয়া।
অনুত্তৰ- উত্তৰ নোপোৱা; বাক্‌ৰুদ্ধ।
অনুৰাগ- আসক্তি, প্রেম. ভালপোৱা ভাৱ।
অপেস্বৰা- সৰগৰ নাচনী; ধুনীয়া তিৰোতা।
অবগাই- বিবেচনা কৰি।
অৱধান- মনোযোগ, কাণপাতি শুনা কাৰ্য্য।
অবধূত- সংসাৰ মায়ামুক্ত; সন্যাসী।
অৱনত- নম্র; যি মূৰ দোৱাই আছে; যি সেও মানিছে।
অবিচ্ছেদে- বিচ্ছেদ নোহোৱাকৈ।
অবিদ্যা- অজ্ঞানতা; বিদ্যাহীনতা; মায়া; প্রকৃতি।
অবিনাশী- যাৰ বিনাশ নাই।
অভাগী- ভাগ্য শূন্য; দুৰ্কপলীয়া।
অভিচাৰ- অনিষ্টকৰণ, হিংসা।
অভিনন্দা- প্রশংসা।
অভিলাষ- বাঞ্ছা, ইচ্ছা, স্পৃহা।
অভ্যন্তৰে- ভিতৰলৈ; অন্তঃপুৰলৈ।
অম্বৰ- কাপোৰ; আকাশ।
অৰুণ- সূৰ্য্য; বেলি; দিবাকৰ।
অলকা- কপালত ওলমি থকা কেকোঁৰা চুলি।
অশ্বত্থ- আঁহত গছ।
অসূয়া- পৰশ্রীকাতৰ, ঈৰ্ষা।
অষ্টবসু- আপ, ধ্রুৱ, সোম, অনিল, অনল, ধৰ, প্রত্যুষ, প্রভাস।
অষ্টাদশ পুৰাণ- ব্রাহ্ম, পদ্ম, শিৱ, মৎস্য, বিষ্ণু, স্কন্দ, কূৰ্ম্ম, গৰুড়, মাৰ্কণ্ডেয়, বামন, বৰাহ, অগ্নি, লিঙ্গ, ভৱিষ্য, ব্রহ্মাণ্ড, নাৰদীয়, ব্রহ্মবৈবৰ্ত্ত, ভাগৱত।
অহংকাৰ- গৰ্ব, মই-বৰ ভাৱ, দৰ্প।
আহম্মম- মই বৰ ভাৱ; অহংকাৰ।
অহোৰাত্র- এদিন এৰাতি।
অয়ন- সূৰ্যৰ গতিপথ; গতি।
আকুঞ্চিত- কেঁকোৰা; কোঁচখোৱা।
আক্রান্ত- যাক আক্রমণ কৰা হৈছে; অভিভূত; পৰাস্ত।
আটাই- সকলো; সমুদাই।
আটোপ- গৰ্ব্ব; দম্ভ।
আঠপ্রহৰত - এক দিন এক ৰাতি।
আদিত্য- সূৰ্য্য; দিবাকৰ; ৰবি।
আধাৰ- আশ্রয়; পাত্র; স্থান।
আন্তাই- ভাগ কৰি; ভগাই।
আপদিয়া- আলপৈচান; প্রতিপাল।
আপদলম্বিত- ভৰিলৈকে ওলোমা।
আপ্যায়নী নাৰী- শক্তিদায়ক নাড়ী।
আৰ্ত্তস্বৰে- শোক দুখ আদিৰ উত্তেজনা।
আৰাক- এওঁক; এওঁলোকক।
আলতা- লাৰ পৰা কৰা ৰঙা ৰং।
আলয়- সদৃশ, আশ্রয়স্থল; ঘৰ।
আলম- অৱলম্বন; আশ্রয়।
আৰৱ- আৰু।

আহ্লাদ- আনন্দ; ৰং, হৰ্ষ।
আহুতি- হোম; হোমৰ জুইত উছৰ্গা কৰা দ্ৰব্য; অৰ্পণ।
ইদানীকো- এতিয়াও; এই সময়তো।
ইক্ষু- কুঁহিয়াৰ।
উথলয়- ওফন্দি উঠা।
উচ্ছ্রিত- ওখ।
উচ্ছিষ্ট- অৱশেষ খাই এৰা বস্তু।
উদৰ- পেট; গৰ্ভ।
উদ্ভিদজ- উদ্ভিদৰ পৰা মাটি ভেদ কৰি ওলোৱা।
উপৰাম- আনন্দ; সন্তোষ।
উপাধি- খিতাপ; সন্মান বুজোৱা নাম; মায়া।
উপেক্ষা- তুচ্ছজ্ঞান; অনাদৰ; ঘৃণা।
উলঙ্গত- গাত কাপোৰ নথকা; নঙঠা হৈ।
উল্লাস- আনন্দ; আমোদ; ৰং।
উষ্ণ- তাপ; তপত।
উৎপল- ভেটফুল; পদুম ফুল।
উৰ্ম্মি- পানীৰ ঢৌ।
একদণ্ড- ষাঠি নিশ্বাস।
একলে- অকলে।
একপ্ৰহৰ- ১৬ দণ্ড।
এসম্বাত- এওঁলোকত।
ঐষিক- মহাভাৰতৰ এটা উপপৰ্ব।
ওৰ- অন্ত; শেষ, সীমা, চৰাই জন্তু আদিৰ যোৰ অৱস্থা।
ওবা- হেৰা; সম্বোধন কৰা মাত।
কঙ্কণ- এবিধ খাৰু; হাতৰ বাউসিত পিন্ধা অলংকাৰ।
কটাক্ষে- চকু কেৰাহি কৰা দৃষ্টি।
কতিপয়- অলপমান; কিছুমান।
কদলী- কলগছ; ধ্বজা।
কদৰ্থিলে- গালি পাৰিলে; নিন্দা কৰিলে।
কণ্ঠ- টেঁটু; ডিঙিৰ সমুখৰ ভাগৰ ওপৰছোৱা।
কন্দৰ্প- কামদেৱ; প্ৰেমৰ দেৱতা।
কনক- এবিধ ফল।
কপট চাতুৰী- প্ৰতৰণা।
কপটী- যাৰ মনত কপট ভাৱ থাকে।
কপিত্থ- ঔ টেঙা।
কবচ- বৰ্ম; তাবিজ; মাদলি।
কভু- কেতিয়াও।
কৰতাল- হাত তলুৱা।
কৰীকৰ- হাতীৰ শুৰ।
কড়া- কাঢ়ি নিব খোজা।
কগুৱাই- বিচাৰি; খুজি।
কম্বুগ্ৰীৱ- শঙ্খৰ দৰে তিনিটা পথালি আঁচ থকা ডিঙি।
কলুষ- কলঙ্ক; পাপ; মলিনতা।
কংসাল- অতি খঙাল।
কহ্লল- পানীৰ খলকনি; ডাঙৰ ঢৌ; কলৰৱ।
কাক- কাউৰি।
কাকূতি- স্তুতি; মিনতি; প্ৰাৰ্থনা; বন্দনা।
কৰ্ণিকা- পদুম ফুলৰ চকা; কাণৰ এবিধ অলংকাৰ।
কাষ্ঠা- ১৮ নিমিষ পৰিমাণ।
কাচিলে- সাঁজ-পাৰ পিন্ধিলে; শেষ সীমা।
কামাতুৰ- কামাৰ্ত; কামৰ দ্বাৰা পীড়িত।
কামাগ্নি- কাম বাসনা।
কালান্তক- যি জীৱন অন্ত কৰে; মহা ভয়ঙ্কৰ; ভীষণ।
কাঞ্চন- সোণ; এবিধ ফুল।



কাঞ্চী- কঁকালৰ পৰা ওলমাই পিন্ধা কেইবাগছীয়া হাৰ।
কান্তি- পোহৰ; শোভা; জেউতি; দীপ্তি; লাৱণ্য।
কাৰ্পূণ্য- কাতৰতা।
কায়- দেহ; শৰীৰ।
কিঙ্কৰ- দাস; চাকৰ; নফৰ; অনুচৰ; বন্দী।
কিঙ্কিনী- ঘুণুৰাৰ মালা; ঘুণুৰা।
কিশলয়- গছৰ কুঁহিপাত।
কিঞ্চিত- অলপমান; সামান্য।
কিৰিটি- মুকুট; ৰজা বা দেৱতাৰ মূৰত পিন্ধা আৱৰণ।
কিম্পুৰুষ- কিন্নৰ।
কীট- সৰুপোক; কৃমি; পেলু।
কুটুম্ব- জ্ঞাতি; কুটুম।
কুটিল- বেঁকা; কপটীয়া; দুষ্ট।
কুণ্ঠৰীয়ামাল- যুঁজিবলৈ ইচ্ছুক; মাঁৰো মাৰোঁকৈ থকা।
কুৰঙ্গনয়নী- হৰিণা পহুৰ দৰে চকু।
কুতৰ্ক- মিছা যুক্তি দেখুৱাই কৰা অনৰ্থক তৰ্ক।
কুন্দ- এবিধ বগা বৰণীয়া ফুল; খৰিকা জাই।
কুন্দকৰি- কুন্দ ফুলৰ কলি।
কুন্দকলি- মিহি বগা পাহি থকা এবিধ সুগন্ধি ফুল।
কুন্দ্ৰাক্ষৰজাল- বতাহ আৰু পোহৰ সোমাবলৈ বেৰত কৰা সৰু বিন্ধা; সৰু গবাক্ষ।
কুম্ভ- কলহ; হাতীৰ মূৰৰ টেমুনা।
কুম্ভস্থল- মূৰৰ টেমুনা।
কুল- বংশ; জাতি; লাৱণ্য।
কুলাঙ্গাৰ- বংশৰ কলঙ্ক।
কুমাৰ- বালক; কম বয়সীয়া ল'ৰা; মাটিৰ পাত্ৰ গঢ়োঁতা।
কুশল- কল্যাণ; মঙ্গল; নিৰাপদ।
কুষ্মাণ্ড- কোমোৰা; ৰঙালাউ।
কুহুৰি- কুহু কুহু শব্দ কৰি।
কুক্ষি- গৰ্ভ; পেটৰ ভিতৰ।
কূৰ্ম্ম- কাছ; কচ্ছপ।
কুৰুবৰ্য্য- বিদুৰ; কৌৰৱ সকলৰ ভিতৰত শ্ৰেষ্ঠ।
ক্ৰূৰ- নিৰ্দ্দয়; দয়াহীন; নিষ্ঠুৰ।
ক্ৰূৰমতী- কাঠচিতীয়া; নিৰ্দ্দয় মনৰ স্ত্ৰী।
কৃতাঞ্জলি- হাতযোৰ কৰা; কৰযোৰ কৰা।
কৃতিপদ- কৰ্মৰ সুভ ফল বা পদবি।
কৃমি- পোক; পেলু; কীট।
কৃশ- খীণোৱা; সৰু; লেতেৰা।
কৃশোদৰী- খীণ পেটৰ বেমাৰী।
কেঞ্চু- কেঁচু।
কেয়ূৰ- বাজু; বাহুৰ অলংকাৰ।
কৈতভমৰ্দ্দন- কৈটভ অসুৰক নিধন কৰোঁতা বিষ্ণু।
কৌতুহল- জানিবৰ আগ্ৰহ; ঔৎসুক্য।
কৌস্তুভ- শ্ৰীকৃষ্ণৰ ডিঙিত পিন্ধা মণি বিশেষ।
খৰ্ব্ব- সৰু; ক্ষুদ্ৰ; অহংকাৰী; গৰ্ব্বী।
খড়্গ- তৰোৱাল, ডাঙৰ জীঘল দা; খৰগ।
খোঞ্চা- জোঙা বস্তুৰে আঘাত কৰা; খোঁচা।
গগন- আকাশ; নভোমণ্ডল।
গজপতি- শ্ৰেষ্ঠ হাতী; ঐৰাৱত; গজেন্দ্ৰ।
গঙ্গোদক- গঙ্গাৰ পানী।
গণ্ড- গাল।
গণ্ডস্থল- গাল।
গৰ্ব্ব- অহংকাৰ; গপ।
গম্ভীৰ- গহীন স্বভাৱৰ; গভীৰ; দ।
গমন- গতি; যোৱাকাৰ্য; সহবাস।

গাত্ৰ- শৰীৰ; দেহ; গা।
গৰিষ্ঠ- বৃহত্তম; বৰমান্য; গুৰুতম।
গিৰিধাৰী- পৰ্ব্বত ধাৰণ কৰোতা শ্ৰীকৃষ্ণ।
গুঞ্জ- লাতুৰ মণি; কাঁচ মণি।
গুঞ্জৰে- গুণ গুণ শব্দ কৰে।
গুলাল- ৰাম তুলসী।
গূঢ়- গুপ্ত; অপ্ৰকাশিত; দুৰ্বোধ।
গৃহী- গৃহবাসী; গৃহাশ্ৰমী।
গেহে- গৃহ; ঘৰত।
গোধিকা- গুঁই; এক নক্ষত্ৰ মণ্ডল।
গোধিকাৰ পুচ্ছ ভাগ- গুঁই সাপৰ নেজৰ ফাল; আকাশৰ উত্তৰ দিশ।
গোপবধূ- গুৱাল স্ত্ৰী; বোৱাৰী।
গোময় পিণ্ড- গোবৰ মিশ্ৰিত শৰাধ।
গৌৰাঙ্গ তনু- গৌৰ বৰ্ণৰ শৰীৰ; বগাৰে মিহলি ৰঙা ৰঙৰ দেহ।
ঘৃত- ঘিউ; ঘী।
চটক- ঘৰ-চিৰিকা; চকমকনি।
চৰণ- ভৰি; পদ।
চড়াই- ওপৰত তুলি।
চণ্ডী- পাৰ্ব্বতী; অনাচাৰী।
চটুৰা- ফুচুলা; মিছা প্ৰশংসাকাৰী; চাটুকৰ।
চন্দ্ৰমুখ- বৰ শুৱনি মুখ।
চৰ্ম্মজৰী- জন্তুৰ ছালৰ জৰি; ছালৰ ৰচি।
চাটু- ফুচলনি; মিছা প্ৰশংসা; তোষামোদ।
চাৰু- ধুনীয়া; উত্তম; সুন্দৰ।
চাবুক- কোবাবৰ বাবে টান জৰি বা ছালেৰে গোঁঠা সৌকা; বেত।
চিদানন্দ- নিত্য আনন্দ।
চিবুক- থোঁতোৰা; থুঁতুৰি।
চাৰি আশ্ৰম- ব্ৰহ্মাচৰ্য্য, গাৰ্হস্থ্য, বানপ্ৰস্থ, সন্ন্যাস বা যতী।
চাৰিবেদ- ঋক ; যজুঃ; সাম; অথৰ্ব; শ্ৰুতিবোৰ।

চাৰিসিদ্ধ- সনক, সনৎকুমাৰ, সনন্দ, সনাতন।
চাহন নাযায়- চাব নোৱাৰি।
চৌকছ- নিপুণ; পাৰ্গত।
চূৰ্ণীকৃত- গুৰি কৰা।
চৈধ্যশাস্ত্ৰ- চাৰিবেদ, শিক্ষা, কল্প, জ্যোতিষ, মীমাংসা, ভাগৱত, ব্যাকৰণ, পুৰাণ, নিৰুক্ত, ছন্দ, স্মৃতি।
চৌপাশে- চাৰিওফালে।
চৌবিশতত্ব- পঞ্চমহাভূত, পঞ্চতন্মাত্ৰ, পঞ্চ কৰ্মেন্দ্ৰিয়, পঞ্চ জ্ঞানেন্দ্ৰিয়, মন, বুদ্ধি, চিত্ত, অহংকাৰ।
ছদ্ম- নিজক লুকুৱাবলৈ লোৱা আন বেশ; কপট ভাৱ।
ছৱাল- শিশু ; লৰা।
ছয়চক্ৰ- মূলাধাৰ, স্বাধিষ্ঠান; মনিপুৰ, অনাহত, বিশুদ্ধ, আজ্ঞাচক্ৰ।
ছেদা- কাটা; অধিক খণ্ড কৰা।
ছেদিও- অধিক খণ্ড কৰিও; কাটিও।
ছন্ন- নষ্ট; অমান্য।
জৰায়ুজ- গৰ্ভৰ পৰা ওপজা।
জলবুদবুদ- পানীৰ বুৰবুৰণি; জলবিম্ব।
জল্প- কথা; মিছা তৰ্ক।
জড়- বুঢ় হ; অচেতন।
জংঘা-কলাফুল; সৰু গাঠিৰ ওপৰ আৰু আঠুৰ মাজৰ খণ্ড।
জাজ্বল্য- বৰকৈ জিলিকি থকা; অতি উজ্বল।
জীৰ্ণ- হজম হোৱা; পৰিপাক হৈ শৰীৰৰ পুষ্টি সাধন কৰা।
জোগৃহে/জতুগৃহে- লাৰে সঁজা ঘৰ।
ঝলমল- চক্‌মক্‌; তিৰবিৰ।



টল্‌বল্‌- তিৰবিৰ; জলমল; কঁপনি।
টঙ্কাৰ- ধেনুৰ গুণ টানি এৰি দিলে হোৱা শব্দ।
টাই- বৰ কথা; ওফাইডাং মৰা কথা; শক্তি।
টুটি- কমি; খীণাই; হ্ৰাস হৈ; ক্ষয় হৈ।
ডাকি- ডাঙৰকৈ মাতা।
ডাকিল- উচ্চ শব্দ কৰি মাতা।
ডাটি- ডাঠকৈ; দৃঢ়ভাৱে; বলেৰে।
ডাড়িলন্ত- ভয়খালে; ত্ৰাসিত হোৱা।
ডুগডুগ- ডম্বৰুৰ শব্দ বিশেষ।
ঢক্কা- চাপৰ; হাতৰ তলুৱাৰে পিঠিত কৰা আঘাত।
ঢেল- চকুৰ বগা ভাগ।
তনু- দেহ; শৰীৰ; গা।
তনয়- পুত্ৰ।
তমাল- তঙাল; জৰিৰ দৰে ব্যৱহাৰ কৰা আৰ্পইতা বাঁহৰ কাঠি।
তল্প- শয্যা; বিছনা।
তন্মাত্ৰ- ৰূপ, ৰস, গন্ধ, শব্দ, স্পৰ্শ।
তপিয়া- তপকৰি।
তড়িলা- উদ্ধাৰ হলা। ৰক্ষা পৰিলা।
তন্তি- তন্ময় হৈ।
ত্বৰিত- তৎক্ষণাত; ততালিকে; বেগতে।
তাঙ্ক- তেওঁক।
তাঙ্কো- তেওঁকো; সেইটোকো।
তাৰাক- তেওঁলোকক।
তামিস্ৰ- এখন নৰক।
তিনিতাপ- আধি দৈবিক; আধি ভৌতিক; আধ্যাত্মিক।
তিনিনাড়ী- ইড়া; পিঙ্গলা; সুষুম্না।
তিলক- কপালত লোৱা নানা আকৃতিৰ ফোট।
ত্ৰিকূট- লঙ্কা উপদ্বীপত থকা তিনিটা শৃঙ্গ থকা এখন পৰ্ব্বত; সুবেল পৰ্বত।

ত্ৰিতয়- তিনি।
ত্ৰিপুৰাৰি- শিৱ; মহাদেৱ; শম্ভু।
ত্ৰিবৰ্গ- ধৰ্ম; অৰ্থ; কাম।
ত্ৰিংশ- ত্ৰিছ; ৩০।
ত্ৰুতি- তিনিটা ত্ৰ্যাসৰেণুৰ সমষ্টি।
তীৰ্থেশ্বৰী- গঙ্গাতীৰ্থ।
তীৰ- পাৰ; নৈৰ দাঁতি; কাঁড়।
তুণ্ড- মুখমণ্ডল; মুখ।
তৃপিতি- তৃপ্তি; সন্তোষ; আনন্দ।
তৃষ্ণা- পিয়াহ; তৃষ্ণা।
তেসম্বো- তেওঁলোক।
তেঁয়া তেঁয়া- কেঁচুৱাই কান্দা শব্দ বা চিঞৰা।
ত্যাজিলন্ত- পৰিত্যাগ কৰিলে; এৰিলে।
ত্যাল্লিশ- ৪৩
তোমৰাৰ- তোমালোকৰ।
তোষ- সন্তোষ দি; সন্তুষ্ট কৰ।
ত্ৰ্যসৰেণু- তিনিটা অণুৰ সমষ্টি।
থূলন্তৰ- হৃষ্ট-পুষ্ট; ডাঙৰ মঙহাল শৰীৰ থকা।
দগধ- দগ্ধ; পোৰা।
দণ্ড- শাস্তি কৰ; লাখুটি।
দম- দমন কৰ্; বশ কৰ্; শান্ত কৰ্।
দম্ভ- অহংকাৰ; দৰ্প; গৰ্ব্ব।
দশন- দাঁত।
দৰ্পণ- আৰ্চি; দাপোণ।
দশবায়ু- প্ৰাণ, অপান, ব্যান, সমান উদান, নাগ, কূৰ্ম্ম, কৃকৰ, দেৱদত্ত, ধনঞ্জয়।
দান্তে তৃণ তুলি ধৰি- অতি বিনীতভাৱে।
দশেন্দ্ৰিয়- পাচ কৰ্মেন্দ্ৰিয় (হাত, ভৰি, মলদ্বাৰ, লিঙ্গ বা যোনি আৰু বাক্) পাঁচ জ্ঞানেন্দ্ৰিয় (চকু, কাণ, নাক, জিভা, ছাল)।

দিগিধ- লিপ্ত; মিশ্রিত।
দুগ্ধ- এঁৰা গাখীৰ।
দুতয়- দুটা; দ্বিতীয়; উভয়।
দুনা- দুই গুণ।
দুহিতা- জীয়ৰী; কন্যা।
দুৰ্ম্মতি- দুষ্টবুদ্ধি; বেয়া ইচ্ছা; মন্দমতি যুক্ত।
দুস্বহ- দুঃসহ।
দুৰ্ব্বিজ্ঞেয়- যাক সহজে জনা নাযায়।
দ্রোহী- হিংসুক, অপকাৰী।
দ্রৱিল- পনীয়া হোৱা; পমি যোৱা।
ধ্বজ- পতাকা; নিচান।
ধন্দ- সন্দেহ।
ধৰ্ম্মধ্বজী- বাহিৰে ধাৰ্মিক মানুহৰ আচৰণ কৰা।
ধীৰমতি- জ্ঞানবান; বিজ্ঞলোক।
ধুম্রে- ধোঁৱাৰে।
ধৃতি- ধাৰণ; ধৈৰ্য্য।
ধোঙ্কা- ঢকা; চাপৰ।
নৰমুণ্ডমালা- মানুহৰ মূৰৰ খোলা গাঠি কৰা মালা।
নৱখানদ্বাৰ- দুই কাণ; দুই নাকৰ বিন্ধা; দুই চক্ষু; মুখ; গুহ্য, লিংগ বা যোনি।
নতি- নমস্কাৰ; সেৱা; প্ৰণাম।
নন্দিনী- জীয়ৰী; পুত্ৰী।
নাগ- সাপ; হাতী; প্ৰাণ-বায়ু-বিশেষ।
নাট- নাচন; ভাওনা; নাটক।
নাদ- ডাঙৰ শব্দ; গৰ্জ্জন; গোজৰ; কূঁৱা।
নাদৰে- আদৰ নকৰে; প্ৰশংসা নকৰে; সম্ভাষণ নকৰে।
নাৰকী- নৰকৰ যোগ্য; নৰকী।
নাসিকা- নাক; নাসা।
নাড়িকা- গাৰ তেজ চলা সিৰ।
নিকপট- অকপট; কপট-শূন্য; সৰল।
নিকিঞ্চন- দৰিদ্ৰ; দুখীয়া।
নিৰ্গুণ- বিষয় আদিত লিপ্ত নোহোৱা; ত্রিগুণাতীত; বিকাৰহীন।
নিৰ্ঘাত - বজ্ৰ।
নিত্য- সদায় থকা; নিতৌ কৰিব লগা।
নিদাৰুণ- দয়াহীন; নিকৰুণ; নিষ্ঠুৰ।
নিন্দে - বদনাম কৰে।
নিদ্রা- টোপনি; ঘুমটি।
নিবন্ধিলো- প্ৰতিজ্ঞা কৰিলো; স্থিৰকৈ কথা বান্ধিলো।
নিবাস- থকা ঠাই; ঘৰ; বসতি।
নিৰ্ব্বিঘ্নে- বিঘিনি নথকাকৈ; নিৰাপদে।
নিৰ্ম্মূল- সমূলি নষ্ট; বিনাশ; লোপ পোৱা।
নিৰঙ্কুশ- বাধা বা নিষেধ নথকা; মুকলীমূৰীয়া।
নিৰশৌচ- খংভাৱ ত্যাগ কৰি অভ্যন্তৰ শুচি কৰা।
নিৰবধি- সদায়; নিৰন্তৰ।
নিৰ্ণীত- স্থিৰ কৰা; নিৰ্দ্ধাৰিত।
নিৰুজ- নিৰোগী; সুস্থ।
নিৰূপন- স্থিৰ কৰা কাৰ্য।
নিৰ্য্যাণ- ধ্বংস; গমন; তিৰোভাৱ।
নিশক্ত- শক্তিহীন; দুৰ্ব্বল; নিশকতীয়া।
নিষেধ- বাধা; হাক; মানা; বাৰণ।
নিষ্কাম- কামনা শূন্য; নিঃস্বাৰ্থ
নিষ্ঠ- শ্ৰদ্ধাযুক্ত; নিশ্চয়।
নিষ্ঠাবাণী- সদাচাৰী কথা।
নিষ্ঠুৰ- নিৰ্দ্দয়; দয়াহীন।
নিহালন্ত- দৃষ্টি কৰা।
নীৰ- পানী; ৰস।
নীৰদ- মেঘ; ডাৱৰ।
নেত্ৰ- চকু; লোচন।
নৈমিত্তিক- কোনো এক বিশেষ কাৰণৰ নিমিত্তে কৰা; বাৰ্ষিক কৰ্ম্ম।



পঙ্কজ- পদ্ম, পদুম ফুল।
পতঙ্গ- পাখি লগা পোক; ফৰিং আদি।
পটন্তৰ- কোনো কথা বুজাবলৈ দিয়া উদাহৰণ।
পৰ্ণগৃহ- গছৰ পাতেৰে সঁজা ঘৰ।
পৰমাণু- পদাৰ্থৰ সূক্ষ্মতম অংশ।
পৰ্য্যটি- ঘূৰি ফুৰি; ভ্ৰমণ কৰি।
পৰিচ্ছেদ- সীমা।
পশি- সোমাই।
পঞ্চভূত- ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম।
পঞ্চবাণ- সন্মোহন, উন্মাদন, শোষণ, তাপন, স্তম্ভন।
পঞ্চপৰ্বা- অষ্টমী; চতুৰ্দ্দশী; অমাৱস্যা; পূৰ্ণিমা; সংক্ৰান্তি।
পৱিঃ- ইন্দ্ৰৰ বজ্ৰ।
পাকৰি- সূতালাহি।
পাদুকা- খৰম; জোতা।
পান্ত- পায়; দেখে।
পাশ- ওচৰ; সমীপ; ফাল; লেজু; জৰী।
পাটভুনি- পাট কাপোৰৰ চুৰিয়া।
পাপশীল- পাতকী; অধৰ্মী মানুহ।
পামৰ- পাপী, অতি নীচ মানুহ; নৰাধম।
পাৰিজাত- স্বৰ্গৰ নন্দন কাননৰ পুষ্প-বিশেষ।
পাঞ্চিলন্ত- পঠালে; আদেশ দিলে।
পিঙ্গলবৰণ- অলপ ৰঙাৰে মিহলি মুগা বৰণ।
পীতবস্ত্ৰ- হালধীয়া কাপোৰ।
পুচ্ছভাগে- নেজৰফালে; নেগুৰৰ দিশে।
পুন্নাগ- এবিধ গন্ধ যুক্ত ফুল।
পুৰ- নগৰ; ৰাজ্য; পুৰী।
পুৰাতন- প্ৰাচীন; অতি পুৰণি।
পুৰুষাৰ্থগণ- ধৰ্ম, অৰ্থ, কাম, মোক্ষ।
পুলক- অতিশয় আহ্লাদ; ৰোমাঞ্চ; আনন্দ।
পূতাঞ্জলি- পবিত্ৰ হাতৰ আজলি।
পূৰিক- লুচি; পুৰি।
পূষ্যা- নক্ষত্ৰ বিশেষ।
পেসো- পঠাও
পোষণ- পোহ-পাল; প্ৰতিপালন।
পোষয়- প্ৰতিপালন কৰা, পোহপাল দিয়া।
পৌগণ্ড- অপূৰ্ণ বয়স্ক; ৫ বছৰৰ পৰা ১৬ বছৰৰ ভিতৰৰ কিশোৰ।
প্ৰদক্ষিণ- কোনো মানুহ বা দেৱতাৰ চাৰিওফালে ঘূৰি কৰা সন্মান।
প্ৰতিকুল- বিৰুদ্ধ; অনিষ্ঠ কৰা; বিপৰীত।
প্ৰতিবিম্ব- ছাঁ; আচী বা পানীৰ ওপৰত প্ৰতিফলিত আকৃতি।
প্ৰত্যেক্ষে- চকুৰে দেখা; ইন্দ্ৰিয়ৰ দ্বাৰা উপলব্ধ হোৱা।
প্ৰমত্ত- উন্মত্ত, বলিয়া, মতলীয়া।
প্ৰসূতি বায়ু- সন্তান প্ৰসৱ কৰোতে সহায় কৰা বায়ু।
প্ৰহাৰ- আঘাত; মাৰ।
প্ৰপঞ্চ- মায়াময় সৃষ্টি; মায়িক জগত; বিস্তৃত বিৱৰণ।
প্ৰাণেশ্বৰী- জীৱনৰ গৰাকীনী; জীৱন অধিকাৰিণী।
প্ৰাৰব্ধ- পূৰ্ব জন্মত কৰা; পূৰ্ব জন্মৰ ফল; অদৃষ্ট।
ফুঙ্কিলে- ফুঁকিলে।
ফোঁকাৰি- ৰিঙিয়াই মাতা; ঘনে ঘনে উশাহ লৈ মাতা।
বঙ্ক- বগলীৰ দৰে এবিধ চৰাই।
বঙ্কপাৱ- বেঁকা ভৰি।

বচনসায়ক- শৰ সদৃশ নিৰ্মম কথা।
বজ্ৰকল্প- বজ্ৰৰ নিচিনা।
বৰ্ত্তুল- ঘূৰণীয়া; গোলাকাৰ।
বদতি- ক'লে।
বৰ্দ্ধক- বৃদ্ধিকাৰক; বঢ়োৱা।
বৰ্দ্ধন- বৃদ্ধিকৰণ।
বনমালী- বনমালা পিন্ধোতা শ্ৰীকৃষ্ণ।
বন্দুলি- ৰঙা আৰু ব'গা দুই ধৰণৰ ফুলৰ এবিধ ফুল গছ।
বন্ধন- ক'লৈকো যাব নিদিয়া কাৰ্য্য।
বৰাহশিশু- গাহৰিৰ পোৱালি।
বলধ- ষাঁড়; ভঁতৰা গৰু।
বল্কয়- অৰ্থহীন কথা কোৱা।
বলয়- হাতৰ ঠাৰিত পিন্ধা এডলীয়া খাৰু।
বলিয়া- কুমাৰে সাজ গঢ়োঁতে ব্যৱহাৰ কৰা পোৱা মাটিৰ সঁজুলি; পাগল; উন্মত্ত।
বশ্য- অধীন; যি আনৰ তলতীয়া হয়।
বক্ষস্থল- বুকু; হৃদয়।
বয়ন- বদন; মুখ।
বানপস্থী- গৃহস্থী সুখ ভোগ কৰি পাছত ঈশ্বৰ চিন্তাৰ কাৰণে হাবিলৈ যোৱা ধৰ্ম।
বাৰ্হৰাশি- মেঘ, বৃষ মিথুন, কৰ্কট, সিংহ, কন্যা, তুলা, বৃশ্চিক, ধনু, মকৰ, কুম্ভ, মীন।
বায়ব্য- বায়ু সম্পৰ্কীয়; বায়ুৰ পৰা উৎপন্ন।
বিকট- ভয়ানক; দেখিলে ভয় লগা।
বিকল্প- অইন এটা।
বিক্ৰম- শক্তি; বল; পৰাক্ৰম; প্ৰতাপ।
বিগুতি- যন্ত্ৰণা; পৰিহাস; নিন্দা।
বিগ্ৰহ- দেৱতাৰ মূৰ্ত্তি; যুদ্ধ; ৰণ।
বিঘাত- বিঘিনি; বিপদ; ব্যাঘাত; অনিষ্ট।
বিতোপন- বৰ ধুনীয়া।
বিদাৰয়- ছিৰা; ফালা; বিদীৰ্ণ কৰা।
বিদাৰি- চিৰি; ফালি; বিদীৰ্ণ কৰি।
বিন্দু সৰোবৰ- ব্ৰহ্মাৰ বীৰ্যৰ পৰা সৃষ্টি হোৱা জলাশয়; বিষ্ণুৰ আনন্দ লোতকৰে সৃষ্ট।
বিদ্বেষ- হিংসা; অপকাৰৰ ইচ্ছা; শত্ৰুতা।
বিদ্যমান- বৰ্ত্তমান; উপস্থিত; আগতে থকা।
বিনীত- নম্ৰ; নিৰহংকাৰ; শান্ত।
বিনোদ- ৰং; ধেমালি; আহ্লাদ।
বিভাবৰী- বৰুণ দেৱতাৰ নগৰ; ৰাতি; নিশা।
বিম্ব- আচী বা পানীত প্ৰতিফলিত হোৱা বস্তুৰ নক্সা।
বিম্বফল- কোৱা ভাতুৰী।
বিশ্বাশ- বৰ বেগেৰে।
বিৰাল ভকতি- ভণ্ড তপস্বী।
বিৰাট- বিশাল; সৰ্ব্ব ব্যাপী।
বিলম্ব- পলম; গহৰি।
বিলাস- লীলা; সুখ ভোগ; ইন্দ্ৰিয় সুখ।
বিষ্ঠা- শৌচ; মল; গু।
বিহৰিল- আনন্দৰে ভ্ৰমণ কৰিলে।
বীভৎস- অতিশয় কুৰূপ; ঘিণ লগা।
বীৰ্য- বীৰত্ব; ধাতু; ৰেতস।
বৃকোদৰ- ভীম।
বৃত্তি - ব্যৱসায়; স্বভাৱ; জীৱিকা; জলপানি।
বেকত- ব্যক্ত; প্ৰকাশ।
বেধ- গভীৰতা; চিন।
বেশ্যা- গণিকা; নটী; বাৰঙ্গণা; নাটেশ্বৰী।
বৈকুণ্ঠ- পৰম ধাম; বিষ্ণুৰ বাসস্থান।
বৈজয়ন্ত- ইন্দ্ৰৰ নগৰ।



বৈজয়ন্তীমালা- কৰঙলৈকে ওলমি থকা পাঁচ ৰঙৰ বিষ্ণুয়ে পিন্ধা মালা (কুন্দ, মদাৰ, ৰক্তকমল, পাৰিজাত, তুলসী)।
বৈতৰণী নদী- যমপুৰীৰ নৈ।
বৈধৃতি- এটা যোগ
ভণি- কৈ।
ভস্ম- ছাই।
ভাস্কৰ- সূৰ্য্য; বেলি।
ভাৱিনী- মাতৃ; জননী; আই।
ভীত- ত্ৰাসিত; ভয় পোৱা।
ভীতি- ভয়; আশঙ্কা।
ভুজ- বাহু; হাত।
ভূষণ- অলংকাৰ।
ভ্ৰূভঙ্গ- অলপ পৰোৱাই কৰা; অলপ মন কাণ; মনোযোগ।
ভৎৰ্সনা- ভৰ্ছনা; নিন্দা; তিৰস্কাৰ।
ভৌতিক- পঞ্চভূত সম্পৰ্কীয়; ভূত-প্ৰেত বিষয়ক; মিছা।
মকৰকুণ্ডল- মকৰৰ আকৃতিৰ কাণত পিন্ধা এবিধ অলংকাৰ।
মকৰন্দ- ফুলৰ মৌ।
মণ্ডুক/মণ্ডুকী- ভেকুলি/ভেকুলী
মুণ্ড- মূৰ; শিৰ।
মঞ্জীৰ- নূপুৰ; ভৰিত পিন্ধা জুনুকা।
মদন- হাতীৰ কাণ সতাৰ ওচৰৰ ঠাই।
মদনৰ চাপ- কামদেৱৰ ধনু।
মন্দহাস- বিদ্ৰূপ; ঠাট্টা-মস্কৰা।
মধু- মৌ মাখি; ভোমোৰা; মৌ; মনোহৰ।
মৰকত- পান্না; এবিধ সেউজীয়া বৰণৰ মূল্যবান বাখৰ।
মৰিচ- জলকীয়া।
মলপঙ্কে- বিষ্ঠাত লুতুৰি পুতুৰি হোৱা; পাপত বুৰ যোৱা।
মৰ্ম্মস্থান- লিঙ্গমূল।
মৎসৰ- পৰশ্ৰীকাতৰ; ঈৰ্ষাপৰায়ণ।
মস্তক- মূৰ; মাথা।
মহাম্লেচ্ছ- অহিন্দু; বিধৰ্মী; ভ্ৰষ্টাচাৰী।
মহাশ্ৰান্ত- অতি ভাগৰুৱা; অধিক ক্লান্ত।
মহিষ- ম'হ।
মহী- পৃথিৱী; ধৰাতল; বসুমতী; চিয়াঁহি।
মাতোৱাল- মতলীয়া; মদপী; মহাদী।
মুৰাৰী- মুৰ অসুৰক বধ কৰোঁতা বিষ্ণু।
মুষল- উৰালৰ মাৰি; মুদ্গৰ শ্ৰেণীৰ অস্ত্ৰ বিশেষ।
মুষ- ডকাইটি কৰা; চুৰি কৰা।
মুষ্টি- মুঠি; জপোৱা হাত।
মূৰ্চ্ছা- অজ্ঞান হোৱা; মূছ- কঁছ যোৱা।
মূৰুখ- মূৰ্খ; মূঢ়; নিৰ্বোধ।
মৃগী- হৰিণী; এবিধ মূৰ্চ্ছা হোৱা ৰোগ।
মৃণাল- পদুমৰ কোমল ঠাৰি।
মোক্ষ- পৰমগতি; নিৰ্বাণ; মুক্তি।
যতী- মুনি; সন্ন্যাসী।
যম- মৰণ-দেৱতা; মৃত্যুৰ গৰাকী; ধৰ্মৰাজ।
যক্ষ- এক শ্ৰেণীৰ প্ৰেত; যখ; অতি কৃপণ লোক।
যাতহন্তে- যাৰ পৰা।
যুৱাই- যোগ্য হয়।
যূথ- পশুৰ জাক।
ৰকত- ৰক্ত; ৰঙা; তেজ।
ৰজনী- ৰাতি; নিশা।
ৰটয়- নিন্দা কৰি ফুৰা; অপপ্ৰচাৰ কৰা।
ৰত- আসক্ত; ভালপোৱা।
ৰবি- সূৰ্য্য; দেওবাৰ।
ৰব- শব্দ; ধ্বনি।
ৰক্তিমা- ৰঙা বৰণ।

**ৰন্ধ্ৰ**- বিন্ধা; ফুটা; ছিদ্ৰ।

**ৰড়ি**- মাতি; উচ্চাৰণ কৰি।

**ৰাতুল**- ৰঙা; ৰক্ত; তেজ।

**ৰামকল**- আঠীয়া কলৰ নিচিনা এবিধ গুটি থকা কল।

**ৰিঙ্গ**- চিয়ঁৰি মাতা শব্দ; উকি।

**ৰুচি**- সোৱাদ; ইচ্ছা; স্পৃহা; প্ৰবৃত্তি।

**ৰুদ্ৰৰূপ**- সদাশিৱৰ সংহাৰক মূৰ্ত্তি।

**ৰুধিৰে**- তেজেৰে; ৰক্তেৰে; শোণিতেৰে।

**ৰেতস**- বীৰ্য্য; শুক্ৰ।

**ৰোষ**- খং, ক্ৰোধ।

**লঘু**- পাতল; কম হোৱা; সামান্য।

**লণ্ডভণ্ড**- বিশৃঙ্খল; ছেদেলি-ভেদেলি।

**ললাট**- কপাল; ভাগ্য।

**লক্ষপ্ৰহৰ**- ৯০০০ যোজন পথ।

**লৱ**- ৰামচন্দ্ৰৰ ডাঙৰ পুতেক; ভগ্নাংশৰ ওপৰৰ অংকটো।

**লাঞ্জ**- নেজ; নেগুৰ।

**লাৱণ্য**- শৰীৰৰ কান্তি; শৰীৰৰ শোভা।

**লাম্ফ**- জাঁপ; ওপৰলৈ জপিওৱা কাৰ্য্য।

**লীন**- একীভূত; লয়প্ৰাপ্ত; মিলিত।

**লোতক**- চকুৰ পানী।

**লোভাবিষ্ট**- লুভীয়া; লোকৰ বস্তুলৈ বৰকৈ হেপাহ কৰা।

**লোহোড়া**- কেৰাহী; ৰন্ধা-বঢ়া কৰা লোৰ পাত্ৰ।

**শঙ্কা**- ভয়; সংশয়; আশঙ্কা।

**শতপত্ৰ**- পদুম ফুল।

**শম**- মনৰ সংযম; নিবৃত্তি; শান্তি; মনৰ স্থিৰতা।

**শনৈশ্বৰ**- শনিগ্ৰহ।

**শলকা**- নঙলা মৰা ডাং; দুৱাৰ মৰা চুটি মাৰি।

**শশী**- চন্দ্ৰ; শশধৰ জোন।

**শয়ন**- শোৱা কাৰ্য্য।

**শিৰোমণি**- মূৰত পিন্ধা মণি; শ্ৰেষ্ঠ লোক।

**শিশ্ন**- লিঙ্গ; পুৰুষৰ জননেন্দ্ৰিয়।

**শিংশপা**- শিশু গছ; এবিধ সুকাঠী গছ।

**শীত**- চেঁচা; জাৰ।

**শুক্লদন্ত**- বগা দাঁত, ধৱল বৰণীয়া দাঁত।

**শুণ্ডে**- শুঁৰেৰে।

**শূকৰ**- গাহৰি; বৰা।

**শৃঙ্গাৰ**- সম্ভোগ; ৰতি ক্ৰিয়া, মৈথুন আদি ৰস।

**শ্বেত**- বগা, শুক্ল, ধৱল; শুভ্ৰ।

**শ্বেতকুষ্ঠ**- বগা বৰ ৰোগ; ধলা কুষ্ঠ।

**শ্বেতচত্ৰ**- বগা চোঁৱৰ; ধৱল ছাতি।

**শ্বেত সৰ্ষপক**- শেৱা বেহাৰ; বগা সৰিয়হ।

**শোণিত**- তেজ; ৰক্ত; ৰুধিৰ।

**শোভন**- সুন্দৰ; সৌন্দৰ্যশালী।

**শোলঙ্গ**- এবিধ বৰ টেঙা ফল।

**শোষক**- শোহোঁতা।

**শৌচ**- মল ত্যাগ কৰি শুচি হোৱা; শুচিতা।

**শ্ৰী**- আয়ুস; লক্ষ্মী; সৌভাগ্য।

**শ্ৰীবৎস**- শ্ৰীকৃষ্ণৰ বুকুত থকা বগা নোমৰ চকৰ।

**ষোড়শ বিকাৰ**- মাটি, পানী, তেজ, বায়ু, আকাশ, বাক্, পাণি, পাদ, পায়ু, উপস্থ, চক্ষু, নাসিকা, কৰ্ণ, ত্বক, জিহ্বা, মন।

**সঙ্কলপ**- প্ৰতিজ্ঞা।

**সঙ্গম**- সহবাস; নৈয়ে নৈয়ে লগ লগা ঠাই।



**সতকাৰ**- মৃতকৰ সংস্কাৰ; সন্মান; সমাদৰ।

**সদন**- গৃহ; ঘৰ; বাসস্থান।

**সদাশিৱ**- মঙ্গল দায়ক; মঙ্গলময়; মহাদেৱ।

**সনাতন**- চিৰকলীয়া; বহুকলীয়া; বিষ্ণু।

**সঞ্জমণিপুৰ**- যম নগৰ।

**সপত**- সাত; সপ্ত।

**সমন্বিতে**- সৈতে; একেলগে।

**সম্বৰ্ত্তক**- এবিধ বায়ু।

**সম্বৎসৰ**- পূৰা এবছৰ।

**সম্ভাষণ**- অভিনন্দন, আদৰণ।

**সমীপ**- ওচৰ; নিটক।

**সমুলঞ্চে**- সম্পূৰ্ণৰূপে; মূলে সৈতে।

**সম্বুক্ষণ**- সংজ্ঞা লাভ; মূৰ্চ্ছাৰ পৰা জ্ঞান পোৱা অৱস্থা।

**সন্যাস**- বৈৰাগ্য; সংসাৰৰ সুখ এৰি ঈশ্বৰ চিন্তা কৰা কাৰ্য্য।

**সপ্তদ্বীপ**- প্লক্ষ; ক্ৰৌঞ্চ, শালমলী, কুশ, জম্বু, শাক, পুষ্কৰ।

**সপ্তলোক**- ভূঃ, ভুৱঃ, স্বঃ, জন, মহঃ, তপ, সত্য।

**সাত পাতাল**- অতল, বিতল, সুতল, তলাতল, মহাতল, ৰসাতল, পাতাল।

**সপ্তধাতু**- ৰস, ৰক্ত, মাংস, মেদ, অস্থি, মজ্জা, শুক্ৰ।

**সপ্তৰ্ষিমণ্ডল**- মৰীচি, অত্ৰি, অঙ্গিৰা, পুলস্ত্য, পুলহ, ক্ৰতু আৰু বশিষ্ঠ।

**সপ্তসাগৰ**- লৱণ, ইক্ষু, সুৰা, ঘৃত, দধি, দুগ্ধ, জল।

**সাংখ্য**- কপিলকৃত দৰ্শন শাস্ত্ৰ; নৱ দৰ্শনৰ অন্যতম দৰ্শন।

**সামীপ্য**- ঈশ্বৰৰ কাষত থকা অৱস্থা।

**সাৰূপ্য**- ঈশ্বৰৰ সৈতে একে ৰূপ হোৱা।

**সাযুজ্য**- ঈশ্বৰৰ সৈতে লয় প্ৰাপ্তি।

**সায়ক**- শৰ; বাণ।

**সালোক্য**- ঈশ্বৰৰে সৈতে একে লোকত বাস।

**স্নিগ্ধ**- শীতল; মিহি; কোমল।

**সুদৃঢ়**- কটকটীয়া; বৰ টান; যিটো ঢিলা নহয়

**সুধাময়**- অমৃতময়।

**সুবিনীত**- অতি নম্ৰ; বিনয় ভাব।

**সুমণ্ডিত**- অতিকৈ ভূষিত; বৰকৈ ধুন লগোৱা।

**সুস্বৰে**- স্মৰণ কৰে; সোঁৱৰণ কৰে।

**সুৰনদী**- গঙ্গা।

**সুৰাসুৰ**- দেৱতা আৰু অসুৰ।

**সুৰসে**- বিমল আনন্দ।

**সুৱৰ্ণ**- সোণ; স্বৰ্ণ; হিৰণ্য।

**সুশীল**- শিষ্ট; ভদ্ৰ; নম্ৰ।

**সূচী**- বেজী।

**স্থূল**- শকত, পুষ্ট; মোটা।

**স্থূল দেহ**- পঞ্চভূতেৰে গঠিত দেহ।

**স্তম্ভিয়া**- বিস্মিত; আশ্চৰ্য্যান্বিত।

**সৃষ্টিকৰ**- সৃজন কৰোঁতা; পৰমেশ্বৰ।

**সেৱলি**- সেৱা।

**স্বাদ**- সোৱাদ।

**স্বামীকিঙ্কৰ**- বিষ্ণু আৰু পাৰিষদ জয়।

**স্বেদজ**- মল আৰু গেলা পচা ঠাইৰ পৰা ওপজা।

**হৰিতকী**- শিলিখা।

**হুতাশন**- অগ্নি; জুই; বহ্নি।

**হুলহুলি**- হুলস্থূল; তোলপাৰ; গোলমাল।

**হেম্বালাৰে**- হেম্বেলিয়াই মাতে; গাই গৰুৰ মাতৰ নিচিনা শব্দ কৰে।

**হৃষীকেশ**- ইন্দ্ৰিয় সমূহ জয় কৰোঁতা কৃষ্ণ।

ক্ষিতীশ্বৰ- পৃথিৱীৰ ৰজা।
ক্ষুধা- ভোক; খাবৰ ইচ্ছা; বুভুক্ষা।

## চতুৰ্থ স্কন্ধ

অঙ্কুশ- হাতী চলোৱা আকোঁৱা; মাৰি; লাংচিং; গজা কোঁহ।
অগোচৰ- যাক ইন্দ্ৰিয়ৰ দ্বাৰা বুজিব বা জানিব নোৱাৰি; নেদেখা।
অৰ্ঘ্য- পূজাৰ উপকৰণ; মান্য লোকক সম্বৰ্দ্ধনা কৰিবৰ কাৰণে উপহাৰ আদি।
অৰ্চ্চা- খোৱাৰ পিছত মুখ ধোৱা।
অজগব চাপ- গৰু-ছাগলীৰ শিঙেৰে তৈয়াৰী ধেনু; হৰৰ ধেনু।
অজীণ- অজীৰ্ণ ৰোগ; পেটত জীৰ্ণ নোহোৱাকৈ থকা আহাৰাদি বস্তু।
অণ্ডজ- কণীৰ পৰা ওপজা।
অত্যুত্তম- অতি উত্তম; সৰ্বোত্তম।
অথন্তৰ- বেয়া অৱস্থা; দুৰৱস্থা।
অদৃষ্ট- নেদেখা, অশ্ৰুত, নশুনা, ভাগ্য।
অধৃতি- অধৈৰ্য্য; অস্থিৰ।
অৰ্দ্ধনাৰীশ্বৰ- সহধৰ্ম্মিনী।
অনুকূল- হিত; উপকাৰী; সদয়; সমৰ্থক।
অনুগত- বশ; অধীন; বাধ্য; পাচত ফুৰা।
অনুবন্ধ- সম্বন্ধ।
অন্তঃপুৰ- হৃদয়; ভিতৰ মহল; হেৰেম।
অন্তৰীক্ষ- আকাশ।
অনাহুত- অনিমন্ত্ৰিত; নামাতা; বিনা নিমন্ত্ৰণে।
অন্ধদ্বাৰ- দুই হাত, দুই ভৰি; নাভি।
অপঠিত- যিটো পাঠ কৰা হোৱা নাই।
অপাঙ্গ- চকুৰ বাহিৰ কোণ; কেৰাকৈ চোৱা; কপালত লোৱা তিলক।
অপান- অধোবায়ু, জিভা, ৰসনা।
অপেস্বৰা- সৰগৰ নাচনী; ধুনীয়া তিৰোতা; উপদেৱী।
অবগৰ্ব- অহংকাৰ; গণ্ডপ; মদগৰ্ব।
অবধূত- বায়ু, সংসাৰ মায়া মুক্ত।
অৱভৃথস্নান- যজ্ঞৰ পিছত কৰা স্নান।
অবিজ্ঞাত বন্ধু- যিজনাৰ নাম গুণ কৰ্ম একো জনা নাজাই এতেকে অন্তৰ্যামী ভগৱান।
অৰ্ব্বুদ- দহ কোটি।
অবোধ- অবুজ; নিৰ্বোধ; অঁজলা।
অভিনন্দন- প্ৰশংসাসূচক সন্মান; শলাগ; অভিভাষণ।
অভিলাষ- ইচ্ছা; বাঞ্ছা; স্পৃহা।
অলক্ষিত- যাক লক্ষ্য কৰা নাই; অদৃষ্ট।
অশ্বত্থ- আঁহত গছ।
অষ্টকাশ্ৰাদ্ধ- এবিধ শ্ৰাদ্ধ; আমিষ আহাৰযুক্ত শ্ৰাদ্ধ।
অষ্টাঙ্গ যোগ- যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধ্যান, ধাৰণা, সমাধি।
অসঞ্জাত- অবিশ্বাস; অপ্ৰত্যয়।
অসূয়া- লোকৰ গুণৰ ওপৰত দোষাৰোপ।
অস্তাচল- অস্তগিৰি; পশ্চিমত থকা পৰ্বত।
অস্থি- হাড়।
অহি- ফণাহীন সৰ্প।
আখণ্ডল- ইন্দ্ৰ।
আচমনী- ভোজনৰ পাছত মুখ ধোৱা কাৰ্য্য।
আছন্ত- আছে।
আজানুলম্বিত- আঠুলৈকে ওলমি পৰা (হাত)।



আটাই- সকলো মানুহ।
আটোপ- বলৰ দৰ্প।
আটোপ-টঙ্কাৰ- বল দেখুওৱা কাৰ্য্য।
আণ্টালে- শেষ কৰা; সম্পূৰ্ণ কৰা।
আৰ্ত্ত- পীড়িত; বিপন্ন; বিবুধি; আকুল।
আৰ্ত্তবন্ধু- দুখৰ বন্ধু; পীড়িতৰ বন্ধু; বিবুধিৰ বন্ধু।
আপাত মধুৰ- পোনতে সোৱাদ লগা কিন্তু পৰিণামত মধুৰ নহয়।
আলে জালে- অবাবত, মিছাকৈ।
আৱৰ্ত্ত- চাকনৈয়া।
আশ্বাস- ভৰসা; প্ৰবোধ; সান্তনা।
আসুৰি- লিঙ্গ; দুষ্টালি; আমনি।
আস্ফাল- কোব; আঘাত; তৰ্জন-গৰ্জন; বীৰত্ব দেখুৱা।
আয়ুস্মান- দীৰ্ঘজীৱী; আদৰণীয় জনক কৰা সম্বোধন।
ইদানীকো- এতিয়াও; এই সময়তো।
ইন্দীবৰ- নীল বৰণীয়া পদুম।
ইষ্টি- বাঞ্ছিত; প্ৰিয়; ভজনীয় বন্ধু।
ইক্ষু- কুঁহিয়াৰ।
ইঙ্গুবৃক্ষ- গুটিৰ পৰা তেল ওলোৱা এবিধ গছ।
ঈশান- শিৱ; ঈশান কোণৰ অধিপতি।
উচমিশ- উগুল-থুগুল; অস্থিৰতা।
উদক- পানী; জল।
উদৰ- পেট; গৰ্ভ।
উত্তৰী- উপবীত বিশেষ, পূজা শ্ৰাদ্ধ আদিত গাত লোৱা কাপোৰ বিশেষ।
উপস্থ- লিঙ্গ বা যোনি; জননেন্দ্ৰিয়।
উপবীত- লগুণ, যজ্ঞসূত্ৰ।
উপসৰ্গ- বিঘিনী; ব্যাধিৰ লক্ষণ।
উপেন্দ্ৰ- বিষ্ণু।
উৎকৰ্ষ- শ্ৰেষ্ঠতা, উত্তমতা।
উৎপল- পদুম ফুল; ভেটফুল।
উদ্যান- ফুলনি; বাগিচা; বাগান।
উচ্ছিষ্ট- অৱশেষ; খাই এৰা বস্তু; সন্ত সকলৰ মুখ নিসৃত বাণী।
উচ্ছ্ৰিত- ওখ।
উদ্ভিদাজ- উদ্ভিদৰ পৰা হয়; মাটি ভেদি ওলোৱা।
উলি- গুৰি; মূল; জ্ঞান; চেতনা।
উডুম্বৰচয়- যজ্ঞ ডম্বৰু সমূহ।
উৰ্ম্মি- পানীৰ ঢৌ; শোক দুখ আদিৰ উত্তেজনা।
উৰুগোট- কৰঙণ।
উৰ্দ্ধৰেতা- পৰম জিতেন্দ্ৰিয় পুৰুষ; শুক্ৰ সংযমী; ৰিপু দমনকাৰী।
ঋত্বিক- যজ্ঞকাৰী পুৰোহিত; হোতা।
একগাছ জোটাজৰী- মন।
একাদশ ইন্দ্ৰিয়- হাত, ভৰি, বাক্, গুহ্য, লিঙ্গ বা যোনি, চকু, কাণ, নাক, জিভা, ছাল আৰু মন।
ওবা- হেৰা।
কঙ্ক- বগলী চৰাই।
কদম- খোজ; ঘোঁৰাৰ গতি-ভঙ্গি বিশেষ।
কন্দৰ- পৰ্বতৰ গহ্বৰ বা গুহা।
কন্দৰ্প- কামদেৱ; মদন।
কন্দুক- ধেমালি কৰা ঢোপ।
কণ্টলা- এবিধ কাঁইটীয়া গছ।
কটুময়- কৰ্কশময়; সোৱাদ হীন।
কপট- চাতুৰী; প্ৰতাৰণা; ভণ্ড।
কবন্ধ- মূৰ নথকা এটা ভূত; ৰাক্ষস।
ক্ৰতু- যজ্ঞ; যাগ; সপ্ত ঋষিৰ এজন।
ক্ৰমচৰ- আগত।
ক্ৰব্যাদ- মাংসাশী; শৱদাহক অগ্নি; চিতাৰ জুই।

কমলকিঞ্জল্ক- পদুম ফুলৰ কেশৰ বা আঁহ।
কম্বুকণ্ঠ- শঙ্খৰ দৰে শুৱনি ডিঙি যাৰ আছে।
কৰাল- বিকট; ভয়ানক; দেখিবলৈ ভয় লগা।
কৰিকৰ- হাতীৰ শুৰ।
কলহংস- ৰাজ হাঁহ; ৰাজ হাঁহ জাতিৰ পানীত থকা চৰাই।
কল্প- ব্ৰহ্মাৰ এদিন আৰু এৰাতি; ৪৩২,০০০,০০০ বছৰ।
কল্পতৰু- এজোপা স্বৰ্গৰ গছ; দানী মানুহ।
কহ্লাৰ- চিয়ঁৰ বাসৰ কৰা।
কষটি- সোণ পৰীক্ষা কৰা ক'লা শিল।
কাষৰি- পথাৰৰ আলিৰ দাঁতি।
কাফন- মৰাশ ভৰাই নিয়া বাকচ।
কাহাল- ডাঙৰ ডবা।
কাঞ্চন- সোণ; এবিধ ফুল।
কামুক- কামাতুৰ।
কালকন্যা- জৰা।
কালান্তৰে- মৃত্যুৰ পিছত।
কিন্নৰ- কিম্পুৰুষ; ঘোঁৰাৰ দৰে মুখ আৰু মানুহৰ দৰে শৰীৰেৰে দেৱলোকৰ এজাতি গায়ক।
কীট- কৃমি; পোক; পেলু।
কীৰ্ত্তি- যশ; খ্যাতি।
কুখ্যাত- বেয়া খ্যাতি বা বদনাম থকা; নিন্দিত।
কুঞ্জৰ- হাতী, গজ।
কুত্ৰ- ক'ত; কোন ঠাইত।
কুহুৰি- অলপ অলপকৈ ডিঙিৰ পৰা শব্দ কৰি।
কুন্দকৰি- কুন্দ ফুলৰ কলি।
কুযশ- দুৰ্নাম।
কূপ- কুৱা; নাদ; জলাশয়।
ক্ৰূৰ- নিষ্ঠুৰ; মমতাশূন্য।

কৃচ্ছ্ৰ- দুখ, কষ্ট, শৰীৰৰ ক্লেশ।
কোটৰ- গছৰ খোৰোং; খাল বা গাত।
কোদণ্ড- ধেনু; ৰাম চন্দ্ৰৰ ধেনু।
কোন্ত- কোন।
কোলকাল- আগত হাঁকোটা বা ওভোতা জেং থকা যাঠী।
কোঢ়া- পিটনিত থকা এবিধ ডাউক জাতিৰ চৰাই।
কৌমুদকীগদা- বিষ্ণুৰ গদা; শাসনৰ প্ৰতীক।
খড়্গ- এবিধ ডাঙৰ তাৰোৱাল; ডাঙৰ দা; গঁড়ৰ শিং।
খণ্ড- গুচ, দূৰহ, নষ্ট হ, এডোখৰ, এখন।
খৰবাত- বৃষ্টিহীন বতাহ।
খৰ্ব্ব- এহেজাৰ কৌটি; চুটি-চাপৰ; সৰু।
খদ্যোতাবিৰ্মুখী- চকু; নয়ন।
গজবাজি- গজ বাহিনী।
গণ্ড- গাল।
গণ্ডক- গড়; বাধা বিঘিনি।
গণ্ডাৰ- গঁড়।
গণ্ডূষ- চলু; হাতৰ তলুৱাৰ খোলাত যিমান পানী ধৰে।
গাত্তি- গাৰি; মূৰ নথকা শৰীৰ।
গৰ্দ্দভ- গাধ, মূৰ্খ।
গন্ধৰ্ব্ব- স্বৰ্গৰ গায়ক; স্বভাৱ গায়ক; বিবস, দিন।
গন্ধৰ্ব্বী- ৰাতি; নিশা; স্বৰ্গৰ গান গোৱা তিৰোতা।
গৱয়- গলধন নথকা গৰুৰ দৰে দেখা এবিধ পশু।
গণিতা- অদৃষ্ট গণা কাৰ্য্য; সন্মান কৰা কাৰ্য্য।
গায়ন- ভাওনা আদিত গীত পদ লগাই দিওঁতা; সংগীতবিদ্।



গ্ৰীৱা- গল, কণ্ঠ, ডিঙি।
গ্ৰীৱে তিনিৰেখা- সত্ব, ৰজঃ, তম।
গুহ্যক- যক্ষক।
গুহ্যবেথা- গোপনীয় কথা।
গূঢ়- গুপ্ত; অপ্ৰকাশিত; দুৰ্ব্বোধ।
গেহ- গৃহ; ঘৰ।
গোৰক্ষ- গৰখীয়া; গৰু ৰাখোঁতা।
গোষ্ঠ- গৰু চৰা ঠাই; গৰু বন্ধা খুটি।
ঘাতুক- বধ কৰোঁতা; নাশ কৰোঁতা।
ঘিলা- এবিধ লতাৰ চকলীয়া গুটি।
ঘুংঘুৰি- ঘুগুৰা, সৰু চকৰী।
চকোৰ- জোনাকত উৰি ভাল পোৱা এবিধ চৰাই।
চক্ৰবৰ্ত্তী- বহু দেশৰ ওপৰৰ ৰজা; অধিৰাজ।
চক্ৰবাক- চাকৈ-চকোৱা।
চণ্ডবাক- খং উঠা কথা; উগ্ৰ কথা।
চণ্ডবেগ- কাল।
চতুৰঙ্গদল- হাতী; ঘোঁৰা, ৰথ আৰু পদাতি এই চাৰিটা ভাগ থকা সৈন্যৰ দল।
চন্দ্ৰহাস- চোকা খড়্গ; তৰোৱাল।
চটক- ঘৰ-চিৰিকা; চকমকনি।
চতুৰ্দ্দশ ভুৱন- চৈধ্য ভুৱন; সাতখন স্বৰ্গ- ভূঃ ভুৱঃ স্বঃ মহঃ জন তপঃ সত্যঃ সাতখন পাতাল- অতল, সুতল, বিতল, তলাতল, মহাতল, ৰসাতল, পাতাল।
চৰ- গুপ্ত দূত; মুকলি হাতেৰে গালত কৰা আঘাত।
চৰ্ব্ব্য- চোবাই খাবলগীয়া।
চৰ্ম্ম- জন্তুৰ ছাল।
চাতুৰ্হোত্ৰ- চাৰি প্ৰকাৰৰ হোম।
চান্দোয়া- আলচ কৰা; মনত ভাবা।
চাপ- ধেনু; ধনু।

চাৰিবিধ মুকুতি- সালোক্য, সাযুজ্য, সাৰূপ্য, সাৰ্ষ্টি।
চুম্বন্ত- চুমা খোৱা কাৰ্য্য।
চোৱৰী- ঘোঁৰাত উঠালোক; ঘোঁৰাত উঠোঁতা।
চোষ্য- চুঁহি চুঁহি খোৱা (কুঁহিয়াৰ)
চৈধ্য পাৰিষদ- কুমুদাক্ষ, পুষ্পদন্ত, বিশ্বকসেন, জয়, জয়ন্ত, গৰুড়, নন্দ, সুনন্দ, বিজয়, সাত্বত, প্ৰবল, উতবল, শ্ৰুতদেৱ, কুমুদ।
চৌৰাঙ্গি- বেমাৰৰ বাবে হাত ভৰি চলাব নোৱাৰা অৱস্থা; হাত-ভৰি কটা।
ছান্দি- ঠগা; ফাঁকি দিয়া; চুৰুণী।
ছিণ্ডিলো- খণ্ডন কৰিলো; শেষ কৰিলো।
ছেগ- কোনো সুবিধাত; কোনো চলত।
ছোট- সৰু; ক্ষুদ্ৰ।
জংঘাৰ - সৰু গাঠিৰ ওপৰ আৰু আঠুৰ মাজৰ খণ্ড; কলাফুল।
জনাৰ্দ্দন- অসুৰ বিনাশক, বিষ্ণু।
জলধি- সাগৰ; অৰ্ণৱ।
জলন্ধৰ- গাৰ তেজ শুছি পানী হোৱা ৰোগ।
জৰা- বুঢ়া বয়স, আলৰ অৱস্থা।
জৰায়ুজ- জৰায়ুৰ পৰা জন্মা; গৰ্ভৰ পৰা ওপজা।
জাজ্বল্য- বৰকৈ জিলিকা; দীপ্তিমান; স্পষ্ট।
জাত্তি- ঠেলি।
জাণ্টে- তৎক্ষণাৎ; অতি শীঘ্ৰে।
জাত্তিলন্ত- মালিচ কৰিলে, ঘঁহা কাৰ্য্য।
জিতাসন- আসন জয় কৰোতা; যোগী।
জুলি- সৰু জোলোঙা; মোনা।
জুলুকি- কম পানীত সৰু মাছ ধৰা এবিধ সঁজুলি।

**জুলুকিৰ শৌল**- পল বা জুলুকিৰ ভিতৰত আবদ্ধ হোৱা শৌল মাছ; বান্ধোনত পৰি নিৰুপায় হোৱা।

**জুৱলিৰ শোল**- শোক; মোহ।

**ঝৰে**- পানীৰ দৰে অলপ অলপকৈ বাহিৰ হয়।

**টুটয়**- কমি যায়; হ্রাস হয়।

**ডাকুৰ**- চুৰুণী ছাগ বা ছাগলীৰ ডিঙিত আৰি দিয়া পথালি মাৰি।

**ডাকুৰছান্দি**- চুৰুণী ছাগলীৰ ডিঙিত পথালি মাৰি আৰি দি জব্দ কৰা।

**ডাটি**- ডাঠকৈ; দৃঢ়ভাৱে।

**ডাহিনে**- সোঁফালে।

**ডিণ্ডিম**- ঢোল।

**ডেডাৱয়**- বিকট চিঞৰ মাৰা; চিৎকাৰ কৰা; আৰ্ত্তনাদ কৰা।

**ডোৰা**- কাপোৰ ফাটি সূতা ওলোৱা ভাগ।

**ঢাক**- এবিধ ডাঙৰ ঢোল; আচ্ছাদন কৰ; আঁৰ কৰ।

**তৰণী**- নৌকা; নাওঁ; তৰী।

**তৰলা**- ডুগি-ডাইনা।

**তস্কৰ**- চোৰ; ডকাইত।

**তড়াগ**- ডাঙৰ পুখুৰী।

**তান্তী**- তাঁতী।

**তাসম্বাৰ**- তেওঁলোকৰ।

**তিনিগুণৰ ধ্বজা**- সত্ব; ৰজঃ তম।

**তিলক**- কপালত লোৱা ঘূৰণীয়া ফোট; অতি শ্ৰেষ্ঠ; মান্য লোক।

**তিলেক**- অতি অলপ বস্তু; অতি অলপ সময়।

**তিৰ্য্যক**- বেঁকা; তেৰেচীয়া; কুটিল।

**তিমিৰ**- অন্ধকাৰ।

**ত্ৰিকণ্টি**- তিনিটা জোঙেৰে এবিধ যাঠী।

**ত্ৰিনয়ন**- মহাদেৱ; ত্ৰ্যক্ষঃ; ভৰ্গ।

**ত্ৰিপুৰাৰি**- সদাশিৱ; শম্ভু, ভোলানাথ।

**ত্ৰিশূল**- তিনিটা জোঙেৰে এবিধ যাঠী।

**তীখাল**- তীক্ষ্ণ; বৰ চোকা; বৰ খঙাল।

**তুম্বৰু**- এজন গন্ধৰ্বৰ নাম; এজন তপস্বীৰ নাম।

**তূৰ্য্য**- বাদ্যযন্ত্ৰ।

**তৃণগোট**- অন্তৰ্যামী ঈশ্বৰ।

**তেজে**- ত্যাগ কৰে।

**তোমৰ**- এবিধ লোৰ টাঙন।

**তোৰণ**- ঘাই প্ৰবেশ দ্বাৰ; সিংহদ্বাৰ।

**দগলা**- নিহালি; পুৰণি কাপোৰেৰে প্ৰস্তুত কৰা কথাঁ।

**দগৰ**- দবাৰ নিচিনা এবিধ বাদ্য।

**দন্দশূক**- বহু ফণাযুক্ত সৰ্প; ৰাক্ষস।

**দ্বন্দুৰা**- দ্বন্দ কৰা যাৰ স্বভাৱ।

**দৰ্পণ**- আৰ্চী; দাপোণ।

**দাদু**- ককাদেউতা; আতা।

**দাৰুণ**- প্ৰবল; ভয়ানক।

**দিনমণি**- সূৰ্য্য; বেলি; অংশুমালী।

**দীঘি**- দীঘল।

**দীৰ্ঘতগুা**- বহু সময়লৈকে আঘাতৰ খুন্দা অনুভৱ কৰা।

**দুৰ্ঘট**- সহজে নঘটা।

**দুন্দুভি**-এবিধ ডাঙৰ নাগেৰা।

**দুৰ্ব্বাৰ**- দুৰ্নিবাৰ; দুৰ্দ্দমনীয়; অদম্য; অচেতন?

**দুৰ্ব্বিনীত**- অশিষ্ট; হুটা; গোৱাৰ।

**দুৰ্ম্মদ**- উপস্থ; জননেন্দ্ৰিয়।

**দুষ্পাৰ**- যিটো সহজে পাবলৈ টান; দুৰ্লভ।

**দূৰ্ব্বাক্ষত**- নিখুত দূবৰি বন।

**দুমন্ত**- সূৰ্য্য; দিনকৰ।



**দ্ৰুমলতা**- উদ্ভিদ; গছ।

**দৃষদ্বতী**- এটা পুণ্য নদী।

**দেবহূ**- বামকৰ্ণ; বাঁওকাণ।

**দোহাৰ**- দুইবো; উভয়ৰ; পুনৰ।

**ধৱল**- বগা; শ্বেত; ধলা।

**ধূম্ৰ**- ধোঁৱা।

**নট**- নৰ্তক; অভিনেতা।

**নতস্কা**- খং নকৰা।

**নদৰিল**- ভয় নকৰিল।

**নন্দী**- শিৱৰ এজন মুখ্য অনুচৰ।

**নৱবিধভক্তি**- শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চ্চন, বন্দন, দাস্য, সখিত্ব, পদসেৱন, আত্ম-নিবেদন।

**নবীন**- নতুন; ডেকা; ন।

**নৰাচ**- এবিধ জোঙা অস্ত্ৰ।

**নলক্ষিল**- যিহক লক্ষ কৰা নহ'ল।

**নয়**- নীতি; ৰাজনীতি।

**নপুংসক**- ক্লীৱ; পুৰুষ শক্তিহীন।

**নলিনী, নালিনী**- দুই নাক।

**নাকলে**- নেদাখে; মাত বোল নকৰে; একো নকয়।

**নাগ**- ৰত্নময় ফণা থকা সৰ্প; পন্নাগ।

**নাশ্বাসিল**- সান্তনা নিদিল; প্ৰবোধ নকৰিল; উৎসাহ দান নকৰিল।

**নিৰ্ঋৃতি**-- গুহ্য দ্বাৰ।

**নিকৰুণ**- দয়া নথকা; নিৰ্দ্দয়।

**নিখিলকলুষ**- সমুদায় পাপ; সমস্ত কলঙ্ক।

**নিষ্ঠুল**- নিষ্ঠুৰ; নিৰ্দয়।

**নিতম্ব**- শ্ৰোনী; পিঠিফালে কঁকালৰ তলৰ তপিনাৰ অংশ।

**নিদান**- বিপদ; বিপত্তি।

**নিবন্ধ**- লৰচৰ হ'ব নোৱাৰাকৈ কৰা নিয়ম; প্ৰতিজ্ঞা।

**নিৰপেক্ষ**- যি কাৰো পক্ষ লোৱা নাই; পক্ষপাত শূন্য।

**নিৰুজ্**- নিৰোগী; সুস্থ।

**নিৰেখি**- নিৰীক্ষণ কৰি; দেখি।

**নিলয়**- ঘৰ; বাসস্থান; গৃহ।

**নিশেষ**- শেষ বা বাকী নথকা, সম্পূৰ্ণ, পূৰা।

**নিষাদ**- ব্যাধ; চণ্ডাল।

**নীৰদ**- মেঘ; ডাৱৰ।

**নীলকণ্ঠ**- মহাদেৱ; শিৱ, দৰবত লগা এবিধ বৰ তিতা গছ।

**পঞ্জৰে**- সঁজাৱে; বাঁহৰে।

**পৰ্জ্জন্য**- মেঘ; ইন্দ্ৰ।

**পজাল**- ঘঁহি বা চাঁচি জোঙাল কৰ।

**পদ্মিনী**- সুলক্ষণা সুন্দৰী নাৰী।

**পটল**- চানেকি; আৰ্হি; তান্ত্ৰিক; পূজাৰ বিধি; পুথিৰ আধ্যা।

**পটন্তৰ**- উদাহৰণ; উপমা।

**পটহ**- এবিধ যুদ্ধ বাদ্য; জয়ঢাক।

**পট্টিস**- এবিধ কুঠাৰৰ নিচিনা অস্ত্ৰ-বিশেষ।

**পটেশ্বৰী**- মাদৈ, ৰজাৰ প্ৰধান নাৰী।

**পন্নগ**- সাপ; সৰ্প।

**পসাৰী-খামাৰী**- তামোল পান, ফল-মূল আদি সামান্য বস্তু বেচা তিৰোতা।

**পৰ্য্যুষিল**- বাহী কৰিলা; পাছদিনলৈ ৰখা।

**পঞ্চতপা**- চাৰিওফালে চাৰিকুৰা জুই ওপৰত সূৰ্য্যৰ তাপ ইয়াৰ মাজত থাকি কৰা তপস্যা।

**পঞ্চ তন্মাত্ৰ**- ৰূপ, ৰস, গন্ধ, স্পৰ্শ, শব্দ।

**পঞ্চম বদন**- শিৱৰ পাচ মুখ- তৎপুৰুষ (পূৰ্বমুখ), সদ্যোজাত (পশ্চিমমুখ), বামদেৱ (উত্তৰমুখ), অঘোৰ (দক্ষিণ মুখ), ঈশান (উৰ্দ্ধভাগ)।

পঞ্চগব্য- গৰুৰ এঁৱা গাখীৰ, দৈ, ঘী, গৰু মূত, গোবৰ একেলগে গোটোৱা।
পঞ্চামৃত- এৱা গাখীৰ; দৈ গাখীৰ; চেনী; ঘিউ; মৌ।
পঞ্চমহাভূত- পৃথিৱী, আকাশ, পানী, বায়ু, জুই।
পঞ্চশিৰা সৰ্প- প্ৰাণ, অপান, সমান, উদান, ব্যান।
পঞ্চবিষয় বিশাল- ৰূপ, ৰস, গন্ধ, স্পৰ্শ, শব্দ।
পঁচে- পচি থাকে; যাতনা ভোগে, গেলি যাই।
পল্লৱ- নতুন পাত; নতুন পাতেৰে সৈতে সৰু ডাল।
প্লৱ- ভেল; সন্তৰণ, পানী বৈ যোৱাৰ দৰে স্বাভাৱিক আশক্তি হোৱা।
পৰিঘ- মুদ্‌গৰৰ নিচিনা অস্ত্ৰ বিশেষ।
পৰিজন- ভৃত্য; অনুচৰ; পৰিয়াল।
পৰিনিষ্ঠা- অতিবিশ্বাস; সুদক্ষ; আন্তৰিকতাৰে কৰা কাম।
পয়োধৰ- মেঘ; ডাৱৰ স্থান।
পশ্চিম দুই দ্বাৰ- গুহ্যদ্বাৰ; লিঙ্গ বা যোনি দ্বাৰ.
পাঞ্চাল- প্ৰবৃত্তি নিবৃত্তি শাস্ত্ৰ।
পাদ্য- ভৰি ধুৱৰ নিমিত্তে দিয়া পানী।
পদোদক- ভৰি ধোৱা পানী।
পাৰণা- ব্ৰতৰ অন্তত আহাৰ কৰা।
পাৰমেষ্টি- পৰম ইষ্ট লাভৰ বাবে কৰা ধৰ্মীয় কৃত্য।
পাৰিজাত- স্বৰ্গৰ পুষ্প বিশেষ; ইন্দ্ৰৰ নন্দন কাননৰ এজোপা ফুলৰ গছ।
পাশ- জৰি; লেজু; অস্ত্ৰ বিশেষ।
পায়ু- গুহ্য দ্বাৰ; মলদ্বাৰ।

প্ৰণৱ- ওঁ; ওঙ্কাৰ; শ্ৰুতিত উল্লিখিত সৃষ্টি; পালন আৰু সংহাৰৰ প্ৰতীক।
প্ৰপন্ন- শৰণাগত; আতুৰ।
প্ৰমথ- শিৱৰ অনুচৰ।
প্ৰৱন্ধে- যত্নে, চেষ্টা কৰি, যত্ন কৰি।
প্ৰহৰণ- পঞ্চ তন্মাত্ৰ।
প্ৰজ্বাৰ- বাহিৰত ভয়; আৰু ভিতৰত পোৱা তাপ।
প্ৰলম্ভি- প্ৰবঞ্চনা কৰি; ঠগাই।
প্ৰয়াণ- গমন; প্ৰস্থান।
প্ৰতিবিম্ব- ছা; আচী বা পানীৰ ও পৰত প্ৰতিফলিত আকৃতি।
প্ৰাৰব্ধ- পূৰ্ব্বজন্মত উপাৰ্জিত।
প্ৰাবৃষ- বাৰিষা, বৰ্ষা কাল।
পাঞ্চাল- প্ৰবৃত্তি-নিবৃত্তি শাস্ত্ৰ।
পাঞ্চঘোঁৰা- পঞ্চ কৰ্মেন্দ্ৰিয়।
পিটিকা- পিটিকি পিটিকি কৰা খাদ্য বিশেষ; টিপা মাৰা।
পিণ্ড- মৃতকৰ উদ্দেশ্যে বিশেষ দিনত দিয়া খাদ্য; গোলাকাৰ বস্তু; শৰীৰ।
পিতৃহু- দক্ষিণ কৰ্ণ; সো কৰ্ণ।
পিপিলিকা- পিপৰা; পৰুৱা।
পিশাচ- ভূত-প্ৰেত; কদ্ৰূপ; নিষ্ঠুৰ; অসৎ প্ৰকৃতিৰ মানুহ।
পীন- স্থূল; শকত।
পীনস্তনী- স্থূলকায় স্তন যুগলৰ নাৰী।
পীনঘনস্তনী- শকত স্তন যুগলৰ তিৰোতা।
পুচ্ছ- নেজ; লেজ; নেগুৰ।
পুণ্ড- গুড়িকৰ; পিহু; চিহ্ন; তিলক; ফোঁট।
পুণ্ডৰীক- বগা পদুম।
পুনজনে- পুণ্যবন্ত লোক।



পুৰন্দৰ- স্বৰ্গৰ ৰজা ইন্দ্ৰ; দেৱৰাজ।
পুৰাতন- অতি পুৰণি; আগৰ কালৰ।
পুত্ৰোৎপত্তি- পুত্ৰ জন্মোৱা।
পুৰঞ্জন - জীৱাত্মা।
পুৰীষ- মল; বিষ্ঠা; শৌচ।
পুৰোডাশ যজ্ঞ- পুত্ৰ কামনা কৰি বিষ্ণুক আৰাধনা কৰা যজ্ঞ।
পেশো- দেখো; দৰ্শন পাওঁ।
পেয়- পি খোৱাৰ যোগ্য।
প্ৰেত- পাপী জীৱৰ আত্মা; ভূত।
পৈশুন্য- টুটকীয়া স্বভাৱ; কুৎসা ৰটনা।
ফণিমুখ- সাপৰ ফেঁটৰ নিচিনা মুখ।
বক- বগ; বগলী।
বধিৰ- কলা; কাণে নুশুনা।
বন্দী- ৰাজ স্তোত্ৰ জনা লোক; ভৃত্য; ৰণত ধৰা পৰা মানুহ।
বটোদক- এখন নদী বিশেষ।
বৰুণ- পানীৰ অধিপতি দেৱতা।
বয়ন- ৰকম; ধৰণ; কাপোৰ বোৱা কাৰ্য্য।
বঞ্চে- বাস কৰে; উজাগৰে থাকে; খপে।
বহুদিন- নানা অন্ন।
বাঘজৰী- পাঞ্চ প্ৰাণ।
বাজপেয়- এবিধ প্ৰাচীন যজ্ঞ।
বাতি- বমি; পেটৰ পৰা মুখেদি উলিওৱা আহাৰ।
বাৰণচয়- হস্তীবোৰ।
বাৰু- ঢাল।
বায়ন- খোল মৃদঙ্গ আদি বজাওঁতা।
বিকল- অসম্পূৰ্ণ।
বিকৰ্থনা- তিৰস্কাৰ; পৰিহাস।
বিগুটি- যন্ত্ৰণা; পৰিহাস; নিন্দা।
বিজৃম্ভিত- বিকশিত; বিস্তাৰিত।
বিতান- চন্দ্ৰতাপ; মণ্ডপ; বিস্তাৰ।

বিদ্যাধৰ- দেৱযোনি বিশেষ; গন্ধৰ্ব্ব।
বিধুম- ধোৱাহীন।
বিপাট- এবিধ শৰ।
বিপণ- বাগিন্দ্ৰিয়, মুখ।
বিপঞ্চি- বিৱৰি কোৱা; বহলাই কোৱা।
বিপক্ষ- বিৰুদ্ধ পক্ষ, বিৰুদ্ধ দল।
বিভু- পৰমেশ্বৰ; ব্ৰহ্ম; ভগৱান।
বিভৱ- ধন, ঐশ্বৰ্য্য, বিভূতি।
বিভ্ৰাজিত- ৰূপক।
বিমল- নিৰ্ম্মল; পবিত্ৰ; অকলঙ্ক।
বিশাৰদ- পাৰদৰ্শী; বিশেষজ্ঞ।
বিষূচি- মন।
বীণা- তাঁৰ লগোৱা এবিধ বাদ্য; প্ৰাচীন ভাৰতীয় তন্ত্ৰী শ্ৰেণীৰ বাদ্য-যন্ত্ৰ।
বীৰাসন- সোঁ ভৰি বাঁও উৰুত, বাওঁ ভৰি সোঁ উৰুত ৰাখি কৰা উপবেসন।
বুধ- জ্ঞানী; পণ্ডিত।
বৃক গণ- কুকুৰনেচীয়া বাঘবোৰ; শিয়ালবোৰ; কাউৰী, ফেঁচাবোৰ।
বৃকযুথ- কুকুৰনেচীয়া বাঘৰ দল।
বৃষকেতু- কৰ্ণৰ পুতেক।
বৃষধ্বজ- মন।
বেণীবদ্ধ- গোঠা চুলিৰ বান্ধ এৰাব নোৱাৰা।
বোকণ্ডী- জুলি; মোনা।
বোম্বালে- ধাৰাসাৰে।
বোম্বানলে- ধাৰাসাৰে।
ব্যজন- বিচনী; চামৰ আদি।
ব্যতিকৰ- বিৰুদ্ধ; বিপৰীত বাদী।
ব্যসন- নকৰিবলগীয়া কাম; অকৰ্ত্তব্য কৰ্ম্ম; দোষ।
ব্যৱায়ত সুখ- মৈথুনজাত সুখ।
বিষূচিকা- জহনী ৰোগ; হাইজা।

বাঘজৰী- ৰথৰ ঘোঁৰাৰ লেকাম।
বৈদিক- বেদ সম্বন্ধীয়; বেদবিহিত; বেদজ্ঞ।
বৈশ্বানৰ- অগ্নি; জুই।
বিমল- নির্মল; নিকা স্বচ্ছ; পবিত্র।
বুধ- এটা গ্রহ।
বীণা- প্রাচীন ভাৰতীয় তন্ত্রী শ্রেণীৰ বাদ্য যন্ত্র।
ভণে- লিখে; ৰচনা কৰে; কয়।
ভল্ল- আঘাত কৰ; বধ কৰ; অব্যৰ্থ অস্ত্ৰ বিশেষ।
ভৱকূপ- সংসাৰ ৰূপ কূঁৱা।
ভৱার্ণৱ- সংসাৰ ৰূপ সাগৰ; সংসাৰ সাগৰ।
ভৱভয়- সংসাৰ ভয়।
ভয়- ত্রাস; বিপদৰ শঙ্কা।
ভাট- প্ৰসস্তি গায়ক; স্তুতি পাঠক।
ভাষয়- কথা কয়; মাতে।
ভাষ্যমত- টীকাৰ সিদ্ধান্ত; টিপ্পনীৰ মতে।
ভিণ্ডি- ভিৰি; হেচোমাৰা।
ভিণ্ডিপাল- দলিয়াই মাৰা অস্ত্ৰ বিশেষ।
ভূজ- বাহু; হাত।
ভূত- পিশাচ; উপদেৱতা।
ভূপতি- ৰজা; নৃপতি; নৃপ।
ভেৰী- মুখেৰে বজোৱা এবিধ ৰণবাদ্য।
ভোগৱতী- পাতালত থকা গঙ্গা নৈ।
ভ্ৰূভঙ্গ- কটাক্ষ; মনোহৰ ভঙ্গীত ভ্ৰূ সঞ্চালন।
মদমত্ত- অহংকাৰত বলিয়া; হিমজু ওলোৱা কাৰণে বলিয়া হোৱা (হাতী)
মধুৰী- প্রীতিকৰ; সন্তোষ লগোৱা।
মধুসক্ষিকা- মৌ মাখি।
মধ্যক্ষীণী- সৰু কঁকাল যুক্তা।
মন্যু- খং; অসন্তোষ।
মহাক্রতু- অতি উত্তম যজ্ঞ।
মহিষ- ম'হ।
মহোদধি- মহাসাগৰ।
মাগধ- মগধ দেশৰ।
মিত্ৰগণ- ইন্দ্রিয়বর্গ।
মিতাহাৰ- পৰিমিত ভোজন।
মুণ্ড- মূৰ; শিৰ।
মুণ্ডেবাৰি- মূৰত কোব মাৰি দিয়া।
মুষল- উৰালমাৰি; মুষলৰ দৰে এবিধ অস্ত্র।
মুষিক- এন্দুৰ।
মূক- বোবা; আঁকৰা।
মৃদু- মিহি; কোমল; মধুৰ।
মৃদঙ্গ- এবিধ খোলৰ নিচিনা বাদ্য।
মেধি- শিষ্যৰ পৰা কৰ তুলিবলৈ সত্ৰৰ দ্বাৰা নিযুক্ত বিষয়া।
মোদক- শক্তি বৰ্দ্ধক আয়ুৰ্বেদীয় ঔষধ বিশেষ।
মৌনব্ৰত- আধ্যাত্মিক কাৰণত কথা নোকোৱাকৈ থকা কাৰ্য্য।
মৌক্তিক- মুকুতা লগোৱা; মুকুতাৰ বন কৰা।
যথাবৃত্ত- যিকোনো প্ৰকাৰে ঢাকা; আচ্ছাদিত।
যষ্টি- লাখুটি; টোকোন; লাঠি।
যৱন- ম্লেছ; পশ্চিমৰ পৰা ভাৰতলৈ অহা সকলো অহিন্দু জাতি; জাতি ভেদ নমনা।
যৱন- চৌষষ্ঠি ৰোগ; ব্যাধি।
যূপগছ - যজ্ঞৰ জন্তু বন্ধা গছ; বৃষোৎসর্গত ষাড় গৰু বন্ধা মূৰত ভতঁৰা গৰুৰ মূৰ্ত্তি থকা খুঁটা।
যূথভ্ৰষ্ট- বন্য জন্তুৰ পাল হেৰুৱা; জাক হেৰুৱা।



যোনি- তিৰোতাৰ গুপ্ত অঙ্গ।
ৰক্তোৎপল- ৰঙা পদুম।
ৰজত- ৰূপ।
ৰঞ্জন- বৰণ লগাই শোভিত কৰা কাৰ্য।
ৰজ্জু- ৰচি; জৰী, লেজু।
ৰণ্ডভণ্ড- নষ্ট, বিশৃঙ্খল, লৰ্বাং তৰ্বাং।
ৰথবৰ- সপ্তধাতু।
ৰথখান- নিজৰ দেহ।
ৰথৰ দুই ঈশাদণ্ড- অহংতা-মমতা।
ৰথৰ দুই চকা- পাপ; পুণ্য।
হৃদয়খন- ৰথীৰ নিজস্থান।
ৰমা- তিৰোতা; লক্ষ্মী; ভাৰ্য্যা।
ৰসজ্ঞ- ইন্দ্রিয়গণ।
ৰহিত- শূন্য; বঞ্চিত।
ৰাণ্ডি- বিধৱা; বেশ্যা।
ৰাক্ষস- মানুহ খোৱা এবিধ বনৰীয়া মানুহ; দেৱতাৰ শত্ৰু।
ৰিপু- শত্ৰু।
ৰুক্ষতৰ- অতি খহটা, অধিক নিৰস।
ৰোচক- ৰুচিকৰ; যিটো ভাল লাগে।
ৰোষ- খং; ঠেহ।
লজ্জা- লাজ; সংকোচ ভাব; সৰস্বতী দেৱী।
লটঘট- জোকাৰণি; বিপত্তি; দুৰ্গতি।
লণ্ডা- ল'ৰা তিৰোতা নথকা লোক।
লপস- সংলাপ কৰ; কথা পাত; আলাপ কৰ।
লম্পট- কামুক; দুশ্চৰিত্ৰ; পৰস্ত্ৰীত আসক্ত মানুহ।
লৰু- গৰু খেদা এছাৰি।
লয়লাস- নৃত্যৰ নিচিনা ভঙ্গি; শোভন গতি।
লাখুটি- লাঠি, টোকোন; আঘাত কৰা মাৰি।
লাটিম- মিহি জৰী পকাই ঘূৰোৱা এবিধ কাঠৰ খেলনা।
লালস- লোভ; হেপাহ; আশা।
লুব্ধক- পায়ু; গুহ্যদ্বাৰ।
লেশ- অকণমান; ধনিষ্ঠা।
লেহ্য- চেলেকি খাবলগীয়া।
লোটয়- কাটি হৈ পৰি বাগৰা বাগৰি কৰা; ওলমি মাটিত চুঁচুৰি যোৱা।
লোতক- চকুৰ পানী।
লৌকিক- যিটো শাস্ত্রীয় নহয়; লোক-বিষয়ক।
শঙ্খ- কম্বু; শামুক জাতীয় সাগৰীয় জীৱ।
শতক্রতু- ইন্দ্র।
শনাই- শানেৰে ঘঁহি চোকা কৰ; শন দি।
শনাইত- শানত দিয়া; চোকা।
শশমৃগ- শহাপহু।
শ্মশ্রু- ডাড়ি-গোঁফ।
শাৰঙ্গধনু- বিষ্ণুৰ ধনু; শিঙেৰে তৈয়াৰী ধেনু।
শাস্তা- শাস্তি দিওতা, শাসন কৰোতা।
শায়ক- কাঁড়, বাণ; শৰ।
শাশ্বত- চিৰ সত্য; স্থায়ী।
শিলিমুখ- এবিধ বৰ চোকা কাঁড়।
শিশ্ন- লিঙ্গ; পুৰুষৰ জননেন্দ্ৰিয়।
শিহৰিল- ৰোমাঞ্চিত হ'ল; শিয়ঁৰি উঠিল।
শূকৰ- গাহৰি; বৰা।
শ্রোত্র- বেদ; শ্রুতি।
শ্ৰুতধৰ- শ্ৰৱণ, শুনা।
শ্রুতি- শুনা কাৰ্য্য; বেদ।
শ্ৰীবৎস লোমপান্তি- বিষ্ণুৰ বুকুত থকা বগা নোমৰ চিন।
ষণ্ড- ষাঁড়; বৃষভ; ভঁতৰা গৰু।
ষড়ৰস- মিঠা, তিতা, কেঁহা, জ্বলা, টেঙা, খাৰ এই ছয়বিধ আস্বাদ।
সন্তোষ- আনন্দ; হৰ্ষ; তৃপ্তি।
সান্নিধি- সান্নিধ্য; ওচৰ; সমীপ।

সন্নিধান- ওচৰ; সমীপ।
সপত্নী- সতিনী।
সপক্ষ- নিজৰ ফলীয়া; অনুকুল মতাৱলম্বী।
সঁফুৰা- সাফঁৰ যুক্ত টেমা; টেমা-বটা।
সম্বৎসৰ- সম্পূর্ণ এক বছৰ।
সমুদ্র দুহিতা- লক্ষ্মী।
সংযমনীপতি- যম ৰজা; যমপুৰীৰ অধিপতি দেৱতা।
সংযমন দণ্ড- ইন্দ্রিয় দমন কৰিব পৰা একপ্রকাৰ কৌশল।
সৰভ- বেগী; ভয়ানক; প্রচণ্ড।
সুপর্ণ- গৰুড় পক্ষী।
স্বতন্তৰ- স্বাধীন, অইনৰ অধীন নোহোৱা।
স্বস্তিক আসন- যোগ চিনৰ আকৃতিৰ মঙ্গলসূচক আসন বিশেষ।
সঞ্চিলা- সাঁচিলা; সংগ্রহ কৰিলা।
সাৰথি- বুদ্ধি।
সাৰসা- বগলি জাতীয় এজাতি ডাঙৰ চৰাই।
সালঙ্কৃত- অলংকাৰেৰে ভূষিত; সুসজ্জিত।
সাঞ্জিমাঞ্জি- ধুই মচি চাফ চিকুণ কৰা।
সাৰুসুয়া- এবিধ চৰাই।
সায়ক- শৰ; বাণ।
সাঞ্চা- সাঁচি থোৱা; খৰচ নকৰাকৈ ৰাখা।
সায়াহ্নে- দিনৰ শেষ ভাগে; গধূলি।
সিংহবন্ধ- সিংহৰ কান্ধৰ দৰে ধুনীয়া বান্ধ।
স্ত্রীগোট- বুদ্ধি।
সুজান- জ্ঞানী; বুধিয়ক।
সুপাট- এবিধ শৰ।
সুপ্ত- নিদ্রিত; শোৱাৰ দৰে শান্ত হৈ থকা।
সুৰগুৰু- বৃহস্পতি; দেৱগুৰু।
সুৰপুৰী- ইন্দ্রৰ নগৰ; অমৰাৱতী।
সুৰুতি- ৰতি মৈথুন; ভালৰূপে কৰা ৰতি ক্রিয়া।
সুশোভন- অতিশয় মনোহৰ; বৰ সুন্দৰ।
সূত- ক্ষত্রিয় পুৰুষৰ দ্বাৰা বামুণীৰ গৰ্ভত ওপজা মানুহ; শৌনক আদি মুনিসকলৰ আগত ভাগৱত ব্যাখ্যা কৰা এজন মুনি।
স্বেদজ- মলি আৰু গেলা পচা ঠাইৰ পৰা ওপজা।
সোলঙ্গ- এবিধ বৰ উগ্র টেঙা ফল।
সৌৰভ- গন্ধ।
স্রুক-স্রুৱ- হোমত ঘিউ ঢলা দীঘলীয়া হেঁতা।
স্রুচ- হোমত ঘিউ ঢলা ঘূৰণীয়া হেঁতা।
স্রৱে- বৈ যায়; ক্ষৰিত হয়।
স্তৱন- স্তুতি; প্রশংসা; প্রার্থনা।
স্নিগ্ধ- মিহি, কোমল, শীতল, তেলৰ নিছিনা পিছল।
হংস- হাঁহ; ৰাজ হাঁহ।
হৱি- ঘিউ; আহুতিৰ দ্রব্য।
হর্ষিত বদনে- আনন্দ মনেৰে।
হবির্ভাগ- নিৰামুহীয়া আহাৰ।
হাকুল-ব্যাকুল- ভাত কাপোৰৰ দোষ।
হাটি- শাৰী পাতি থকা ঘৰ; সত্ৰত ভকত থকা ঘৰৰ লানি।
হাতৰ ধনুখন- কৰ্ত্তব্য; ভোক্তব্য।
হিসনি- ডাঙৰকৈ চিয়ঁৰ মাৰা।
হিংসন- হিংসা কৰা কাৰ্য্য।
হেঙ্গুল কুকুৰ- এজাতি ৰঙা বৰণৰ চোকা দাঁতৰ কুকুৰ; ৰিপু সমূহ।
হেতি- অস্ত্র-শস্ত্র; খুন্দা; আঘাত।
হৃষীকেশ- ইন্দ্রিয়ক জয় কৰোঁতা; বিষ্ণু, শ্রীকৃষ্ণ।
ক্ষুধা- ভোক; ইচ্ছা; লালসা।
ক্ষীৰ- গাখীৰ পগাই ঘন কৰা গাখীৰ।



# পঞ্চম স্কন্ধ

অগম্য- যলৈ যাব নোৱাৰি।
অগম্যগমন- নিষিদ্ধ স্ত্রী সংসর্গ।
অগ্নিহোত্র যজ্ঞ- অগ্নিত আহুতি দান।
অজগৰ ব্রত- একে ঠাইতে যি মিলে তাকে খাই জীয়াই থকা।
অটবী- অৰণ্য; হাবি; বননি।
অন্বয়- সম্বন্ধ; সৰল অর্থ নির্ণয়।
অনিমা- সূক্ষ্মত্ব; বিভূতি; যি যোগৰ শক্তিৰে শৰীৰক অণুপ্রমাণ কৰা যায়।
অবগাই- আদ্যপান্ত বিৱৰি কোৱা।
অবিকল- সম্পূর্ণ; অবিকৃত; লৰচৰ নকৰা।
অবিদ্যা- অজ্ঞানতা; মায়া; প্রকৃতি।
অৰিহণা- দানকৰা ধন; বৰঙণি; দক্ষিণা।
অৱধূত- সংসাৰ মায়া মুক্ত; নিস্পৃহ; নির্লোভী।
অসাঠন- অসমর্থ; যোগ্যতা হীন।
অসূয়া- পৰশ্রীকাতৰতা; ঈৰ্ষা।
অন্তগত- মাৰ যোৱা; নেদেখা হোৱা।
আত্যন্তিক সুখ- বৰ বেছি সুখ; অতিৰিক্ত সুখ।
আত্মজ্ঞান- পৰমাত্মাৰ বিষয়ে জ্ঞান।
আত্মাৰাম- যি নিজ গুণৰ পৰা আনন্দ উপভোগ কৰে; জগতক হৰিময় দেখে।
ইক্ষু- কুঁহিয়াৰ।
উকুত- উক্ত; কোৱা কথা।
উচ্ছ্রিত- ওখ; উচ্চ।
উৎসৃষ্ট গৰ্ত্ত- খোৱা বস্তুৰ অৱশিষ্ট পেলোৱা খাল বা গাঁত।
উদৰ- পেট।
উদ্যান- বাগিছা; ফুলনি।
উৰ্দ্ধায়ন- ওপৰেৰে উৰিব পৰা; মুক্তি।
উৰু- কৰঙন; আঠুৰ ওপৰৰ ভাগ।
উলুক- উকা; ধনগুলৈ।
ওদন- আহাৰ; খাদ্য; ভাত; পায়স।
কঁটাল- গাঁঠি; জেং।
কটাক্ষ- কেৰাহিকৈ চোৱা; মৰমত বেঁকাকৈ চোৱা।
কটিভাগ- শৰীৰৰ মাজ ভাগ; শৌচ দুৱাৰ।
কণ্ডুকি- খজুৱা; আচোৱা; খজুৱতি।
কচ্ছপ- কাছ; এবিধ পানীত থকা জন্তু।
কদলী- কলগছ।
কৰ্দ্দম- পঙ্ক; বোকা।
কপি- বান্দৰ।
কলহ- কাজিয়া; দ্বন্দ, খৰিয়াল।
কবৰী- খোপা।
কাক- কাউৰি; সৰু পাচি।
কাফেৰ- নাস্তিক; বিধৰ্মী।
কন্দুৱান্ত- বিৰক্তি লগাই কান্দিবলৈ দে।
কাছে- কাষতে; ওচৰতে।
কামিনী- ৰূপৱতী তিৰোতা; ৰমণী।
কিঙ্কৰালি- দাস কৰ্ম্ম; চাকৰালি; বন্দীত্ব মানা।
কিৰাত- হাবিত বাস কৰা এজাতি মানুহ; ব্যাধ।
কিম্পুৰুষ- কিন্নৰ; ঘোঁৰাৰ দৰে মুখ আৰু মানুহৰ দৰে শৰীৰৰ দেৱলোকৰ এজাতি গায়ক।
কিশলয়- গছৰ কুঁহিপাত।
কুচ- স্তন; পিয়াহ।
কূট্- কপটীয়া মানুহ।
কুঠান- দেখিবলৈ ঠগ নোহোৱা; কুৰূপ।
কুবেৰ- যক্ষ সকলৰ ৰজা; ধনৰ অধিপতি দেৱতা।
কুৰঙ্গ- হৰিণা পহু।

কুৰূপ- আগঢ়ী; অশুৱনি; কদাকাৰ।
কুসুম- ফুল; পুষ্প।
কুৰালয়- পাখীবোৰ ঠোঁটেৰে জোকাৰি দিয়ে; এবিধ বগা ফুল ধৰা গছ।
কুলীমালী- কাউ বাউ; কোনো সামান্য কাম কৰা মানুহ।
কেঞ্চা- কেঁচা; নপকা, নিসিজা।
কোকিল- কুলি চৰাই।
কৌতুকে- ধেমালি প্ৰিয়; ধেমেলীয়া।
খড়্গ- এবিধ ডাঙৰ তৰোৱাল; গড়ৰ শিং; খাগ।
খল- লগনীয়া বা টুটকীয়া মানুহ।
খলুৱা- টুটকীয়া; টেঙৰ ধূৰ্ত্ত।
খাণ্ডা- তৰোৱাল; দা; ডাঙৰ কটা অস্ত্ৰ।
খেড়ি- খেলা।
গণ্ডকী নদী- শালগ্ৰাম উৎপন্ন হোৱা এখন নদী।
গৰ্দ্দভ- গাধ; মূৰ্খ মানুহ।
গন্ধৰ্ব বিবাহ- মাক বাপেকৰ অনুমতি নোলোৱাকৈ সকামা নাৰী পুৰুষৰ অনুৰাগ বশতঃ মিলন।
গুতা- হাতে ভৰি বন্ধা।
গুল্ফ - গোৰা।
গৃহ মেধি- ঘৰৰ গৰাকী; গৃহস্থ।
গ্ৰন্থি- গাঁঠি; জোৰা।
ঘেৰালী- ৰণ চলি থকা; যুদ্ধ চলি থকা।
চটক- ঘৰ চিৰিকা; গচক; গৰক।
চুম্বন- চুমা; চুমা খোৱা কাৰ্য্য।
চেঞ্চা-পোৱা- আধা পোৱা; জলা বোধ জন্মা।
চৌ-চৰাত- ডাঙৰ চাৰি কোণৰ সভাঘৰ।
চৌ-দোলা- চাৰিজনে কান্ধেৰে নিয়া যান।
ছয়গোটা চোৰ- কাম; ক্ৰোধ; লোভ; মোহ; মদ; মাৎসৰ্য্য।

জঙ্গম- গতিশীল; প্ৰাণযুক্ত; লৰি চৰি ফুৰা।
জংঘা- কলাফুল; ডিমা।
জপি- জপ কৰি; ইষ্ট মন্ত্ৰাদিৰ উচ্চাৰণ কৰি।
জম্বু দ্বীপ- পুৰাণ শাস্ত্ৰৰ মতে পৃথিৱীৰ সাত খণ্ডৰ মাজৰ খণ্ড; প্ৰাচীন ভাৰতবৰ্ষ।
জানু- আঁঠু।
জাতিস্মৰ- যাৰ পূৰ্ব্ব জন্মৰ কথা মনত আছে।
জালাক-জুলুক- টিমিক্-ঢামাক্কৈ জ্বলা।
ঝক্কাল- জোকোৱা মাৰি কোৱা।
টামন- চতুৰ; বুধিয়ক।
টঙ্গি- খেতি ৰাখিবলৈ কৰা সৰু চাংঘৰ।
টেটন- সিয়ান মানুহ; বঞ্চক; প্ৰতাৰক।
ডাটি- ডাঠকৈ; দৃঢ়ভাৱে, বলেৰে।
ডেও- জাঁপ; জঁপিয়া।
ডেৱা-ডেই- এটা মাছ মৰা যতন।
ডেৱা- কঠাল জাতিৰ এবিধ ওখ ডাঙৰ গছ।
ঢোকা- সন্দেহ; আশঙ্কা; কোনো বস্তুক কাতি হৈ নপৰাকৈ ৰাখিবলৈ লগোৱা বাঁহ আদিৰ ঠেকা।
ঢলৌপলৌ- থৰক-বৰক; টলং ভটং; অস্থিৰ।
তস্কৰ- চোৰ; ডকাইত।
তিতিক্ষা- সহিষ্ণুতা; ক্ষমা।
তীখাল- তীক্ষ্ম; চোকা; বৰ খঙাল।
থু-থুৱাৰে- সেপ, মুখৰ ৰস।
থোসমোস- লাজে ভয়ে মাতিব নোৱাৰা হোৱা; নিৰুত্তৰ।
দগ্ধ- পোৱা; পুৰি ছাই কৰা; ধ্বংস কৰা।



দম- দমন কৰা; কৰ্মেন্দ্ৰিয়ক নিয়মলৈ আনা।
দাদী- আইটা।
দামা- ডাঙৰ নাগেৰা; দবা।
দিগম্বৰ- দশোদিশেই যাৰ কাপোৰ; উলঙ্গ; শিৱৰ এটা নাম।
দুলীয়া- দোলা ভাৰী; দোলা নিওঁতা।
নৱগুণ- লগুণ; - সত্য, শৌচ, ক্ষমা, দয়া, অহিংসা, অক্ৰোধ, বিনয়, অলোভ, ইন্দ্ৰিয় নিগ্ৰহ।
নদ্ধা- ক্ৰোধ।
নিশ্বল- দুষ্ট।
নিতম্ব- তপিনাৰ অংশ; শ্ৰোণি/শ্ৰোণী।
নিতম্বিনী- বহল আৰু সুন্দৰ নিতম্ব থকা তিৰোতা।
নিদান- মূল কাৰণ; ৰোগৰ কাৰণ নিৰ্ণয়; বিপদ; বিপত্তি।
নিৰঙ্কুশ- মুকলিমূৰীয়া; স্বেচ্ছাচাৰী।
নিলাজ- নিৰ্গত; যাৰ অপমানলৈ ভয় নাই।
নিলিম্পা- গাই গৰু।
নিষ্ফল- নিৰৰ্থক; বিফল; অসাৰ্থক।
নিৰ্ম্মোক- সাপৰ চাল; বৰ্ম; আকাশ।
নিহালি- লেপ; জাৰকালি গাত লোৱা তুলা ভৰা কাপোৰ।
নোকৰ- চাকৰ; দাস।
পখালি- ধুই; পানীৰে নিকা কৰি।
পণৱ- এবিধ বাদ্য।
পতঙ্গ- ফৰিং; পাখি লগা পোক; ছটা ভৰি থকা কীট।
পৰমপদ- নিত্যমুক্ত ব্ৰহ্মাৰ স্থান; নিৰ্গুণ স্থান।
পৰমায়ু- জীৱন; জীয়াই থকা কাল।
পৰায়- নিচিনা; দৰে।
পুত্তিক- মৌমাখি।
পুংশ্চলী- বেশ্যা; গণিকা; নটিনী।

পামৰ- পাপী; নৰাধম; অতি নীচ মানুহ।
প্ৰাৰব্ধ- পূৰ্ব্ব জন্মত কৰা; অদৃষ্ট।
পাড়লি- এবিধ ডাঙৰ গছ।
পিঙ্গট- অলপ ৰঙাৰে মিহলি মুগা বৰণীয়া।
পিঠিক- শিবিকা; দোলা।
পিম্পৰা- পিপৰা; পৰুৱা; পিপীলিকা।
পিষ্টক- পিঠা।
পীনস- বৃহদাকাৰ স্তনযুক্ত; ডাঙৰ ওহাৰ।
পেঞ্চা- বৃত্তি; জীৱিকা।
প্ৰতিবিম্ব- আৰ্চী বা পানীৰ ওপৰত প্ৰতিফলিত আকৃতি; ছাঁ।
বখলি- ছাল এৰুৱা; বাকলি গুচা।
বগুৱা বা- দুই হাত আৰু দুই আঁঠু মাটিত পেলাই কৰা গতি।
বড়ুৱালি- ঘঁহি চোকা নকৰা; ধাৰ নথকা।
বতুৱা- বাত ৰোগগ্ৰস্ত; দুৰ্বল, অকামিলা।
বলি- দেৱতালৈ উছৰ্গা কৰা জন্তু; ছেদন; ত্যাগ কৰা।
ৰাজৰ বৃত্তি- দগাবাজি স্বভাৱ।
বৰ্ত্তুল- ঘূৰণীয়া গোলাকাৰ।
বলয়- খাৰু; কঙ্কণ; মণ্ডল।
বাটি- ভগাই দিয়া; ভাগ বতৰা কৰি দিয়া।
বাণিজাৰু- বণিক; বেপাৰী।
বাতি- চাকি; বন্তি; ওকালি; বমি।
বুদবুদ- পানীৰ ওপৰত উঠা বুৰবুৰণি।
বন্দুলি- ৰঙা আৰু বগা দুই ধৰণৰ ফুলৰ এবিধ ফুল গছ।
বাতবৃষ্টি- বতাহ বৰষুণ।
বালুকা- বালিচৰ; বলুকা; বালিময়।
বিক্ৰম- শক্তি; বল; পৰাক্ৰম; প্ৰতাপ।
বিনোদ- ৰং; ধেমালি; আহ্লাদ।
বিৰল- নিৰ্জ্জন ঠাই; যিটো কচিৎহে হয়।

বিষ্ঠা- পুৰীষ; মল; গু।
বেদজড়ী- বেদ বিহীত কৰ্মৰ বিধি বিধান।
বেদান্ত- উপনিষদ; ব্যাস প্ৰণীত দৰ্শন শাস্ত্ৰ।
বেষ্টিত - যিহক বেৰা হৈছে।
ব্যপদেশ- চেলু; ওজৰ, ছল।
ব্ৰহ্ম হত্যা- ব্ৰহ্মবধ; জীৱহত্যা।
ভণ্টা- টাংগুটি খেল; হাততলৈ ধেমালি কৰা গুটি।
ভৱটবী- সংসাৰ অৰণ্য।
ভূষণ- অলংকাৰ, গহনা; সজ্জা।
ভেন্ট- নিৰোধ কৰা; আগচি ধৰা; আগুৰা।
ভোগজাড়ি- ভৃঙ্গাৰ; নলা লগোৱা লোটা।
মকৰন্দ- ফুলৰ মৌ; হৰি কীৰ্ত্তনৰ খোৱাদ।
মুচ- প্ৰবঞ্চিত কৰ; ঠগা।
মৰীচিকা- মৃগতৃষ্ণা; মৰুভূমিৰ বালিত ৰ'দৰ জিলমিলনিত পানী বুলি হোৱা ভ্ৰম।
মদিৰা- মদ; সুৰা।
মীন- মাছ; মৎস্য।
মুমুক্ষু- মুক্তি বাঞ্ছা কৰা; মুক্তি প্ৰাৰ্থী।
ম্লান- নিষ্প্ৰভ; হীন জ্যোতি; মলিন; নিৰানন্দ।
মৈথুন- ৰতিক্ৰীয়া; শৃঙ্গাৰ; স্ত্ৰী-পুৰুষৰ সহবাস।
যজ্ঞসূত্ৰ- উপবীত; লগুণ।
লঙ্ঘন- অতি ক্ৰম; অৱজ্ঞা কৰ; জাপ মাৰি পাৰ হ।
লঘিমা- লঘুত্ব; যোগৰ বলত শৰীৰক লঘু কৰিব পৰা ক্ষমতা।
লম্পট- দুষ্ট; পৰস্ত্ৰীত আসক্ত মানুহ।
লহনা লহন- প্ৰলোভিত কৰা; লোভ দেখাই দিয়া প্ৰবৃত্তি।
শ'ক- শকাদিত্য ৰজাই প্ৰৱৰ্ত্তন কৰা অব্দ বা বছৰ; মধ্য এচিয়াৰ এটা প্ৰাচীন জাতি।

শতবল্লী- অসংখ্য লতা।
শণাই- তীক্ষ্ণ; চোকা।
শম- মনৰ শান্ত অৱস্থা; জ্ঞানেন্দ্ৰিয়ক নিয়মলৈ আনা।
শশাঙ্ক- জোন; চন্দ্ৰ।
শান- অস্ত্ৰ ঘহি চোকা কৰা এবিধ কোমল শিল।
শৃঙ্গ- জন্তুৰ শিং; পৰ্ব্বতৰ টিং।
শৌচ- শুচি; মল ত্যাগ।
ষোড়শ- যোল্ল; ১৬ সংখ্যক।
সঙ্কৰ্ষণ- বলৰাম; প্ৰবল আকৰ্ষণ।
সকামী- ফল আকাঙ্ক্ষী।
সত্য- সঁচা; যথাৰ্থ।
সপ্তদ্বীপ- জম্বু, প্লক্ষ, শাল্মলি, কুশ, ক্ৰৌঞ্চ, শাক আৰু পুস্কৰ।
সপ্ত সাগৰ- লৱণ, ইক্ষু, সুৰা, ঘৃত, দধি, দুগ্ধ আৰু জল।
সমীধ- যজ্ঞ কাঠ; হোমত ব্যৱহাৰ কৰা এবিধ কাঠ।
সম্ভোগ- মৈথুন; ৰতিক্ৰিয়া; উপভোগ।
সন্ন্যাস- বৈৰাগ্য; সংসাৰৰ সুখ এৰি ঈশ্বৰ চিন্তা কৰা কাৰ্য্য।
সমীপত- ওচৰ; কাষত।
সাঁকল- মোহ।
সাৰস্বত- শাশ্বত; চিৰস্থায়ী; চিৰকলীয়া।
সুপাৰ্শ্ব- নিৰাপদ; নিৰ্ভয়ে ওচৰত থকা।
সেৱাচোৰ- হৰি সেৱাত আওহেলা কৰা; হৰি সেৱা নকৰা।
স্থাৱৰ- অচল; যাক স্থানান্তৰিত কৰিব নোৱাৰি; মাটি বাৰি।
স্বৈৰিণী- অসতী তিৰোতা; নিজ- খুচিত চলা স্ত্ৰী।
হান্দি- চৰু; পাক-পাত্ৰ।



হিয়া- বুকু।
হেলিব- খেল ধেমালি কৰিব; হেলা কৰা।
হেমকুট- এখন পৰ্ব্বত।

## ষষ্ঠ স্কন্ধ

অগনি- জুই; বহ্নি।
অগম্যাগমন- নিষিদ্ধ স্ত্ৰী-সংসৰ্গ।
অগ্ৰগণী- নেতা; আনতকৈ আগবঢ়া।
অগ্নিহোত্ৰী- অগ্নিত আহুতি দান কৰা পুৰোহিত।
অচিন্ত্য- চিন্তা শূন্য; চিন্তা নথকা।
অদ্ভুত- আচৰিত; আগেয়ে নোহোৱা।
অঞ্জলি- আঁজলি।
অনৰ্থ- অনিষ্ট; অমঙ্গল; অকল্যাণ; আপদ।
অন্ধতামিশ্ৰ- ভাৰ্য্যা, পুত্ৰ আৰু স্বামীক এৰি খোৱা জনে শাস্তি ভোগ কৰা নৰক।
অন্তকালে- মৃত্যুৰ সময়ত; জীৱনৰ শেষ সময়ত।
অনুকুলবায়ু- সহায়ক বায়ু; সপক্ষে থকা।
অনুৰাগ- স্পৃহা; আসক্তি; প্ৰেম।
অপথ্য- যি খাদ্য ৰোগীৰ বাবে অপকাৰী; অহিতকৰ খাদ্য।
অপৰাহ্ন- আবেলি; ভাতিবেলা; দিনৰ শেষ ভাগ।
অপূৰ্ণভৱ- পুনৰ জন্মহীন, মোক্ষ।
অবোধ- অজ্ঞান; অবুজ; নিৰ্বোধ; অঁজলা।
অবিচি- ঘৰত জুই দিয়ে, বিষ দি মাৰে, গাঁও লুটি নিয়ে, বিচাৰত মিছা সাক্ষী দিয়ে, কিনা বিকাত মিছা মাতে; এনে দোষৰ বাবে এই নৰক ভোগে।
অভিচাৰ- অনিষ্টকৰণ; হিংসা।
অভ্যাগত- অতিথি; আলহী।
অমোঘ- অব্যৰ্থ; নিষ্ফল নোহোৱা; গুৰুতৰ।
অৰণ্য- হাবি; বননি।

অসতী- পৰ পুৰুষত মতি; দুষ্টা তিৰোতা।
অসিপত্ৰ- বিনা আপদত নিজ ধৰ্ম ত্যাগ কৰা অপৰাধৰ বাবে শাস্তি ভোগ কৰা নৰক।
অস্ফুট- নুফুটা; অস্পষ্ট; অব্যক্ত।
অষ্টবসু- আঠজন দেৱতা- আপ, ধ্ৰুৱ, সোম, ধৰ,অনিল, অনল, প্ৰভাস, প্ৰত্যুষ।
আকাশ- ব্যোম; গগন; শূন্য।
আক্ৰোশ- আখেজ, অনিষ্ট কৰিবৰ ইচ্ছা, পেটত পুহি থোৱা খং।
আখি- চকু; নেত্ৰ।
আটোপে- বলৰ দৰ্পেৰে।
আন্টা- অন্তিম; শেষ।
আতুষ্টি- বিতুষ্টি; অসন্তোষ।
আৰ্ত্তনাদ- আটাহ; দুখ; শোক; ভয়ত চিঞঁৰা।
আত্যন্তিক- অতিশায়িত, অত্যন্ত, অধিক, অসীম।
আত্ম-ঘাতী- আপোনঘাতী।
আদ্য- প্ৰথম; আদি; আগ; মূল।
আপদলম্বিত- আঠুৰ তললৈকে যোৱা হাত।
আবকত- ৰঙা; তেজবৰণীয়া।
আৰাও- ডাঙৰ শব্দ; চিঞঁৰ; আটাহ।
আৰিসে- এই সম্পৰ্কে।
আসঙ্গ- সঙ্গ, লগ; প্ৰীতি; চেনেহ।
ইচিতি- ইলুটি-সিলুটি; চট্‌ফটনি।
উখৰভূমি- সাৰ নথকা মাটি; নীৰস ভূমি; কটুৰ স্থান।
উচ্চকুচ- ওখ স্তন, শকত পিঁয়াহ।
উচ্ছাদ- উচ্ছেদ; ধ্বংস; নাশ।
উদক- জল, পানী।

উদাত্তস্বৰ- বেদৰ স্বৰ বিশেষ; গুৰু গম্ভীৰ।

উকি- ৰিং; বহুত দূৰৈৰ পৰা মতা দীঘলীয়া সুৰৰ মাত।

উলি- নিৰ্ম্মূলন; উচ্ছেদ; সম্ভেদ।

উপেন্দ্ৰ- বিষ্ণু; কৃষ্ণ।

উভাৰৈ- গুৰিয়ে সৈতে তুলি পেলা; শিপাই সৈতে উঘালি পেলা।

উৰু- আঠুৰ ওপৰৰ ভাগ; কৰঙন।

উসমিস- গোলমাল; খেলিমেলি।

উৎপথগামী- ভুলপথে যোৱা লোক।

একশৰণীয়া- একমাত্ৰ কৃষ্ণ, বিষ্ণুৰ সেৱক।

ঐশান্য- উত্তৰ পূৱ দিশ; ঈশান কোণ।

ওৱা- হেৰা; সম্বোধন কৰা মাত।

ওৰ- শেষ; অন্ত।

কঙ্কণ- খাৰু; হাতত পিন্ধা এবিধ অলঙ্কাৰ।

কঠিন- টান; কৃপণ; বুজিবলৈ টান।

কতিপয়ে- অলপমান, কিছুমান।

কন্দৰ্প- কামদেৱ; মদন।

কপট- ছল; চাতুৰী; যথাৰ্থ ভাৱৰ গোপন।

কপিঞ্জলপক্ষী- চাতকপক্ষী, তিত্তিৰি চৰাই, বিশ্বৰূপৰ অমৃত খোৱা মুখটোৱে এই চৰাইৰ ৰূপ লৈছিল।

কম্বুকণ্ঠ- শঙ্খৰ পাকৰ দৰে ডিঙিৰ আঁচ থকা মানুহ।

করুণা- দয়া; মৰম; কৃপা; অনুকম্পা।

কলত্ৰ- তিৰোতা; ভাৰ্য্যা, পত্নী।

কল্পতৰু- সকলো কামনা পুৰণ কৰা এজোপা স্বৰ্গৰ গছ।

কলাবিঙ্ক- চাতক চৰাই; কুলি চৰাই; বিশ্বৰূপৰ সুৰা খোৱা মুখটোৱে এই চৰাইৰ ৰূপ লৈছিল।

কল্মষ- পাপ; কলুষ।

কলা ধাতু- অকণমান ধাতু; অলপমান তত বা চৈতন্য।

কল্লোল- পানীৰ খলকনি।

কক্ষা- আখেজ; জেদ; প্ৰতিজ্ঞা।

কশ্চিত- কেতিয়াবা, কদাচিত।

কৰী- জগ; হাতী; হস্তী।

কাঞ্চা- কেচা; নপকা।

কাকুতি- মিনতি; প্ৰাৰ্থনা; স্তুতি।

কাচ পাৰ- পোছাক-পৰিচ্ছদ।

কাছে- কাষতে; ওচৰতে।

কাপ- লেখনী, কলম, কোনো এক বৰণৰ বহল আঁচ।

কামুক- কামাতুৰ; কামাৰ্ত।

কাম্পে-জাম্পে- কপি-জপি, কোনো মতে।

কাল- সময়; ঋতু; যম; মৃত্যু; আয়ুস।

কালকূট- বৰবিহ, যাক খোৱা মাত্ৰেই প্ৰাণ যায়।

কালসূত্ৰ- ব্ৰহ্ম বধৰ বাবে অশেষ কষ্ট ভোগা নৰক।

কিঙ্কৰে- চাকৰে; অনুচৰে; বন্দীয়ে।

কিঙ্কিণী- ঘুগুৰা; ঘুগুৰাৰ মালা।

কিঞ্জল্ক- পদুম ফুলৰ কেশৰ।

কিটাইল- দাঁত নিকটাই দিয়া; খঙত দাঁত কৰচনি মাৰা।

কিলাকুনি- হাতৰ ঠাৰি আৰু বাউসীৰ জোৰৰ গাঁঠি।

কীৰ্ত্তি- যশ; খ্যাতি।

কুত্ৰ- ক'ত; কোন ঠাইত।

কুখ্যাত- নিন্দা; দুৰ্নাম।

কুলাঙ্গাৰ- বংশৰ কলঙ্ক; বংশৰ মৰ্য্যদা হানী কৰোঁতা।

কুলিশ- ইন্দ্ৰৰ বজ্ৰ।

কুম্ভীপাক নৰক- বনৰ পৰা পশু পক্ষী ধৰি আনি সঁজাত বান্ধি ৰখা আৰু ভক্ষণ কৰা দোষৰ বাবে শাস্তি ভোগা নৰক।



কুন্ত- কলহ; হাতীৰ মূৰৰ টেমুনা।

কৃতঘ্ন- অশলাগী; উপকাৰীৰ অপকাৰ কৰোঁতা।

কৃমিভোজন- ডাঁস, মহ, মাখি, জোক, পোক-পৰুৱাক মাৰে আৰু ব্ৰাহ্মণ হৈ পঞ্চযজ্ঞ নকৰাকৈ আহাৰ গ্ৰহণ কৰা অপৰাধৰ বাবে এই নৰক ভোগে।

কেস্কান্তে- কেঁকাই গেঠাই।

কেলি- ক্ৰিয়া; ধেমালি; প্ৰমোদ খেল।

কেয়ূৰ- বাহুৰ অলঙ্কাৰ; বাজু।

কোকনদ- ৰঙাপদুম।

কোঞ্চাই- গোটাই; থুপুৰিয়াই।

কোপ- খং; ক্ৰোধ।

খমাৰ- অভ্যাস; ব্যৱসায়ী।

খিচিৰী- চাউল, দালি, পাচলি, ঘিউ, মচলা আদি একেলগে সিজোৱা খাদ্য।

খুজিলুৰি- খুজি মাগি আন।

গণ্ডূষ- চলু; হাতৰ তলুৱাৰ খোলাত যিমান পানী ধৰে।

গৰিহা- নিন্দা; দোষাৰোপ।

গলাবাৰ- গল-খেকাৰি মাৰা।

গুণ্ডি- গুড়ি, চূৰ্ণ।

গুহ্যজ্ঞান- তত্বজ্ঞান; গভীৰ জ্ঞান।

গৃধ্ৰে- শগুণে।

গেৰু- গেৰুৱা মাটি।

গো- গৰু; বেদ, ইন্দ্ৰিয়।

গ্ৰাম- গাঁও, সমূহ।

ঘোঁঘাৰি- শোঁওতে নাকৰ পৰা হোৱা শব্দ।

চক্ক- ভয়; শঙ্কা, ত্ৰাস, ভীতি, চ'ক খুওৱা।

চণ্ড- বৰ খঙাল; অলপতে খং উঠা; উগ্ৰ।

চম্মু- সন্মুখ সমৰ; ৰণ।

চুলাৰি- জাপিৰ দাঁতিত শোভাৰ কাৰণে লগোৱা ওলমি থকা সূতা।

চড়িয়া- মুখ ধোৱা পাত্ৰ; গুপ্তচৰ।

চাতুৰী- নিপুণতা; শঠতা; দুষ্টালি।

চান্দ- চন্দ্ৰ; জোন; গোপনে কোনো কাম কৰিবলৈ চল চা; ছেগ চা।

চাৰণ- গৰু আদি ৰখোৱা কাৰ্য্য।

চাৰু- ধুনীয়া; উত্তম; সুন্দৰ।

চিবুক- ধুথুৰি; থুঁতৰি; পীচং।

চূৰ- নাশ; চূৰ্ণ; নষ্ট।

চেড়ী- দাসী, বেটী।

চোট- আঘাত, খুন্দা, ঠেলা।

চৈতন্য- জ্ঞান চেতনা।

চৌৰ- চোৰ; অপহৰণ কৰোতা।

ছন্ন- ঢাক খাই থকা; আচ্ছাদিত।

ছত্ৰ- জাপি; ৰ'দ বৰষুণৰ পৰা গা ঢকা বস্তু বিশেষ।

ছাদ- ছন্দিয়া, কেঁচুৱাই বতিয়াই উলিওৱা গাখীৰ।

ছান্দি- বান্ধি; কথাৰে জব্দ কৰি।

ছাৰখাৰ- নাশ; সমূলি নষ্ট; উচ্ছন্ন।

ছাৱা- শিশু; পোৱালি।

ছিদ্ৰ- দোষ; জগৰ; দাই; বিন্ধা।

জঁঘা- কলাফুল; ডিমা।

জঞ্জাল- আহুকাল; হুলুস্থূল।

জনীয়া- জন সম্পৰ্কীয়।

জল- পানী; সলিল; পোহৰ হ; জিলিক।

জাঙ্গ- জাং; শৰীৰৰ অঙ্গ।

জাতকৰ্ম- সন্তান জন্মৰ সময়ৰ সংস্কাৰ কৰ্ম।

জানু- আঠু।

জাত্তণ্ড- পিটিকি দিয়া।

জোক- এবিধ তেজপিয়া পোক।

জোঙ্কা- জোকোৱা; আমনি কৰি খং তোলা।

জোগুকুণ্ড- লুকুৰা; জুই নিবলৈ বান্ধা জুমুঠি।
ঠুঠা- ডাল-পাত নথকা ঠেৰেঙা, একেবাৰে পঙ্গু হোৱা।
ঠুঙ্গিঠুঙ্গি- নিচেই সৰুকৈ; সৰু খণ্ড খণ্ড কৰি।
ডকা- নৈৰ তলৰ বালি চটত খুন্দা খাই খলখল শব্দেৰে ওপৰলৈ উঠা পানী; আগলৈ খেদা; গোট মৰা বস্তু।
ডাকিল- চিয়ঁৰি মাত; ডাঙৰকৈ মাতা।
ডৰত- ভয়ত।
ডাড়িম্বৰ- ডালিম।
ঢেলা- শেতা; নিস্তেজ।
তটস্থ- উদাসীন; নির্লিপ্ত।
তণ্টত- এনেদৰে।
তন্ত্রীকুল- তাঁতী জাতি; তাঁতী গোষ্ঠী।
তম্নৰক- বেদেজ্ঞ হৈ হাঁহ পাৰ পোহা; আৰু ঘৰত পোহা পশু পক্ষীক বলি দিয়া অপৰাধৰ বাবে এই নৰক ভোগে।
তস্তি- শান্ত হৈ; বিশ্ৰাম লৈ; জিৰাই।
তড়সি- ভয় কৰি।
তৰাতৰি- বেগাই; খৰখেদাকৈ; খৰকৈ; ততাতৈয়াকৈ।
তামিশ্র নৰক- পৰৰ ধন, পুত্ৰ, ভাৰ্য্যা, হৰণ কৰিলে কঠোৰ শাস্তি পোৱা এখন নৰক।
তাসম্বাক- তেওঁ বিলাকক।
তাড়িলেক- ৰক্ষা কৰিলে; উদ্ধাৰ কৰিলে।
তিত্তিৰী- কুকুৰা জাতীয় চৰাই; বিশ্বৰূপাৰ অন্ন খোৱা মূৰটোৱে এই চৰাইৰ ৰূপ লৈছিল।
তুম্বফল- লাউ।
তুষিল- সন্তুষ্ট কৰিল, তুষ্ট কৰিল।
ত্ৰৈলোক্য- স্বৰ্গ, মৰ্ত্ত্য, পাতাল।

তোমৰ- এবিধ লোৰ টাঙন।
থিউ- থিয় হৈ; ওপৰলৈ পোন হৈ।
দগধ- দগ্ধ; পোৰা; অতিশয় অনুতপ্ত।
দণ্ডমুণ্ড- সময়ৰ মূল্য নুবুজা।
দণ্ডশূক- গছত পৰি থকা ছৰাইক বধ কৰিলে; লোকক ভয় খুৱালে এই নৰক ভোগে।
দৰ্পণ- আচী; দাপোণ।
দৰশে- দেখে।
দাই- অপৰাধ; জগৰ।
দ্বাদশ আদিত্য- ধাতা, মিত্ৰ, অৰ্য্যমা, ৰুদ্ৰ, বৰুণ, সূৰ্য্য, ভগ, বিবস্বান, পূষা, সবিতা, ত্বষ্টা আৰু বিষ্ণু।
দিগগজ- আঠ দিশ ৰক্ষা কৰা আঠোটা হাতী।
দিন- দিবা; সময়; কাল।
দিশ- পূৱ পশ্চিম আদি দশ দিশ।
দীপিতি- দীপ্তি, জিলিকি থকা।
দুৰ্ঘট- দুঃসাধ্য; সহজে নঘটা।
দুন্দুভি- ডাঙৰ নাগেৰা; বালি ৰজাই বধ কৰা এটা অসুৰ।
দুষ্কৰ- কৰিবলৈ টান; দুঃসাধ্য।
সুস্ত্যজ্য- এৰিবলৈ টান।
দুৰ্ম্মদ- মদমত্ত; পাগল; ভয়ঙ্কৰ।
দেহাভোগ- বিষয় ভোগ।
দ্রোহী- হিংসুক; অপকাৰী।
ধৰ্ম- সৎকৰ্ম; সদাচাৰ; পুণ্য কৰ্ম।
ধৰ্ম্মৰাজ- যমৰজা।
ধৰ্মৰ চাৰি চৰণ- (তপ) সত্য; শৌচ; ক্ষমা; দয়া।
ধৰ্ম্মজান- ধৰ্মজ্ঞাতা; ধৰ্মজ্ঞ; ধৰ্ম বেছিকৈ জনা।
ধাউ- ডাঙৰ শব্দ; বিকত চিএঁৰ।



ধূৰ্ত্ত- প্ৰবঞ্চক; টেঙৰ; শঠ।
ধূমকেতু- নেজাল তৰা; অমঙ্গলীয়া মানুহ।
ধেনু- গাভী; পোৱালি হোৱা গাই।
নন্দক- শ্ৰীকৃষ্ণৰ খড়্গ।
নৱনিধি- কুবেৰৰ মূল্যবান ৰত্ন নটা- মহাপদ্ম, পদ্ম, শঙ্খ, মকৰ, কচ্ছপ, মুকুন্দ, কুন্দ, নীল আৰু খৰ্ব; নৱবিধ ভকতি।
নিকট- ওচৰ সমীপ।
নিকাৰ- দুখ; যাতনা; জীয়াতু।
নিঢালে- মাটিত কাতি হৈ শুই পৰি।
নিহল- শিকলি; জিঁজিঁৰি।
নিস্থল- নিষ্ঠুৰ; দুষ্ট।
নিঃশঙ্ক- নিঃসন্দেহ; নিসংশয়।
নিশবদ- হাই উৰুমি নোহোৱা, নিস্তব্ধ।
নিঃশ্ৰী- শ্ৰীভ্ৰষ্ট; শুকাই খীণাই যোৱা; আয়ুস নাশ হোৱা।
নিৰৱা- অবিবাহিতা কন্যা।
নিষ্কিঞ্চন- দুখীয়া; নিঃকিন; দৰিদ্ৰ।
নেত্ৰৰ লোতক- চকুৰ পানী; অশ্ৰুজল।
পচৰা- এবিধ চেলেং কাপোৰ।
পচি- জুই, অগ্নি।
পদ্মনালি- তন্তু; পদুমৰ ঠাৰি।
পৰশু- কুঠাৰ।
পৰলোক- সিপুৰী; পতিত হোৱা।
পৰিত্ৰাণ- উদ্ধাৰ; ৰক্ষা; মুক্তি।
পৱনসঞ্চাৰে- দ্ৰুতবেগে; বায়ু গতিৰে; অতি শীঘ্ৰে।
পঞ্জিপত্ৰ- হিচাব ৰখা বহী; অতীতৰ বিৱৰণ লিখা পত্ৰ।
পট্টিশ- এবিধ কুঠাৰৰ নিচিনা যুদ্ধৰ অস্ত্ৰ।
পঞ্চসত্য- কৃষ্ণই কোৱা- অন্য ধৰ্ম ত্যাগ কৰা, মোতে শৰণ লোৱা, মই পাপৰ পৰা মুক্ত কৰিম, তাপৰ পৰা নিস্কৃতি দিম; মই তোমাক মুক্তি দিম।

পাট- ৰজাৰ সিংহাসন; পাতল আৰু চেপেটা কাঠ; পাট পলুৰ পৰা হোৱা সূতা।
পাশতি- পাশা খেলাৰ মাৰি।
পাষণ্ড- দুৰাচাৰ; অনাচাৰী লোক; অধাৰ্মিক।
পাষাণৰ ৰেখা- শিলৰ ৰেখা; কঠিন চিহ্ন।
পিঙ্গট- অলপ ৰঙাৰে মিহলি মুগা বৰণীয়া।
পিণ্ড- দেহ; মৃতকৰ উদ্দেশ্যে দিয়া খাদ্য।
পিঠিফৰাবান্ধ- সম্টমকৈ হাত ভৰি বান্ধা।
পীত- হালধীয়া।
পীড়িলে- কষ্ট দিলে; তাড়না দিলে; দুখ দিলে।
পুছিবে- সুধিবে; প্ৰশ্ন কৰা।
পুত্ৰজ্বৰ- পুত্ৰৰ বাবে পোৱা শোক বা তাপ।
পুন্নাম নৰক- পুৎ নামৰ নৰক; পুত্ৰ নজন্মিলে এই নৰকলৈ যাব লাগে।
পুলকিত- অতি আনন্দিত, ৰোমাঞ্চিত।
পুষিল- পোহপাল দিয়া; ভৰণ-পোষণ কৰা।
পুষ্পিণী- ৰজস্বলা তিৰোতা।
পুংখ- ধেনুত জুৰি মৰা কাঁড়ৰ গুৰিৰ অংশ।
পূৰ্ব্বাহ্ন- দিনৰ আগ ভাগ; আগবেলা।
প্ৰচুৰ- অধিক; বহুত; ভালেমান; অপৰ্যাপ্ত।
প্ৰযত্ন- সম্যক যত্ন; প্ৰচেষ্টা।
প্ৰণতি- প্ৰণাম, নমস্কাৰ।
প্ৰবোধ- বুজনি; সান্ত্বনা; জ্ঞান।
প্ৰবন্ধ- যত্ন; চেষ্টা; পুৰুষাৰ্থ; ৰচনা।
প্ৰাশ/প্ৰাস- নগা যাঠিৰ দৰে এবিধ অস্ত্ৰ।

প্ৰাণান্তিক- মৃত্যু ঘটাব পৰা; প্ৰাণ অন্ত হ'ব খোজা।
পোষণ- পোহপাল কৰা কাৰ্য্য; পালন।
বক্ৰ- বেকা; কেকোৰা; কুঁজা।
বজ্ৰকুট- স্ত্ৰী বা পুৰুষে অগম্য গমন কৰা দোষৰ বাবে শাস্তি ভোগা নৰক।
বজ্ৰদন্ত নৰক- বজ্ৰৰ দৰে চোকা আৰু কঠিন দাঁতৰে চকুত খুটিয়াই; অতিথিক দেখি চকু পকাই চাই আৰু ঠাই নাই বুলি কোৱা দোষৰ বাবে এই নৰক ভোগে।
বঞ্চিল- বাস কৰিল; খপিল।
বঞ্চে- অলপ কাল বাস কৰে; ছল কৰে।
বনমালা- বনফুলৰ মালা, ভকতৰ নামৰ মালা।
বনিতা- তিৰোতা, ভাৰ্য্যা, পত্নী।
বল্কিল- অৰ্থহীন কথা কোৱা; ব'লকনি।
বশ্য- অধীন; বাধ্য; তলতীয়া।
বস- বহ।
বৎস- দামুৰী; বাছৰু; গৰু পোৱালি।
বৎসল- দয়ালু; মৰমীয়াল; অনুৰক্ত।
ব্ৰত- পুণ্য লাভৰ কাৰণে কৰা উপবাস।
ব্ৰহ্মবধ- জীৱ হত্যা, অনাহকত বীৰ্য্য নষ্ট কৰা; অন্নৰ ব্যভিচাৰ।
ব্ৰহ্মবধী-ব্ৰাহ্মণ বধোঁতা; জীৱ হত্যাকাৰী।
ব্ৰহ্ম হত্যাৰ চাৰিভাগ- স্ত্ৰী, জল; পৃথিৱী; বৃক্ষ।
বাউল- পাগল; উন্মত্ত; অতিশয় উদ্বিগ্ন।
বাজু- কেয়ূৰ, বাহুত পিন্ধা এবিধ অলংকাৰ।
বাটি- এবিধ ঠেনু নোহোৱা ঘূৰণীয়া সৰু পাত্ৰ।
বৰ্ত্তিলো- বিপদৰ পৰা সাৰিলো; টিকিলো; ৰক্ষা পৰিলো।

বাহু- ভুজ; হাত; হস্ত।
বাৰণ- বাধা, নিষেধ।
বাৰজন বৈষ্ণৱ- ব্ৰহ্মা, হৰ, মনু, কপিল, কুমাৰ, শুক, ভীষ্ম, বলিৰায়, নাৰদ, জনক, প্ৰহ্লাদ, যম।
বায়ু- বতাহ; পৱন; সমীৰণ।
বিকট- দেখিলে ভয়লগা; ভয়ানক।
বিগুতি- যন্ত্ৰণা; পৰিহাস; নিন্দা।
বিচাট- মানসিক অশান্তি; শোকজনিত বৈৰাগ্য।
বিদাৰ- ছিৰ; ফাল; বিদীৰ্ণ কৰ।
বিদ্যাধৰ- দেৱযোনি বিশেষ; গন্ধৰ্ব।
বিদ্ৰুম্- প্ৰবাল; পোৱাল।
বিপ্ৰযান- ব্ৰাহ্মণে কঢ়িওৱা বাহন।
বিৱৰ্ণ- শেতাপৰি যোৱা; মলিন; নিস্তেজ।
বিমৰিষ- মন মৰা অৱস্থা; বেজাৰ।
বিৰল- পাৰলৈ টান; সেৰেঙা।
বিস্ময়- আশ্চৰ্য্য; অশ্চৰ্য্যবোধ।
বিযুৱাত- পৰীক্ষিত।
বিহঙ্গ- চৰাই; পক্ষী।
বিহ্বল- বিবশ; আতুৰ; অভিভূত।
বিড়ালী- মাইকী মেকুৰী।
ব্ৰীড়া- লাজ; লজ্জা।
বুদ্ধলোক- সজ্জন; জ্ঞানী লোক।
বুন্দামাৰ- সমূলি নষ্ট; ধ্বংস।
বৃত্তি পাত- জীৱিকা উলিওৱা কাৰ্য্য; জীৱিকা স্থাপন কৰা।
বেকত- ব্যক্ত; প্ৰকাশিত; দৃশ্যমান।
বেদ- হিন্দুৰ প্ৰধান আৰু প্ৰাচীনতম্ শাস্ত্ৰ; জ্ঞান।
বেদান্ত- উপনিষদ; ব্যস প্ৰণীত দৰ্শন শাস্ত্ৰ।
বেশ্যা- অসতী; গণিকা, নটিনী; নাটেশৰী।



বৈতৰণী- বিতৰণ, দান; যমৰ নগৰৰ বাটত থকা কাল্পনিক নদী।
বৈদ্য- বেজ; চিকিৎসক।
বৈৰী- শত্ৰু; অৰি।
বৈলক্ষ্য- পৃথক লক্ষণ; প্ৰভেদ।
বৈস্মহ- ব্ৰাহ্মণ হৈ পৰনাৰী হৰণ কৰিলে আৰু হংস, ছাগ কাটি ভূত প্ৰেত পূজিলে এই নৰক ভোগ কৰিব লাগে।
ব্যাধি- ৰোগ; নৰিয়া; পীড়া।
ভখাৰি- ভঁৰাল; ধান ৰখা ঘৰ।
ভঙ্গুৰা- যিটো সোণকালে নষ্ট হয়; ঠুনুকা।
ভণৈ- কবৈ; লিখে।
ভৰ্ৎসন্ত- তিৰস্কাৰ কৰা; নিন্দা কৰা।
ভণ্ডাৰ- ভাণ্ডাৰী; ভঁৰালী।
ভাণ্ডিবা- ঠগাবা; প্ৰবঞ্চনা।
ভিঠিৰ- ভেটিৰ।
ভিণ্ডা- থোপাথোপ; ফল বা ফুল সমূহ।
ভিণ্ডাকাৰ- ওফন্দি ডাঙৰ হোৱা; ভয় লগা।
ভিণ্ডাভিণ্ডি- থোপাথোপে; জোঁট জোটে।
ভূষণ্ডী- গাত বেটু থকা ডাঙৰ দীঘল এবিধ অস্ত্ৰ।
ভৈৰৱ- ভয়ানক; ভয়ঙ্কৰ; শিৱৰ পাৰিষদ।
ভৌমিক- মাটিৰ গৰাকী।
মঞ্জীৰ- ভৰিত পিন্ধা জুনুকা; নূপুৰ।
মণ্ডপ- উৎসৱৰ কাৰণে অস্থায়ীভাৱে সজা ৰভা ঘৰ।
মদনগ্ৰাহ- কামপীড়া; কাম ভাৱত আসক্ত।
মৰ্দ্দন- পেষণ; পিহঁন।
মত্ত- বলিয়া; উন্মত্ত।
মৰ্ত্ত্য- পৃথিৱী; ভূলোক; ভুৱন।
মঞ্চিৰ- হাতেৰে বজোৱা এবিধ বাদ্য।
মৰোজীএগ্ৰা- প্ৰাণপণে; প্ৰাণলৈ ভয় নকৰি।

মলমূত্ৰ কুণ্ডে- শৌচৰ গাতত; বিষ্ঠা গৰ্ত্তে।
মহাগ্ৰাহ- কাল; মৃত্যু।
মহাজন- জ্ঞানী; সাধুলোক; মহন্ত।
মাহানাদ- ভিষণ গৰ্জন; কলধ্বনি।
মহী- ধৰাতল; বসুমতী; চিয়াহী; মৈলাম।
মাৰ্ত্তণ্ড- সূৰ্য্য; ৰবি; বেলি।
মাস- মাহ।
মিত্ৰ- বন্ধু; মিতা; সুহৃদ; সখি।
মুনিষাই- পুৰুষত্ত; পুৰুষালি।
মুষ্টি- মুঠি; আঙুলি জপোৱা হাতৰ তলুৱা।
মূঢ়- অজ্ঞ; মূৰ্খ; নিৰ্বোধ।
মৃদঙ্গ- এবিধ খোলৰ নিচিনা বাদ্য।
মেখলা- ককালত মেৰিয়াই পিন্ধা এবিধ অলংকাৰ; কৰধ্বনি।
মোলান- পদুমৰ মূল; মলিয়ন; মলযুক্ত।
মোষ- খণ্ড খণ্ড কৰ; নষ্ট কৰ।
মোক্ষৰ বীজ- মুক্তিৰ উপায়; মুক্তিৰ মূলমন্ত্ৰ।
ৰতি- আসক্তি; মৈথুন; কামভাৱ।
ৰঞ্জে- শোভিত কৰ; আনন্দিত কৰ।
ৰজস্বলা- ঋতুমতী; মাহেকীয়া স্ৰাৱ হোৱা তিৰোতা।
ৰণ্ড- অঙ্গহীন; বিকলাঙ্গ; নিষ্ফল; ধূৰ্ত্ত।
ৰণচণ্ডী- ক্ৰুদ্ধা তিৰোতা; বৰ খঙাল নাৰী।
ৰঁড়ে- ধেমেলীয়া কথকী তিৰোতা।
ৰাতি- ৰাত্ৰি; নিশা।
ৰাৱবাৰ- মাতবোল; আৰৱ; সাৰি শব্দ।
ৰিঙ্গা- গহীন নোহোৱা; পাতল বোধ হোৱা।
ৰিণি ৰিণি- অলপ অলপকৈ; অস্পষ্ট বা অসম্পূৰ্ণ ৰূপে।
ৰিপু- শত্ৰু; কাম; ক্ৰোধ আদি।
ৰুদ্ধ- আবদ্ধ; কেউফালে বেৰি থোৱা।

ৰোমাঞ্চিত- পুলকিত; বিস্মিত।

ৰোল- কোৰ্হাল; ধ্বনি; ডাঙৰ হাই; খ্যাতি।

ৰৌৰৱ- পুত্ৰ, ভাৰ্য্যা, কুটুম্ব আৰু নিজৰ বাবে পশু পক্ষী বধ কৰা দোষৰ কাৰণে যন্ত্ৰণা ভোগা নৰক।

লঘু- পাতল; কম হোৱা; সামান্য।

লঙ্ঘিলে- জপিয়াই পৰিলে; অমান্য কৰিলে।

লম্পট- কামুক; দুশ্চৰিত্ৰ; পৰস্ত্ৰীত আসক্ত মানুহ।

লম্বি- ওলমি থকা।

ললাট- ভাগ্য; কষ্ট; যাতনা।

লক্ষ- এক লাখ; এশ হাজাৰ।

লক্ষ্য- উদ্দেশ্য; অনুমান; দেখা কাৰ্য্য।

লালভক্ষ- কামে মত্ত হৈ নিজ ভাৰ্য্যাক চুম্বন কৰিলে এই নৰক ভোগ কৰে।

লুণ্ঠিলা- লুণ্ঠন কৰিলা; লুট কৰিলা।

লুণ্টিব ঘুণ্টিব- চেলেকীব; খকমক কৰি শিশুৱে স্তন পান কৰা কাৰ্য্য।

লুৰি- খুবলিলে ধান বঢ়াই দিয়া মাৰি।

লোৰে- লুটি নিয়ে, হৰণ কৰি নিয়ে।

লোটন্তে- বগৰা বাগৰি কৰোঁতে।

লোহিত- ব্ৰহ্মপুত্ৰৰ এটা নাম; ৰঙা; ৰঙা ৰং।

লোটয়- মাটিত কাতি হৈ পৰি বগৰা বাগৰি কৰা।

শঙ্কা- ভয়; সন্দেহ।

শতঘ্নী- বহুলোক বধিব পৰা লোৰ জোং থকা প্ৰাচীন অস্ত্ৰ বিশেষ।

শশী- চন্দ্ৰ; জোন; ইন্দু।

শিহঁৰে- শিয়ৰ; নোমৰ দৰে থিয় হ।

শিখণ্ডক- ম'ৰা-চৰাইৰ নেজ।

শুকুলা- বগা; শ্বেত; ধলা।

শৃঙ্গাৰ- ৰতি ক্ৰীড়া, সহবাস।

শাশ্বত- সত্য; চিৰদিনীয়া; স্থায়ী; যাউতীযুগীয়া।

শ্বেত- বগা; ধলা।

শ্ৰী- লক্ষ্মী; চেহেৰা; আয়ুস; সম্পতি; সৌভাগ্য; শোভা; লাৱণ্য; ভক্তি; পৰাক্ৰম; আদৰ।

শ্ৰীমদে- শৰীৰ বা সম্পত্তিক লৈ কৰা অহংকাৰ।

ষণ্ড- ষাঁড়; ঋষভ; ভঁতৰা গৰু; বৃষভ।

ষড় দৰ্শন- হিন্দু দৰ্শনৰ ছটা বিভাগ-ন্যায়; বৈশেষিক, সাংখ্য, পাতঞ্জল, পূৰ্বমিমাংসা, বেদান্ত বা উত্তৰ মিমাংসা।

সণ্ডাসে- লোৰ তপত অস্ত্ৰৰে।

সথী- দেৱতাৰ পূজালৈ আগধন ৰাখ।

সঞ্জাত- বিশ্বাস; পতিয়ন; সঁজাত।

সঞ্জীৱনী- জীয়াই ৰখা; প্ৰাণৰক্ষা কৰা, প্ৰাণসঞ্চাৰ কৰে।

সদ- সত্য, সঁচা; যথাৰ্থ।

সদংশ- ব্ৰাহ্মণৰ সোণ আৰু আনৰ ধন চুৰি কৰা দোষৰ বাবে এই নৰক ভোগে।

সংসৰ্গ- সম্বন্ধ; লগ; সঙ্গ।

সন্নিহিত- ওচৰৰ, নিকটবৰ্ত্তী।

সদ্ধ্যক্ষণ- সংজ্ঞা লাভ; মূৰ্ছাৰপৰা জ্ঞান পোৱা অৱস্থা।

সষ্টম- প্ৰস্তুত; সাজু।

সপটে- মনতে।

সপ্তৰ্ষিমণ্ডল- মৰীচি, অত্ৰি, অঙ্গিৰা, পুলস্ত্য, পুলহ, ক্ৰতু আৰু বশিষ্ঠ।

সম্পজিল- ওপজিল; জন্মিল; উৎপত্তি হ'ল।

সমিধান- মুখেৰে দিয়া উত্তৰ; সহাৰি।



সমীপ- ওচৰ; কাষ; নিকট।

সহস্ৰলোচন- ইন্দ্ৰ দেৱতা; দেৱৰাজ।

সৰিষপ- বেহাৰ।

সসাঙ্গ- সম্পূৰ্ণ; পৰিপূৰ্ণ।

সাস- সাহস; নিৰ্ভয়তা; নিৰ্ভীকতা।

সাৰূপ্য- ঈশ্বৰ তুল্য ৰূপ পোৱা।

সায়হ্ন- দিনৰ শেষ ভাগ; সন্ধিয়া; গধূলি।

স্বৰ্গ- দেৱলোক।

স্বস্থ- সুস্থ; নিৰোগী।

স্বাদ- সোৱাদ।

সুদৃঢ়- বৰ টান; কটকটীয়া; যিটো ঢিলা নহয়।

সুৰাপী- মদপী; মদাহী।

সুৰাপান- মদ খোৱা; ফটিকা পান।

স্থূল- বৃহৎ; শকত; পুষ্ট; মোটা।

সূৰ্য্য- দিবাকৰ; বেলি; দিনমণি।

সূক্ষ্ম- অতি সৰু; বৰ মিহি; তীক্ষ্ণ।

স্মৃতিশাস্ত্ৰ- হিন্দুৰ ব্যৱস্থা শাস্ত্ৰ।

স্বেচ্ছাচাৰী- নিজ ইচ্ছামতে চলা, অসংযত আচৰণকাৰী।

সৈতৰি- স্বামীৰে সৈতে একে চিতাতে পুৰি মৰা কাৰ্য্য।

হাৰাহাম্ভি- হাইৰাণ; বৰ দুখ কষ্ট পোৱা।

হৰিহয়- ইন্দ্ৰ; দেৱৰাজ।

হৰিষ- আনন্দ; হৰ্ষ।

হৰিয়ো- হৰণ কৰা।

হুতাশন- অগ্নি; জুই।

হুনিল- আহুতি দিল; হোম কৰিল।

হুমাহুমি- মেঘে গজাৰ নিচিনা শব্দ; দূৰৈত গাজ।

ক্ষাৰকৰ্দ্দম- বিপ্ৰ আৰু বিপ্ৰপত্নীহে সুৰাপান কৰিলে, বিদ্যা আৰু তপস্যাৰ বাবে অহংকাৰ কৰিলে এই নৰক ভোগে।

## সপ্তম স্কন্ধ

অখিল- নিখিল, গোটেই।

অজ- যাৰ জন্ম নাই; ঈশ্বৰ; জীৱাত্মা; ছাগলী।

অটবী- অৰণ্য; হাবি।

অতুল্য- তুলনা নথকা; অনুপম; যাৰ তুলনা নাই।

অদৃষ্ট- কপাল; ভাগ্য; যাক দেখা নাযায়।

অধৰ- ওঠ; তলৰ ওঠ।

অৱনত- চাপৰ; তলমুৱা; নম্ৰ; যি সেও মানিছে।

অনঙ্গ- কন্দৰ্প; কামদেৱ; আকাশ; মন; বতাহ।

অপত্য- সন্তান-সন্ততি; যাৰ দ্বাৰা বংশ ৰক্ষা হয়।

অন্বয়- সম্বন্ধ; বংশ।

অলক্ষিত- নেদেখা; অদৃশ্য।

অশ্ব- ঘোঁৰা।

অক্ষয়- সদায় থকা; নাশ নোপোৱা; শেষ নোহোৱা; অন্ত নোপোৱা।

অয়স্কান্ত- চুম্বক; পাথৰ।

অব্যয়- অভগন; ব্যয় বা খৰচ নোহোৱা।

অনাদৰ- আওহেলা; আদৰৰ অভাৱ।

অনাবৃত- ঢাকি নোথোৱা।

অনুজ্ঞা- আদেশ, হুকুম, অনুমতি।

অনুক্ষণ- প্ৰতি মুহূৰ্ত্তে; ঘনে ঘনে।

অপাদান- ব্যকৰণৰ এক কাৰক।

অনিমা- অণুৰ গুণ; যোগৰ পৰা লাভ কৰা ছয়টা ঐশ্বৰ্য্যৰ ভিতৰত এটা।

অভিচাৰ (মন্ত্ৰ)- পৰহিংসা; মানুহৰ অনিষ্ট কৰিবৰ উদ্দেশ্যে কৰা তান্ত্ৰিক কাৰ্য্য।

অভিজাত- ভাল বংশত জন্মা; উচ্চ বংশীয়।
অশিষ্ট- অসাধু; দুষ্ট; হুটা; অভদ্ৰ।
অগুণ- অপকাৰ; অহিত।
অঙ্গুষ্ঠ- বুঢ়া আঙুলি।
অচ্যুত- পৰমেশ্বৰ; যাৰ নাশ বা ক্ষয় নাই; অবিনাশী।
অতুল্য- তুলনা নথকা; অনুপম; যাৰ তুলনা নাই।
অনুজ্ঞা- আদেশ; হুকুম, অনুমতি; সন্মতি।
অনুব্ৰত- অনুকৰণ; অধীন।
অনুশৌচ- ভিতৰৰ শুচিতা, খং নথকা।
অনুক্ষণ- প্ৰতি মুহূৰ্ত্তে; সদায়।
অদৃষ্ট- যাক দেখা নাযায়; কপাল, ভাগ্য।
অব্যয়- অক্ষয়, অভগন; ব্যয় নোহোৱা।
অৰ্দ্ধকায়- ভাৰ্যা, সহধৰ্মিনী।
অভিজিত- বিষ্ণু।
অম্রাৱতী- স্বৰ্গৰ ৰাজধানী; ইন্দ্ৰপুৰী।
অলক্ষিত- নেদেখা; অদৃশ্য।
অস্ত্ৰ- আয়ুধ; মাৰি পঠাই দুখ দিয়া বা বধ কৰা; খৰ্গ, ধনু, কাঁড়, গুলি আদি সঁজুলিক অস্ত্ৰ বোলে।
অশিষ্ট- দুৰ্জন; অসাধু; দুষ্ট।
অষ্টদিকপাল- ইন্দ্ৰ; অগ্নি; যম; নৈঋত; বৰুণ; বায়ু; কুবেৰ; ঈশান।
আঙ্ক- এওঁক।
আঠ ঐশ্বৰ্য্য- অনিমা; লঘিমা; প্ৰাপ্তি; প্ৰাকাম্য; মহিমা; ঈশিত্ব, বশিত্ব, কামবসায়িতা।
আঙ্গাৰ- এঙাৰ; পোৱা কাঠ বাহৰ কলা ভাগ।
আধি- ব্যাধি- আধি- মানসিক বেদনা। ব্যাধি- শাৰিৰীক বেদনা।
আন্ত- অন্তিম; শেষ।
আৰক্ত- তেজবৰণীয়া; ৰঙচুৱা।
আশঙ্কা- ভয়; ত্ৰাস; মনৰ খুকুৰি।
আছাৰি- আফাল মাৰি; জোৰেৰে দূৰলৈ দলিয়াই দি।
আৰিমুৰি- ইকাতি-সিকাতি কৰা কাৰ্য্য।
আস্ফোট- মালে যুজিবৰ সময়ত বাহুত মৰা চাপৰ।
ঈশ- লাঙ্গলৰ দণ্ড।
উঁইচুলা- উঁই হাফলু।
উগ্ৰদণ্ড- কঠোৰ শাস্তি; নিষ্ঠুৰ যাতনা।
উদবেগ- উৎকণ্ঠা, উগুল-থুগুল; আবেগ।
উদ্যম- উদ্যোগ; উৎসাহ।
উৰ্দ্ধৰেতা- পৰম জিতেন্দ্ৰিয় পুৰুষ।
উত্তাৰো- ফটাই দিও; ছিঙি দিও; বখলাই দিও।
উৎসুকে- আগ্ৰহান্বিত; বেগ্ৰ; উদগ্ৰীৱ।
উপাধি- খিতাপ; বংশ পৰিচায়ক নাম।
উৰ্ম্মি- পানীৰ ঢৌ; শোক দুখ আদিৰ উত্তেজনা।
ওৰ- শেষ; অন্ত; সীমা; মতা মাইকী যোৰ খোৱা অৱস্থা।
কণ্ডু- খজুৱতি।
কমণ্ডলু- সন্ন্যাসীয়ে ব্যৱহাৰ কৰা নাল থকা পানীৰ পাত্ৰ।
কলত্ৰ- তিৰোতা; ভাৰ্য্যা।
কলুষ-পাপ; কল্মষ।
কলেবৰ- শৰীৰ; গা; দেহ।
কল্পতৰু- এজোপা স্বৰ্গৰ গছ; সি যিয়ে যিহকে খোজে তাকে দিয়ে, দানী মানুহ।
কয়াধু- প্ৰহ্লাদৰ মাতৃ।
কংসাল- ত্ৰব; খঙাল।
কৱৰী- খোপা, কেশ।



কাত্ৰ- কাকূতি; প্ৰাৰ্থনা।
কান্তি- পোহৰ; শোভা; জেউতি; দীপ্তি।
কাপজাপ- কাউ-বাউ কৰা; কাবৌ কোকালি কৰা।
কামদেৱ- কন্দৰ্প; পুৰুষ তিৰোতাৰ প্ৰেমৰ অধিকাৰী দেৱতা।
কামদোহ-যি খোজে তাকে পায়; কামধেনু।
কাম্পয়- কপনি ধৰা; গা ঘনকৈ লৰা।
কাম্যকৰ্ম- বাঞ্চনীয় কৰ্ম; অভীপ্সিত কৰ্ম্ম।
কাৰ্সাল- ডাঙৰ সাপ; কাল সৰ্প।
কাহাল- অনিষ্টকাৰী অস্ত্ৰ।
কিঞ্চিত- অল্প, সামান্য; নিচেই অকণমান
কিম্পুৰুষ- কিন্নৰ; ঘোঁৰাৰ দৰে মুখ আৰু মানুহৰ দৰে শৰীৰেৰে দেৱলোকৰ এজাতি গায়ক।
কুঞ্জৰ- হাতী; হস্তী।
কুটুম্ব- জ্ঞাতি; কুটুম; একে বংশৰ মানুহ।
কুণ্ড- হোমৰ জুইৰ গাত; নাদ; গাত।
কুণয়- সোণ; কনক, স্বৰ্ণ।
কুৱালয়- এবিধ বগা ফুল ধৰা গছ।
কুৰিয়া- দা আদি অস্ত্ৰেৰে আঘাত কৰ; ঘৈয়া।
কুল- বংশ; জাতি; শ্ৰেণী।
কুলিঙ্গ- চৰাই; পাৰ চৰাই; চতক পক্ষী।
কুব্যাপাৰ- কুৎসিত শয়ন; কুৰূপ ঘটনা; নিন্দিত কাৰ্য্য।
কৃতাঞ্জলি- যি হাত-যোৰ কৰিছে।
কৃষ্ণগ্ৰাহ- কৃষ্ণ প্ৰেম; কৃষ্ণ ভক্তি; কৃষ্ণপ্ৰাপ্তি।
কৃষ্ণাঙ্গাৰ- আঙাৰৰ দৰে ক'লা; ভীষণ কলা।
কেশৰ- ফুলৰ মাজত থকা চুলি বা আঁহ।
কোপ- খং; ক্ৰোধ।
কোষ- ধনৰ ভঁৰাল; অভিধান; কণী; ভঁৰাল।
কোষলি- পানী-কোষলি; পানী-পেট।
খট- চোৰ; চকুৰ এবিধ ৰোগ।
খদ্যোতক- জোনাকী পৰুৱা।
খৰ্ব্বতক- পৰ্ব্বতৰ ওচৰৰ সৰু গাঁও।
খাটখৰি- খট্‌খটী।
খুখুণ্ড- চূৰ্ণ; জীৰ্ণ; গুড়ি কৰা।
খুদখহু- খজুলি; সৰু সৰু খহু।
গদাধৰ- বিষ্ণু, কৃষ্ণ।
গিৰিসাই- বেগাই; শীঘ্ৰে।
গুণজ্ঞ- জ্ঞান বিদ্যাৰ মোল জনা।
গুৱা- তামোল গছৰ ফল।
গোম্ফ- গোঁফ; নাক আৰু ওপৰ ওঠৰ মাজত গজা শকত নোম।
ঘনানন্দ- অধিক আনন্দিত।
ঘোল- মাখন তোলা পানী মিহলি দৈ।
ঘোষ- গোৱাল জাতি; শব্দ; ধ্বনি।
চটিমটি- ভক্তিৰ প্ৰতি থকা মতি।
চাণূৰ- কংস ৰজাৰ এটা মালৰ নাম।
চান্দি- ৰূপ; ৰজত; ধাতু বিশেষ।
চাৰিবেদ- ঋক; যজুঃ, সাম; অথৰ্ব্ব।
ছৱা- ল'ৰা; শিশু; ছলি।
ছয়বিকাৰ- ছয় প্ৰকাৰ ৰোগ; জন্ম; জড়া; মৃত্যু; বায়ু; পিত্ত; কফ।
জঙ্গম- গতি কৰা; লৰি চৰি ফুৰা; গতিশীল।
জনাৰ্দন- পৰমেশ্বৰ; বিষ্ণু।
জৰপুৰ- মেৰাই টানকৈ বান্ধা।
জ্ঞাপ্তি- জানা।
জোণ্ডা- জুই লগাবলৈ জলোৱা খৰিৰ আঁটি।
ঝাৰুবাসে- শোটা; বাঢ়নী।
টিপচী- এবিধ নিচেই সৰু মুগাবৰণীয়া চৰাই।
ঠেকাইল- চেপা খালে; খুন্দা খালে; পৰস্পৰে আঘাত কৰিলে।

ডাঁহ- এবিধ ছাই বৰণীয়া ডাঙৰ তেজ খোৱা মাখি।
ঢাকুৰাই- ডাঙৰকৈ কান্দি; বুকুত চপৰীয়াই কান্দি।
ঢুপঢুপা/ধুপধুপা- আঘাত কৰি শব্দ তোল।
ঢোঙাসাপ- ঢোৰাসাপ; এবিধ বিষ নথকা সাপ।
তপস্যা- তপ; শৰীৰক কষ্ট দি কৰা দেৱতাৰ আৰাধনা।
তৰ্পিবো- মৃতকৰ বা দেৱতাৰ উদ্দেশ্যে তিল-জল আদি দিয়া কাৰ্য্য।
তন্ত- জিৰা; শান্ত হ; বিশ্ৰাম ল।
তৰাস- ভয়; ত্ৰাস।
তড়য়- উদ্ধাৰ কৰে; সঙ্কটৰ পৰা ৰক্ষা কৰে; মুক্তি লাভ কৰে।
তয়- সেই ঠাইত; তাত।
তাম্ৰবৰ্ণ- তাম বৰণীয়া।
বৈতালিক- স্তুতি পাঠক।
তুচ্ছ- নিকৃষ্ট; সামান্য; হীন; নীচ অকামিলা।
তুম্বুৰু- এজন গন্ধৰ্ব্বৰ নাম।
তুৰি- ৰণত বজোৱা বাদ্য বিশেষ।
তৃষ্ণা- আসক্তি; পিয়াহ; হেঁপাহ; ভোগ কৰিবৰ ইচ্ছা।
থোচমোচ- দুৰ্বল হৈ পৰা; লজ্জিত হোৱা।
দগ্ধ- পোৰা; পুৰি ছাই কৰা; ধ্বংস কৰা।
দণ্ড- শাস্তি; জৰিমনা; জগৰৰ বাবে দিয়া পীড়া।
দ্বন্দ্ব- দুই; দুটা; খৰিয়াল; বিবাদ।
দংশিলেক- খুঁটিয়ালে; দাঁতেৰে পীড়া কৰিলে; কামোৰ মাৰিলে।
দান্ততড়ি- দাঁত নিকটাই।
দুদ্ধৰ্ষ- মহা পৰাক্ৰমী; যাক পৰাজয় কৰা টান; ভয়ানক।
দুৰ্ব্বিনয়- অশিষ্ট; নিষ্ঠুৰ; হুটা; গোঁৱাৰ।
দূৰ্ব্বাক্ষত- দূবৰি বন।
দৃষ্ট- দৰ্শন; দেখা কাৰ্য্য।
দৃষ্টান্ত- উদাহৰণ; পটন্তৰ; নিদৰ্শন
দৃশ- চকুৰ আগতে ওলাই থকা বিষয়; ৰঙ্গ মঞ্চৰ পট।
দেহজ- ঔৰসজাত; শৰীৰৰ পৰা হোৱা।
দ্বেষ- হিংসা; শত্ৰুতা; বৈৰভাৱ।
দোহাৰ- দুইৰো; উভয়ৰ।
দ্ৰষ্টা- দেখোতা; দৰ্শক।
দ্ৰোণী- এবিধ জল পাত্ৰ।
ধান্দা- চিন্তা; ভাৱনা; সন্দেহ; বিমোৰ।
ধূম্ৰ- ধোৱা।
ধৃতি- ধৈৰ্য্য; ধাৰণ।
নৱবিধ ভক্তি- শ্ৰৱণ, কীৰ্ত্তন; অৰ্চ্চন, বন্দন, পদসেৱন, দাস্য, সখিত্ব, স্মৰণ আত্ম-নিবেদনা।
নম্ৰ- শান্ত; শিষ্ট; বিনীত।
নলি- দীঘল ফোঁপোলা মাৰি; দীঘল চুঙা।
নন্দী- শিৱৰ প্ৰধান অনুচৰ আৰু কৈলাসৰ দ্বাৰপাল।
নাদ- ডাঙৰ শব্দ; গৰ্জ্জন; আটাহ পাৰ; কূপ।
নামৰ সাত কাৰ্য্য- পাপ নষ্ট কৰে, পুণ্য আৰ্জিত হয়, বিষয়ত বিৰক্তি জন্মে, কৃষ্ণত প্ৰেম ভক্তিৰ উদয় হয়, পৰম জ্ঞান লাভ কৰে, মায়া বা অবিদ্যা নাশ হয়, লীন বা মুক্তি হয়।
নিকট- ওচৰ; সমীপ।
নিকটাই- উলিয়াই দেখুৱা; বখলিয়াই।
নিগুটি- সাঁচ নথকা; নিঃচিহ্ন।



নিত্যকৰ্ম- দৈনিক কৰিবলগীয়া কাম; পঞ্চ যজ্ঞ আদি।
নিত্যানন্দ- সদায় আনন্দিত।
নিদান- বিপদ; বিপত্তি; মূল কাৰণ; ৰোগৰ কাৰণ নিৰ্ণয়।
নিম্লোচতী- বৰুণৰ নগৰী।
নিৰ্দ্দয়- নিষ্ঠুৰ, দয়াহীন, নিমৰমিয়াল।
নিধি- কুবেৰৰ ধনৰ ভঁৰাল। যেনে- মহাপদ্ম, পদ্ম, শঙ্খ, মকৰ, কচ্ছপ, মুকুন্দ, কুন্দ, নীল আৰু খৰ্ব।
নিবন্ধ- প্ৰতিজ্ঞা; ৰচিত; লৰচৰ হ'ব নোৱাৰাকৈ কৰা নিয়ম।
নিবাস- থকা ঠাই; ঘৰ; বসতি; আবাস।
নিৰ্ব্বিষ- বিষহীন; বেদনাহীন।
নিবেশ- প্ৰবেশ, নিয়োগ।
নিৰসন- খণ্ডন।
নিঃশেষ- সম্পূৰ্ণ- শেষ; যিহৰ অৱশিষ্ট নাই।
নিহল- লোৰ শিকলি; নিগড়।
নিস্তাৰণ- ৰক্ষা নোপোৱা; উদ্ধাৰ নোহোৱা।
নিয়ন্তা- শাসন কৰোতা; চলাওতা; পৰিচালক।
নুটুটয়- কমি নাযায়; ক্ষয় নহয়।
নৃহৰি- নৰসিংহ।
নেট খোণ্টাজালি- ঘূৰিব দৰে পিন্ধা; ঘূৰাই পিন্ধিব পৰা পাটৰ কাপোৰ।
নৈমিত্তিক- বাৰ্ষিক মাঙ্গলিক কৰ্ম; বিশেষ উদ্দেশ্যে কৰিবলগীয়া কৰ্ম।
নৈসৰ্গিক- স্বাভাৱিক; বহিঃপ্ৰকৃতি- সম্বন্ধীয়।
পদ্মভৱ- ব্ৰহ্মা, বিধাতা।
পট- নক্সা; আকৃতি; ছবি; চিত্ৰ।
পতন- বজাৰৰ নিবাস স্থান; পৰণ; তললৈ নমা কাৰ্য্য।
পটোৱাৰ- থিয় হৈ থকা মানুহ বা সৈন্য।
পৰতেক- প্ৰত্যেক; প্ৰতিকৈ একোজন বা এটা।
পতি- স্বামী; গৰাকী; ভৰ্ত্তা; অধিকাৰী।
পয়ো- পানী; জল; গাখীৰ।
পয়োনিধি- সাগৰ; সমুদ্ৰ; জলধি।
পাসৰাই- পোহৰাই; পোহৰ কৰি।
পাৰমেষ্টি- সৰ্ব্বশ্ৰেষ্ঠ; উৎকৃষ্ট।
পানীপচা- খেৰৰ বা টিনৰ ঘৰৰ চালৰ তলৰ পানী পৰা ভাগ।
পিশাচ- ভূত, প্ৰেত, দেৱযোনী, পাপীষ্ঠ।
প্ৰকৃতি- স্বভাৱ, চৰিত্ৰ; ধৰ্ম; বাহ্যজগত।
প্ৰপঞ্চ- বিস্তৰ; অখিল; বিশ্ব।
প্ৰভাহীন- দীপ্তিহীন; অনুজ্জ্বল; পোহৰ নাইকিয়া হোৱা।
প্ৰাৰব্ধ কৰ্ম- পূৰ্ব্ব জন্মত উপাৰ্জিত।
প্ৰতিঘাত- আঘাত পাই দিয়া আঘাত।
প্ৰবিষ্ট- যি প্ৰবেশ কৰিছে; যি ভিতৰলৈ সোমাইছে।
প্ৰেতবন্ধু- যমৰজা।
পোৰাসিৰি- আধাপোৰা খৰি।
ফটিক- মদ; সুৰা; মদ্য।
ফণি- চুলি আচোৰা আৰু সেঁওতা ফলা সজুলি।
ফোকাৰয়- ৰিঙিয়াই মাত; ঘনে ঘনে উশাহ ল।
ফোফাৰয়- খৰকৈ চুটি চুটি উশাহ লয়; ফোপনি মাৰে।
বৰ্ণাশ্ৰম ধৰ্ম- ব্ৰাহ্মণাদি বৰ্ণৰ চাৰি আশ্ৰমৰ কৰ্ত্তব্য কৰ্ম্ম।
বনিয়া- সেৰেঙা কৰ; যিমান হ'ব লাগে সিমান পাতল কৰ।
বন্দন- প্ৰণাম; সেৱা।
বৰবৰ- মূৰ্খ; অসভ্য; নীচ, দুষ্ট।

**ব্ৰজ**- গোকুল, মথুৰাৰ অন্তৰ্গত এখন গুৱাল গাঁও।

**বৰুণৰ পাশ**- সাপৰ জাল; জৰী।

**বন্ধয়**- যিহকে পায় তাকে কয়; অৰ্থশূন্য কথা কয়।

**বৎসৰ**- বছৰ।

**বসু**- গংগাৰ পৰা জন্ম হোৱা গণদেৱতা বিশেষ।

**বহিৰ্ম্মুখ**- যি বাহিৰৰ ফালে মুখ কৰে; বিষয়াসক্ত।

**বাজী**- অশ্ব ঘোঁৰা, পক্ষী, বাণ।

**বাজু**- হাতত পিন্ধা অলংকাৰ বিশেষ; কেয়ূৰ।

**বাতমণ্ডল**- ঘূৰ্ণি বতাহ।

**বাপখনে**- পিতাই বা দেউতাই।

**বামনয়**- বৌদ্ধ ধৰ্মবাদী; বেদৰ কৰ্তৃত্ব বিৰুদ্ধবাদী।

**বালখিল্য**-ব্ৰহ্মাৰ লোমৰ পৰা জন্ম হৈছিল। ব্ৰহ্মাৰ মানস পুত্ৰ।

**বাণ্টি**- ভগাই দিয়া; বাকি দিয়া।

**বাৰণ**- হাক, নিষেধ, বাধা।

**বাসৰ**- থকা ঠাই; বাহৰ, দিনবাৰ

**বিকল**- ঘূণীয়া; বিকৃত; বিজুতি ঘটা, অসম্পূৰ্ণ।

**বিগথে**- অতীততে; গত হোৱাত।

**বিজ্ঞাপন**- জাননী

**বিত**- ধন; টকা।

**বিদগ্ধ**- নিপুণ; অতিশয় পাৰ্গত।

**বিধি**- সম্পত্তি; ধন; বিত্ত; ব্ৰহ্মা, বিধাতা, গৰাকী, ব্যৱস্থা।

**বিপক্ষ**- শত্ৰু; বিৰুদ্ধ পক্ষ; বিৰুদ্ধ দল।

**বিভাবৰী**- চন্দ্ৰৰ ৰাজ্যৰ নাম।

**বিৰিঙ্গি**- ৰণত পাৰ্গত; নিপুণ।

**বিৰিঞ্চি**- ব্ৰহ্মা; প্ৰজাপতি।

**বিলক্ষণ**- বেয়া লক্ষণ।

**বিজৃম্ভণ**- হামি।

**বিশ্বশ্ৰষ্টা**- সৃষ্টিকৰ্ত্তা; ঈশ্বৰ; ভগৱান।

**বিংশতি**- বিশ; কুৰি; ২০

**বিস্মৰণ**- পাহৰণ।

**বুদু**- বুৰবুৰণি; পানীৰ ওপৰত উঠা বায়ুৰ ফুট।

**বৃষ্টিবাত**- বৰষুণ দিয়া কাৰ্য্য; বতাহ বৰষুণ।

**বৃষধ্বজ**- শিৱ, মহাদেৱ।

**বেদজৰী**- কৰ্মকাণ্ডত চলা; বেদৰ মতত চলা।

**বৈতৰণী**- যম পুৰীলৈ যোৱা বাটত থকা নৈ; জন্ম মৃত্যুৰ সোঁত।

**বৈতালিক**- গায়ন; স্তুতি পাঠক।

**বৈৰভাৱ**- শত্ৰুভাৱ; বিদ্বেষ ভাৱ।

**ভৰ্চ্ছি**- শৌচ কৰি; লেতেৰা কৰি।

**ভৱ**- শিৱ, সংসাৰ; জগত।

**ভৱাটবী**- সংসাৰ অৰণ্য।

**ভাণ্ড**- পাত্ৰ; ভুৱা দে; ঠগ কৰ; বঞ্চনা কৰ।

**ভাথৰ**- ভাত খোৱা কুকুৰ।

**ভিড়িলেক**- হেঁচি ধৰিলে; টানি ধৰিলে।

**ভুজঙ্গ**- সৰ্প; সাপ।

**ভূমণ্ডল**- পৃথিৱী।

**ভেজাৰে**- ভৰ দিয়ে; হেঁচা মাৰে; ঢোকা দিয়ে।

**ভেদ**- বিভিন্ন পক্ষৰ মাজত বিৰোধ ভাৱ সৃষ্টি।

**ভেদজ্ঞান**- পৰম ব্ৰহ্মাক প্ৰকৃতিৰ পৰা সম্পূৰ্ণ ভিন্ন বুলি জ্ঞান কৰা।

**ভেদিল**- প্ৰভেদ কৰিল; পাৰ্থক্য কৰিল; বিদীৰ্ণ কৰিল।



**ভেৰী**- ঢোল বাদ্য বিশেষ।

**মদাদৰ্প**- গৰ্ব; মত্ততা।

**মৰ্দ্দন**- নাশ কৰ; গুড়ি কৰ, পেষণ।

**মন্বন্তৰ**- একো একোজন মনুৰ ৰাজত্ব কাল।

**মধুময় সুৰা**- সোমৰস; মৌৰ দৰে সোৱাদ পূৰ্ণ ফটিকা।

**মনস্বী**- উচ্চমনা; মহৎ; উদাৰ।

**মন্বন্তৰ**- পুৰাণ শাস্ত্ৰমতে প্ৰতিজন মনুৰ ৰাজত্ব কাল।

**মৰ্ম্ম**- সাৰ কথা; তাৎপৰ্য্য; গূঢ়াৰ্থ।

**ময়ে**- ময়দানৱে।

**মহ**- এবিধ তেজখোৱা ক্ষুদ্ৰ কীট্; মশক।

**মহন্ত**- সাধু; ঈশ্বৰ পৰায়ণ লোক; ধৰ্মগুৰু, সত্ৰাধিকাৰ, আসক্তি শূন্য।

**মহাঋদ্ধি**- সম্পত্তি।

**মহাকাৰুণিক**- পৰম দয়ালু; পৰম কৃপালু।

**মহাভাগৱত**- ভাগৱত তত্বজ্ঞ; ভাগৱতৰ সমস্ততত্ব জানা আৰু পালন কৰোতা।

**মহাম্বুক**- প্ৰলয় জল; মহাজল।

**ম্লান**- মলিন; বিষম; আনন্দ হীন।

**মহিষ**- ম'হ।

**মলাৰী**- সৰু সৰু ল'ৰাই খেলা এবিধ পৰম্পৰাগত খেল।

**মাহুত**- হাতী চালক।

**মেখলা**- কাঞ্চী, এবিধ অলংকাৰ।

**ম্লেছ**- যৱন, অহিন্দু, সংস্কাৰ বিহীন লোক।

**মুষ্টি**- মুঠি; আঙুলি জপোৱা হাতৰ তলুৱা।

**যূথপতি**- জাকৰ প্ৰধানটো; বনৰীয়া হাতীৰ জাকৰ ঘাই হাতী।

**যৌৱন**- ডেকা, তৰুণ বয়স, গাভৰু হোৱাৰ সময়।

**ৰকত**- তেজ, ৰক্ত, শোণিত, ৰুধিৰ।

**ৰণচেৰ**- ৰণ বা যুদ্ধ এৰি থৈ যোৱা।

**ৰঞ্জি**- আনন্দিত কৰি; মোহিত কৰি।

**ৰতি**- আসক্তি; মৈথুন; কামভাৱ।

**ৰদে**- হ্ৰদত।

**ৰহস্যথান**- গোপন থান; আমোদপূৰ্ণ ঠাই; অভ্যন্তৰত।

**ৰক্ষ**- ৰাক্ষস, দৈত্য, দানৱ।

**ৰাউল**- ঘোঁৰা চালক।

**ৰেতস্**- শুক্ৰ; বীৰ্য্য, শক্তি।

**ৰাগ**- স্পৃহা; আসক্তি, খং, ক্ৰোধ।

**ৰোষ**- খং; ঠেহ; ক্ৰোধ।

**ৰৌদ্ৰ**- ৰ'দ; সূৰ্য্য কিৰণ আৰু তাপ; প্ৰচণ্ড।

**লৱ**- ৰাম চন্দ্ৰৰ ডাঙৰ পুতেক।

**লাখুটি**- টোকোন, লাঠি।

**লাঞ্জ**- নেজ; নেগুৰ।

**লঘিমা**- যোগৰ বলত শৰীৰক লঘু কৰিব পৰা ক্ষমতা, লঘুত্ব, লাঘৱ, বিনয়।

**লোচন**- চকু, নয়ন।

**লোড়য়**- লুটি নিয়া; হৰণ কৰা; চোৰ কৰা।

**শৰণ**- আশ্ৰয়; বিষ্ণু বা কৃষ্ণৰ ভকত হোৱা।

**শয়ন**- শোৱা কাৰ্য্য; শোৱন; নিদ্ৰিত অৱস্থা।

**শস্ত্ৰ**- হাতেৰে ধৰি দুখ দিয়া বা বধ কৰা দা, তঁৰোৱাল; গদা আদি সঁজুলিক শস্ত্ৰ বোলে।

**শাৰ্দ্দুল**- বাঘ; ব্যেঘ্ৰ।

**শাৰঙ্গ**- বিষ্ণু বা শ্ৰী কৃষ্ণৰ ধেনু।

**শিশিৰ**- জাৰকাল; শীত কাল; হিম; তুষাৰ।

**শীঘ্ৰে**- বেগাই; খৰ গতিৰে; দ্ৰুততাৰে অতি সোনকালে।

শ্রুত- শুনা।
শাঠ্য- শঠতা; ধূর্ততা।
শ্রুতি- বেদ; শুনা কার্য্য।
শুশ্রূষা- পৰিচৰ্য্যা; আলপৈচান।
শূদ্র- নীচ যোনি জাত; বর্ণাশ্রম ধর্ম অনুসৰি চতুর্থ বর্ণ; অকলশৰীয়া লোক।
শ্বেতকুষ্ঠ- ধৱল বৰৰোগ; এবিধ বগা দুৰাৰোগ্য ব্যাধি।
শ্লাঘ্য- প্রশংসাৰ যোগ্য; সন্মানৰ যোগ্য।
ষড়উর্ম্মি- জন্ম, জড়া, মৃত্যু, ক্ষুধা, পিপসা, মোহ।
ষোড়ষ বিকাৰ- মাটি; পানী; তেজ; বায়ু আকাশ; বাক্; পাণি; পাদ; পায়ু; উপস্থ; চকু; নাসিকা; কর্ণ; ত্বক; জিহ্বা; মন।
সন্ত- সাধু; সাধক; ধার্মিক লোক, ধর্মগুৰু।
সন্নাহ- কবচ; বর্ম, অংগ ত্রাণ।
সন্ধি- মিলন; আপোচ; মিমাংসা; নির্বন্ধ; মীমাংসা।
সঙ্গোগ- একেলগে; অতি গোপন।
সপটে- সবস্ত্রে, কাপোৰৰ সৈতে।
সৰ্ব্বানন্দ- সকলো সময়তে আনন্দিত।
সম্বাদ- বাতৰি; সমাচাৰ; খবৰ।
সম্ভ্রম- আদৰ; সমাদৰ; মর্য্যাদা।
সাঙ্কোক- সাঁকো।
সাধুপাঠ- সৎকথা; নীতি পৰায়ণ কথা; ধর্ম সম্বন্ধীয় কথা।
সাম- ৰাজনীতিৰ চাৰি উপায়ৰ অন্যতম; সন্ধি আৰু তোষণ।
সাঞ্চে- সাঁচে; ভৱিষ্যত ব্যৱহাৰলৈ থোৱা।
স্থাৱৰ- একে ঠাইতে স্থিৰে থকা; অচল।
সুদর্শন চক্র- মহাদেৱৰ আদেশমতে বিশ্বকৰ্মাই সৰ্বদেৱতাৰ তেজ সংমিশ্রণ কৰি প্রস্তুত কৰা চক্র।
স্বৰূপবুদ্ধি- প্রকৃত বুদ্ধি; প্রকৃত জ্ঞান; নিজ জ্ঞান।
স্বেদজ- ঘামৰ পৰা যাৰ জন্ম হৈছে।
সূচী- বেজী, সূচি।
সূৰ্য্যকান্তিমণি- সূৰ্য্যৰ দৰে পোহৰ দিব পৰা ক্ষমতাশালী মণি।
সেহুৰে- সহজে; অনায়াসে।
সোনন্দ- আত্মানন্দ; সকলো প্ৰকাৰৰ আনন্দ প্ৰদান কৰোতা।
সংযমনী- যমৰ নগৰী।
সৌৰি- যম, শনি, কৃষ্ণ।
হটবাদ- অবিবেকিতা, বিচাৰ শূন্যতা
হনুযুগ- গলৰ ওপৰৰ আৰু চকুৰ তলৰ হাড়ৰ সংযোগ।
সস্তপদ্ম- হাতত থকা পদুম।
হৰিহয়- ইন্দ্ৰ দেৱতা।
হাঙ্কাৰিয়া- আকৰ্ষণ কৰি।
হাট- বজাৰ- বস্তু কিনা বেচা কৰা ঠাই।
হিৰন্ময়- স্বৰ্ণময়; সোণ-হালধীয়া।
হাণ্ডী- মাটিৰ পাক্‌পাত্ৰ, মাটিৰ চৰু।
হাহা-হুহু- স্বৰ্গৰ গন্ধৰ্ব, সূৰ্য্য দেৱতাৰ শ্ৰেষ্ঠ গায়ক।
হেতি- অস্ত্ৰ-শস্ত্ৰ, আঘাত, পোহৰ, জুইৰ শিখা।
হুইনুই- হয়-নহয়।
হংসযান- হাঁহৰ বাহন; ব্ৰহ্মা।
হ্ৰেষণি- ঘোঁৰাৰ চিএৰ বাখৰ।
ক্ষয়ৰোগ- যক্ষ্মা, খেহৰোগ।
ক্ষেত্ৰত- নিজৰ স্ত্ৰীৰ গৰ্ভত আন পুৰুষৰ দ্বাৰা সন্তান উৎপাদন।
ক্ষেত্ৰজ- জীৱাত্মা, যাৰ শৰীৰ সম্পৰ্কে জ্ঞান আছে।
ক্ষীৰ- পগাই ডাঠ কৰা গাখীৰ; এঁৱা গাখীৰ।



ক্ষৌণী বস্ত্ৰ- পাটৰ বস্ত্ৰ।

## অষ্টম স্কন্ধ

অকণ্টকা- শত্ৰুহীন; ভয় নথকা; নিষ্কণ্টক।
অগ্নিহোত্ৰ- হোম কৰ্ম; এই হোমৰ দ্ৰব্য সমূহ- দধি, দুগ্ধ, ঘৃত, যব, ওদন (অন্ন), তণ্ডুল, সোমৰস, মাংস, তৈল আৰু মাষ (মাটি মাহ)।
অৰ্ঘ্য- পূজাৰ উপকৰণ বা বস্তু; চাউল, দূৰৰি, ফুল, চন্দন আদি মিহলি কৰা পানী।
অঙ্কুশ- হাতী চলোৱা আকোৰা মাৰি; লাংচিং; গজাকোঁহ।
অজিন- বাঘ, সিংহ বা হৰিণৰ নোমাল ছাল।
অণু- বিয়পি থকা; পিছপৰা; ওচৰত থকা; সাদৃশ্য; পিছত থকা।
অন্বয়- সম্বন্ধ; বংশ; নিৰ্ণয়।
অন্তৰীক্ষ- আকাশ।
অপৰোক্ষ- প্ৰত্যেক্ষ; ইন্দ্ৰিয় গ্ৰাহ্য।
অপ্ৰবন্ধে- বিনা যত্নেৰে; কষ্ট নকৰাকৈ।
অৱগাহ- পানীত নামি গা ধোৱা।
অৱজৰ- আজৰি; অৱসৰ।
অবিলম্বে- অতি শীঘ্ৰে; সোনকালে; বিলম্ব নকৰি।
অম্বিকা- দুৰ্গাৰ এটা নাম।
অভিষেক- সিংহাসনত বহুওৱা অনুষ্ঠান; তিওৱা কাম; স্নান।
অভিজিত- ভাল বংশত জন্মা; উচ্চবংশীয়।
অভিলাষ- ইচ্ছা; বাঞ্ছা; স্পৃহা।
অৰিষ্ট- অমঙ্গল নথকা; আয়ুৰ্বেদীয় পনীয় ঔষধ বিশেষ।
অৰুণ- সূৰ্য্য; দিবাকৰ।
অলিকুল- ভোমোৰা।
অশাশ্বত- অসাৰ; মিছা; অসত্য; যিটো চিৰস্থায়ী নহয়।
অশ্বত্থপত্ৰ- আঁহত গছৰ পাত।
অষ্টাঙ্গে- শৰীৰৰ আঠ অংশৰে- দুই হাত; দুই ভৰি; দুই আঠু; বুকু আৰু কপালেৰে ভূমি ছুই কৰা সেৱা।
অক্ষয়- সদায় থকা; নাশ নোপোৱা; শেষ নোহোৱা।
অক্ষমালা- জপমালা।
আকৰ্ণ- কাণলৈকে।
আকুঞ্চিত- সংকুচিত; কেকোঁৰা।
আগম- তন্ত্ৰ শাস্ত্ৰ; বেদ; অহাকাৰ্য্য।
আটি মুটি- হাত নাইবা অস্ত্ৰ জোকাৰি মাৰিবৰ ভয় দেখুৱা কাৰ্য্য।
চোটৰৰ আণ্টা- উচিত শিক্ষা পোৱা নাই যেন।
আণ্টাইল- শেষ কৰিল; সম্পূৰ্ণ কৰিল।
আণ্টাই লেক- ঢুকি পালেগৈ; গৈ পালে।
আতাৰে জেঠৰে- ককাৰে; পিতামহে; পূৰ্ব পুৰুষ সকলে।
আৰ্ত্ত- পীড়িত; কাতৰ; বিবুধি; বিপদগ্ৰস্ত।
আথাই- গভীৰ; বৰ দ; অথাউনীয়া, ঘোৰ বিপদ।
আবৃত- ঢকা; আচ্ছাদিত।
আভৰণ- অলংকাৰ; ভূষণ।
আসজ- অসজ; বেয়া।
ইদানীক- এতিয়া ; এই সময়ত।
ইঙ্গুদী- এবিধ ঔষধৰ গছ।
ইন্দু- জোন; চন্দ্ৰ।
ইন্দ্ৰসেন- বলি ৰজা।
ঈশ- ভগৱান; অধিপতি; প্ৰভু; ঈশ্বৰ।
উচ্ছুক- অভিলাষী; আগ্ৰহান্বিত।
উদি- মুকলি; উদং; খালি; অনাবৃত।
উত্তৰী- উপবীত-বিশেষ; পূজা; শ্ৰাদ্ধ আদিত গাত লোৱা কাপোৰ বিশেষ।

উপনিষদ- বেদান্ত; ঈশ্বৰ সম্বন্ধে বাদানুবাদ থকা বেদৰ অংশ।
উপঙ্গিল- ভাহি থাকিল; ভাহি ফুৰিল; অৱলম্বন নোহোৱাকৈ থাকিল।
উপেন্দ্ৰ- বিষ্ণু; বটু; বামন।
উভফোল- ইফাল সিফাল ভেদি যোৱা।
উৰ্ম্মি- পানীৰ ঢৌ; শোক দুখ আদিৰ উত্তেজনা।
উস্‌মিস্- গোলমাল।
উলস-মালস/উলহ-মালহ- আনন্দত অস্থিৰ হোৱা অৱস্থা।
উসল-মিসল- সান মিহলি।
একৰাত্ৰে- এক নিশাতে; এৰাতিতে।
একলেশ- অকণমান; অলপমান; সামান্য।
ওৰা- গাবলৈ বা নাচিবলৈ কৰা উপক্ৰম।
ওৱাচিল- সাধি লোৱা; আদায় হোৱা।
ওৱাৰি- হাউলি; ঘৰবাৰী।
ওহিতো- এই; এইটো।
কঙ্ক- বগলী চৰাই; যম বজা; ভেশচন ধৰা ব্ৰাহ্মণ।
কঙ্ক পত্ৰ- বগলী চৰাইৰ পাখিযুক্ত কাঁড়।
কঙ্কলাস- সৰীসৃপ প্ৰাণী; বুকুৰে বগাই যোৱা জন্তু; তেজপীয়া, জেঠী আদি।
কচালি কচালি- জোকাৰি জোকাৰি।
কটাহ- কেৰাহী; লোহোৰা; জোডা বস্তু; কাইট; কাছৰ চলং।
কণ্ঠাভৰণ- ডিঙিৰ অলংকাৰ।
কদৰ্য্য- কুৎসিৎ; জঘন্য; অতি বেয়া।
কন্ধপাত- বিনাশ; মৰি যোৱা।
কন্ধাইলো- কান্ধেৰে কঢ়িয়ালো।
কপিত্থ- ঔটেঙা; কথ্‌বেল।
কৰিণী- মাইকী হাতী; হস্তিনী।
কল্যাণ- মঙ্গল; নীৰোগ অৱস্থা; কুশল।
কষটি- এবিধ সোণ পৰীক্ষা কৰা ক'লা শিল।
কৱৰী- খোপা, মূৰৰ চুলি; কেশ।
কচে- সাঁজি-কাচি; কাপোৰ পিন্ধি।
কাছে- ওচৰে।
কাণ্ডি- অঙ্গ পত্যঙ্গ।
কাৰ্পণ্য- কৃপণৰ স্বভাৱ; কৃপণালি; কট্‌কিনালি।
কামিনী- ৰূপৱতী তিৰোতা; ৰমণী।
কাল- যম; মৃত্যু; সময়; ঋতু।
কালকূট- বৰবিহ; যাক খোৱা মাত্ৰেই প্ৰাণ নাশ হয়; জাঁপৰী বিহ।
কুটুম্বিতা- বন্ধুতা; মিত্ৰতা।
কুন্দকৰি- এবিধ বগা বৰণীয়া ফুলৰ কলি।
কুন্দ্ৰাক্ষৰজাল- বতাহ আৰু পোহৰ সোমাবলৈ বেৰত কৰা সৰু বিন্ধা; সৰু গবাক্ষ।
কুম্ভস্থল- হাতীৰ মূৰৰ টেমুনা; কুম।
কুৰকষায়- সুগন্ধিত গেৰুৱা ৰঙৰ তেল।
কুলীমালী- হজুৱা; কোনো সামান্য কাম কৰা মানুহ।
কুৎচিত- কুচ্ছিত; কুৰূপ; বেয়া।
কুক্ষি- গৰ্ভ; পেটৰ ভিতৰ।
কূটনাট- লগনীয়া কথা; চক্ৰান্ত; কুমন্ত্ৰণা।
কূপ- কুৱা; নাদ; জলাশয়।
কৃষাণ- খেতিয়ক।
কৈৱল্য- ব্ৰহ্মত্ব লাভ; মোক্ষ লাভ; নিবাশ্ৰয় লোক; প্ৰকৃতিৰ প্ৰভাৱৰ পৰা মুক্ত।
কোকিল- কুলি চৰাই।
কোঙ্কা- কোঁটা; আঙুলি চিঙা; কেঁকোৰা।
কোল- ওভোটা; জোং থকা যাঠি; কূল; পাৰ।



কৌতুকে- আনন্দৰে; ৰঙেৰে; ধেমালিৰে।
কৌপীন- ককালত পিন্ধা সৰু কাপোৰ; লেংটি; তলপোন্ধ।
কৌমোদকীগদা- বিষ্ণুৰ গদা; অগ্নিৰদ্বাৰা কৃষ্ণক প্ৰদত্ত গদা বিশেষ।
ক্ৰব্যাদ- ৰাক্ষস; ৰন্ধা মঙহ।
ক্ৰমচ- বল; শক্তি; প্ৰভাৱ।
খল- টুটকীয়া মানুহ; হিংসুক; দুৰ্জন; দৰব মাৰা শিলৰ পাত্ৰ।
খাট- পৰিশ্ৰম কৰ; প্ৰাৰ্থনা কৰ; পালেং।
খাঁটি- নিভাজ; ভেজাল নোহোৱা।
খাসি- কণী কঢ়া; কণী কাঢ়ি নপুংশক কৰা ছাগলী।
খাৰ- তীব্ৰ স্বাদ-বিশিষ্ট এবিধ ৰাসায়নিক দ্ৰব্য; বাৰুদ।
খিলিঙ্কাৰ- দুৰ্ণাম; দুৰ্য্যশ।
খুই- খুলি খুলি খাই মাৰে।
খেখট- দাঁত নিকতাই; বান্দৰ আদিৰ নিচিনা মাত।
খোণ্টাজালি- ঘোৰিৰ দৰে পিন্ধা পাট কাপোৰ
গৰ্ভবাস- জন্মদুখ।
গহ- অহঙ্কাৰ; গৰ্ব্ব; মইৰৰ ভাৱ।
গাণ্ডী- মুণ্ড ছেদন শৰীৰ।
গাত্ৰে- শৰীৰেৰে; ঈৰ্ষাৰে।
গায়ত্ৰী- বৈদিক ছন্দ-বিশেষ।
গিৰিসিত- গিৰিহকৈ; একে সময়তে; হঠাতে।
গুপিয়া- ভিতৰি ভিতৰি অসহ্য হৈ উঠা; প্ৰবল।
গুহা- পৰ্বতৰ ঘোপ; গহ্বৰ।
গুহ্য-গুহ্যক- কুবেৰৰ অনুচৰ।
গেৰুধাৰ- পৰ্ব্বতৰ পৰা গেৰু মাটিৰ ৰঙেৰে বোৱা পানীৰ সোঁত; পৰ্বতৰ পৰা গেৰু মাটিৰ ৰঙেৰে বোৱা পানীৰ সোঁত।
গেহ-গৃহ, ঘৰ-দুৱাৰ।
গোধা- ভৰি উখহা ৰোগে ধৰা।
গোপুচ্ছ - গৰুৰ নেজ বা লেজ।
গৃধ্ৰ- শগুণ; লোভী; লোলুপ।
গোৰক্ষ- গোৱাল, খৰখীয়া।
গ্ৰন্থি- গাঠি; জোৰা।
ঘটজ্ঞান- সামান্য জ্ঞান; অল্প জ্ঞান।
ঘটস্ৰবা- ফুটা ঘট।
ঘঞ্চাল- ঘন যাতায়াত; ঘন সমাগম।
ঘনিয়োক- অৱধান কৰক; কাণ দিয়ক।
ঘাগি- দূত; চোৰাংচোৱা; যি বস্তুক আশ্ৰয় কৰি আন বস্তু গোট খায়।
ঘাটি- অপৰাধ; জগৰ; মিছা; কম; তাকৰ।
ঘাতুক- হিংসাকুৰীয়া, নিষ্ঠুৰ; হত্যাকাৰী।
ঘিণে- ঘৃণা কৰি; তুচ্ছ জ্ঞান কৰি; অশুচিবোধ কৰি।
ঘোটক- ঘোঁৰা; হয়; অশ্ব।
চঙ্ক- ভয় পোৱা; উচপ খা।
চটুৱা- চাটুকৰ; ফুচুলা; মিছা প্ৰশংসাৰ দ্বাৰা মন ভুলা।
চণ্ডবেগে- বিধ্বংস গতিৰে; মাৰাত্মক গতিৰে; উগ্ৰভাৱে।
চণ্ডী- দুৰ্গা; খঙাল তিৰোতা।
চতুৰঙ্গসেনা- হাতী; ঘোঁৰা, ৰথ আৰু পদাতিযুক্ত সেনা দল।
চতুৰ্ম্মুখ- ব্ৰহ্মা; চাৰিমুখীয়া।
চতুষ্পাশে- চৌপাশে; কেউফালে।
চড়ি- বৃদ্ধি; নাওঁ চলোৱা দীঘল বাঁহ।
চম্বু- পোন; কুজ নোহোৱাকৈ পোন কৰা।

চাকণ্ট-চোকণ্ট- কাউবাউ কৰি; কাবৌ-কোকালি কৰি।
চাৰণ- স্তুতি পাঠক; গায়কস্তৱক।
চান্দি- ৰূপ।
চিত্ৰ- মূৰ্ত্তি; পট; লিখনীৰে অঁকা।
চিদাভাস- জ্ঞানৰূপ জীৱাত্মা।
চিৰঞ্জীৱ- অমৰ; দীৰ্ঘজীৱী।
চুঙ্গি- জাহাজ আদিত লগোৱা দীঘল নলা বা চুঙা।
চেঙ্গি- উগ্ৰ শাস্তি।
চেঙ্গালুটি- চেঙা মাছৰ দৰে ধৰফৰা।
চেঞ্চায়- আটাহ পাৰ; ডাঙৰ চিঞৰ।
চেঞ্চাপোড়া- আধাপোৰা।
চেড়ী- দাসী; বেঁটী।
চোটৰ- আঘাতৰ; খুন্দাৰ; ঠেলাৰ।
চোটোকা- পোটক; প্ৰতিফল; সেকা।
চৌৰাঙ্গী- নৰিয়া বা পৰিশ্ৰমৰ দ্বাৰা হাত ভৰি চলাব নোৱাৰা হৈ পৰি থকা।
চৌষষ্ঠি কলা- নৃত্য, গীত; বাদ্য; নাট, আলেখ্য, চিত্ৰ, ভাস্কৰ্য্য, স্থপতি ইত্যাদি
চৌষষ্ঠি ৰোগ- চৌষষ্ঠি প্ৰকাৰ ৰোগ।
ছটা- দীপ্তি; শোভা; পোহৰ।
ছত্ৰাকৃতি- ছাতিৰ দৰে ঘূৰণীয়া আকৃতি।
ছয়ছল- ঠগ, ফাকি, প্ৰবঞ্চনা, প্ৰতাৰণা, সত্য কথাটো ঢাকি অসত্য কথাটো দেখুৱাই দিয়া।
ছয়তৰ্ক- ছয় দৰ্শন-ন্যায়, বৈশেষিক, পাতঞ্জল, সাংখ্য, মিমাংসা বেদান্ত।
ছয় উৰ্ম্মি- শোক, মোহ, জৰা, মৃত্যু, ক্ষুধা, পিপসা।
ছান্টিত- কোৰাত।
ছাৱাল- পোৱালি; ছানা।

ছিড়িলা- ফালিলা; ঠেহ আৰু দীঘলকৈ খণ্ড কৰিলা।
জট জট- ততাতৈয়াকৈ; ফটাফট্।
জলগ্ৰাস- ঘঁৰিয়াল; কুম্ভীৰ।
জল্প- পৰৰ মত খণ্ডন কৰি নিজৰ মত স্থাপন কৰা।
জাঙ্গ- জাং; শৰীৰৰ অঙ্গ; আঠুৰ তলৰ ভাগ।
জাবলে- হাম্‌লা মাৰি; প্ৰচণ্ড বলেৰে সাৰটি ধৰা।
জাঁজি- জাজৰি; উটি অহা কাঠ, বাহ, ইকৰা আদিৰ থূপ।
জানুপাৰি- আঁঠু কাঢ়ি; সেৱা কৰি।
জাপ্য- ফল পাবৰ আশাৰে কৰা জপ।
জিঞ্জিৰি- শিকলি; নিহল; জিঁজিৰি; নিগড়।
জীৰ্ণ- জীণ যোৱা; জাহ যোৱা; পুৰণি হৈ ভাগি ছিগি যোৱা।
জুলিবাণ্টি- একেলগে; সৰু জোলোঙা।
জেঠিমুঠি- জেঠিৰ নেগুৰৰ দৰে ক্ৰমে এফাললৈ ক্ষীণ হোৱা।
জোণ্টা- থোকা; একেডাল জৰিতে থোপাকৈ বন্ধা বস্তু; কোছা।
জৌতিষ চক্ৰ- চন্দ্ৰ, সূৰ্য আদি গ্ৰহ নক্ষত্ৰ সমূহ; মেষ আদি দ্বাদশ ৰাশি চক্ৰ।
ঝাৰি/ঝাৰী- ভৃঙ্গাৰ; পেটত নলি থকা এবিধ লোটা; ভোগজৰা।
ঝাৰিবন্ত- জাহিৰ কৰি ফুৰা লোক; প্ৰচাৰ কৰা লোক; জাৰিকাৰক।
ঝুনা- এটা ছন্দ; লঘু সংগীত; শুকান নাৰিকল।
টাই- আপোনাক ডাঙৰ কৰি কোৱা কথা; বৰ কথা।



টালি- দুষ্টালি; টালি-ভুলি; সৰু ল'ৰাৰ ধেমালি।
টিঙ্গ- জুই তোলা তীখা বা শিল।
টীকা- টিপ্পনী; অৰ্থৰ সংক্ষেপ ব্যাখ্যা।
টেটন- প্ৰবঞ্চক; প্ৰতাৰক।
টোল- ঘৰ-বাৰি; সংস্কৃত পঢ়াশালি।
ঠাৰে ঠাৰে- ইঙ্গিতেৰে।
ঠেস- ৰোহ; বেজাৰ পাই মনে মনে কৰা খং।
ঠোঙ্গোনা- ঠঙনা; আঘাত; মুকুটি।
ডাকিনী- ডাইনী; এবিধ ভূতুনী।
ডেঙ্গৰাই- ডাকুৰ; কলগ্ৰহ; গলগ্ৰহ।
ডেৱ- জাঁপ।
ডিম্ব- অণ্ড; ডিমা; কণী।
ঢেল- চকুৰ মণিৰ চাৰিওফালে থকা বগা অংশ; নিস্তেজ।
ঢোক্কা- ঢকা; চাপৰ; মেলা হাতেৰে কৰা আঘাত।
তণ্ট- দুখ, কষ্ট, বেথা, বেদনা, দুৰ্গতি।
তৰুণী- যুৱতী-ডেকেৰী।
তৰুদিয়া- বিতত হোৱা অৱস্থা; বিচুৰ্ত্তি ঘটোৱা।
তাম্ৰোল- ধ্বনি-প্ৰতিধ্বনি।
ত্বৰিত- দ্ৰুতগামী।
তাপৰিব- তিষ্ঠিব নোৱাৰি।
তাৰক- কাৰ্ত্তিকে বধ কৰা এটা অসুৰ; ৰক্ষা কৰোতা।
তহিৰো- তাৰপৰা।
ত্ৰিকূট- সুবেল পৰ্বত; লংকা দ্বীপত অৱস্থিত তিনিটা শৃংগ বিশিষ্ট পৰ্বতৰ নাম। এটা সোণৰ, এটা ৰূপৰ, এটা লোহাৰ শৃঙ্গ আছে বাবে এই নাম।
ত্ৰিশিখা- ইন্দ্ৰৰ এটা নাম।

ত্ৰিশিৰা- জ্বৰৰ দেৱতা।
তীখাল- বৰ চোকা; তীক্ষ্ণত্তৰ।
তীৰত- নৈৰ দাঁতিত; পাৰত।
তুম্বৰু- সংগীত বিদ্যাৰ নিপুন গন্ধৰ্ব বিশেষ।
তুৰংগম- ঘোঁৰা; অশ্ব।
তূণ- টোণ; কাঁড়ৰ চুঙা; কাড়ৰ বাঁহ।
তোল-বোল- লুতুৰি-পুতুৰি হোৱা; বোকাত পৰি লেটি পেটি হোৱা।
দণ্ডিকা- যিজনে দণ্ড প্ৰদান কৰে।
দন্দবাদ- হাই উৰুমি; দন্দ খৰিয়াল।
দন্দুৰা- কাজিয়া বা বিবাদ কৰা স্বভাৱৰ।
দশকলা- গীতম; বাদ্যম; নৃত্যম; নাট্যম, আলেখ্যম; বিশেষক চ্ছেদ্যম; তণ্ডুলকুসম-ৱলিৰিকাৰঃ; পুষ্পাস্তৰণম; দশনৰসনাঙ্গৰাগঃ; মণিভূমিকাকৰ্ম্ম।
দাদৰি- শাওখোৱা; নেওচা খোৱা; সৰপা।
দাৰণ- ফলাকাৰ্য্য; ধ্বংস কৰোতা; নাশ কৰোতা।
দাড়িম্ব- ডালিম; সৰু এলাচি।
দায়- জগৰ; উত্তৰাধিকাৰী সূত্ৰে পোৱা ধন সম্পত্তি।
দিকি- ফালে; পোনে; দিশে।
দিপ্তী- জ্যোতি; প্ৰকাশ।
দুস্ত্যজ- এৰিবলৈ টান; যি ত্যাগ সম্ভৱ নহয়।
দুঃস্বপ্ন- বেয়া সপোন; অশুভ ঘটনাৰ স্বপ্ন।
দৃষ্টান্ত- উদাহৰণ; পটন্তৰ; নিদৰ্শন।
দেৱধনী নগৰ- ইন্দ্ৰৰ নগৰ; স্বৰ্গ।
দোঙ্গা- ওপৰৰ ফালে দাঙি দিয়া।
ধ্বজ- পতাকা; নিচান।

ধ্যেয়- ধ্যানযোগ্য; যাক ধ্যান কৰা হয়।
ধাতা- বিধাতা; ব্ৰহ্মা; বিষ্ণু।
ধাৱাবাটি- শাৰী শাৰীকৈ যাত্ৰা কৰা কাৰ্য্য।
ধাৱে- খেদি যায়; বেগাই যায়।
ধুমাৰ্জয়- তুমুল; ভীষণ; প্ৰচণ্ড।
ধুস্তুৰ- ধতুৰা; পাত বা গুটি খালে ৰাগি ধৰা এবিধ গৰু গছ।
ধোঁৱাকুঁই- ধুৱলি-কুঁৱলি।
নটে- নাচনীয়ে।
নন্দলাল- শ্ৰীকৃষ্ণ।
নপুংসক- ক্লীৱ; পুৰুষত্বহীন।
নৰগুণ- লগুণ; যজ্ঞ-সূত্ৰ।
নৱদ্বাৰ- মুখ, দুই চকু, দুই কাণ, দুই নাক, পায়ু, উপাস্থ।
নৰনাথ- ৰজা, নৰপতি।
নৰমুণ্ডমালী- কালী; কালিকা।
নাগধাৰী- মহাদেৱ; শিৱ।
নাগপাশ- বৰুণ দেৱতাৰ অস্ত্ৰ; ৰণত শত্ৰুক বন্ধা খোৰোচা জৰি।
নাটে- নুকুলায়; নোজোৰে; কম হয়।
নাৰকী- নৰকী; যাৰ কপালত নৰক ভোগ আছে।
নাহা- স্বামী; গৰাকী।
নাহে- স্বামীয়ে; গৰাকীয়ে।
নিকাল- বাহিৰ কৰ; খেদাই দে।
নিগম- বেদ; নিবৃত্তি শাস্ত্ৰ; পৰিচাঁলক সংঘ।
নিৰ্গত- নিলাজ; অপমানলৈ ভয় নথকা; বাহিৰ হোৱা; ওলোৱা।
নিগ্ৰহ- অনুগ্ৰহৰ অভাৱ; কষ্টদান; দমন; শাসন।
নিঢাল- হাত ভৰি মেলি দীঘল হৈ; মাটিত কাতি হৈ শুই পৰি।
নিদানে- আদি কাৰণে; কাৰণে।
নিৰ্বিকাৰ- লৰচৰ নোহোৱা; সদাই একেদৰে থকা; পৰিৱৰ্ত্তন নোহোৱা।
নিমাখিতী- বৰ দুখীয়া তিৰোতা; নিৰীহ নাৰী।
নিৰ্ম্মল- পবিত্ৰ; পৰিষ্কাৰ; নিকা।
নিৰ্ম্মূল- সমূলি নষ্ট; লোপ পোৱা।
নিবন্ধন- ৰচনা কৰা কাৰ্য্য।
নিশান- ঢোল পিটি দিয়া।
নিষ্কপট- কপট নোহোৱা, উদাৰ; অকপটীয়া।
নিস্তেজ- তেজ নথকা, শেতা, দীপ্তি নথকা।
নিঃশেষ- সম্পূৰ্ণ; সমস্ত।
নুৰুচে- ৰুচি নাই; খোৱাদ হীন; স্পৃহা নাই।
নেত- মিহি পাটৰ কাপোৰ।
নোৱাই- দৰা বা কইনাৰ গা ধুওৱাৰ আগতে গাত বটা মাহ হালধিৰে মিহলি তেল ঘঁহা।
নৈমিত্তিক- কোনো এক বিশেষ কাৰণৰ নিমিত্তে আয়োজিত।
পঞ্জৰ- সঁজা; বাঁহ।
পদ্মবচি- স্থল পদ্ম।
পৱন- বায়ু; বতাহ।
পৰবশ্য- আনৰ অধীন; লোকৰ তলতীয়া, পৰাধীন।
পঞ্চামৃত- দধি, দুগ্ধ, ঘৃত, মধু, চৰ্কৰা (চেনি)।
পৰিপন্থি- বিপৰীত; বিপক্ষ; বিৰুদ্ধ; প্ৰতিকূল।
পক্ষীৰ ঈশ্বৰ- গৰুড় পক্ষী।
পয়াণক- গমন কৰোতা; গতি কৰোতা।



পয়োনিধি- সাগৰ; সমুদ্ৰ; অৰ্ণৱ।
পয়োব্ৰত- সৎপুত্ৰ প্ৰাপ্তিৰ বাবে কৰা ব্ৰত।
পয়োসাৰ- প্ৰবেশ।
পলম্পি- কোবত।
প্ৰণত- যি প্ৰণাম কৰিছে; শৰণাগত।
প্ৰপন্ন- শৰণাগত; সেৱা পৰায়ণ।
প্ৰমাদ- ভুল; ভ্ৰান্তি; বিপদ; অৰ্থন্তৰ।
পাঞ্জৰ- সঁজা; বাঁহ।
পাট- পাট পলুৰ পৰা হোৱা সূতা; তক্তা; ৰজাৰ সিংহাসন।
পাদোদক- ভৰি ধোৱা পানী; পদ-জল।
পাপিষ্ঠ- পাপী; অধৰ্মী।
পালটি- ওলটি; ওভতি।
পিপাসিত- পিয়াহ লগা।
পুঙ্গা- মাছে খোটাৰ উমান পাবলৈ বৰশীৰ জৰিৰ লগত ওপঙাই বান্ধি দিয়া এডোখৰ সৰু বস্তু; এবিধ মাছ।
পুংখ- ধেনুত জুৰি মৰা কাঁড়ৰ গুৰিৰ অংশ।
পূৰ্ণাহুতি- যজ্ঞ পূৰ্ণ কৰা আহুতি; শেষ হোম।
ফেটী- ফেট থকা ডাইল বা বিষাল সাপ।
ফেৰি- অকণ; এখুদ; নিচেই সামান্য পৰিমাণ।
বগুৱা- দুই হাত আৰু দুই আঁঠু মাটিত পেলাই কৰা গতি।
বজ্ৰ- ইন্দ্ৰৰ প্ৰধান অস্ত্ৰ; গাজনি মাৰি চকমক্‌কৈ ওলোৱা বিজুলি।
বজ্ৰপাণি- ইন্দ্ৰ; বাসৱ।
বন্দূলি- এবিধ ৰঙা ফুল ধৰা সৰু গছ।
বঁটা- পুৰস্কাৰ; উপঢৌকন; চাপৰ শৰাই।
বটু- কঁটীয়া; চুটিচাপৰ; সৰু ল'ৰা।
বৰ্ণলোপ- জাতি ভ্ৰষ্ট; বেলেগ বেলেগ জাতিৰ পিতৃ মাতৃৰ সন্তান।
বৰুণৰ পাশজৰি- নাগপাশ।
বঞ্চে- অলপকাল বাস কৰে; ছল বা ফাকি দিয়ে।
বসন- কাপোৰ; বস্ত্ৰ।
ব্ৰহ্মচাৰী- ব্ৰহ্মচৰ্য্য পালনকাৰী।
বাউল- পগলা; বলিয়া; উন্মত্ত।
বাগি- এবিধ কাইটীয়া ফুলৰ গছ; চাতুৰী; টেঙৰালি।
বাগী- ঘোঁৰাই টনা মানুহ উঠা পাতল গাড়ী।
বাঙ্কি- বাকী; শেষত বৈ যোৱা ধন বা বস্তু।
বাজু- বাহুৰ অলংকাৰ।
বাটি- এবিধ ঘূৰণীয়া আৰু গোটোং পাত্ৰ।
বাণ্টি- ভগাই; ভাগ কৰি।
বাতি- চাকি; বত্তি।
বাতুল- পাগল, বলিয়া।
বাপঘৰীয়া- পৈতৃক; বোপায়ে অৰ্জা।
বাবৰী- এবিধ সুগন্ধি শাক।
বালা- বালিকা; যুৱতী; ছোৱালী; এডলীয়া খাৰু।
ব্যামোহ- বিমূঢ়তা।
বিকল- অসম্পূৰ্ণ; বিকৃত।
বিঘূৰ্ণিত- বেয়াকৈ ঘূৰোৱা।
বিদূৰতে- বহু দূৰতে; অধিক দূৰতে।
বিন্দুচয়- বীৰ্য্যধাৰা।
বিন্দুজল- একবিন্দু জল; ক্ষুদ্ৰ পানীৰ টোপা।
বিত্তশাঠ্য- ধনৰ অপব্যৱহাৰ নকৰা।
বিবাদ- হাই-কাজিয়া; দন্দ্ব; বিৰোধ।
বিবুধি- বুদ্ধিহীন; বিমোৰ; নিৰুপায়।
বিম্ব- আইনা; আৰ্চী; কোৱাভাতুৰী।
বিমোক্ষণ- মোচন নোহোৱা; পৰিত্ৰাণ নোপোৱা।
বিৰলে- নিৰলে।

সপ্তঋষি- মৰীচি; অত্ৰি; অঙ্গিৰা; পুলস্ত্য; পুলহ, ক্ৰতু, বশিষ্ঠ।
সপ্তলোক- ভূঃ; ভুবঃ; স্বঃ; জন; মহঃ; তপঃ; সত্য।
সমন্নিতে- সৈতে; একেলগে।
সমাধি- গভীৰ ধ্যান; বাহ্যজ্ঞানহীন হৈ কৰা ঈশ্বৰৰ ধ্যান; কবৰ-স্থান; অন্ত্যেষ্টি ক্ৰিয়াৰ স্থান।
সম্ভৃত- সংগৃহীত; প্ৰস্তুত; সজ্জিত; দান কৰা; যোগান ধৰা।
সৰভ- হাতী; বাঘ; উট; আঠখন ভৰি থকা ভয়ানক জন্তু।
সঞ্চা- সঁচা; সত্য; যথাৰ্থ।
সঞ্চে- সাঁচে; জমাকৰে।
সঞ্চাৰে- গতিৰে; চলাচল কৰি; বেগেৰে।
সৎকাৰ- আদৰ; সন্মান; সেৱা; শুশ্ৰূষা; অন্ত্যেষ্টি ক্ৰিয়া।
স্বকি স্বকি- নিজ নিজ; নিজৰ নিজৰ; আপোনাৰ।
স্বস্থ- সুস্থ; প্ৰকৃতিস্থ; স্বাভাৱিক।
স্বৰ্ণবাগী- ঘোঁৰাই টনা মানুহ উঠা সোণৰ পাতল গাড়ী।
স্ফতিক- এবিধ স্বচ্ছ প্ৰস্তৰ; ফটিক।
স্ৰৱে- নিগৰি ওলায়; বৈ পৰে।
সাগৰ নন্দিনী- লক্ষ্মী, কমলা; পদ্মা।
সান্টি- সুন্টি- সন্তুষ্টি প্ৰকাশ কৰা।
সাত সৰি- ডিঙিত ওলোমাই পিন্ধা সাতমেৰীয়া মণি।
সালঙ্কৃত- অলঙ্কাৰেৰে ভূষিত; সুসজ্জিত।
সাৰঙ্গধনু- বিষ্ণু বা কৃষ্ণৰ ধনু।
সাৰতৰ- শ্ৰেষ্ঠতম; উত্তমোত্তম; শিৰোমণি।
সাস- সাহস; নিৰ্ভীকতা; নিৰ্ভয়তা।
সিন্থাপ- গুণাৰ বনকৰা এবিধ পাতৰ কাপোৰ।
সিন্ধু- সমুদ্ৰ; সাগৰ।
সুনন্দা- এখন নদী।
সুপ্ৰভাত- দিনৰ শুভাৰম্ভ; সুন্দৰ প্ৰভাত বা ৰাতিপুৱা।
সুবাসিত- ভাল গন্ধ থকা; সুগন্ধি; সৰভিত।
সুৰতি- ৰতি; মৈথুন; ৰতি ক্ৰিয়া।
সূচী- বেজী; সূচি।
হবি- ঘিউ; ঘী; আহুতি।
হবিৰ্ভাগ- ঘিউৰ আহুতিৰ অংশ।
হাঠিলা- খোজ কাঢ়ি আহিলা।
হাপাস- জুইৰ তাপ।
হাবিয়াস- আগ্ৰহ; অভিলাষ; হেঁপাহ।
হুতাসন- জুই; অগ্নিদেৱতা; হোমৰ জুই।
হুসি- ধ্বনি; সজাগ; সতৰ্ক।
হেট- হেচা মাৰি ধৰা।
হ্ৰেসনি- ঘোঁৰাৰ চিএঁৰ, হেঁহনি।
হোসকি- তললৈ গ'ল; বাগৰি গ'ল।
ক্ষীৰ সাগৰ- সাত সাগৰৰ এখন; এৱা গাখীৰৰ সাগৰ।

## নৱম স্কন্ধ

অখিল- নিখিল; যাৱতীয়; গোটেই।
অণ্ডকোষ- পৰুষ শক্তিৰ জোলোঙা।
অদভুত- আচৰিত; আগেয়ে নোহোৱা।
অৰ্দ্ধদণ্ড- ত্ৰিশ পল; মুহূৰ্ত্ত।
অৱভৃথ স্নান- যজ্ঞৰ শেষত কৰা স্নান।
অদ্ৰিকূট- পৰ্বতৰ টিং; গিৰি শৃঙ্গ।
অগ্ৰভোক্তা- প্ৰথমে ভোগ কৰোতা; গণেশ দেৱতা।
অষ্টাঙ্গ যোগ- যম; নিয়ম; আসন, প্ৰণায়াম প্ৰত্যাহাৰ; ধ্যান; ধাৰণা; সমাধি।



অস্থিচয়- হাড়বোৰ।
অভিৰুচি- অভিলাষ; প্ৰবৃত্তি; ৰুচি।
অনুলোম- যথাক্ৰম; প্ৰণালী অনুসৰি।
অঙ্গে সঙ্গে- অঙ্গ প্ৰত্যঙ্গৰ দ্বাৰা।
অন্যৱথা- আন প্ৰকাৰৰ; লৰচৰ; বিপৰীত; নহ'লে।
অক্ষৌহিণী- ১০৯৩৫০ পদাতি; ৬৫৬১০ ঘোঁৰা, ২১৮৭০ ৰথ; ২১৮৭০ হাতী; এইয়ে এক অক্ষৌহিণী সেনা।
আঙ্ক- এওঁক।
আটাই- সকলো; সমুদায়।
আৰ্জ্জিকা- সন্ন্যাসিনী।
আন্ত- নাড়ী-ভুৰি।
আধি- মানসিক কষ্ট; মনৰ দুখ।
আত্মবোধ- ব্ৰহ্মাৰ বিষয়ে জ্ঞান।
আত্ম-ঘাতী- নিজক নিজে বধ কৰা; হৰি সেৱাত প্ৰাধান্য নেদা লোক।
আললৈল- আলসুৱা; সুখত উঠা।
আশাছেদ- নিৰাশা; আশা ভংগ; আশাৰ পৰা বঞ্চিত হোৱা।
আশীস- আশীৰ্বাদ; কল্যাণ; কামনা।
আসাঞ্চ- আহিলো।
ইন্দ্ৰবাহ- ইন্দ্ৰই বৃষভৰূপে পুৰঞ্জয় ৰজাৰ বাহন হোৱা বাবে এই নাম।
উঁইচুলা- উই হাঁফলু।
উমান- গম; আঁটকাল; সঁহাৰি।
ক্ৰয়ন- কিনা; কিনা কাৰ্য্য।
কটাক্ষ- চাৱন; পোনে পোনে নেচাই বেঁকাকৈ চোৱা; তুচ্ছ জ্ঞান; কোপ দৃষ্টি।
কন্যাকাল- ছোৱালীৰ যৌৱন কালৰ আৰম্ভ; ছোৱালীৰ বিয়াৰ কাল।
কনিষ্ঠ- বয়সত সৰু; অনুজ।
কপৰ্দ্দক- কড়ি; কড়িৰ সমান মূল্যৰ ধন।
কপোৰতী (বৃত্তি)- উত্তম লোক; কল্যাণকাৰী বৃত্তি।
কপিগণ- বান্দৰ সেনা।
কাৰুণ্য- কৰুণাৰ ভাৱ; অনুকম্পা; দয়াশীল।
কামধেনু- পোৱালি নোহোৱাকৈ গাখীৰ দিয়া গাই; যিহকে খোজা যায় তাকে দিয়া এজনী গাই।
কামীগণ- কামুক সকল; কামাতুৰ বৰ্গ।
কিৰাত- পৰ্ব্বত বা হাবিত বাস কৰা জাতিৰ মানুহ; ব্যাধ।
কিঞ্চিতো-অলপো; সামান্যও; অকণমানো।
ক্ৰীড়িবো- ধেমালি কৰিবো।
কুম্ভ- কলহ; হাতীৰ মূৰৰ টেমুনা।
কুহলি- কুঁৱলি।
কৃত্যানল- ক্ৰোধত জন্ম পোৱা অগ্নি।
কৃষ্ণবৰ্ণ- ক'লা বৰণৰ।
কৃপগোট- এটা কুঁৱা।
কেশৰী- সিংহ।
কোণ্টকোৰা- এবিধ কাইটীয়া গছ আৰু টেঙা ফল।
খশ- এবিধ নীচ জাতি।
খসিয়া- খহিপৰা; তললৈ এৰা পৰা কাৰ্য্য।
খিলিঙ্কাৰ- দুৰ্য্যস; দুৰ্ণাম; অপযশ।
খদ্যেত- জোনাকী পৰুৱা।
গমন- সহবাস; যোৱা কাৰ্য্য; গতি।
গুঞ্জৰে- গুণগুণনি তোলে; গুণ গুণ শব্দ কৰে।
গূঢ়ৰূপে- চদ্মবেশে; গোপনে; গুপুভাৱে।
গোম্ফে- গোঁফে; শ্মশ্ৰু।
গোষ্ঠ- চৰণীয়া পথাৰ; গৰুৰ খুটি।

ঘোৰদন্দ- কাঠোৰ শাস্তি; ভয়ানক যাতনা।
চতুষ্টয়- চাৰি প্ৰকাৰ মোক্ষ।
চড়ে- বিচৰণ কৰে; জল ক্ৰিড়া; উমলি ফুৰা।
চামৰ- চোঁৰৰ; চুৰৰী পহুৰ নোমৰ শোটা।
চেঙ্কন্ত- চিঞৰি উঠা; আতাহ পাৰি।
ছায়াবাজী- ছায়া-ভাওনা; যাদু বিদ্যা; মেজিক লণ্ঠন।
জৰা- আলৰ অৱস্থা; বুঢ়া বয়স; মন্ত্ৰ কৰা; কুলাৰে পৰিস্কাৰ কৰা।
জলচৰ- পানীত থকা; পানীত চৰিফুৰা;
জলফুটিক- এটোপ পানী।
জলন্ধৰ ৰোগ- গাৰ তেজ গুচি পানী হোৱা ৰোগ; শোথ।
জড়াগ্ৰস্ত- আলৰ অৱস্থা; বুঢ়া অৱস্থা; বুঢ়া বয়স।
জান্ত- তেল পেৰা যন্ত্ৰ; কেৰ কেৰ শব্দ।
জুলি বান্টি- একেলগে।
জান্টে- বেগতে; অতি শীঘ্ৰে; তৎক্ষণাৎ।
জায়া- ভাৰ্য্যা; পত্নী।
জাজ্বল্য- বৰকৈ জিলিকি থকা; অতিশয় দীপ্তিমান।
ডঁহা- পিতল বৰণীয়া।
ডহাঁয় ডহাঁয়- খণ্ড খণ্ড কৰা।
ঢাট ঢাট- ঢাচ ঢাচ কৰি।
তটে- নৈ বা আন কোনো জলাশয়ৰ দাঁতিতে।
তাল- গীত বা নাচ কৰা সময়ৰ বিভাগ বা মাত্ৰা; টকৌ জাতীয় এবিধ গছ।
তিসিত- পবিত্ৰ কৰা; তৃষ্ণা নিবাৰণ কৰা; ধুৱাইল।
তীৰ- নৈৰ দাঁতি; পাৰ।
তোল বোল- লুতুৰি পুতুৰি হোৱা।
ত্ৰসদ্দস্যু- যুৱনাশ্ব পুত্ৰ; (ইন্দ্ৰই অমৃত আঙুলি মুখত দি প্ৰাণ ৰক্ষা কৰিছিল) মান্ধাতা।
থোস মোস- লাজত নিৰুত্তৰ।
দশদিকপাল- ইন্দ্ৰ, অগ্নি, যম, নৈঋত, বৰুণ, বায়ু, কুবেৰ, ঈশান, অনন্ত বিষ্ণু।
দ্ৰাবিড় দেশ- দক্ষিণ ভাৰত।
দ্বাজ- দ্বৈত জন্ম।
দিগ্‌বিজয়- যুদ্ধত সকলো ফালে বা নানা দেশত লাভ কৰা জয়, তৰ্ক যুদ্ধত বহুতকে পৰাস্ত কৰা কাৰ্য্য।
দুৰ্ঘটে- সহজে নঘটা।
দুগ্ধধৰ দন্ত- পিয়াহ খোৱা দাঁত; গাখীৰ খোৱা দাঁত।
দুৰ্বাদল- ডাঙৰ; প্ৰবল; তয়াময়া; ধাৰাসাৰে পৰা।
দুৰন্ত- দুৰ্দ্দান্ত; দুষ্ট; অপকাৰী; ভয়ানক।
দুষ্টা- অসতী; পাপীনী।
দুহিতা- জীয়াৰী; কন্যা; ছোৱালী।
ধনুৰ্যাগশালে- ধেনু পূজা কৰিবলৈ কংস ৰজাই পতা যজ্ঞস্থলীলৈ।
ধিক্কাৰ- নিন্দা; তিৰস্কাৰ; অপমান; আত্ম-গ্লানি।
নন্দিনী- জীয়াৰী; পুত্ৰী; জী।
নাদৰিলা- সন্মান নকৰিল; নাৰাখিলা।
নাৰীকবচ- স্ত্ৰীয়ে ৰক্ষা কৰা বাবে বালিকক নাৰী কবচ বোলে।
নিষ্কিঞ্চন- দৰিদ্ৰ; দুখীয়া, ধনহীন।
নিধান- ভঁৰাল; আধাৰ।
নিবৃত্তি- বিষয়ৰ সুখ এৰা; নিষ্কাম; ক্ষান্ত।
নিৰঞ্জন থান- নিৰ্ম্মল স্থান; হাই উৰুমি নোহোৱা ঠাই; পৰমাত্মাৰ স্থান; দ্বিদল।



নিৰুৎসাহ- উৎসাহ নথকা; উৎসাহৰ অভাৱ।
নিস্পৃহ- স্পৃহা নথকা; কোনো বস্তুলৈ বাঞ্ছা নথকা।
নিঃ শেষ- সম্পূৰ্ণ শেষ; যিহৰ অৱশিষ্ট নাই।
ন্যূন্যাধিক- কম-বেছি; সৰহ-তাকৰ।
নেত্ৰবলাই- চকু ঘূৰাই।
পছৰা- এবিধ চেলেং কাপোৰ।
পচাৰ- চকুৰ নিমেষ পেলোৱা কাৰ্য্য।
পণ্ডিতা- শিক্ষয়িত্ৰী; অধ্যাপিকা।
পদ্মৰেণু- পদুমৰ পৰাগ।
পৰিত্ৰাণ- উদ্ধাৰ; ৰক্ষা; মুক্তি।
পয়োসাৰ- প্ৰবেশ; অভ্যন্তৰে যোৱা।
পাৰণা- ব্ৰত বা উপবাসৰ অন্তত আহাৰ কৰা।
পাৱনী- ত্ৰাণ কৰ্ত্তা; পতিতক উদ্ধাৰ কৰোতা; পবিত্ৰকাৰী।
পুছিলা- সুধিলা; প্ৰশ্ন কৰিলা।
পুৰীষ- বিষ্ঠা; গু; মল।
পুৰুজাইল- আহ্বান কৰা।
পুৰুষসিংহ- পৰাক্ৰমী লোক; ক্ষমতাশালী লোক।
প্ৰজ্বলিত- বৰকৈ জলি উঠা; প্ৰখ্যাত।
প্ৰত্যাহাৰ- ইন্দ্ৰিয় নিগ্ৰহ।
প্ৰাণদান- পৰম কৃপা; জীৱন দান; দয়া কৰা।
প্ৰাণ প্ৰিয়া- অতি মৰমৰ ভাৰ্য্যা; প্ৰাণেশ্বৰী।
প্ৰতিলোম- ওলোটা; বিপৰীত।
প্ৰবিষ্ট- যি প্ৰবেশ কৰিছে; যি ভিতৰলৈ সোমাইছে।
প্ৰক্ষালণ- ধোৱা-পখলা কাৰ্য্য; ধুই নিকা কৰা কাৰ্য্য।
ফোকাৰন্ত- ঘনে ঘনে উশাহ ল; ৰিঙিয়াই মাত।
বএঞা- বহন কৰো; পালন কৰো।
বদ্ধ- ১৩০৮৪ জনী গাই গৰুৰ সমষ্টি।
বঙ্কিবে- অৰ্থশূন্য কথা কোৱা।
বৎসৰেতে- প্ৰতি বছৰে; বছৰতে।
বস্ত্ৰ- কাপোৰ, গাৰ আৱৰণ।
বস্তুবুদ্ধি- দ্ৰব্য জ্ঞান; পদাৰ্থ বিজ্ঞানৰ জ্ঞান।
বাটি- ভগাই; ভাগ কৰি; ঠেনু নোহোৱা সৰু পাত্ৰ।
ব্যাধি- শৰীৰৰ দুখ বা কষ্ট।
বিক্ৰম- শক্তি; পৰাক্ৰম; প্ৰতাপ।
বিতৃষ্ণা- অনিচ্ছা; অনাদৰ।
বিপাঙ্গে- শঙ্কটত পৰি; নিৰুপায় অৱস্থা।
বিপাটি- এবিধ শৰ।
বিবস্ত্ৰে- উলঙ্গ হৈ; নাঙঠ হৈ।
বিমোহিত- মুগ্ধ; যি মোহ গৈছে; আকৃষ্ট।
বিলম্ব- পলম; দেৰি; গহৰি।
বিষ্ঠাৰগৰ্ত্ত- মলৰ গাত; শৌচাগাৰ।
বিসদৃশ- ভিন্ন প্ৰকাৰৰ; বিপৰীত; দেখাত ভাল নলগা।
বীৰাসন- সোঁ ভৰি বাওঁ উৰুত, বাওঁ ভৰি সোঁ উৰুত ৰাখি কৰা উপবেশন।
বৃত্তিছেদ- জীৱিকা নাইকিয়া কৰণ।
বৃষলী- অবিবাহিতা ৰজস্বলা কন্যা।
বৃহস্পতিসুত- কচ; শুক্ৰাচাৰ্য্যৰ শিষ্য।
বৈজন্তীমালা- আঠুলৈকে ওলোমা বিষ্ণুৰ পাঁচ বৰণীয়া ফুলৰ মালা (কুন্দ, মদাৰ, ৰক্তকমল, পাৰিজাত আৰু তুলসী)
ব্ৰহ্মঘোষ- ব্ৰহ্ম শব্দ ঘোষণা কৰি থকা।
ব্ৰাহ্মণীগমন- ব্ৰাহ্মণী সঙ্গম; মহা পাতক।
ভকৰ ভকৰ- ভমককৈ; ভমক কৰে।
ভণ্ডাৰ- ভঁৰাল; ধান থোৱা চাং ঘৰ।

ভৱকূপ- সংসাৰত বান্ধ খাই থকা অৱস্থা।
ভাগৱতী গতি- পৰম গতি; বৈষ্ণৱ গতি; একপ্ৰকাৰ মুক্তি।
ভাণ্ডিলন্ত- ঠগোৱা; প্ৰবঞ্চনা কৰা; ভুৱা দিয়া।
ভীতি- ভয়; আশঙ্কা।
ভোজনী- কোনো পাত্ৰত ভৰাই পূজাৰীক দিয়া চাউল, দাইল আদি খাদ্য বস্তু।
মন্ত্ৰন্যাস- মন্ত্ৰ ৰক্ষাৰ ভাব; মন্ত্ৰ অৰ্পণ।
মহাকীৰ্ত্তি- অধিক যশস্যা; সুখ্যাতি।
মহাক্ৰোধে- অতি খঙেৰে।
মহাত্ৰাস- ভীষণ ভয়; ভয়ানক বিপদ।
মাগনী- মগনীয়া তিৰোতা।
মাতঙ্গ- দঁতাল হাতী; মতা হাতী।
মুমুক্ষু- মুক্তি প্ৰাৰ্থী; মুক্তি বাঞ্ছা কৰা।
ম্লেচ্ছ- অহিন্দু; বিধৰ্মী; যৱন; অনচাৰী লোক।
যম- পৰমাত্মাত মন লগোৱা কাৰ্য্য।
যৱন- ম্লেচ্ছ; প্ৰাচীন গ্ৰীক জাতি; জাতিভেদ নমনা বিদেশী।
যক্ষ্মাৰোগ- ক্ষয় ৰোগ; টি-বি; খেহ ৰোগ।
যুতজ্ঞ- শ্ৰেষ্ঠ জ্ঞানী।
ৰজত- ৰূপ।
ৰক্ত উৎপল- ৰঙা পদুম; ৰঙা ভেটফুল।
ৰমিলন্ত- সহবাস কৰিলে; ৰমণ কৰিলে।
লৱড়- দৌৰ; শীঘ্ৰগতি।
লাঙ্গট- উলঙ্গ; বিবস্ত্ৰ; নাঙঠ।
লীন- বিলীন; আন বস্তুৰে সৈতে মিলি এক হোৱা।
শণাইত- তীক্ষ্ণ; চোকা।
শ্মশ্ৰু- ডাঢ়ি-গোফ।
শাশুৰ- শাহু আই।
শিবিকা- দোলা; পাল্কী।
শিলিমুখ- এবিধ বৰ চোকা কাঁড়।
শিংশপা- শিশু গছ; এবিধ সুকাঠী গছ।
শীঘ্ৰে- বেগাই; খৰ গতিৰে; দ্ৰুততাৰে।
শ্ৰুতি- বেদ; শুনা কাৰ্য্য।
শৃঙ্গ- জন্তুৰ শিং; পৰ্বতৰ টিং।
শোভন- সুন্দৰ; চকুত লগা; সোভা
সগৰ- স-সৈতে, গৰ-বিষ, এতেকে বিষসমে জন্মা।
সঞ্জাত- বিশ্বাস; প্ৰত্যয়; সঁজাত।
সন্ধান- ধেনুত কাঁড় জুৰি কৰা লক্ষ্য।
সন্নাহ- সৈনিকৰ কবচ বা বৰ্মা; ৰণুৱাই পিন্ধা জাখৰ।
সৰ্পিনী- মাইকী সাপ; নাগিনী।
সম্ভোগ- মৈথুন; উপভোগ; সঙ্গম।
সঞ্চা- সঁচা; সত্য।
সীতা- নাঙলৰ সীৰলু; ৰামৰ পত্নী।
স্বপ্ন- সপোন; সমাজিক।
স্বয়ম্বৰী- নিজে পতি বাচি লোৱা কন্যা; বিবাহৰ উপযুক্ত কন্যা।
স্মৰিলন্ত- মনত কৰিলে; সোঁৱৰণ কৰিলে।
সাধুৰ্ব্বাদ- শান্ত কথা; প্ৰশংসা; ধন্যবাদ।
সাঁতিসুতি- অনুৰোধ কৰি কৈ মিলি; খাটনি ধৰি।
সালোক্য- ঈশ্বৰে সৈতে একে লোকত বাস কৰা; মুক্তি।
সাংখ্য- কপিল কৃত দৰ্শন শাস্ত্ৰ।
স্ৰজিলো- জন্মদিলো; সৃষ্টি কৰিলো; নিৰ্মাণ কৰিলো।
স্ত্ৰীজিত- কামজয়ী; মায়াতীত।
সুবোধ- সৎ বুদ্ধি যুক্ত।
সুৰতি- সঙ্গম; ৰতি ক্ৰিয়া।
সুলক্ষণ- শুভ লক্ষণ; ভাল চিন।



সূত্ৰ- সূতা; দৰ্শন; ব্যাকৰণাদি শাস্ত্ৰৰ সংক্ষেপ বাক্য।
হউ- হোৱা।
হস্তোদক- হাতত ধৰা।
হঠাৰা হঠৰ- নানা উপদ্ৰৱ; অশেষ অত্যাচাৰ।
হলধাৰী- বলোৰাম; নাঙল ধাৰণ কৰোতা বলভদ্ৰ।
হাণ্ডি- চৰু-হাড়ী; মাটিৰ পাক পাত্ৰ।
হাণ্ডি চৰু- ৰন্ধন পাত্ৰ।
হামকুৰি- মুখ থেকেচা খাই সমুখৰ ফালে পৰা কাৰ্য্য।
হেম্পুচিয়া- ঠেলিনিয়া।
ক্ষুধায়ে- ভোকে-পিয়াহে।

## দশম স্কন্ধ (আদি ছোৱা)

অকণ্ঠ জল- একগল পানী।
অপৰ্য্যন্ত- অশেষ; অপৰিমিত; সীমাহীন।
অসটি কুসটি- জৰা ফুকা কৰা।
অলক্ষিতে- নেদেখাকৈ; অদৃশ্যভাৱে।
অবগৰ্ব্বী- অহঙ্কাৰী; মদগৰ্ব্বী।
অন্বয়- সম্বন্ধ; সৰল অৰ্থ নিৰ্ণয়।
অন্তক- যম; মৃত্যু দেৱতা।
অষ্টপ্ৰকৃতি- পৃথিৱী, জল, বহ্নি, বায়ু, আকাশ, মন, বুদ্ধি, অহংকাৰ।
অভ্যান্তৰ- অন্তঃপুৰ; ভিতৰ; মাজ।
অখিল- নিখিল; সমুদায়; সমগ্ৰ।
অঙ্গিনা- চোতাল; শৰীৰ।
অৱিচ্ছেদে- বিচ্ছেদ নোহোৱা; একেবাৰে হৈ থকা।
অবিশ্ৰাম- অবিৰত; যাৰ জিৰণি নাই।
অভিৰাম - শুৱনী; বিতোপন; সুন্দৰ।
অম্বিকা- পাৰ্বতী; দুৰ্গাৰ এটা নাম।
অঙ্কুৰ- পোখা, গজালি।
অঙ্কুশ- হাতী চলোৱা আঁকোৰা; লাংচিং; গজা কোঁহ।
অণুক্ষণ- অলপ সময়; মুহূৰ্ত্ত।
অবুধ- নিৰ্ব্বোধ; মূৰ্খ; বোধহীন।
অসূয়া- ঈৰ্ষা; হিংসা; পৰশ্ৰীকাতৰ।
আউডালন্ত- মেলিদিয়ে।
আঙ্গনি- জুইৰ আঙঠা।
আকলি- সামান্য বস্তু।
আকাশীবচন- দৈৱ বচন; আকাশৰ পৰা দেৱতাই কোৱা কথা।
আগি- অগ্নি; জুই।
আটোপ- গৰ্ব্ব; দম্ভ; বলৰ দৰ্প।
আধৰা- আধাপোৱা খৰি।
আঢ্য- সমৃদ্ধিশালী; ধনী; চহকী।
আমনাগমন- গমনা গমন।
আভৰণ- অলঙ্কাৰ; ভূষণ।
আণ্টা- গম পালে; জানিলে; বুজি পালে।
আণ্টাইল- গৈ পালে; উপস্থিত হ'ল।
আন্ত- ইয়াত।
আধামূড়ী- উকা ধনগুলৈ।
আথাকে- অনবৰত।
আশ্বাস- সান্তনা; প্ৰবোধ, অভয়।
আনৰ্ত্তদেশ- জম্বুদ্বীপৰ এখন দেশৰ নাম; দ্বাৰকা অঞ্চল।
আন্তৰি- সুকিয়া; পৃথক।
আন্বয়- সদৃশ।
আদিদেৱ- পৰমেশ্বৰ; শিৱ; পিনাকী।
আৰকা- অন্য সময়ত।
আসুখ- অসান্তি; শঙ্কা; ভয়; উদ্বেগ।
আবুধি- মন্দবুদ্ধি; মূৰ্খ; অকুমাৰী।
আঞ্চুৰি- আঁচোৰ মাৰি; চিকোটি মাৰি।
আয়ুধি- ঔষধ; প্ৰতিকাৰ।
আটোপ- গৰ্ব্ব; দম্ভ; বলৰ দৰ্প।

আস্ফোট- মালে যুজিবৰ এসময়ত বাহুত মৰা চাপৰ।
আষ্ট ব্যস্ত- বৰ ব্যস্ত; বৰ আগ্ৰহযুক্ত।
আহান- এওঁৰ; এখেতৰ।
ইচাটি - ধৰফৰণি; ছট্-ফটনি।
ইজাৰ- পাইজামা সদৃশ আভৰণ।
ইন্দু- চন্দ্ৰ; জোন; শশধৰ; শশাঙ্ক।
ঈশ-জীৱ- পৰমাত্মা-জীৱাত্মা।
ঈক্ষণ- দৃষ্টি; দৰ্শন।
উখণ্ডি- তিৰস্কাৰ।
উজাৰিল- গুপ্ত কথা উলিয়াই দিয়া; খুচৰি দিয়া।
উদবেগ- উৎকণ্ঠা; উগুল-থুগুল।
উপমা- তুলনা; অৰ্থালঙ্কাৰ বিশেষ।
উপশান্ত- যাৰ উপশম হৈছে; ক্ষান্ত।
উপসৰ্গ- ৰোগৰ আনুষঙ্গিক অসুখ।
উপেখি- এৰি; আওহেলা কৰি।
উভঞ্জিল- উভালিল; শিপাই সৈতে তুলি পেলোৱা।
উল্লসিল- আনন্দিত হ'ল; ৰং পোৱা।
উগাৰ- পেটৰ পৰা মুখেদি বাজ হোৱা বায়ু।
উচ্ছাদিলা- খেদিলা।
উচ্ছাৰিল- শব্দ কৰিল।
উচ্ছ্ৰিত- ওখ; উচ্চ।
উত- তীব্ৰ; উত্তম; অতিশয়; উৎপাত।
উৰুক্ৰম- বিষ্ণুৰ পঞ্চম অৱতাৰ; বামনৰ নাম।
উৰুক মুৰুক- আনন্দত অধীৰ।
উৰুফালি- ডেওমাৰি।
উপেখি- তুচ্ছ জ্ঞান কৰি; অনাদৰ কৰি।
ঊতি- ৰক্ষণ; লীলা; ক্ষৰণ।
ঋচ- ঋগ্বেদৰ মন্ত্ৰ; ঋগ্বেদ।
ঋজু- পোন; থিয়; সৰল।
ঋক্ষ- নক্ষত্ৰ।
ঋদ্ধি- উন্নতি; সাধনাত সিদ্ধি লাভ।
একপিণ্ড- থোপহৈ থকা; এক হৈ থকা।
একুটী/একুতী- যি মাতৃৰ মাত্ৰ এজন ল'ৰা বা মাত্ৰ এটি সন্তান।
একেদায়- একেলগে।
ওচাই- গোটাই; থুপুৱাই; সংগ্ৰহ কৰি।
ওচান্ত- ওপচায়; ভৰায়।
এতেক- এইবোৰ।
ওৱাৰি- ৰাজপ্ৰসাদ; ৰাজ কাৰেং; টোল।
ওসাৰ- মাইকী পশুৰ স্তন; জন্তুৰ গাখীৰৰ বাহ।
কঙ্কাল- জঁকা; অস্থি পঞ্জৰ।
কণাকণি- আনে নুশুনাকৈ কাণে কাণে কথা কোৱা; গোপনে কথা বতৰা কোৱা।
কৰ্ণিকা- পদুমৰ চকা।
কণ্ডিয়া- কঁৰীয়া; গাখীৰ খিৰোৱা পাত্ৰ।
কৰ্দ্দম- বোকা; পঙ্ক।
কন্দৰ্প- কামদেৱ; মদন।
কন্ধ- কান; বাহুৰ গুৰি ভাগ।
কন্ধপাত- বিনাশ; মৰি যোৱা।
কপট- ছল; যথাৰ্থভাৱৰ গোপন।
কপাট- দুৱাৰ।
কপিত্থ- ঔ টেঙা; কথবেল।
কপিন্দ্ৰ- বালী; বান্দৰৰ ৰজা।
কৰ্ম্মজড়- বিষয় কৰ্মত মজি থকা।
কৰীকৰ- হাতীৰ শুৰ।
কৱৰী- খোপা; কেশ বন্ধন।
কৰছৈ- চোবাই।
কলিঞ্জ- তৃণ নিৰ্মিত আসন।
কাঞ্চলি- তিৰোতাই বুকুত পিন্ধা কাপোৰ।



কাঞ্চুলি- চেলেং; এঁকাচলীয়া কাপোৰ।
কাচত- ওচৰত; কাষত; সমীপত।
কাত্যায়নী ব্ৰত- কাত্যায়নী (দুৰ্গা) দেৱীৰ উদ্দেশ্যে কৰা ব্ৰত; দুৰ্গা সন্তুষ্টিকাৰী ব্ৰত।
কাদোৱানী- বোকা মিহলি ঘোলা পানী; লেতেৰা জল।
কাণ ছো- কাণত পেলা; শুনোৱা।
কাপ- কলম; লেখনী; বেটৰ আঁটি; কোনো এক ধৰণৰ বহল আঁচ।
কামদা- অভিষ্টদায়ক; যি কামনাপূৰ্ণ কৰে।
কাংসপৰিজিণ গৈল- নিঃশব্দ হোৱা; হাই উৰুমি নোহোৱা হোৱা।
কিশলয়- গছৰ কুঁহিপাত।
ক্ৰীড়াশ্ৰান্ত- খেল ধেমালি কৰি ভাগৰি পৰা।
কুখিয়াতি- অপযশ; দুৰ্ণাম; দুৰ্যশ।
কুচিত- নিন্দিত ; বেয়া; মন্দ; কুৰূপ; কুৎসিত।
কুঞ্জৰ- গজ; হাতী; হস্তী।
কুণ্টৰণি- কাজিয়া বিচাৰি ফুৰা; কুটকুটীয়া; যম নগৰ।
কুণ্ঠুৰ- কুকৰ্ম কৰা।
কুন্দৰুখ- সৰু গৱাক্ষ; ঘূৰণীয়া খিৰিকী।
কুন্দপুষ্প- বগা পাহি থকা এবিধ সুগন্ধি ফুল।
কুপিলন্ত- ক্ৰোধান্বিত; ক্ৰুদ্ধ হোৱা।
কুম্ভ- কলাহ; হাতীৰ মূৰৰ টেমুনা।
কুম্ভস্থল- হাতীৰ মূৰৰ টেমুনা; কুম।
কুৱাল- মস্তক; মূৰ।
কুৱালে- মূৰ ফণীয়ালে।
কুড়কষায়- গন্ধযুক্ত তেল।
কৃপৱতী- গছৰ খোৰোঙত বাস কৰা চৰাই।
ক্ৰূৰ- নিৰ্দ্দয়; দয়াহীন; নিষ্ঠুৰ।
কেতন- পতাকা; নিচান; ধ্বজা।
কোলাৰ- কোলাহল।
কৈকস- দৈত্য; দানৱ।
খলক- পানীৰ ঢৌৰ শব্দ।
খাণ্ডা- ডাঙৰ দা; তৰোৱাল।
খাসি- কণী কাটি নপুংসক কৰা ছাগলী।
খিলিঙ্কাৰ- দুৰ্ণাম; দুৰ্যশ।
খুজিলুৰি- খুজি মাগি আনা।
খুপি- খোপনি পিটি।
খেকট কৰি- দাঁত নিকটাই।
খেত- ক্ষত।
গজগতি- হাতীৰ দৰে ধীৰ গতি; গজেন্দ্ৰ গমন।
গণ্ডুষ- চলু; হাতৰ তলুৱাৰ থোলাত যিমান পানী ধৰে।
গন্ধজল- অগৰু; কৰ্পূৰ আৰু চন্দন মিশ্ৰিত শুদ্ধি জল।
গৰ্ব্ব পৰ্বত- অহংকাৰত ওফন্দি থকা; মই বৰ ভাৱ।
গৰাসি- বেঢ়ি; আগুৰি।
গৰিহয়- ধিক্কাৰ; দোষাৰোপ।
গলদঙ্গা- এবিধ ডিঙিত হোৱা ৰোগ।
গান্দিনীৰ সুত- অক্ৰূৰ।
গিৰিযাগ- পৰ্ব্বত পূজা; গোবৰ্দ্ধন পূজা।
গিৰিয়তে- গিৰিহঁতে।
গীতাল- গীত গাঁওতা; গায়ক।
গুঞ্জমণি/গুঞ্জা- লাতুৰ মণি; কাঁচমণি।
গুঞ্জৰে- গুণ গুণ শব্দ কৰে।
গুপুতজ্ঞান- আত্মতত্ব কথা; অপ্ৰকাশ্য জ্ঞান।
গুপুতে- লোকে নাজানাকৈ; ঢাকি থৈ।
গুহ্যক- যক্ষ; কুবেৰৰ অনুচৰ।
গুৱা- তামোল।

গোড়ো- সাধো।
গ্ৰামদেৱতা- ভূত-প্ৰেত; নীচলোক।
গোষ্ঠ- গোহালি; গৰু চৰা ঠাই; গৰু বন্ধা খুটি।
গোষ্ঠী- বংশ; জ্ঞাতি; সম্প্ৰদায়।
গোধূলি- গৰুৰ খুৰা লাগি ওলোৱা মিহি বালি।
গোৰস- দুগ্ধ; গাখীৰ।
গোৰক্ষ- গৰখীয়া।
ঘৰিণী- স্ত্ৰী; ভাৰ্য্যা।
ঘাঘৰ- নেপূৰ; ছোৱালীক বা ল'ৰাক পিন্ধোৱা জুনুকাৰ মালা।
ঘাতিনী- নিধন কাৰিণী; হত্যাকাৰিণী।
ঘাতুক- নিষ্ঠুৰ; নিৰ্দ্দয়; গুপ্তভাৱে বধ কৰোতা।
ঘিণেসে- ঘৃণাকৰি; তুচ্ছ জ্ঞান কৰি; নিকৃষ্ট ভাৱি।
চটুৱা- চাটুকৰ; ফুচুলা।
চটি- ভৰিৰ পতা ঢকা আৰু গোৰোৱা উদং থকা এবিধ জোতা।
চণ্ড- বৰ খঙাল; অলপতে খং উঠা।
চণ্ডীপাঠ- দুৰ্গাক সন্তুষ্ট কৰাৰ বাবে অনুষ্ঠান।
চন্দনি- ছেগ চোৱা।
চপকৰে- বেগতে; অতিশীঘ্ৰে।
চৰ্পতি- চুপতি।
চৰে- বৃদ্ধি হয়; বাঢ়ি আছে।
চাণ্ড/চান্দ- ছেগ চা; আলচ কৰ; চন্দ্ৰ; জোন।
চাটি-ফুটি- ধৰফৰণি।
চাৰি আশ্ৰম- ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য; বানপ্ৰস্থ, সন্ন্যাস।
চাৰিৰস- চৰ্ব্য- দাঁতেৰে চোবাই খোৱা; চোষ্য- ওঁঠৰে চেপি ৰস খোৱা; লেহ্য-চেলেকি খোৱা;

পেয়- পি খোৱাৰ যোগ্য।
চিহৰণি- আটাহ; দুখ বা ভয় পাই কৰা উচ্চ শব্দ।
চুম্বন- চুমা; চুমা খোৱা কাৰ্য্য।
চুকতি- ধৈৰ্য্য; তত্।
চুসিচুসি- চুহি চুহি।
ছয় উৰ্ম্মি- জন্ম; জৰা; মৃত্যু; ক্ষুধা; পিপসা; মোহ।
ছয়তৰ্ক- দৰ্শন শাস্ত্ৰৰ ভিন্ন মত; সাংখ্য; পাতঞ্জল; মীমাংসা, ন্যায়; বৈশেষিক আৰু বেদান্তৰ ভিন্ন মত।
ছয় ৰিপু- কাম; ক্ৰোধ; লোভ; মোহ; মদ, মাৎসৰ্য্য।
ছাদিলা- শিশুই পিয়াহ খাই বঁতিয়াই উলিয়াই দিয়া।
ছায়া- ছাঁ।
ছিনাল- বাণ্ডি; এবিধ ডাঙৰ জাতিৰ ছিৰাল।
জঁই- লেৰেলি যোৱা।
জঁই পৰ- লেৰেলি তললৈ দোঁ খা।
জঞ্জী- জয় লাভ কৰা; জিকা।
জৰপুৰ- ডোলেৰে টানকৈ আটি বন্ধা।
জলধৰ- মেঘ; সাগৰ।
জাঙ্গ- শৰীৰৰ অঙ্গ।
জাঞলে- একেলগে ধৰি টানকৈ; জমজ; দুই।
জাতকৰ্ম্ম- সন্তান উপজিলে কৰিবলগীয়া সংস্কাৰ কৰ্ম।
জান- বুজ পা; ভু পা; বুজ।
জান্তন্ত- পিট্টিকি দিয়ে।
জাতিস্মৰ- যি নিজৰ পূৰ্ব্ব জন্মৰ কথা কব পাৰে।



জামীৰ- এবিধ টেঙা ফল।
জাঁঞলে/জাৱলে- জমজ দুই।
জীৰ্ণ- জাহ যোৱা; জীণ যোৱা।
জুপুৰান্ত- জোপাৰ সদৃশ।
জুলুকি- জুলুকি- ঘনে ঘনে অনেক বাৰ দুখ দি।
টঙ্কা- টকা; চাৰি মহা; ঠেক।
টঙ্কাৰে- ধেনুৰ জোঁৰৰ শব্দৰে।
টাই- শক্তি; বল।
টাটেকৰ খেড়ি- বাজীকৰৰ খেলা।
টিকৰ স্বামী- প্ৰাণৰ স্বামী; আত্মাৰ স্বামী, অভিলষিত স্বামী।
ঠাতকাৰে- তৎক্ষণাত।
ডড়খা- ডেউকা; ডেনা।
ডকাই- আগলৈ খেদি যাই; গোট মৰা বস্তুৰে।
ডৰাসন্ত- ভয় দেখুৱা।
ডৰিকা- এবিধ পাঁচলি।
ডাবৰ- মেঘ।
ডেৰ প্ৰহৰৰ বাট- চাৰে চাৰি ঘণ্টাৰ পথ।
ঢঙ্গ- বিলাস; ধেমালি; ছলনা
ঢেল- চকুৰ ওলোটা পিঠি।
তৰ্কিবে- চকুৰে মনা কাৰ্য্য।
তঞ্জি- তই
তলিয়া- ভাতৰ চৰু ঢকা; হাতেৰে ধৰিবৰ সুবিধা থকা ঢাকোন।
তহিৰে- তাৰ পৰা।
তাত- পিতৃ।
তাললে- তাল লৈ।
তিনিগুণ- সত; ৰজ; তম।
তুম্বুল- ঘোৰ যুঁজ; ভয়ানক কটামৰা কৰা দন্দ।
তুষিল- সন্তোষ কৰিলা; সন্তুষ্ট কৰিলা।

তৃষাত- তৃষ্ণাৰ্ত; পিয়াহত।
থৰ- লৰচৰ নোহোৱা।
থথুৱাৰৈ- ঘিণ বা তুচ্ছ ভাৱ কৰি।
থুপি- পোলি; কোঠালি।
থোসমোস- লাজত নিৰুত্তৰ।
দঙ্গ- আনৰ দ্বাৰা তোলা; থিয় কৰা।
দগ্ধ হুই- পুৰি ছাই হোৱা কাৰ্য্য।
দৰ্পচুৰ- অহংকাৰ নাশ কৰা; দৰ্প গুচোৱা।
দৰদৰি- লৰালৰি; শীঘ্ৰে।
দশন- দাঁত; দন্ত।
দশ ইন্দ্ৰিয়- পাঁচ কৰ্মেন্দ্ৰিয় (হাত, ভৰি, মলদ্বাৰ, লিঙ্গ বা যোনি আৰু বাক্ ইন্দ্ৰিয়), পাঁচ জ্ঞানেন্দ্ৰিয় (চকু, কাণ, নাক, জিভা আৰু ছাল)
দশবায়ু- প্ৰাণ; অপান; সমান; উদান; ব্যান; নাগ; কুৰ্ম্ম; কৃকৰ; দেৱদত্ত; ধনঞ্জয়।
দয়াশীল- দয়াৱন্ত।
দাদৰি- নেওচা; শাও; গৰিহণা।
দানপতি- অক্ৰুৰ।
দান্তেখেৰতুলি- অতি কাতৰ হৈ; সানুনয় প্ৰাৰ্থনা কৰি।
দাৰুণ- প্ৰবল; ভয়ানক।
দীৰ্ঘৰাৱে- দীঘলীয়া আৰু ডাঙৰ আটাহ।
দুই ফল- সুখ; দুখ।
দুৰ্দ্দিন- বেয়াদিন; বিপদ কাল; দুখৰ দিন।
দুধ- দুগ্ধ; গাখীৰ।
দুৰ্ব্বাৰ- দুৰ্ণিবাৰ; দুৰ্দ্দমনীয়; অদম্য।
দুৰাশয়- বেয়া ইচ্ছা; অসৎ উদ্দেশ্য।
দুস্ত্যজ- এৰিবলৈ টান।
দুস্মহ- দুঃসহ।
দৈৱজ্ঞ- গণক; জ্যোতিষী।
দৈৱত- দেৱতা।

দোতোৰা- দুডাল গুণ লগোৱা বাদ্য যন্ত্ৰ বিশেষ।
দেধো- দুই।
দোহাৰ- দুখণ্ড।
ধাৰিবাটি- শাৰীশাৰীকৈ তাঁত ববলৈ দীঘৰ সূতা মেল; লেঠেৰি নিছিঙাকৈ গৈ থকা।
ধূৰ্ত্ত- টেঙৰ; প্ৰবঞ্চক, শঠ।
ধেনু- পোৱালি হোৱা গাই গৰু।
নডৰাঞো- ভয় নকৰো; নিৰ্ভয়ে।
নভাসে- প্ৰভাহীন; দীপ্তিহীন।
নাগৰ- নাগেশ্বৰ।
নাগৰীগণ- নগৰবাসী তিৰোতা।
নাঘালে- নাশ নকৰে; তিৰস্কাৰ নকৰে।
নাদে- আতাহপাৰে; গৰ্জ্জন কৰে।
নিকপটি- নঙঠা; উলঙ্গ।
নিকলিল- ওলাল।
নিতম্ব- পিঠিৰ ফালে ক'কালৰ তলৰ অংশ; শ্ৰোণী।
নিতি- সদায়।
নিদান- বিপদ; বিপত্তি; কাতৰ অৱস্থা।
নিবাৰন্তা- গুচোৱা; মানা কৰা।
নিবাৰি- বাৰণ কৰি; বাধা কৰি।
নিৰুজ- নিৰোগী; সুস্থ।
নিৰুপায়- উপায়হীন; অসহায় অৱস্থা।
নিশান- ৰণ বাদ্য; যুদ্ধত বজোৱা ঢোল।
নিষ্ঠবাণী- ধ্ৰুৱপ বাক্য; সদাচাৰ কথা।
নিসান- ৰণ বাদ্য।
নিসাৰি- কথা বাৰ্ত্তা নথকা অৱস্থা।
নিস্বান- ধ্বনি; শব্দ।
নিস্পন্দ- স্থিৰ; উসাহ নিসাহ বন্ধ।
নিস্পান- স্থিৰ; অকম্পিত।
নিহল- শিকলি; শৃঙ্খল।

নিহালি- দেখি।
নিহালী- লেপ।
নীৰদ- মেঘ; ডাৱৰ।
নুপঙ্গিলা- ভাহি নুথিল।
নুৰুচৈ- সোৱাদ নোহোৱা।
নেট খোণ্টাজালি- ঘুৰিৰ দৰে পিন্ধা পাটৰ শাৰী।
নৈৰাশ- হতাশ; আশাগুচা।
নৈয়ো- নাই; নহয়।
নোৱাইল- দৰা বা কন্যাৰ গা ধুওৱাৰ আগতে গাত বঁটা মাহ হালধি ঘঁহিল।
নৌতন- নবীন; কমবয়সীয়া; নতুন।
পখালি- ধান বা শস্য খুন্দা শিল বা কাঠৰ খোৰোং; ধুই পৰিস্কাৰ কৰি।
পঁজাল- ঘঁহি বা চাঁচি জোঙাল কৰ।
পটাপো- পটাগুটি; পাটুকু।
পতঙ্গ- ছয়টা ভৰি থকা উৰিব পৰা কীট্।
পনস- কঁঠাল; কণ্টফল; কাঁইট।
পন্থুকে- বাটৰুৱাই; পথিকে।
পৰমত্ত- উন্মত্ত; মতলীয়া।
পৰায়- নিচিনা।
পৰিবেদনা- অতিশয় দুখ।
পৰিহাস- ঠাট্টা; ধেমেলীয়া কথা।
পল্লৱ- নতুন পাত; কোঁহ; পত্ৰ।
পলম্পিল- কঁপিল।
পশিল- সোমাল; প্ৰবেশ কৰিলে।
পসৰাই- পোহৰাই।
পঞ্চসত্য- (শ্ৰীকৃষ্ণই কোৱা) অন্য ধৰ্ম ত্যাগ কৰা; মোতে শৰণ লোৱা; পাপৰ পৰা মুক্ত কৰিম; তাপৰ পৰা নিস্কৃতি দিম; মই তোমাক মোক্ষ দিম।



পয়োনিধি- সাগৰ; সমুদ্ৰ।
পয়োব্ৰত- মাথোন পানী খাই পালন কৰা ব্ৰত বিশেষ।
পাগ- পাগুৰি।
পালি- পাৰি।
পিঙ্গগ- মুগা বৰণীয়া।
পিঙ্গলা- এজনী ধৰ্মনিষ্ঠা বেশ্যা; শৰীৰত মেৰাই থকা প্ৰধান নাড়ীৰ এডাল।
পিৰিকান্ত- চকু টিপিয়া; চকু অলপ অলপকৈ মেলা মুদা কৰা।
পুছয়- শোধে; প্ৰশ্ন কৰে।
পুঠাই- পুষ্ট হয়।
পুৰাণ- পুৰণি; ব্যাসদেৱ বিৰচিত নীতি আৰু ধৰ্মমূলক পুৰণি উপখ্যান থকা পুথি।
পুৰাণ পুৰুষ- পৰমেশ্বৰ; শ্ৰীকৃষ্ণ।
পুলকিত- অতি আনন্দিত; আনন্দত ৰোমাঞ্চিত।
পোচা- পচা; গেলা।
পোচাজীউ- সামান্য প্ৰাণী; নিৰীহ।
পোলা- পোৰা; দগ্ধ কৰা।
পোষণ- পোহ-পাল; প্ৰতিপালন।
পোষ্টা- প্ৰতিপালন কৰোতা; তোলনীয়া।
প্ৰকটি- প্ৰকাশিত; স্পষ্ট ভাৱে।
প্ৰত্যুষ- ৰাতিপুৱা; উষাকাল।
প্ৰলম্ভি- লোভ দেখুৱাই।
প্ৰসাদ- অনুগ্ৰহ; কৃপা; দয়া; দেৱতাক উচ্ছৰ্গা কৰা খাদ্য।
প্ৰবুদ্ধ- পণ্ডিত; জ্ঞানী।
প্ৰাৰম্ভ- আড়ম্বৰ।
প্ৰতিবিম্ব- ছাঁ; আচী বা পানীৰ ওপৰত প্ৰতিফলিত আকৃতি।
পৌগণ্ড- পাঁচ বছৰৰ পৰা দহ বছৰৰ কালখিনি।

ফন্দিয়া- সিৰ কোঁচ খাই ভৰি ঠেৰেঙা লগা ৰোগ।
ফালি- মুৰত মেৰাই পিন্ধা দীঘল কাপোৰৰ খণ্ড।
ফিঙ্গাৰৈ- টনটনীয়া কৰা।
ফু পুসি- তলফাল উপৰ কৰি পিন্ধা।
ফেৰু- ফেউ ফেউ শব্দ কৰা শিয়াল।
বজায়- ওলায়।
বজোৱাৰ- বৰ ডাঙৰ ঢোৰ শব্দ।
বনস্পতি- ফুল নধৰাকৈয়ে গুটি লগা গছ; আঁহত; অশ্বত্থ, ডিমৰু গছ; যজ্ঞ-ডিমৰু।
বনিয়া- আধা পকা; মাজে মাজে পকা।
বৰছা- বৰ দীঘল নাল লগোৱা এবিধ যাঠী।
বলাই- বলৰাম; বলভদ্ৰৰ এটা উপনাম।
বলী- শক্তি থকা; বল থকা।
বহবৰুকী- কথা চহকী; বৰ কথকী; বহুভাষী।
বৎসৰি- বছৰেকীয়া; প্ৰতি বছৰে।
বৎসপাল- গৰখীয়া।
বংশী ৰন্ধ্ৰ- বাঁহীৰ ফুটা; বিন্ধা।
বাণিজাৰু- বেপাৰী; বেহেৰুৱা।
বাতকৰ্ম- অকৰ্ম; দুষ্কৰ্ম; কুকৰ্ম।
বাৰু- ঢাল।
বাইল- বজোৱা।
বিকলে- শোকত।
বিকৰ্থনা- তিৰস্কাৰ; পৰিহাস।
বিগুটি- সঁচ নথকা।
বিঘাত- বিঘিনি; দুৰ্ঘটনা; অনিষ্ট।
বিচ্ছেদ- বিৰহ; সঙ্গ এৰি পৃথক হৈ থকা কাৰ্য্য।
বিনোদ- ৰং; আহ্লাদ; ধেমালি।

বিপাঙ্গে- শঙ্কটত পৰি; নিৰুপায় অৱস্থা।
বিপাটি- বিৱৰি কোৱা।
বিমুকুত- পৰিত্যক্ত; ত্যাগ কৰা।
বিলম্ব- পলম; গহৰি।
বিশ্ৰুতি- প্ৰখ্যাত; প্ৰসিদ্ধ।
বুদ্ধজন- জ্ঞানীলোক।
বেঙ্গছতা- কাঠফুলা।
বেতৰি- কামলতি।
বেন্তবাই- মুখমেলি।
বেন্তগোট- মুখমণ্ডল।
বেৰটি- বৰপেটি; কঁকালত মেৰোৱা বৰপেটি।
বৈসন্তে- বহোতে।
বৈষ্ণৱী মায়া- বিষ্ণু মায়া, বস্তুৰ প্ৰকৃত ৰূপ নিৰূপণ কৰিব নোৱাৰা অৱস্থা।
বোকগুা- বখেনা; বকনা।
ব্যাভিচাৰী- যি ব্যভিচাব কৰে।
ব্যামোহ- বিমূঢ়তা।
ব্ৰজবধু- ব্ৰজ ধামৰ বোৱাৰী।
ব্ৰজেশ্বৰী- ব্ৰজধামৰ পাট ৰাণী; ব্ৰজধামৰ ঘাই ৰাণী।
ভৰছন্তে- ভৎর্সনা কৰি; তিৰস্কাৰ কৰি।
ভৰৰুদ- অন্তোষ্টিক্ৰিয়াৰ সময়ত বজোৱা বাদ্য বিশেষ।
ভাগেবজোৱাৰ- ডাঙৰ ঢৌ ভাগি কৰা শব্দ।
ভাথৰ- ভটুৱা কুকুৰ।
ভাণ্ডিৰ- বটগছ।
ভাণ্ডিয়া- ফাকি দি; ঠগ কৰি; বঞ্চনা কৰি।
ভুৰিভঙ্গ- অলপ পৰোৱাই কৰা; অলপ মনোযোগ।
ভ্ৰূকুটি- ক্ৰোধ দৃষ্টি; খঙত কপাল কোঁচাই কৰা দৃষ্টি।
ভৃঙ্গ- ভোমোৰা; অলি।
ভেঙ্গুৰা- ভাঁজ; বেকা।
ভেটপাই- সঙ্গ পাই; লগ পাই।
ভেণ্টন্তে- হাক দিওতে; আগচি ধৰোতে।
ভৌমিক- মাটিৰ গৰাকী।
মখ- যজ্ঞ।
মখভঙ্গ- যজ্ঞ নষ্ট হোৱা; যজ্ঞ কাৰ্য্য নাশ কৰা।
মুই- মূৰ্ত্তি; আকৃতি।
মুখে- মুষিক; ইন্দুৰ।
মঞ্জৰি- অঙ্কুৰ; গজালি।
মঞ্জৰৈ- কুঁহিপাত ধৰা; গজালি মেলা।
মদান্ধ- অহংকাৰৰ ফলত যাৰ হিতাহিত জ্ঞান লোপ পাইছে; মদমত্ত।
মধুকৰ- মৌ মাখি; ভোমোৰা।
মন্যু- ক্ৰোধ; খং; অসন্তোষ।
মশ- মহ; এবিধ তেজপিয়া মাখি জাতিৰ কীট্।
মহী- পৃথিৱী; বসুমতী।
মাকনীৰ- মাইকীৰ।
মাখিলা- ঘহিলা; সানিলা; মোহাৰিলা।
মাটিয়াৰৈ- শিঙেৰে মাটি খোঁচে।
মাতঙ্গ- মতাহাতী।
মালাৰী- হাতৰ অঙ্গি ভঙ্গি।
মাসৌল- এবিধ বাকলি থকা গোটা সজিয়া মাছ।
মুণ্ডদোৱাই- শিৰ নত কৰি; প্ৰণাম কৰি।
মুষলধাৰে- একেৰাহে আৰু বেছি পৰিমানে।
মুঞ্জিলা- মুদিলা।
মূৰ্দ্ধফুটি-ব্ৰহ্ম ৰন্ধ্ৰেৰে; শিৰ ভাগেৰে বিন্ধা ওলাই।
মূঢ়মতি- মূৰ্খ; অজ্ঞানী; নিৰ্ব্বোধ।
মেখলা- ককাল বান্ধ।



মৌন- নীৰৱ; নিমাত; কথা নোকোৱা।
যঠা- গজাকোঁহ; অঙ্কুশ।
যজ্ঞসুত্ৰ- লগুণ; উপৱীত।
যূথপক- বনৰীয়া হাতীৰ জাকৰ ঘাই হাতী; মতা হাতী।
ৰজক- ধোবা।
ৰঞ্জন- বৰণ লগাই শোভিত কৰা কাৰ্য্য; সন্তোষ দিয়া কাৰ্য্য।
ৰণচেড়- ৰণত হাৰা।
ৰম্য থান- মনোৰম ঠাই; সুন্দৰ স্থান।
ৰস বিভাবন- ৰসৰ অনুভৱ; ৰসৰ আস্বাদ।
ৰক্ষামন্ত্ৰ- যি মন্ত্ৰই ভূত পিশাচৰ আক্ৰমণৰ পৰা ৰক্ষা কৰে।
ৰবি ৰশ্মি- সূৰ্য্য কিৰণ।
ৰতিশ্ৰান্ত- কামকেলিত ভাগৰুৱা হোৱা; সম্ভোগত অপাৰগ।
ৰিঙ্গজোত- লগ লাগি চিঞৰা।
ৰোগ- বেমাৰ; নৰিয়া।
ৰোষী- খঙাল; ক্ৰোধী।
ৰৌল- বিপ্ৰ সকল; যজ্ঞাৰ্থী।
লটক- যুঁজ বিচাৰি ফুৰা; দুষ্টলোক; পাখণ্ড; বদমাইচ।
লৱণু- মাখন।
লক্ষণ- স্বভাৱ; চৰিত্ৰ; চিন।
লঘিমা- লাঘৱ; যোগৰ বলত শৰীৰক পাতল কৰিব পৰা ক্ষমতা।
লঙ্ঘিলা- উলংঘা কৰি; অৱজ্ঞা কৰি।
লাঠি- লাখুটি; টোকোন।
লাদ- জন্তু বা চৰাইৰ বিষ্ঠা।
লাল/লালু- প্ৰিয়; স্বামী; ভৰ্ত্তা।
লুণ্ডি ঘুণ্ডি- ঠেলি-হেঁচি; হেঁচা-হেঁচি; লুটি-পুটি; সম্ভোগ কৰি।
লুম্ফি- জাঁপ মাৰি।
লোটয়- কাতি হৈ বাগৰা বাগৰি কৰা।
লোতক- চকুপানী; অশ্ৰু; চকুলো।
লোট-সোট- লেতু-সেতু; অদৃঢ়; আজ্ঞাধীন।
লোহন্তি- প্ৰলোভন; চকুৰপানী।
লোহো- চকুপানী; প্ৰলোভন; লোভ।
লৌ থৌ- দুৰাৱস্থা হোৱা; দুখ।
শকটত- গাড়ীত; বাহনত।
শমন- যম কৃতান্ত।
শম্পা- বিদ্যুৎ; বিজুলী।
শিঙ্গামাটিৰৈ- শিং মাটিত খোচে।
শিথিল- ঢিলা; লেতু সেতু।
শিহঁৰাই- ৰোমাঞ্চিত কৰি।
শুণ্ড- হাতীৰ শুঁৰ।
শেত- বগা; শ্বেত।
শোক শল্যক- শোক শেল।
শৌচ- মলত্যাগ; মলত্যাগ কৰি শুচি হোৱা।
ষড়ৰস- মিঠা; তিতা; কেহা; জলা;টেঙা; খাৰ।
সইচক্ষু- নিজ চক্ষু।
সকপোল- গালৰে।
সচন্দ- স্বচ্ছন্দা।
সজ্জন- সাধু লোক; সন্তলোক
সঞ্জমণিপুৰী- যমৰ নগৰী; যমপুৰী।
সঞ্চা- সত্য; যথাৰ্থ।
সদগিৰি- সাধু গৃহস্থ।
সত্ত্ব- সত্তা।
সতিয়া- দান; উপহাৰ দিয়া লোক।
সতিয়া সবক- সতিনী সকলক।
সন্নিহিত- ওচৰ; নিকটবৰ্ত্তী।
সন্ধুকিয়া- লক্ষ্যকৰি; স্থিৰ দৃষ্টি কৰি।
সন্ধুক্ষণ- অজ্ঞান অৱস্থাৰ পৰা পোৱা পুনৰ জ্ঞান।

সন্দেশ- বাৰ্ত্তা; সমাচাৰ; বাতৰি; ছানা আৰু চেনিৰে প্ৰস্তুত কৰা এবিধ মিঠাই।
সপটে- মনে মনে; মনতে সংকল্প কৰা।
সমসৰ- সাইলাখ; হুবহু; সমপৰ্য্যয়ৰ।
সম্বৰ্ত্ত ক (মেঘ)- হিন্দুশাস্ত্ৰমতে সাতোটা মেঘৰ এটা নাম।
সসাঙ্গ- সম্পূৰ্ণ; পৰিপূৰ্ণ।
সহস্ৰলোচন- ইন্দ্ৰ; দেৱৰাজ।
সাতধাতু- ৰস, ৰক্ত, মাংস, মেদ, অস্থি, মজ্জা আৰু শুক্ৰ।
সাঞ্জি মাঞ্জি- সবা-পোঁচা; মছা-সৰা কৰা।
সান্দি- সহজে সোমাব নোৱাৰা ঠাই।
সান্ধি- জোঁত।
সাৰিয়া- সৰাই।
সাৰনিকাৰ- আঁতি গুৰি; তত্ত্ব।
স্ৰাৱ- ক্ষৰণ; বৈ পৰা; তেজ যোৱা ৰোগ।
সিকা- সিকি; চাৰিঅনীয়া মুদ্ৰা; এমহা।
সিঞ্চে- চটিয়াই দিয়া; ভিজোৱা।
সিহাৰি- শৰীৰ সিয়ঁৰি উঠা।
সিয়াঁৰি- এজনে আন এজনক সিয়াঁৰি বিদ্ৰূপ কৰা কাৰ্য্য।
সুকপোল- উজ্জ্বল গাল; সুশ্ৰী।
সুত- পুত্ৰ; পো।
সুধা- অমৃত।
সুপ্ৰভাত- দিনৰ শুভাৰম্ভ।
সুবিনীত- অতি ভদ্ৰ; অতি নম্ৰ।
সম্পজিল- ওপজিল; জন্মিল।
সুম্পিয়ো- সঁপিদি; সমৰ্পণ কৰি।
সুৰভি- সুবাস; সুগন্ধ; কামধেনু।
সূচী/সূচি- বেজি।
সেৰুৱা- স্ত্ৰৈণ; তিৰোতাৰ বশ।
সোন্তৰ- সোঁত; স্ৰোত।
সৌকৰ্য্য- সহজে কৰিবপৰা গুণ; সুসধতা।
সৌহৃদ্য- বন্ধুতা; মিত্ৰতা; প্ৰণয়।
সৈৰিন্ধ্ৰী- লোকৰ ঘৰত তিৰোতাৰ কাপোৰ আদি পিন্ধোৱা কামত নিযুক্ত তিৰোতা।
স্বচ্ছ- নিৰ্ম্মল, পবিত্ৰ।
হলফল- লৰি থক অৱস্থা; কম্পন।
হবিষ্য- ঘিঁউ আৰু নিৰামুহীয়া সিদ্ধ ভাত ভোজন কৰা কাৰ্য্য।
হাঙ্কাৰি- যিকোনো প্ৰকাৰে আনা।
হাপাস- তাপ; উষ্ণতা।
হামলা- দুই বাহু মেলি আগবাঢ়ি গৈ আকোঁৱালি ধৰিব খোজা।
হাম্ফুলিল- জঁপিয়াই জঁপিয়াই আগবঢ়া; ডেও দি দি।
হাম্ফি- নিৰ্ভিকভাৱে; বুকু ডাঠকৈ।
হিম- বৰফ; কুঁৱলি; নিয়ৰ।
হুড়- ভাগৰ; একেটা কামকে ঘনাই ঘনাই কৰি হাইৰাণ হ।
হৃদয়ত- বক্ষস্থলত; বুকুত।
হেন্দোলা হেন্দোলি- দলদুপীয়া; ওলমি লৰি থকা।
হ্ৰেষণি- ঘোঁৰাৰ চিঞৰঁ; হেহনি।
হেঠ মাঠ- তলমূৰ কৰা; শিৰ নত কৰা।
হেম্পচয়- হেচোমাৰি বলেৰে ভৰি দি; চেপা মাৰি।
হেলিলো- অৱহেলা কৰিলো; অনাদৰ কৰিলো।
ক্ষৌণী- ক্ষৌম; পাট; পাটৰ তৈয়াৰী বস্ত্ৰ; পৃথিৱী।

## দশম স্কন্ধ (মাজ ভাগ)

অণ্ডযুগ- অণ্ডকোষ; পুৰুষ বীৰ্য্যৰ উৎপাদক গুটি।
অল্পায়ু- অলপ দিন জীয়াই থকা।



অষ্টাঙ্গ প্ৰণাম- শৰীৰৰ আঠ অঙ্গ- দুই হাত, দুই ভৰি, দুই আঠু, বুকু আৰু কপালৰে মাটি চুই কৰা সেৱা।
অষ্টাঙ্গ যোগ- যম; নিয়ম; আসন; প্ৰাণায়াম; প্ৰত্যাহাৰ; ধ্যান; ধাৰণা; সমাধি।
অজিত- কোনেও জয় কৰিব নোৱাৰা।
অজীনাশ- অজীণ পাতকী; কাৰো লগত মিলিব নোৱাৰা মানুহ।
অধিক্ষেপ- বৰ শোক লগা; মৰ্মান্তিক; দাৰুণ।
অধিৰাজ- বহুৰজাৰ ওপৰত ৰজা; অধীশ্বৰ।
অবিদিত- অজ্ঞান; নজনা।
অবিলম্বে- বিলম্ব নকৰি; সোনকালে।
অবিশ্ৰাম- একেৰাহে; অবিৰত; যাৰ জিৰণি নাই।
অভাগি- দুৰ্কপলীয়া; ভাগ্য নথকা।
অবিচাৰ- অনিষ্ট কাৰণ; হিংসা।
অভিৰাম- শুৱনী; বিতোপন; সুন্দৰ।
অৰিগণে- শত্ৰুবিলাকে।
অদীৰ্ঘদৰশী- অদূৰদৰ্শী; অজ্ঞানী।
অঙ্গীকাৰ- প্ৰতিজ্ঞা; স্বীকাৰ; সন্মতি।
অনুপাম- নিৰুপম; যাৰ তুলনা নাই।
অৰুবশৰীৰ- অসত্য দেহ; অথিৰ শৰীৰ।
অন্তগত- অদৃশ্য হৈছে; যি মাৰ গৈছে।
অষ্টবসু- আপ; ধ্ৰুব; সোম; অনিল; অনল; ধৰ; প্ৰত্যুষ; প্ৰভৱ।
অষ্টমহিষী- ৰুক্মিণী; জাম্বৱতী; সত্যভামা; কালিন্দী; মিত্ৰবিন্দা; সত্যা; ভদ্ৰা আৰু লক্ষণা।
অব্যাহতি- নিস্তাৰ; ৰক্ষা।
অব্যৱহিত- লগালগি; মাজত ব্যৱধান নথকা; যুক্ত হৈ।
অহম্মম- মই বৰ ভাৱ; অহঙ্কাৰী স্বভাৱ।
আঙ্গনি- আঙঠা; জুই থকা এঙাৰ।
আচমনি- শুচি হবৰ উদ্দেশ্যে হাতৰ তলুৱাত পানী লৈ তিনিবাৰ মুখত দি নাক, কাণ, চকু আদি ছোৱা কাৰ্য্য।
আৰক- কোনো বস্তুৰ বিশুদ্ধ ৰস।
আণ্টাইল- গৈ পালে; ঢুকি পালে।
আনোঅস্ত্ৰে- অস্ত্ৰ অবিহনে।
আবাস- থকা ঠাই; বাসস্থান; গৃহ; ঘৰ।
আঙ্গিনা- চোতাল।
আগুল- আগবাঢ়ি গৈ।
আৰ্দ্ৰ- তিতা; সেমেকা; সেউজ; ৰসাল।
আঢ্য- ধনী; সমৃদ্ধিশালী।
ইষ্ট- বান্ধৱ; বন্ধু; হিতকাৰী লোক।
ইজাৰ- ঢিলা ঠেঙা; পায়জামা।
ইন্দ্ৰনীল- নীলকান্ত মণি।
উকটি- বাঁতি আহিবৰ উপক্ৰম।
উপস্থ- জননেন্দ্ৰিয়
উপাসিলে- উপাসনা কৰিলে।
উক্ৰা- জুই লগাই বা আঙঠা ভৰাই আনিবৰ কাৰণে বান্ধি লোৱা খেৰৰ জুমুঠি।
ঋক্ষ- নক্ষত্ৰ।
ঋক্ষপতি- জাম্বৱন্ত ভালুক।
ঋত্বিজ- যজ্ঞকাৰী পুৰোহিত; হোতা।
একক্ৰোশ- ৮০০০ হাত দূৰত্ব; দুই মাইলৰ অলপ বেছি।
একজৰী- একগোট; ঐক্য।
ওপঙ্গয়- ভাহি উঠে।
ওমলে- ধেমালি কৰে; ৰং তামাচা কৰে।
ওৱাৰি- হাউলি; অট্টালিকা।
কটক- সন্য-বাহিনী।
কটাক্ষ- পোনে পোনে নেচাই বেঁকাকৈ চোৱা; চাৱন; কোপ-দৃষ্টি; তুচ্ছ-জ্ঞান।

কণ্ডুতি/কণ্ডূ- খজুৱতি।
কণ্ডণী- ঢেঁকী।
কতপ- দৃঢ়কৈ কোৱা কথা; আদেশ বা উপদেশ।
কদন- বধ বা বিনাশ।
কনয়া- কনক; সোণ।
কৰ্ম্মুক- কাড়; শৰ; বাণ; এবিধ অস্ত্ৰ।
কৰ্ম্মজৰী- মায়াৰ বন্ধন; কৰ্মফলৰ প্ৰতি আসক্তিৰ ফলস্বৰূপে সংসাৰত বাৰে বাৰে জন্ম লৈ বন্ধন স্বীকাৰ কৰিবলগীয়া অৱস্থা।
কলঙ্ক- অপযশ; অপবাদ; চেক; দাগ; দুৰ্ণাম।
কল্যাণী- ভাগ্যৱতী; সুখত থকা।
কলসী- কলহ; কুম্ভ।
কলত্ৰ- ভাৰ্য্যা; তিৰোতা।
কাঙ্কয়াই- ফণীৰে মূৰ আছোৰা।
কাছপাৰ- সাজি-কাচি; সাজি-পাৰি; সজ্জিত হৈ।
কাজি- মুচলমান বিচাৰক; আধা খুণ্ডা; চাউল সিজাই কিছুদিন থৈ তাৰ পৰা প্ৰস্তুত কৰা পানীয়।
কাণাকাণি- ফুচফুচাই কোৱা।
কাঞ্চন- সোণ; এবিধ ফুল।
কান্ত- স্বামী; পতি।
কামিনী- তিৰোতা; ৰমণী।
কিঙ্কিণী- ঘুণ্ডৰাৰ সৰু সৰু ঘণ্টাৰ মালা।
কিটাইলেক- অস্ত্ৰ শস্ত্ৰ ধৰি ক্ৰোধ কৰি খেদি যোৱা।
কিলকিল- অলপীয়া পানী; অসমান ঠাইত বেগাই বৈ যাওতে হোৱাৰ নিচিনা শব্দ।
কীট- কৃমি; পোক; কীটানু।
কীৰ্ত্তি- যশ; খ্যাতি।
কুক্কুট- কুকুৰা চৰাই।
কুণ্ড- গাত; তীৰ্থৰ জলাশয়।
কুণ্ডল- এবিধ কাণত পিন্ধা অলঙ্কাৰ; কঁৰিয়া।
কুনি- কোনে।
কুন্দৰুখ (কুদ্ৰাক্ষ)- পোহৰ আৰু বতাহ সোমাবৰ নিমিত্তে বেৰাত দিয়া বিন্ধা; সৰু খিৰিকি।
কুম্ভজল- কলহৰ পানী।
কুৰ্ম্মূৰা- তাঁত বাটি কঁৰোতে ব্যৱহাৰ কৰা মূৰ জোঙা খুটি।
কুৰুকুলাধম- কুৰু বংশৰ নীচ; দুৰ্যোধন।
কুড়- গাত ঘঁহা তেল আদি।
কুষ্মাণ্ড- কোমোৰা।
কুহক- ভেলকি; মায়া; ইন্দ্ৰজাল, ছল; প্ৰতৰণা।
কূল- নদী বা সাগৰৰ পাৰ।
কৃকলাশ- তেজপীয়া; জেঠী; নিহাকা।
কৃতাঞ্জলি- যি হাত যোৰ কৰিছে।
কৃত্যাবহ্নি- অগ্নিকুণ্ডৰ পৰা সৃষ্টি হোৱা এক চণ্ডৰূপ অগ্নি।
কৃষণ- কৃষ্ণ।
কেশৰী- সিংহ; পাৰিন্দ্ৰ।
কোটৰ- গছৰ খোৰোং; খাল বা গাঁত।
খণ্ডন- কটা বা ছেদন কৰা কাৰ্য্য; যুক্তিৰে মিছা কৰা কাৰ্য্য।
খঞ্জৰী- এবিধ সৰু চৰাই; বালিমাহী।
খৰ্জ্জুৰ- খেজুৰ ফল।
খৰ- গাধ; শীঘ্ৰ; দদ্ৰু; অনাবৃষ্টি; বেগী।
খল- টুটকীয়া; কপটীয়া।
খলক- পানীৰ ঢৌৰ শব্দৰ নিচিনা শব্দ; কোলাহল।
খিলিস্কাৰ- দুৰ্ণাম; দুৰ্যশ।
খুড়ি- চাপৰ খুৰা লগোৱা সৰু বাটি।
খুৰী- মজলীয়া আকাৰৰ খুৰা নাইকিয়া বাটি।



খেৰ- ঘৰ ছোৱালৈ ব্যৱহাৰ কৰা উলুবন।
গজমদজল- হাতীৰ হিমেজুৰে ওলোৱা জল।
গঞ্জভৰি- অতি আনন্দৰে আগবাঢ়ি অহা; খৰ খোজেৰে।
গণ্ড- গড়ঁ।
গন্ধৰ্ব্ব বিবাহ- মাক বাপেকৰ অনুমতি নোহোৱাকৈ সকামা নাৰী পুৰুষৰ অনুৰাগ বশতঃ মিলন বিবাহ।
গৰিহা- গৰিহণা; শাও।
গৰ্ব্ব- অহংকাৰ; গপ।
গৱয়- গলধন নথকা গৰুৰ দৰে দেখা এবিধ পশু।
গৱাক্ষ- ঘূৰণীয়া খিৰিকী।
গহৰি- বিলম্ব, পলম।
গিৰিব্ৰজ- গোবৰ্দ্ধন পৰ্ব্বত।
গুণ্ডিক- ময়দা; গুড়ি; চূৰ্ণ।
গুণ্ডিগুটি- আধা খুন্দা ভাজি।
গুপুত- গোপনীয় গুপ্ত।
গুল্‌গুলি- গা-পোৰণি; গপ্‌গপনি।
গৃহেশ্বৰী- পতিব্ৰতা নাৰী।
গোময়- গোবৰ; গৰুৰ মল।
গৌৰাঙ্গ- গৌৰ বৰ্ণৰ; শ্ৰীচৈতন্যদেৱৰ এটা নাম।
ঘঞ্চাল- ঘন যাতায়াত; অধিকাৰ; সমাগম।
ঘৰ্ম্মজল- ঘাম তাপৰ নিমিত্তে গাৰ পৰা ওলোৱা ৰস।
ঘৰিণী- ভাৰ্য্যা; নাৰী।
ঘাৱ- আঘাতৰ চিন; ক্ষত।
ঘেণিয়োক- অধমত্ত বোধকৰি।
চঙ্কা- ভয়; চকখোৱা।
চটি- বাধাহীন; গপ; গৰ্ব্ব; অভিমান।
চতঃষষ্ঠী- ৬৪; তিনিকুৰি চাৰি।
চতুৰঙ্গ- হাতী; ঘোঁৰা; ৰথ আৰু পদাতিক এই চাৰিবিধ থকা সন্য দল।
চপকৰে- তৎক্ষণাত।
চপটি- উপহাস কৰা কাৰ্য্য।
চম্মুৰণ- সন্মুখ ৰণ।
চম্ফল- চফল।
চাটুকাৰ- লাভৰ আশাত লোকৰ মনত সন্তোষ লগা কথা কোৱা মানুহ।
চাব্‌দি- হাতেৰে থাপ মাৰি।
চিত্ৰমৃগচৰ্ম্ম- ফুটুকী হৰিণাৰ ছাল।
চিৰঞ্জীৱ- অমৰ; সদায় জীয়াই থকা; দীৰ্ঘজীৱী।
চিহ্ন- চিন।
চিড়াল- ফাল মেলা।
চিৰল- মাজে মাজে নকটাকৈ ৰখা চুলি; চীৰ্ণ খণ্ড।
চুল্লী- চৌকা।
চেড়- দাস; আনতকৈ নীচ; নিকৃষ্ট।
চোটতে- শিশু অৱস্থাতে; সৰুতে।
চৌখুৰি- চাৰিটা খুৰা।
চৌণ্ডা- পতাকা; চিহ্ন-চিন।
চৌপন্থা- আবৰ্জ্জনা পেলোৱা পাত্ৰ; মুখ ধোৱা পাত্ৰ।
ছটা- দাগ চিহ্ন।
ছত্ৰ- ছাটি।
ছানিল- ঢাকি ধৰিলে।
ছুটি- চেঁকুৰ; ঢাপলি।
জঙ্কা- ডাঙৰ ধাতুৰ পাত্ৰ।
জৰা- বুঢ়া বয়স; বাৰ্দ্ধক্য।
জ্বৰ- শৰীৰত পীড়া কৰা (বাণ)
জলদূষি- গৰ্ভৱতী হোৱা।
জামাতৃ- জোঁৱাই।
জাৰি/ঝাৰি- পেটত নলি থকা এবিধ লোটা।

জীৱেন্দ্ৰ- জীয়া জন্তু সদৃশ।
জোঙেক- জোং এপাট।
জৃম্ভণ- হামি কাৰি দুৰ্ব্বল হোৱা।
ঝমক/জমক- জঁক; অকস্মাৎ উঠা খং।
ঝাকিল- ঝক্ ঝকাই উঠা।
টঙ্কাৰ- ধেনুৰ গুণ টানি এৰি দিলে হোৱা শব্দ।
টিকৰ- অভিলাষিত; প্ৰাণৰ।
টিকৰ স্বামী- অভিলাষিত স্বামী; প্ৰাণৰ স্বামী; আত্মাৰ স্বামী।
টোকাৰী- আঙুলিৰে টুকুৰীয়াই বজোৱা এডলীয়া গুণাৰে এবিধ বাদ্য।
ঠেকাইলো- ঢোক দিলো।
ঠেস- ৰোহ পাত; জেউৰ।
ডকাই- আগলৈ খেদা; চলা।
ডাকিনী- ডাইনী; এবিধ ভূতুনী।
ডাঙ্কাৰী- তৰ্জন গৰ্জন কৰি আক্ৰমন কৰিবলৈ আগবঢ়া।
ডাটি- ডাঠকৈ; দৃঢ়ৰূপে।
ডাৱৰ- ভৰি ধুওৱাৰ বাবে ব্যৱহৃত এবিধ চৰিয়া।
ঢলোপলো- থৰক বৰক; কাতি হোৱা।
ঢাক- আচ্ছাদন কৰ্।
ঢোল- ডিঙিত ওলমাই বজোৱা এবিধ বাদ্য-যন্ত্ৰ।
তঙ্কিবা- ভয় কৰিবা; আতঙ্কিত হবা; খং কৰিবা।
তট- কূল; নৈৰ দাঁতি।
তনয়- পুত্ৰ।
তন্ত্ৰী- বাদ্য যন্ত্ৰৰ গুণ বা তাৰ।
তন্তুপাশে- সূতাৰ জৰীৰে।
তহিতি- সেই ঠাইত।
তন্মাত্ৰ- পঞ্চভূতৰ পাচোঁটা সূক্ষ্ম গুণ- ৰূপ; ৰস; গন্ধ; শব্দ; স্পৰ্শ।
তাম্ৰশলা- তামৰ কাঠি।
তাড়িল- প্ৰহাৰ কৰি; শাসন কৰিল।
ত্ৰিপট- একেডাল ঠাৰিৰ পৰা ওলোৱা তিনিটা পাত; বেলপাত।
ত্ৰিবক্ৰা- ত্ৰিভঙ্গ; শৰীৰৰ তিনি ঠাইত ভাঁজ থকা।
তুষিলা- সন্তুষ্ট কৰিলা।
তৃণ- টোণ; কাঁড়ৰ চুঙা।
তোলানবস্তু- কৃষ্ণলৈ আগকৰি থোৱা বিবিধ আপ্যায়ন।
থাস- তৎক্ষণাৎ পৰি যোৱা।
দণ্ড- লাঠি; শাস্তি; ষাঠি পল।
দৰ্পিষ্ঠ- অহংকাৰী।
দৰশিল- দেখুৱালে।
দশদিগপাল-ইন্দ্ৰ; অগ্নি; যম; নিঋৃতি; বৰুণ; বায়ু; কুবেৰ; ঈশান; ব্ৰহ্মা; অনন্ত।
দাপ- শাসন; ভয় প্ৰদৰ্শন।
দিগ্‌গজ- আঠ দিশ ৰক্ষা কৰা আঠোটা হাতী।
দুৰ্ব্বাচ্য- দুৰ্বাক্য; গালি; তিৰস্কাৰ।
দুৰ্ব্বাদল- ডাঙৰ; প্ৰবল; তয়াময়া।
দুৰ্ব্বিনীত- অশিষ্ট; হুটা; গোৱাৰ।
দুৰ্ব্বোধ- দুৰ্জ্জেয়; যাক বুজি পোৱা টান।
দুৰ্ম্মুখ- কটুভাষী; গালি পাৰা।
দুলড়ী- পুৰণি অসমীয়া ছন্দ বিশেষ।
দূৰ্ব্বাক্ষত- নিঘুণ দুবৰি বন।
দোধো- দুই।
ধসমসি- হুৰমুৰ কৰি।
ধীৰ- জ্ঞানী; বিজ্ঞ; গম্ভীৰ; শান্ত।
নখক্ষত- নখৰ আচোৰ।
নটী- নাচনী; বেশ্যা।



নন্দিনী- জীয়াৰী; পুত্ৰী।
নলপে- নবকে; নকয়।
নৱগ্ৰহ- সূৰ্য্য; চন্দ্ৰ; মঙ্গল; বুধ; বৃহস্পতি; শুক্ৰ; শনি; ৰাহু; কেতু।
নশি- নাইকিয়া হোৱা; নাশ হোৱা।
নাগ্নজিতী- নগ্নজিৎ ৰজাৰ জীয়াৰী।
নিখিল- গোটেই; সমুদায়।
নিৰ্ব্বিষ- বিষহীন।
নিমখিতী- বৰ দুখীয়া; পুতৌৰ পাত্ৰ; নিৰীহ।
নিৰঙ্কুশ- অনিবাৰ্য্য; বাধাহীন।
নিৰঞ্জনপুৰ- নিৰ্ম্মল স্থান; পৰমেশ্বৰৰ আৱাস স্থান।
নিশঠ- বলৰামৰ পুত্ৰৰ নাম।
নিষ্কিঞ্চন- নিঃকিন; দাসৰোদাস।
নিহালি- চাই চাই; অনুসৰণ কৰি; দৃষ্টি কৰি।
পটুত- পাৰ্গত; নিপুণ।
পট্টচাতু- ছলাহী স্বভাৱ।
পট্টবস্ত্ৰ- পাট-কাপোৰ।
পঞ্চমহাপাতক-ব্ৰাহ্মণ বধ; সুৰাপান; বিপ্ৰৰ সুবৰ্ণ হৰণ; গুৰুপত্নী হৰণ আৰু এই চাৰিৰ সংসৰ্গ।
পঞ্চযজ্ঞ- ব্ৰহ্ম যজ্ঞ বা বেদপাঠ; পিতৃ যজ্ঞ বা পিতৃপুৰুষৰ তৰ্পণ; দেৱযজ্ঞ বা হোম; নৃযজ্ঞ বা অতিথি সেৱা; ভূত যজ্ঞ বা ভূত বলি (প্ৰাণীদয়া)।
পৰব্ৰহ্ম- পৰমেশ্বৰ।
পৰিকৰ্ত্তা- ডাঙৰ ককায়েক অবিবাহিত থকাত সৰু ভায়েকৰ বিয়া পতা পুৰোহিত।
পৰিতোষ- সন্তোষ; আনন্দ।
পৰোক্ষে- চকুৰে নেদেখা অৱস্থা; অসাক্ষাত।
পৰ্জন্য- ইন্দ্ৰ; জলবৰ্ষী মেঘ।
পৰ্য্যটি- ঘূৰি ফুৰি।
পয়স্বিনী- বেছিকৈ গাখীৰ দিয়া গাই।
পংক্তি- শাৰী; লানি; শ্ৰেণী।
পাপকক্ষা- পাপৰ আখেজ; প্ৰতিজ্ঞা; জেদ।
পাপিষ্ঠ- পাপী; অধৰ্মী।
পালঙ্কত বসি- এবিধ ধুনীয়া শোৱা খাটত বহি।
পাশ- ওচৰ; সমীপ; জৰি; লেজু; ফাল; দিশ।
পাৰ্শ্ব- কাষ; গাৰ দাঁতি।
পিতামহ- ককাদেউতা; বাপেকৰ দেউতা।
পিনাক- শিৱৰ ধনু; শিৱৰ ত্ৰিশূল।
পুত্তলিকা- পুতলা।
পুষ্কৰিণী- পুখুৰী; সৰোবৰ।
পৃষ্ঠি- পিঠি; দেহৰ পিছফাল।
পৃথু- বেণ ৰজাৰ পুতেক; বহল।
পেষণী- পটা।
পেসা- পিতৃৰ ভনীৰ স্বামী।
প্ৰকটস- সুস্পষ্ট; দৃশ্য।
প্ৰগলভ- নিৰ্ভীক; নিঃসংকোচে কথা কয়।
প্ৰজ্ঞা- বিচাৰ বুদ্ধি।
প্ৰণতি- মিনতি; স্তুতি।
প্ৰভাৱ- প্ৰতাপ; বিক্ৰম; শক্তি।
প্ৰক্ষালন- ধোৱা পখলা কাৰ্য্য; ধুই নিকা কৰা কাৰ্য্য।
প্ৰাণায়াম- প্ৰাণবায়ুৰ ৰোধ সংযম; যোগ সাধনা বিশেষ।
প্ৰতিগ্ৰাহী- লোকে দিয়া বস্তু গ্ৰহণ কৰোতা।
প্ৰত্যোকে- প্ৰত্যক্ষে; এজন এজন কৰি সকলোৱে।

প্ৰৌঢ়ি- প্ৰতিভা; প্ৰভাৱ; তেজস্বী কথা।
ফাল্গুণী- অৰ্জ্জুন; সব্যসাচী।
ফুঙ্কিতে- ফেকুৰি (কান্দা); উচুপি উচুপি (কান্দা)।
বনস্পতি- ফুল নধৰাকৈয়ে গুটি লগা গছ; বড়গছ; অশ্বত্থ; ডিমৰু গছ; আঁহত।
বন্দ্য- সেৱা বা পূজাৰ যোগ্য।
বৰলা- বিয়া নকৰা মানুহ; তিৰি মৰা মানুহ; বিপত্নীক।
বৰ্ব্বৰ- অসভ্য; দুষ্ট; নীচ; মূৰ্খ।
বলাধিক- বাহুবলী; অধিক বলবান।
বল্লভা- স্বামী; বন্ধু; প্ৰিয়লোক।
ব্ৰহ্মবিদ্যা- ব্ৰহ্ম তত্ত্ব; উপনিষদ।
ব্ৰহ্মবন্ধু- অধম ব্ৰাহ্মণ।
দ্বিজবন্ধু- বেদ অধ্যয়ন নকৰা ব্ৰাহ্মণ।
ব্ৰহ্মস্ব- ব্ৰাহ্মণৰ বস্তু বা ধন।
বাজু- কেয়ূৰ; বাহুত বিন্ধা এবিধ অলংকাৰ।
বাৰুণী- এবিধ ফটিকা; সুৰা।
বাৰুগণ- ঢাল লৈ যুঁজা ৰণুৱা।
বাহুডাম্বি- হাত ওপৰলৈ তুলি; হাত জোকাৰি।
বাসৰ- ঘৰ; থকা ঠাই; বাহৰ।
ব্যাধি- ৰোগ; বেমাৰ।
বিতস্থি- সপ্ত ধাতুৰে গঢ়া শৰীৰ।
বিদাৰে- ফালি পেলায়; বিদীৰ্ণ কৰে; ছিৰি পেলাই।
বিপুল- ডাঙৰ; প্ৰশস্ত; বিস্তৰ; অতিশয়।
বিবৰ- গৰ্ত্ত; গাত।
বিভূতি- ধন সম্পত্তি; ঐশ্বৰ্য্য।
বিভূষিত- অলকৃত।
বিৰথী- ৰথ-বিহীন।
বিৰাম- জিৰণি; কামৰ পৰা বিশ্ৰাম।
বিলক্ষণ- বেয়া লক্ষণ; অসামান্য।

বিষ্ণুৰাত- পৰীক্ষিত।
বিয়াকুল- অতিশয় আকুল; অস্থিৰ; উৎকণ্ঠাযুক্ত।
বেতাল- তাল ভঙ্গ; মৃত দেহক আশ্ৰয় কৰি থকা প্ৰেত।
বৈদূৰ্য্য- এবিধ কলা বাখৰ; নীলকান্ত মণি।
ভক্ষ্য- খাবৰ যোগ্য।
ভৎৰ্সন্ত- ভৰ্ৎনা; তিৰস্কাৰ; নিন্দা।
ভিতি - ফালে বা দিশে।
ভূষিত- অলংকৃত; শোভিত।
ভূপাল- ৰজা; নৃপতি।
ভেণ্টিল- আগভেটি ধৰা; বাধা দিয়া; আগুৱা।
ভোজ্য- খাবৰ উপযোগী।
মন্দভাগী- দুৰ্কপলীয়া।
মণ্ডিত- অলংকৃত; বিভূষিত।
মদনৰ জ্বাল- কাম পীড়া; বিৰহৰ দুখ।
মৰ্দ্দিয়া- পিহি; মোহাৰি; নাশ কৰি।
মদিৰা- মদ; সুৰা।
মন্দাকিনী- স্বৰ্গৰ গঙ্গা।
মধুপৰ্ক- দধি; ঘৃত; মধু; চেনী বা গুড় আৰু শুদ্ধ কৰা জল।
মহাধনী- সদাগৰ; বণিক।
মহাবিদ্যা- ভগৱতীৰ এক ৰূপ।
মহামায়া- দুৰ্গা; ভদ্ৰা।
মহিষ- ম'হ।
মষিমূৰ- ধ্বংস; খণ্ড-বিখণ্ড; চূৰ্ণকৃত।
মহেন্দ্ৰ- ইন্দ্ৰ; বাসৱ।
মৰ্ম্মস্থান- লিঙ্গমুখ; য'ত আঘাত কৰিলে মৃত্যু হ'ব পাৰে তেনে স্থান; শৰীৰৰ অতি সুকোমল ভাগ।
মশ- মহ।



মাৰ্জ্জনী- বাঢ়নী।
মীমাংসা- সিদ্ধান্ত; কোনো বিষয়ৰ নিষ্পত্তি।
মুণ্ডিলেক- মূৰৰ চুলি খুৰাই দিলে।
মুদ মেলি- জপা চকু মেলি।
মুদ- ভাঁজ; বন্ধন; সাঁফৰ।
মুক্তি লোক- সদগতি পোৱা লোক।
মুৰুজ- এবিধ বাদ্য বিশেষ।
মূষল- এবিধ নাঙলৰ আকৃতিৰ অস্ত্ৰ।
মোদক- শক্তিবৰ্দ্ধক আয়ুৰ্বেদিক ঔষধ বিশেষ।
মোহন- মুগ্ধ কৰা কাৰ্য্য; বিবুদ্ধিকৰণ।
যজ্ঞসূত্ৰ- উপবীত; লগুণ।
যমকাল- সৰ্ব্বনাশী শক্তি; ডাঙৰ শত্ৰু।
যমজ- যঁজা সন্তান।
যাতুধান- ৰাক্ষস; দৈত্য; দানৱ।
যোগিনী- দুৰ্গাদেৱীৰ সহচাৰী; যোগ-সাধিকা।
যোজন- ৮ মাইল দূৰত্ব।
যৌতুক- বিয়াৰ কন্যাক দিয়া ধন-বস্তু।
ৰজস্বলা- ঋতুমতী হোৱা; মাহেকীয়া স্ৰাৱ হোৱা; ছুব নোৱাৰা হোৱা।
ৰটয়- নিন্দা কৰি ফুৰে; অপপ্ৰচাৰ কৰে।
ৰটে- কৈ ফুৰে; প্ৰকাশ কৰে।
ৰতিকান্ত- কামদেৱ; কামাতুৰ।
ৰম্য- সুন্দৰ; মনোহৰ।
ৰাতুল- ৰক্ত; ৰঙা।
ৰাক্ষস বিবাহ- যুদ্ধ কৰি বল পূৰ্বক কন্যা হৰণ কৰি কৰা বিবাহ।
ৰুষ্ট- ক্ৰুদ্ধ; অসন্তুষ্ট।
ৰেতস- বীৰ্য্য; বিন্দু।
ৰোচন- যি ৰুচি জন্মায়; উজ্বল কৰা; ৰুচিকৰ।
ৰোসন- ৰুচিকৰ।

ৰৌপ্য- ৰূপ; ৰজত; এবিধ ধাতু।
লঘুজনে- নীচলোকে; ইতৰলোকে।
লঠাপিঠা- লঠৰামুৰা।
লপন্তে- কথাকৈ থাকোতে; বক্কী থাকোতে।
লপস- সংলাপ কৰ; কথা পাত; নাম ধৰি মাত।
লম্বা- দীঘল; দীৰ্ঘ।
ললিত- মনোহৰ; সুন্দৰ; সুকোমল।
লক্ষিল- দেখিলা; চকুৰে মনিল।
লাঙ্গট- উলঙ্গ; নগ্ন।
লুবুধ- লুভীয়া।
লোই- চকুৰপানী।
লোৰয়- কাটি গোটাই আন।
শচী- ইন্দ্ৰৰ ভাৰ্য্যা; স্বৰ্গৰ ৰাণী।
শনা- শানেৰে ঘঁহি চোকা কৰ।
শব্দব্ৰহ্ম- বেদসমূহ; শব্দময় আধ্যাত্মিক জ্ঞান।
শৰভ- উট।
শৰাসন- ধেনু।
শ্বশুৰ- শহুৰ; স্ত্ৰীৰ পিতা।
শাখা- ডাল; ঠালঠেঙুলি; শঙ্খৰ বালা।
শাখাসিন্দুৰ- সাৱধাই হাতত পিন্ধা খাৰু আৰু কপালত লোৱা তিলক বা ফোট।
শ্বান- কুকুৰ; সাৰমেয়।
শাশ্বত- চিৰদিনীয়া; স্থায়ী; যাউতীযুগীয়া।
শ্যালা- পত্নীৰ ভাই; খুলশালী।
শৃঙ্গাৰ- ৰতি ক্ৰিয়া; সম্ভোগ; সহবাস।
শ্বেতবাহন- চাৰিটা বগা ঘোঁৰাৰ ৰথ।
শ্বেতসৰিষপ- বগা সৰিয়হ বা বেহাৰ।
শোভন- সুন্দৰ; চকুত লগা।
ষণ্ড- ষাড়; ঋষভ।

ষড়ানন- কাৰ্ত্তিক; স্কন্দ; তাৰকাজিৎ।
সদৃশ- একে; সমতুল্য; সমকক্ষ।
সন্নিহিত- যিটো ওচৰত থাকে; নিকটবৰ্ত্তী।
সন্ধুকিয়া- লক্ষ্য কৰি; স্থিৰ দৃষ্টি কৰি।
সন্ধুক্ষণ- মূৰ্চ্ছাৰ পৰা জ্ঞান পোৱা অৱস্থা; সংজ্ঞা লাভ।
সনুধে- নিৰ্ভীকভাৱে।
সৰ্ব্বদ্ৰষ্টা- সকলো দেখোতা।
সমিধান- সঁহাৰি; মুখেৰে দিয়া উত্তৰ।
স্বস্থ- সুস্থ; নিৰোগী।
স্বল্প- অলপ; সামান্য।
স্বস্ত্যয়ন- অশুভ শান্তিৰ উদ্দেশ্যে কৰা মাঙ্গলিক অনুষ্ঠান বিশেষ।
সাম্ফল- সফল।
স্নাতক- উচ্চশিক্ষাৰ অন্তত উপাধি পাওঁতা।
সিকা- টঙ্কা- টকা-পইচা।
সিংহদ্বাৰ- প্ৰধান প্ৰবেশ পথ।
সুজান- জ্ঞানী; বুধিয়ক।
সুপক্কা- যিটো ভালকৈ সিদ্ধ হৈছে বা পকিছে।
সুৰত- প্ৰেমপূৰ্ণ; কামোদক; মৈথুন; কামকেলি।
সুৰতি- প্ৰেম; সম্ভোগ; ৰতিক্ৰিয়া; কামভাৱ।
সুলক্ষণী- সৰ্ব্বগুণাকাৰী স্ত্ৰী।
স্যমন্তক- সত্ৰাজিতক সূৰ্য্যই দিয়া বহু গুণবিশিষ্ট মণি; এটা শ্ৰীকৃকৃষ্ণৰ মণি।
সৈৰিন্ধ্ৰী- লোকৰ ঘৰত শিল্প কৰ্ম্ম কৰি দি জীৱিকা নিৰ্ব্বাহ কৰা তিৰোতা।
স্বৈৰিণী- অসতী তিৰোতা; নিজ খুচিত চলা স্ত্ৰী।
হ'লপাণি- বলৰাম; হলায়ুধ।
হৱিভাগ- আহুতি ভাগ।

হৰিদ্ৰা- হালধি।
হৰিতকী- শিলিখা।
হাঙ্কাৰিয়া- আকৰ্ষণ কৰি।
হাতালোৰ- চোৰ স্বভাৱৰ।
হিয়া ফান্দি- বুকু ফুলাই।
হেমশৃঙ্গী- সোণৰে বন্ধোৱা শিং।
হেলি- অৱজ্ঞা; অৱহেলা; তাচ্ছিল্য।
ক্ষেপিলা- নিক্ষেপ কৰিলা।
ক্ষেত্ৰপাল- এজাতি উপদেৱতা।

## দশম স্কন্ধ (শেষছোৱা)

অঞ্জনা- এজনী বানৰী; হনুমন্তৰ মাক।
অনুজ্ঞা- অনুমতি; আদেশ।
অপৰিচ্ছিন্ন- অসীম।
অৱভৃথ স্নান- যজ্ঞৰ পাচত কৰা স্নান।
অৱজৰ- জিৰণি; বিশ্ৰাম।
অৱতাৰ- আকাৰ নথকা বস্তুৱে ধৰা কোনো এক পাৰ্থিৱ মূৰ্ত্তি।
অদ্বয়ক- অদ্বিতীয়।
অম্বৰ- কাপোৰ; আকাশ।
অষ্টমহাসিদ্ধি- অনিমা; লঘিমা; প্ৰাপ্তি; প্ৰাকাম্য; ঈশিত্ব; বশিত্ব; কামবসায়িতা।
অজিত- যাক কোনোৱে জয় কৰিব নোৱাৰে।
অবিকল- সম্পূৰ্ণ; অবিকৃত।
অবিলম্বে- সোনকালে; বিলম্ব নকৰি।
অনুশৌচ- অনুতাপ।
অযোনিজ- যাৰ যোনি জাত জন্ম নহয়।
অপ্ৰত্যয়- অবিশ্বাস; পতিয়ান নোযোৱা।
অপ্ৰমাদে- ভুল ভ্ৰান্তি নথকাকৈ; সতৰ্কতাৰে।
অলম্পত- অনাসক্ত।
আৰাৰ- চিয়ঁৰ; কোঢ়াল।



আদিত্য- সূৰ্য্য; দিনকৰ; ভাস্কৰ; মাৰ্ত্তণ্ড।
আক্ৰোশ- মনত ৰখা খং; অনিষ্ট কৰিবৰ ইচ্ছা।
উৰ্দ্ধৰেতা- পৰম জিতেন্দ্ৰিয় পুৰুষ।
উপস্কৰ- গৃহৰ বাবে আৱশ্যকীয় বিবিধ আচবাব বা উপকৰণ।
উপাধি- খিতাপ; বংশ পৰিচায়ক নাম; মায়া।
উত- তীব্ৰ; প্ৰবল; উগ্ৰ; চোকা।
ঋক্ষ- ভালুক।
একপিণ্ড- দুটা শৰীৰ এক হৈ যোৱা যেন।
কন্দুক- গোলাকাৰ ধেমালিৰ বস্তু; বল।
কৰ্ণধাৰ- কাণ্ডাৰী; গুৰিয়াল।
কৰ্ত্তঃকাত্ৰ- কাতৰ।
কপৰ্দ্দক- কড়ি; কড়িৰ সমান মূল্যৰ ধন।
কৰঙ্কিয়া- হাড়লৈকে মঙহ কাটি নাইকিয়া কৰা; শৰীৰৰ মাংস হীন কৰা।
কাছত- কাষত; ওচৰত; দাঁতিত।
কাত্ৰ- কাতৰ; কাকুতি; মিনতি।
কানিকণ্ঠা- সাজ-পোছাক।
কাৰুণিক- কৃপালু; দয়ালু।
কালি- চিয়াঁহী; মুখেৰে ফুঁৱাই বজোৱা এবিধ পিতলৰ বাদ্য।
কিঙ্কিণী- ঘুগুৰা।
কিল- কিলাকুটিৰে কৰা আঘাত; প্ৰহাৰ মাৰ।
কুচ- স্তন; পিয়াহ।
কু-যোনি- তিৰ্য্যক যোনি; নীচ যোনি।
কুৱাল- মস্তক।
কুৰুৰা- মাছখোৱা এবিধ ডাঙৰ চৰাই।
কুশাসন- কুশেৰে কৰা কঠ বা ঢাৰি।
কুহলিত- কুঁৱলী।
কৃতাত্মা- জিতেন্দ্ৰিয়; আত্ম-তত্বজ্ঞ; ধাৰ্মিক।
কোল- কোষ।

খগ- পক্ষী।
খন্তা- কঁহাৰে ব্যৱহাৰ কৰা বটালিৰ নিচিনা এবিধ লোৰ অস্ত্ৰ।
খৰিচা- বাঁহ-গাজৰ পৰা খুন্দি তৈয়াৰ কৰা এবিধ খাদ দ্ৰব্য।
খান্তা- খাওঁতা।
খিস- মুত; মূত্ৰ।
গৰল- বিষ; শিয়াল-কেটাহি।
গৰুৱা- গেৰুৱা।
গহ- অহঙ্কাৰ।
গোড়ো- সাধো।
গ্ৰাহ- মাইকী ঘৰিয়াল।
গুপুত- গুপ্ত; আবুৰত ৰখা; গোপনীয়।
গুৰি- লাথি; গোৰ।
ঘটস্ৰৱা- গাখীৰতী গৰু বা ম'হ।
ঘোকণ্ডা- টানি ৰুকি বাহিৰলৈ অনা সঁজুলি।
চকোৰ- জোনাকত উৰি ভাল পোৱা এবিধ চৰাই।
চক্ৰবাক- চাঁকৈ-চকোৱা।
চপয়- পৰস্পৰে মিল হোৱা চাৰি ফাঁকিৰ এবিধ ছন্দ।
চৰ্পত- টেঙাৰ ৰস বা চেনী মিহলোৱা চেঁচা পানী
চৰ্ব্বণ- চোবোৱা কাৰ্য্য।
চাপৰ- হাতৰ তলুৱাৰে গালত কৰা আঘাত।
চিত্ৰবচন- ভালৰি বোৱা কথা; আনন্দ মুখৰ কথা।
চিৰল- দাঁতিত বিচিত্ৰ দহি লগোৱা চেলা জৰী।
চোট- আঘাত; খুন্দা; ঠেলা।

সজল- পানীযুক্ত; পানী থকা।
সজিহাতে- সোঁহাতে; নিজহাতে।
সন্তৰ্পিয়া- তৃপ্তি দি।
সমসৰ- সদৃস; নিচিনা।
সম্বৎসৰ- পুৰা এবছৰ; সম্পূৰ্ণ বাৰ মাহ।
স্বচ্ছন্দে- নিৰ্বিঘ্নে; অবাধে।
সংযমনিপুৰী- যম নগৰ।
স্বাদিত-আস্বাদিত; যিটো চাকি চোৱা হৈছে।
সাংখ্য- কপিল কৃত দৰ্শন শাস্ত্ৰ।
সুগম- সহজে য'লৈ যাব পাৰি; সহজে যিটো পাব পাৰি।
সুৰ- দেৱতা।
সুষুম্না- দেহৰ ভিতৰত থকা তিনি নাড়ীৰ ভিতৰত শ্ৰেষ্ঠ নাড়ী।
সেহনি- ঘনাই আৰু কষ্টেৰে উশাহ-নিশাহ লোৱা।
স্বেচ্ছাচাৰী- নিজ ইচ্ছাৰে আচৰণ কৰোতা; স্বেচ্ছামূলক।
সোলঙ্গ- এবিধ টেঙা ফল।
সোহং- তেৱেঁই মই।
সৌৰত- ৰতি প্ৰিয়া।
সৌৰি- বসুদেৱ।
হতালোৰ- উদ্বাউল।
হৰিষে- হৰ্ষৰে; আনন্দৰে।
হাথী- হাতী; পেচকী; পেচিলঃ।
হংসতুলী- আৰামদায়ক বিছনা।
ক্ষেত্ৰ- ঠাই; পথাৰ; দেহ।
ক্ষেত্ৰজ্ঞ- জীৱাত্মা; দেহৰ বিষয়ে জনা লোক।

## একাদশ স্কন্ধ

অকণ্টক- শত্ৰুহীন; নিষ্কণ্টক; কাইট নথকা; ভয় নথকা।
অকলিল- বুদ্ধিভ্ৰষ্ট; মনস্তাপ।
অকুটিল- সৰল; অকপট।
অখণ্ডমণ্ডলপতি- ব্ৰহ্মাণ্ডৰ মালিক; ব্ৰহ্মা।
অগম্য গমন- নিষিদ্ধ স্ত্ৰী-সংসৰ্গ; বেশ্যা গমন; পৰ স্ত্ৰীত সহবাস।
অগ্ৰগণ্য- প্ৰথমে গণনাৰ যোগ্য।
অঙ্গন্যাস- পূজাৰ সময়ত বিধিমতে মন্ত্ৰৰে মূৰ; চুলি, বুকু, চকু আদি স্পৰ্শ কৰা কাৰ্য্য।
অঙ্গমালা- শৰীৰৰ বিভিন্ন অংগত পিন্ধা মালা।
অচিৰ- অলপ সময় থকা; ক্ষণস্থায়ী।
অৰ্চ্চিব- মান্য কৰিব; সেৱিব; পূজিব।
অজ্ঞ- মূৰ্খ; একো নজনা।
অতসী কুসুম- তিচী গছৰ ফুল।
অদম্য- যাক দমাব নোৱাৰি; যি নদমে।
অদ্যাপি- আজিলৈকে; আজিও।
অনন্ত- অন্তহীন; অশেষ।
অনাদি- যাৰ আদি নাই; আৰম্ভহীন।
অনিল- বায়ু; বতাহ।
অনিৰ্ব্বাৰ- যাক নিবাৰণ কৰিব নোৱৰি।
অনীশ্বৰ- ঈশ্বৰ নমনা; নাস্তিক।
অনুদিনে- প্ৰতিদিনে; দিনে দিনে; নিতৌ।
অনুক্ষণে- প্ৰতি মুহূৰ্ত্তে; ঘনে ঘনে।
অনুলেপন- গাত সুগন্ধি দ্ৰব্য ঘহন।
অন্তৰ্দ্বন্দ- মনৰ ভীষণ দুখ; শোক; তাপ।
অন্তৰ্দ্ধান- নেদেখা বা অদৃশ্য হোৱা।
অন্ত্যজ- নীচ জাতিত ওপজা।
অপত্য- সন্তান-সন্ততি; যাৰ দ্বাৰা বংশ ৰক্ষা হয়।
অপুণ্য- পাপী; পূণ্য নোহোৱা।
অব্যভিচাৰী- একনিষ্ঠ; আচাৰনিষ্ঠ; একশৰণ।
অভিনন্দা- এন্যক আনন্দ দিয়া।



অমদ্য- অভক্তি।
অমূৰ্ত্তক- মূৰ্ত্তিহীন; নিৰাকাৰ।
অলকা- কপালৰ আগৰ কেকোঁৰা চুলি।
অলৌকিক- অপাৰ্থিৱ; পৃথিৱীত নথকা।
অৱধি- সীমা; অন্ত।
অৱনত- চাপৰা; তলমুৰা।
অৱগৰ্ব্ব- অহঙ্কাৰ; গওপ; মদগৰ্ব্ব।
অশাশ্বত- অস্থায়ী; অলপ দিনীয়া।
অষ্টাদশ পুৰাণ- ওঠৰ (১৮) পুৰাণ। ব্ৰাহ্ম; পদ্ম, বিষ্ণু, শিৱ, নাৰদীয়, অগ্নি, মাৰ্কণ্ডেয়, লিঙ্গ, বৰাহ, স্কন্দ, বামন, ব্ৰহ্মাণ্ড, ব্ৰহ্মবৈৱৰ্ত্ত, মৎস্য, গৰুড়, কূৰ্ম, ভৱিষ্য, ভাগৱত পুৰাণ।
অস্ত- মাৰ যোৱা; বুৰা; অদৃশ্য হোৱা।
আকৰ্ণ- কাণৰ কাষলৈকে।
আঁকলি- গবা মাৰি ধৰা।
আঁকাল- দুৰ্ভিক্ষ; অভাৱ; মৰণ।
আকুল- কাতৰ; ব্যগ্ৰ; বিয়াকুল।
আক্ৰোশ- মনত ৰখা খং; অনিষ্ট কৰিবৰ ইচ্ছা।
আচৰে- নিয়ম পালন কৰে।
আচাৰ্য্য- শিক্ষাদাতা; বেদ শিকাওতা; ধৰ্মগুৰু।
আছাড়ি- থেকেচি মাৰি; বলৰে জোঁকাৰি কোব মাৰি।
আণ্টা- আহা।
আতি- অধিকৰূপে; বৰকৈ।
আত্যন্তিক- বৰবেছি; অতিৰিক্ত।
আত্মঘাতী- আপোন ঘাতী; আত্ম হত্যাকাৰী।
আন্বয়- সদৃশ।
আৰকত- ৰঙচুৱা।
আৰব্ধ- যিটো আৰম্ভ কৰা হৈছে।
আৰূঢ়- যি উঠিছে; আৰোহণ কৰিছে।
আৰ্ত্তৰাৱ- আতুৰ কণ্ঠৰ চিঞঁৰ; দুখৰ কান্দোন।
আৰ্ত্তনাদ- আটাহ; দুখ; শোক; ভয়ত চিঞঁৰ।
আসৰিশ- তুলনা নথকা; বৰ প্ৰবল।
আস্পদ- আধাৰ; স্থল; পাত্ৰ।
আস্ফাল- তৰ্জন-গৰ্জন; কোব; আঘাত।
আস্ফোট- মালে যুজিবৰ সময়ত বাহুত মৰা চাপৰ।
আড়ম্বৰ- জাকজমক; বিপুল আয়োজন; ফিতাহি।
আয়াস- চেষ্টা; শ্ৰম।
ঈষত- অলপ; সামান্য।
ঈৰ্ষা- খিয়াল; পৰশ্ৰীকাতৰতা; পৰৰ ভাল দেখিব নোৱাৰা।
উখসি- ওফন্দি উঠা; বেদনাত গাৰ মঙহ ওখ হৈ উঠা।
উচ্ছাদ- উচ্ছেদ।
উচ্ছিষ্ট খায়া- মুখ নিঃসৃত বাক্য শুনি; অৱশেষ ভক্ষণ।
উজ্জ্বণ্টি- ভৰিৰ অলঙ্কাৰ বিশেষ।
উটে- বুৰি যায়; পানীত ওপঙি যায়।
উদয়- প্ৰকাশ; জন্ম; আবিৰ্ভাৱ; সঞ্চাৰ।
উত্ৰাৱল-চঞ্চল; অস্থিৰ; উৎকণ্ঠিত।
উপস্কৰ- গৃহৰ বাবে প্ৰয়োজনীয় বিবিধ উপকৰণ।
উপালম্ভ- দুৰ্ব্বাক্য; অসন্মান; গালি; উপহাস।
উৎসুক- উৎসাহী; বেগ্ৰ; উৎকণ্ঠিত।
ঋত্বিজ- পুৰোহিত।

চোঞ্চ- মোট।
চৌব্বিশ তত্ত্ব- পঞ্চভূত- পৃথিৱী; আকাশ; পানী; বায়ু; জুই। পঞ্চকৰ্ম্মেন্দ্রিয়- বাক্; পাণি; পাদ; মলদ্বাৰ;মূত্ৰদ্বাৰ। পঞ্চজ্ঞানেন্দ্রিয়- চকু; কাণ; নাক; জিভা; ছাল। পঞ্চতন্মাত্র- ৰূপ; ৰস; গন্ধ; শব্দ; স্পৰ্শ, মন; বুদ্ধি; চিত্ত; অহঙ্কাৰ।
ছল- ঠগ; ফাকি; প্ৰতাৰণা।
ছিদ্র- বিন্ধা; জগৰ; দাই-দোষ।
জল্প- মিছা তৰ্ক।
জল্পিলা- মিছা তৰ্ক কৰিলা।
জাঙ্গ- আঁঠুৰ তলৰ ভাগ।
জ্যোৱতি- জ্যোতি; পোহৰ।
জ্যোৎস্না- জোনাক; চন্দ্ৰালোক।
টাটকীয়া- ভেলকী বিদ্যা জনা; প্ৰতাৰণা কৰা।
টুটা- কমহোৱা; ক্ষয় যোৱা।
ডাড়িম্ব- ডালিম।
ডিম্ব- অণ্ড; ডিমা; শূন্য।
ডিহাৰ- আঘাত।
ডেডাই- কষ্ট পাই চিয়ঁৰা।
তঙ্ক- তৎ; দৃষ্টি।
তৰ্কবাদ- তৰ্কা-তৰ্কি; বাদ-প্ৰতিবাদ; বাদানুবাদ।
তৰ্কশাস্ত্র- ন্যায় শাস্ত্র; তৰ্ক-বিদ্যা শিকোৱা পুথি।
টত- পাৰ; কূল।
তত্বমসি- উপনিষদৰ ব্ৰহ্মাতত্ব সম্পৰ্কীয় সূত্ৰ; তুমিয়ে সেই ব্ৰহ্ম।
তিনিঋণ- দেৱ; ঋষি আৰু পিতৃ ঋণ।
তিমিত বস্ত্ৰ- ভিজা বস্ত্ৰ; তিতা বস্ত্ৰ।

ত্রিদণ্ডী- কায়; মন; বাক্যক সম্পূৰ্ণৰূপে বশ কৰ সন্ন্যাসী।
ত্রিলিঙ্গ- পুংলিঙ্গ, স্ত্ৰীলিঙ্গ, ক্লীৱলিঙ্গ।
তুলী- বিছনাত পাৰিবলৈ তুলা ভৰাই লোৱা কাপোৰ।
দৰদৰি- লৰালৰিকৈ, শীঘ্ৰে।
দক্ষিণা- কোনো ধৰ্ম কাৰ্য্যৰ অন্তত সাধু, সন্ত আৰু ব্ৰাহ্মণক দিয়া দান।
দাণ্ডি- তুলাচনী বা পাল্লাৰ ডাঁৰ; ছাতিত লগোৱা লোৰ শলি।
দুৰ্দ্দম- দুৰ্দ্দান্ত; দুৰন্ত; দমন কৰিবলৈ টান।
দুৰিত- দুৰ্গতি; পাপ।
দেশান্তৰী- ৰাজ আদেশত অন্য দেশলৈ গৈ বাস কৰোঁতা।
নগ- পৰ্ব্বত; গিৰি।
নপুংসক- ক্লীৱ; পুৰুষ শক্তিহীন।
নিকালি- বাহিৰ কৰি দি; খেদাই দি।
নিৰঞ্জন- পৰমাত্মা; নিৰ্ম্মল।
নিৰ্দ্ধন- দুখীয়া; ধনহীন।
নিৰোধ- আটক কৰি ৰখা কাৰ্য্য।
নিলয়- ঘৰ; আশ্ৰয়।
নিশৱদ- নিস্তব্ধ; মাত নথকা; হাই উৰুমি নোহোৱা।
নিশ্চয়াত্মিকা- কৃত নিশ্চয়।
নিষ্কিঞ্চন- দুখীয়া; দৰিদ্ৰ।
নিসাৰ- অচেতন; সাৰ নথকা।
নিস্তাৰ- উদ্ধাৰ; ৰক্ষা; মুক্তি।
নেমি- চকা; চকৰি।
পচোৰা- ডাঠ চাদৰ।
পঞ্জৰ- বাঁহ; পিজঁৰা; চৰাই থোৱা সাঁজা।
পৰাকাশ- ওলোৱা কাৰ্য্য; প্ৰদৰ্শন।
পৰোক্ষ- চকুৰে নেদেখা অৱস্থা।



পয়োধি- সাগৰ; অৰ্ণৱ।
পাণ্ডু- হালধীয়া শেঁতা বৰণ; কুহুমসাৰ।
পাঞ্চালী- দ্ৰৌপদী; যাজ্ঞসেনী।
পৰিতোষ- অতিসন্তুষ্টি; পৰিতুষ্টি।
পাষণ্ড- অনাচাৰী লোক; অধম।
পাৰ্শ্ব- গাৰ দাঁতি; ওচৰ; সমীপ।
পিণ্ডাতঃ/পিণ্যাকং- ধূপ, ধুনা।
পিতামহী- আবু; বুঢ়ী আই।
পিৰঠি- চকুৰ পতা।
পিঞ্চৰি- উজলি।
পুনশ্চ- পুনৰ; আকৌ; দুনাই।
পুৰাণ- ধৰ্মমূলক উপাখ্যান থকা ব্যাস প্ৰণীত শাস্ত্ৰ।
প্ৰত্যুত্তৰ- উত্তৰ; প্ৰত্যুক্তি।
প্ৰৌঢ়ি- প্ৰতিভা; প্ৰভাৱ।
ফটালি- ফটফটনি।
ফাল্গুনী- অৰ্জ্জুন; ধনঞ্জয়; সব্যসাচী।
ফাল্টু- অতিৰিক্ত; বাহিৰা; উপৰুৱা।
ফাল্গুগুণ্ডি- ফাকুৰ গুড়ি।
বক- বগলি।
বঢ়া- বৃঢ়ি; অধিক হোৱা।
বৎসৰি অনুজ- একো বছৰৰ মূৰে মূৰে জন্ম হোৱা।
বনিয়া- মাজে মাজে পকা; আধা পকা।
বাণিজাৰু- বণিক; বেহা বেপাৰ কৰা মানুহ।
বিক্ৰম- পৰাক্ৰম; প্ৰতাপ; বীৰত্ব।
বিতণ্ডা- নিজৰ পক্ষ ৰাখিবলৈ যত্ন কৰা মিছা তৰ্ক।
বিপাঙ্গে- বিপদত; শঙ্কটত।
বিমতি- দুৰ্মত; কুমতি; দুৰ্ব্বুদ্ধি।
বিলসিত- প্ৰকাশ হোৱা।
বিশ্বম্ভৰ- চৰাচৰ; ব্ৰহ্মাণ্ডৰ গৰাকী।
বিশ্বেশ্বৰ- বিশ্বৰ পালক।

বৃত্তান্ত- বাৰ্ত্তা; বিৱৰণ।
বৈৰাগ্য- সংসাৰৰ প্ৰতি বিৰাগ।
ব্ৰজবধু- ব্ৰজধামৰ বোৱাৰী; তিৰোতা।
ব্ৰহ্মঠগ- অতি প্ৰৱঞ্চক।
ব্ৰহ্মসত্ৰ- যি ঠাইত পৰম ব্ৰহ্ম সম্পৰ্কে আলোচনা কৰা হয়।
ব্ৰহ্মবাদ-ব্ৰহ্ম সম্পৰ্কীয় কথা; আধ্যাত্মিক তত্ত্ব আলোচনা।
ব্যোম- আকাশ।
ভট্টিমা- দেৱতাক; গুৰুক আৰু ৰজাক কৰা স্তুতি; গীত বিশেষ।
ভুকু- হাতৰ মুঠিৰে কৰা আঘাত।
ভুঞ্জি- ভোগ কৰি।
ভূভাৰ- পৃথিৱীৰ ভাৰ; পৃথিৱীৰ পাপৰ ভাৰ।
মৰ্কট- বান্দৰ; মকৰাৰ জালৰ দৰে মেৰপাক খোৱা।
মঞ্জুৰে- অংকুৰিত হয়; ফুল ফুলে।
মনোৰম- মনোৰঞ্জক; ৰমণীয়; ধুনীয়া।
মীমাংসা- নিস্পত্তি; সিদ্ধান্ত; জৈমিনি আৰু ব্যাসকৃত দৰ্শন শাস্ত্ৰ।
মৃগচৰ্ম্ম- হৰিণাৰ ছাল।
মৌক্তিক- মুকুতা লগোৱা; মুক্তাৰ বন কৰা।
যজন- পূজন; পূজা আদি কৰা কাৰ্য্য।
যাজন- পূৰোহিতৰ কাৰ্য্য; পৌৰোহিত্য।
যূথপক- মতা হাতী; হস্তী।
লুপুত- আবুৰত থকা; ঢাকি থোৱা।
শম্পা- বিদ্যুৎ; বিজুলী।
শান্ত- ধীৰ স্বভাৱৰ; খং নথকা; জুৰ।
শুশ্ৰূষা- আলপৈচান; সেৱা; পৰিচাৰ্য্য।
শ্ৰুতিগণে- বেদবোৰে।
ফেটফুল গছৰ ঘূৰণীয়া খাদ্য আলু।

একাদশৰুদ্ৰ- অজ; একপাদ; অহিব্ৰধ; পিনাকী; অপৰাজিত; ত্ৰ্যম্বক; মহেশ্বৰ; বৃষাকপি; শম্ভু; হৰ আৰু ঈশ্বৰ।

এণ্টাইলা- শেষ কৰিলা; সমাপ্ত কৰিলা।

ওৰে- তেওঁলোক।

কচাই- পশু মাৰি তাৰ মঙহ বেচা লোক।

কটাক্ষে- চকু কেৰাহি কৰা দৃষ্ট।

কতিপয়- কিছু; কিছুমান।

কথিব- পুনঃ পুনঃ কোৱা; বাৰে বাৰে কোৱা।

কদন- বধ বা নিধন; বিনাশ।

কদলী- কলগছ।

কপটী- যাৰ মনত কপট বা ছল ভাব থাকে।

কপোত- কপৌ; পাৰ।

কৰতল- হাতৰ তলভাগ।

কৰন্যাস- পূজাৰ সময়ত হাতেৰে অঙ্গি ভঙ্গি কৰা; অঙ্গ- সঞ্চালন কৰা মুদ্ৰা।

কৰণ্ডি- এবিধ ফুল তোলা পাত্ৰ।

কৰ্কশবাদ- হুটামাত; কঠুৱা মাত; শ্ৰুতিকটু মাত।

কৰ্ম্মজ্ঞ- ধৰ্ম কাৰ্য্যত অভিজ্ঞ।

কৰ্মজড়- কৰ্মত আসক্ত থকাত ভক্তি বা জ্ঞানৰ তত্ত্ব নোপোৱা।

কাচে- কাঠ; বাঁহ আদি ফালি কৰা মিহি শলা।

কাণসতা- গালৰ পাছৰ আৰু কুমৰ তলৰ অংশ।

কাত্ৰ- কাতৰ; ব্যাকুল।

কামুক- কামাতুৰ; কামাৰ্ত।

কাণ্ডাৰী- কৰ্ণধাৰ; নাৱৰ গুৰিয়াল।

কান্তি- শোভা; জেউতি; দীপ্তি।

কাংস- কাঁহ; ৰাং আৰু তাম মিলাই কৰা এবিধ বগা ধাতু।

কাষ্ঠ- কাঠ; কটা-গছ।

কিঞ্চিত- অলপমান; কিছু।

কীট আদি জন্তু- পোক-পৰুৱা; কৃমি আদি।

কুটা ছিণ্ডি এৰা- সমূলি বন্ধুতা পৰিত্যাগ কৰা।

কুটিল- বেকা; কপটীয়া; খল।

কুধঙ্গ- আগঢ়ী; বেয়া; কুশ্ৰী।

কুঞ্চি- কোঁচ খাই থকা; বেঁকা।

কুনি- কোনে?

কুৰাল- এবিধ বগা ফুল ধৰা গছ।

কুলধৰ্ম- কোনো জাতিৰ শাস্ত্ৰৰ নিয়মমতে কৰিব লগা কাম।

কুলনাৰী- সতী তিৰোতা।

কুলক্ষণী- বেয়া লক্ষণ থকা তিৰোতা।

কুলীন- উত্তম কুলত জন্মা।

কূটনাট- টুটকীয়া কথা; লগনীয়া কথা।

কূটপাশা- ছলনা; শঠতা।

কৃষ্ণগ্ৰাহ- ভগৱত ভক্তিৰ শক্তি; ঐশ্বৰিক শক্তি; কৃষ্ণ প্ৰেমত মছগুল।

কৃষণৰ- কৃষ্ণৰ।

কৈসানি- কেতিয়া।

কোল- ওভোটা জোং থকা যাঠি।

কোহ্লাল- বহুত মানুহে কৰা গণ্ডগোল।

খৰ্ব্ববায়ু- বিধ্বংসী অগ্নি।

খলখলি- ডাঙৰ হাঁহিৰ পৰা হোৱা শব্দ; খলখলনি।

খড়ম/খৰম- কাঠৰ পাদুকা।

খেদ- বেজাৰ; শোক; অনুশোচ; ভয় দেখুৱাই দূৰ কৰ।

খোঞ্চে- জোঙা বস্তুৰে আঘাত কৰে।

গগন- আকাশ; ব্যোম।

গণ্ডস্থান- গাল; ঘাইকৈ।

গদ- শ্ৰীকৃষ্ণৰ সম্পৰ্কীয় ভায়েক।



গয়ভৰি- খৰ খোজেৰে।

গুণ্ডি- গুড়ি।

গুণীগাঠি- ভাবি চিন্তি।

গুৰুপাকী- শীঘ্ৰে জীৰ্ণ নোহোৱা।

গোপ্যস্থান- গোপনীয় ঠাই; অভ্যন্তৰ ভাগ; গুপুত ঠাই।

ঘনক্ষীৰ- লৱণু; পগাই ঘন কৰা গাখীৰ।

ঘঞ্চাল- অধিকাৰ; সমাগম।

ঘাতুক- নিষ্ঠুৰ; নিৰ্দ্দয়; গুপ্তভাৱে বধ কৰোতা।

ঘিণে- ছুলে নিজে অশুচি যেন লাগে।

ঘেলাইলাহা- কামবন নকৰাকৈ ঘূৰি পাকি ফুৰা।

চঞ্চু/চঞ্চূ- চৰাইৰ ঠোট।

চটক- ঘৰ চিৰিকা।

চটি- গপ; গৰ্ব্ব; অভিমান।

চতুৰ্বিধ প্ৰাণী- উৰণ; বুৰণ; গজন; ভ্ৰমণ।

চন্দুৰা- লজ্জিত; অপমান পোৱা; লাজপোৱা।

চম্বুৰণ- অন্যায়ভাৱে কৰা ৰণ।

চাটুবাক্- আনৰ মনত সন্তোষ লগাবলৈ কোৱা কথা; মিছা প্ৰশংসা।

চান্দমুখ- চন্দ্ৰৰ দৰে লাৱণ্য মুখ; বৰ শুৱনী মুখ।

চিতনি- যাতনা; বৰ পীড়া।

চিতাধূম্ৰে- চিতাৰ জুইৰ ধোঁৱা।

চিদানন্দ- চৈতন্য আৰু আনন্দ যুক্ত ব্ৰহ্ম।

চিন্তামণি- যিহকে বিচৰা যায় তাকে দিব পৰা বুলি ভবা কাল্পনিক মণি।

চিড়লে- ফাট মেলা।

চিড়বাকলি- পুৰণি ফটা কাপোৰ।

চীৰ্ণখণ্ড- মাজে মাজে নকটাকৈ ৰখা চুলি।

চেতন- চৈতন্য; বোধ; সাৰ পোৱা অৱস্থা।

চেষ্টান্ত- ডাঙৰকৈ আতাহপাৰা।

চৈধ্যশাস্ত্ৰ- শিক্ষা; কল্প; জ্যোতিষ; মীমাংসা; ন্যায়-নীতি; দণ্ড; ব্যকৰণ; আয়ুৰ্বেদ; ছন্দ; স্মৃতি; নিৰুক্ত; গান্ধৰ্ব; ধনুৰ্বেদ; আৰু কাব্য।

চৌম্পে- ধৰিবৰ নিমিত্তে লুকাই থাকে।

চৌণ্ডা- চৌদোলা।

চৌপদ- চাৰি ভৰি।

ছলবাদ- প্ৰতাৰণা কৰা; ফাঁকি দিয়া; প্ৰবঞ্চনা বাক্য।

ছটৰ-বটৰ- লৰক ফৰক কথা; যিএবাৰ সঁচা আৰু এবাৰ মিছা কয়।

ছন্দ- পদ্য-ৰচনা প্ৰণালী।

ছেদ- দুই বা অধিক খণ্ড কৰ; কাট।

জ্ঞান- সংজ্ঞা, চেতনা; বোধ; অনুভূতি।

জুড়ি- পৰ্বতৰ পৰা বৈ অহা ক্ষুদ্ৰ জান।

জোঙেক- জোং এপাট।

জোৰকুণ্ড- শক্তিৰ ভাণ্ডাৰ।

জ্যোতি- পোহৰ; দীপ্তি; প্ৰকাশ।

জ্যোতিষ চক্ৰ- চন্দ্ৰ সূৰ্য্য আদি গ্ৰহ নক্ষত্ৰ সমূহ; মেঘ আদি দ্বাদশ ৰাশি চক্ৰ।

ঝাণ্টে- অতি শীঘ্ৰে; তৎক্ষণাৎ; বেগতে।

টাটক- ভেলেকী বিদ্যা জনা; প্ৰতাৰণা কৰা; বাজীকৰ।

ডাঙ্গ- গোটা দীঘল মাৰি; দুৱাৰ মৰা মাৰি।

ডিণ্ডিম- ঢোল।

ঢাক- এবিধ ডাঙৰ ঢোল।

ঢাকুড়ে- বুকুত ভুকুৱাই আক্ষেপ কৰি কান্দে।

ঢাটঢাট- দুৰ্ভগীয়া।

ঢুলিবো- সঞ্চালিত কৰিবো; লৰা-চৰা কাৰ্য্য।

তন্ট- দুখ; কষ্ট; বেথা; বেদনা; দুৰ্গতি; পাপ।
তঙ্ক- খং; ক্ৰোধ; কোপ।
তৰক- তাঁৰোতা; ৰক্ষা কৰোতা।
তত্ত্ব- সত্য; মূল কথা।
তত্ত্বজ্ঞানী- পৰমাৰ্থ তত্ত্ব জানোঁতা।
তন্ত্ৰবিধি- উপাসনা আৰু সাধন-মাৰ্গৰ নিয়ম-কাৰণ থকা শাস্ত্ৰ বিশেষ।
তন্তি-শান্ত হৈ; বিশ্ৰাম লৈ।
তাঙ্কে- তেওঁক।
তাৰৈক্ষণে- সেই মুহূৰ্ত্তে।
তিলেক- ক্ষন্তেক পৰ; নিচেই অলপ পৰিমাণ।
ত্ৰিতয়- তিনি।
ত্ৰিশিৰা- জ্বৰৰ দেৱতা।
তীখাল- বৰচোকা; তীক্ষ্ণতৰ।
তুৰঙ্গম- ঘোঁৰা; অশ্ব।
তম্বৰু- স্বৰ্গৰ গায়ক।
ত্যাজিয়া- ত্যাগ কৰি।
তহিৰো- তাৰ পৰা।
দগধ- দগ্ধ; পোৰা।
দগৰ- দবাৰ নিচিনা এবিধ বাদ্য।
দণ্ডি- ডঁৰি; ভয়।
দণ্ডিকা- যিজনে দণ্ড প্ৰদান কৰে।
দম- বশ কৰ; শান্ত কৰ; কৰ্মেন্দ্ৰিয়ক নিয়মলৈ আনা।
দৰিদ্ৰ- দুখীয়া; গৰীৱ।
দৰ্পীষ্ঠ- অহংকাৰী।
দাপ- শাসন; নিয়ন্ত্ৰণ; ভয়; প্ৰদৰ্শন ।
দ্ৰাবিড় দেশ- দক্ষিণ ভাৰত।
দাম্ভিক- অহংকাৰী; গপাল।
দাৰুপুতলা- কাঠৰ পুতলা বা মূৰ্ত্তি।
দিগম্বৰ- সম্পূৰ্ণ উলঙ্গ, নাঙঠ; বিবস্ত্ৰ।
দিগ্‌বন্ধন মন্ত্ৰ- কোনো ফালৰ পৰা কোনো প্ৰকাৰৰ অপায় অমঙ্গলে আক্ৰমণ কৰিব নোৱাৰাৰ বাবে ব্যৱহাৰ কৰা মন্ত্ৰ।
দীৰ্ঘ- দীঘল।
দুঃখী- বেজাৰ পোৱা।
দুৰন্ত- অশান্ত; দুৰ্দান্ত; প্ৰবল।
দুৰ্বিনয়- অশিষ্ট; হুটা; বিনয় ভাব নোহোৱা।
দুষ্কৰ- কৰিবলৈ টান; কঠিন।
দ্যুতি- দীপ্তি; জেউতি; পোহৰ।
দূষণ- দোষ দিয়া কাৰ্য্য।
ধাতা- বিধাতা; ব্ৰহ্মা; বিষ্ণু।
ধাৰাবাটি- শাৰী শাৰীকৈ যাত্ৰা কৰা কাৰ্য্য।
ধাতুনাই- প্ৰাণহীন।
ধান্ধা- চিন্তা-ভাৱনা; উদ্দেশ্য।
ধিক্কাৰ- নিন্দা; নিৰস্কাৰ; গালি।
ধুমাৰ্জয়- তুমুল; ভীষণ; প্ৰচণ্ড।
ধৈৰ্য্য- ধীৰতা; সহিব পৰা গুণ।
নৰক- মৃত্যুৰ পাছত পাপীক শাস্তি দিয়া ঠাই; তিৰোতাৰ মাহেকীয়া স্ৰাৱ।
নৰাচ- একেবাৰতে বহু মানুহ মাৰিব পৰা এবিধ চোকা অস্ত্ৰ।
নৱগোটা প্ৰশ্ন- ১। ভাগৱত ধৰ্ম কি? ২। ভক্তি কাক বোলে? ৩। মায়া কি? ৪। মায়া তৰণৰ উপায় কি? ৫। ব্ৰহ্ম কাক বোলে? ৬। কৰ্মযোগ কাৰ নাম? ৭। কেশৱে অৱতাৰ ধৰি কি কাম কৰিলে? ৮। যোগ ধৰ্ম কাক বোলে? ৯। অভক্তৰ কেনে গতি হয়।
নৱনিধি- নৱবিধ ভকতি।
নাশন- নাশ কৰা কাৰ্য্য।
নাহা- মৰম; প্ৰীতি; চেনেহ; বন্ধুতা।



নিকালি- বাহিৰ কৰি দি; খেদাই দি।
নিগৰে- চাপৰ ফাললৈ বৈ যায়।
নিৰ্গত- নিলাজ; অপমানলৈ ভয় নথকা; ওলোৱা।
নিৰ্ঘাত- বজ্ৰপাত; কঠোৰ; অমোঘ।
নিঢালে- মাটিত কাতি হৈ শুই পৰি।
নিদান- বিপদ; বিপত্তি।
নিদাৰুণ- নিষ্ঠুৰ; দয়াহীন।
নিন্দাবাদ- নিন্দা কৰণ; তিৰস্কাৰ।
নিবাৰণ- মানা কৰা; গুচোৱা কাম।
নিৰঞ্জন- পৰমাত্মা; নিৰ্ম্মল; অকলঙ্ক।
নিৰন্তৰে- সৰ্বদায়; ছেদ ভেদ নথকা।
নিৰ্জনস্থান- হাই উৰুমি নোহোৱা ঠাই; নিজান; জনশূন্য স্থান; আজ্ঞাচক্ৰ।
নিৰ্যাণ- ধ্বংস; মৃত্যু; তিৰোভাৱ; গমন; প্ৰস্থান।
নিৰুপমা- যাৰ উপমা নাই; অতুলনীয়।
নিৰ্ব্বৈৰী- শত্ৰু নথকা।
নিলয়- ঘৰ; আশ্ৰয়।
নিস্ফল- নিৰৰ্থক; বিফল; গুটি নধৰা।
নিহাৰ- চা; দৃষ্টিকৰ।
নুগুনৈ- বিবেচনা নকৰে; চিন্তা নকৰে।
পৰ্জন্য- জলবৰ্ষী মেঘ।
পটল- তান্ত্ৰিক; পূজাৰ বিধি; চানেকি; এবিধ আঞ্জা খোৱা ফল।
পতন- অধোগতি; অৱনতি; অধঃপতন; তললৈ নমা কাৰ্য্য।
পঞ্চভূত- ক্ষিতি; অপ; তেজ; মৰুৎ; ব্যোম।
পঞ্চঋণ- দেৱ; ঋষি; ভূত; পিতৃ আৰু গুৰু বা পুষ্য (নক্ষত্ৰ) ঋণ।
পঞ্চমুক্তি- সালোক্য; সাৰূপ্য; সাযুজ্য; সাৰ্ষ্টি; নিৰ্ব্বাণ।
পঞ্চামৃত- দৈ গাখীৰ; এৰা গাখীৰ; চেনি; ঘিউ; মৌ।
পণ্ডিত- বিদ্যৱন্ত লোক; অধ্যাপক; শিক্ষক।
পতিতপাবন- পাপীক উদ্ধাৰ কৰোতা; পাপীৰ গতি দিওঁতা।
পথ- বাট; আচৰণ; উপায়; ধৰ্মমত; মাৰ্গ।
পদৰেণু- পদধূলি; ভৰিৰ ধূলি।
পৰাভৱ- পৰাজয়।
পৰম বন্ধু- অতি বিশ্বাসী লোক; পৰমেশ্বৰ।
পৰম গহন- অতি গম্ভীৰ; গুহ্যতম্।
পৰস্পৰে- উভয়ে; ইটোৱে সিটোৱে।
পৰাঙ্মুখে- মুখ ঘূৰাই পাছলৈ যোৱা; পিঠি দিয়া; প্ৰতিকূল।
পৰিচ্ছেদ- লেখাৰ এক ভাগ; অধ্যায়; আধ্যা।
পশ- সোমা; ভিতৰলৈ যা।
পসৰাই- পোহৰাই; পোহৰ কৰি।
পয়স্বিনী- বেছিকৈ গাখীৰ দিয়া গাই; গাখীৰতী।
পয়ো- পানী; জল; গাখীৰ।
পাটভুনি- পাট-পলুৰ পৰা হোৱা সূতাৰে তৈয়াৰী ধুতি।
পাণ্ডু- হালধীয়া শেতা বৰণ।
পাতেক- পাপ।
পাৰ্ব্বন- পৰ্ব; উৎসৱ।
পাৰমেষ্টি- সৰ্ব্বশ্ৰেষ্ঠ; উৎকৃষ্ট।
পাশ- জৰি; লেজু।
পিঙ্গট- পিঙ্গল বা মুগা বৰণীয়া।
পীত- হালধীয়া।
পুলকিত- আনন্দিত; আনন্দত গাৰ নোম শিয়ঁৰা।
পুলি- পুৰি; দগ্ধ কৰি।

পুণ্ডৰিক- বগা পদুম।

পুষ্ট- শকত; মঙহাল।

পেচন্দাৰ- এবিধ অলঙ্কাৰ।

পেষো- পিহোঁ; মোহৰো।

পোষ্য- প্ৰতিপাল কৰিবৰ যোগ্য; পালন কৰিব লগা।

প্ৰকাশ- ব্যক্ত; বেকত; ওলোৱা কাৰ্য্য।

প্ৰবাসত- নিজ ঘৰৰ পৰা আঁতৰত বাস কৰা।

প্ৰতিমা- দেৱতাৰ মূৰ্ত্তি; প্ৰতিমূৰ্ত্তি।

প্ৰীতি- সন্তোষ; আনন্দ।

প্ৰবৃত্তি- ইচ্ছা; বাসনা; স্বভাৱ।

প্ৰবোধ- সান্ত্বনা; বুজনি; জ্ঞান।

প্ৰেমজৰী- প্ৰীতিৰ জৰী; মৰমৰ বান্ধ।

প্ৰোক্ষণ- যজ্ঞৰ নিমিত্তে পশু বধ কৰা; পানীৰে কৰা শুদ্ধি কাৰ্য্য।

ফলশ্ৰুতি- কোনো কামৰ ফল শুনা কাৰ্য্য।

ফান্দ- বন্য জীৱ জন্তু ধৰা যতন; অন্যায়ৰ অৰ্থে গোপন কৌশল; খোৰোচা লগা।

ফন্দৈ- নাচে; সঞ্চালিত হয়।

ফেৰুয়া- ফেউ ফেউ শব্দ কৰা শিয়াল; শিয়ালে লাদিব নোৱাৰিলে ফেউ ফেউ শব্দ কৰে।

বচন- বাক্য; কথা।

বলয়া- এডলীয়া খাৰু।

বৈশ্য- যি আনৰ বশ বা তলতীয়া হয়।

বৰ্ষপতি- বছৰৰ অধিপতি।

বয়ন- মুখ; ৰকম; ধৰণ; বোৱন।

বসু- গঙ্গাৰ পৰা জন্ম হোৱা গণদেৱতা বিশেষ।

বাকী- শেষত বৈ যোৱা বস্তু; বিয়োগৰ ফল।

বাণিজ্য- বেপাৰ; বণিজ; ব্যৱসায়।

বাজী- অশ্ব; ঘোঁৰা; পক্ষী; বাণ।

বাতমণ্ডল- ঘূৰ্ণিবতাহ।

বাতুল- পাগল; বলিয়া।

বান্ধৱ- সখা; বন্ধু; মিত্ৰ।

বাপখনে- পিতাই বা দেউতাই।

বাৰুণী- পূৰ্বে বলৰামৰ নিমিত্তে বৰুণে পঠোৱা ফটিকা।

বাল- সৰু ল'ৰা; বালক।

বালক সময়- শিশুকাল; ল'ৰালি কাল।

বালখিল্য- ব্ৰহ্মাৰ নোমৰ পৰা জন্ম হৈছিল; ব্ৰহ্মাৰ মানস পুত্ৰ।

বাংশৰ অগনি- হাবিত বাঁহে বাঁহে ঘঁহনি খাই উঠা জুই।

বাসিমালা- ভকতৰ মুখেৰে ওলোৱা হৰি নামৰ মালা বা ধ্বনি।

বিঘটন- ধ্বংস; চূৰ্ণকৰণ।

বিচাট- বিৰক্তি; বিৰাগ; মনৰ পোৰণি।

বিজৃম্ভণ- হামি।

বিধৱা- স্বামীৰ মৃত্যু হোৱা নাৰী; বাঁৰী।

বিনাশ- ধ্বংস; বিলোপ, উচ্ছেদ।

বিপথ- যি পথেদি যাব নেলাগে; বেয়া আচৰণ।

বিবাদ- হাই-কাজিয়া; দন্দ; বিৰোধ।

বিবাদী- দন্দুৱা; দন্দ কৰা মানুহ; পদকীয়া।

বিবুধি- হতবুদ্ধি; বিমোৰ; নিৰুপায়।

বিভঞ্জিয়া- ভাগ কৰি; খণ্ড খণ্ড কৰি।

বিমকুত- মুক্তি পোৱা; মুকলি হোৱা।

বিমঙ্গল- অমঙ্গল; আপদ; বিপদ।

বিমৰিষ- আনন্দহীন; হতাস হৈ।



বিমোহিত- যি মোহ গৈছে; মুগ্ধ।

বিৰল- নিৰ্জন ঠাই; সেৰেঙা।

বিৰচিবো- ৰচনা কৰিবো।

বিৰোধ- শত্ৰুতা; অমিল; বৈৰভাৱ।

বিশিষ্ট বিপ্ৰ- উত্তম ব্ৰাহ্মণ; বেদবীদ ব্ৰাহ্মণ।

বিশিষ্ট গুৰু- বিশেষ গুণযুক্ত গুৰু; আত্মজ্ঞানী গুৰু; অসাধাৰণ গুৰু।

বিশ্ৰুতি- খ্যাতি।

বিষয়- বেয়া; দুষ্ট; অসন্মান; উগ্ৰ; বিপৰীত।

বিষ্ণুমায়া- বিষ্ণুৰ মায়া; বস্তুৰ প্ৰকৃত ৰূপ নেদেখা বা ঠাৱৰ কৰিব নোৱাৰা।

বিষ্ঠাৰ কীট- পুৰীষত জন্মা পোক; গুবৰুৱা কীট।

বিসঙ্গতি- আহুকাল; দুৰ্বিপাক; বেমেজালি।

বিহিয়াছে- অনুমতি দিছে; আজ্ঞা দিছে।

বিড়ম্বিলে- বঞ্চিত কৰিলে; প্ৰতাৰণা কৰিলে।

বিয়ামোহ- বাট নেদেখা হৈ যোৱা।

বৃকোদৰ- ভীম; মধ্যম পাণ্ডৱ।

বৃদ্ধ- বুঢ়া; বয়সিয়াল।

বৃথা- নিষ্ফল; নিৰৰ্থক; অসাৰ্থক।

বেকত- প্ৰকাশিত; বিদিত; দৃশ্যমান।

বেদান্ত- উপনিষদ; মাত্ৰ ব্ৰহ্মক প্ৰতিপাদন কৰা দৰ্শন শাস্ত্ৰ।

বৈদিক- বেদ সম্পৰ্কীয়; বেদ বিহিত।

বৈভৱ- ঐশ্বৰ্য্য; বিভূতি।

ব্ৰহ্মাপুত্ৰ- চাৰিসিদ্ধ- সনক; সনন্দ; সনাতকুমাৰ; সনাতন।

ব্যাকুল- বৰকৈ উৎকণ্ঠিত; অতি কাতৰ।

ব্যভিচাৰী- ব্যভিচাৰ কৰোতা।

ভৰ্চ্ছি- শৌচ কৰি; লেতেৰা কৰি।

ভাথৰ- ভাত খোৱা কুকুৰ; অপদাৰ্থ লোক।

ভৎৰ্সন্তো- তিৰস্কাৰ কৰাতো; ভৰ্ৎনা কৰাতো।

ভ্ৰষ্ট- বিচ্যুত; যি অধঃপাতে গৈছে।

ভ্ৰূৱ- চেলাউৰি; ভ্ৰূকুটি।

ভাগ্য- কপাল; অদৃষ্ট; দৈৱ; নছিব।

ভাজন- পাত্ৰ; যোগ্য ব্যক্তি।

ভিতি- ফালে; দিশে।

ভূতগণ- প্ৰাণী সমূহ; পিশাচবোৰ।

ভূষণ- গহনা; অলঙ্কাৰ; সজ্জা।

ভেদীলো- বিদীৰ্ণ কৰিলো; ভেদ কৰিলো।

ভেণ্টিলেক- আগুৰিলে; বাধা দিলে; পথ ৰুদ্ধ কৰিলে।

ভেৰি- দুন্দুভি; এবিধ মুখেৰে বজোৱা বাদ্য।

ভৈয়াই- ভাই; দাদা।

মখ- যজ্ঞ।

মণ্ডিলেক- শুৱনী কৰিলে; বিভূষিত কৰিলে।

মথিব- ঘোটিব।

মদাদৰ্প- গৰ্ব, মত্ততা।

মদ্য- ভক্তি; ভক্তিৰ প্ৰতি আসক্তি।

মধুপৰ্ক- ঘিউ; মৌ; দৈ গাখীৰ, চেনি আৰু শুদ্ধ জল মিশ্ৰণ।

মধুময়সুৰা- মধুপূৰ্ণ সুৰা; বাৰুণী সুৰা।

মহত্ত্বত- পৰম সত্য।

মহাতপ- কঠোৰ তপস্য; তামসিক ভোগ ত্যাগ কৰি কৃষ্ণ উপাসনা কৰা।

মহাদান- প্ৰাণী অদ্ৰোহী আৰু ভূতদায়া কৰা।

মহাধন- নামধন; হৰিনাম।

মহাবীৰ- মায়াক জিনোতা।

মহামূঢ়- ঘোৰ অজ্ঞানী।

মহিষী- ৰাণী; ৰজাৰ ঘৈণী।

মন্ত্ৰণাত- গুপ্ত আলচত; গলা গোপাত।

মলচিয়া- মচি; মোহাৰি গুচাই।

মাদুৰি- চাপৰিত হোৱা তৰোৱালৰ আকৃতিৰ পাত আৰু ৰঙা ডিল মেলা এবিধ বন; যদুবংশৰ মৃত্যু বাণ।

মুদ- ভাজ; বন্ধন; সাঁফৰ।

মুষল- উৰালৰ মাৰি।

মূৰ্খ- মূঢ়; নিৰ্বোধ; একো নজনা লোক।

মূৰ্দ্ধস্ফোট- শিৰ ফুটি প্ৰাণ বায়ু ওলায়।

মোট- বাকলিৰে সৈতে ছাল।

মৌন- যি কথা নোকোৱাকৈ থাকে; নীৰৱ।

যথালব্ধ- যিমান পোৱা যায় সিমান।

যজ্ঞ- ভগৱানত চিত্ত নিৰূপন কৰি ধৰ্ম কৰ্ম কৰা; বৈদিক অনুষ্ঠান বিশেষ; শ্ৰম।

যোগী- যোগ সাধক; তপস্বী।

যোগাগ্নি- নিজৰ কুপ্ৰবৃত্তিবোৰ পুৰি পেলাব পৰা যোগৰূপ অগ্নি।

ৰজনী- নিশা; ৰাতি।

ৰতি- আসক্তি; মৈথুন; কামভাৱ।

ৰদে- হ্ৰদত।

ৰক্ষ- ৰাক্ষস; দৈত্য; দানৱ।

ৰাউল- জগতৰ মালিক।

ৰাজপন্থ- ৰাজবাট।

ৰাহুত- ঘোঁৰা চলাওতা।

লজ্জা- অপমানৰ ভয়।

লঙ্ঘিলে- লঙ্ঘন কৰিলে; ভঙ্গ কৰিলে।

লহু লহু- ধীৰে ধীৰে; লাহে লাহে।

লম্বলাস- তালেৰে মিলাই কৰা নাচ; ৰং ধেমালি।

লাভ- প্ৰাপ্তি; ব্যৱসায়ৰ আয়; উপকাৰ।

লিঙ্গদেহ- সূক্ষ্ম শৰীৰ।

লুটি- দিশ; ফাল; কাষ; দাঁতি; পাশ।

লোটে- মাটিত লাগি চুচৰি যোৱা।

লোটাৰী- কাতি হৈ পৰি বাগৰা বাগৰি কৰি।

লৌকিক- লোক বিষয়ক; যিটো ধৰ্মীয় বা শাস্ত্ৰীয় নহয়।

শঙ্কা- আশঙ্কা; ভয়; সংশয়।

শঙ্খিনী- তিৰোতাৰ চাৰি শ্ৰেণীৰ ভিতৰত এক অধম শ্ৰেণী।

শঠমিত্ৰ- শটৰটীয়া মানুহ।

শনৈঃ - লাহে লাহে

শম- মনৰ সংযম; নিবৃত্তি; শান্তি; জ্ঞানেন্দ্ৰিয় নিয়মলৈ আনা।

শৰণি/শৰণী/সৰণি/সৰণী- বাট; পথ।

শৱশৰীৰ- মানুহ বা জন্তুৰ মৰা দেহ।

শাঠ্য- শঠতা; ধূৰ্ত্ততা।

শাল- বিৰহত শাল মৰাৰ দৰে পীড়া কৰ; ডাঙৰ শূল।

শ্যালা- খুলশালি; জেঠেৰি।

শিখা- টিকনি; মূৰৰ ওপৰত দীঘলকৈ ৰখা চুলি।

শিহৰৈ- অস্বাভাৱিক বোধৰ পৰা গাৰ নোম থিয় হোৱা।

শুঙি- পাৰস্পৰিকভাৱে ঘ্ৰাণ লোৱা কাৰ্য্য।

শোকাকুল- শোকত আকুল; বৰকৈ বেজাৰ পোৱা।



শোকানল- শোকৰ জুই; অন্তৰ দহি নিয়া দুখ-বেজাৰ।

শৌচ-শুচিতা; মলত্যাগ; বিষ্ঠা; নিৰ্ম্মলতা।

শ্ৰী- আয়ুস; আদৰ; শোভা; সম্পত্তি; সৌন্দৰ্য্য; লক্ষী; যশস্যা; ক্ষমতা; সৌভাগ্য; পৰাক্ৰম; লাৱণ্য।

সঙ্কট- বিপদ; আপদ; টান।

সঙ্কৰ্ষণ- প্ৰবল আকৰ্ষণ; বলৰাম।

সঙ্গোপাঙ্গে- আদ্যোপান্তে; আগৰ পৰা গুৰিলৈ।

সখিব- ইষ্ট; মিত্ৰ; বন্ধু; সুহৃদ।

সন্তাপ- শোক; মনৰ দুখ; ক্লেশ।

সত্বৰে- শীঘ্ৰে; বেগতে।

সদাশিৱ- মহাদেৱ, শিৱ; শম্ভু।

সনাতন- চিৰকলীয়া; চিৰন্তন; নিত্য; সত্য; প্ৰাচীন।

সন্ধুকি- লক্ষ্য কৰি; স্থিৰ দৃষ্টিৰে।

সন্ধুকীয়া- লক্ষ্য কৰি; স্থিৰ দৃষ্টি কৰি।

সন্নাহ- ৰণুৱাৰ কবচ; জাখৰ।

সঞ্চে- সাঁচে; জমা কৰে।

সঞ্চিত- সাঁচি থোৱা।

সভয়- ভয় কৰা; ভয়যুক্ত।

সম্পুত- ঠোলা।

সমাধিত- ধ্যানত তন্ময় হোৱা।

সমিধান- মুখেৰে দিয়া উত্তৰ; সহাঁৰি।

সম্যক- উত্তম; সম্পূৰ্ণ।

সম্ভৃত- সংগৃহীত; প্ৰস্তুত; সজ্জিত।

সৰি- তুল্য; সদৃশ।

সলিল- পানী; উদক।

সয়ম্বৰী-মৃত স্বামীৰ চিতাত উঠি দিয়া আত্মজাহ।

সঞ্চ- সঁচ; বিধান; পোৱালি।

সাঞ্চা- জমা কৰা; সাঁচি থোৱা।

সাৰ- ৰক্ষা পৰ; চেতন; মূল বা শ্ৰেষ্ঠ অংশ।

সাৰতৰ- মূলকথা; অধিক চেতন।

স্বৰ্গসুখ- দেৱলোকৰ সুখ।

স্বধৰ্ম্ম- আত্ম-ধৰ্ম; নিজ ধৰ্ম; নিজ জাতিৰ উপাসনা পদ্ধতি।

সুদৰ্শন চক্ৰ- মহাদেৱৰ আদেশমতে বিশ্বকৰ্মাই সৰ্বদেৱতাৰ তেজ সংমিশ্ৰণ কৰি চক্ৰ প্ৰস্তুত কৰে।

সুধৰ্মাসভা- দ্বাৰকাৰ এখন ধৰ্মসভা।

সুবাসিত জল- সুগন্ধ জল; কৰ্পূৰ; অগৰু; চন্দত মিশ্ৰিত জল।

সুৰা- দৈবিক শক্তি সম্পন্ন ৰস; ফটিকা।

সুশীল- শিষ্ট; ভদ্ৰ; নম্ৰ; সজ আচৰণযুক্ত।

স্ফুৰুতি- আনন্দ; ৰং তামাছা; উৎফুল্লতা।

স্ৰুচ (শ্ৰুচ)- স্ৰুৱৰ ওপৰত স্থাপিত কৰি হোমত ঘিউ ঢলা ঘূৰণীয়া হেঁতা।

স্ৰুৱ (শ্ৰুৱ)- স্ৰুচৰ তলত দি হোমৰ ঘিউ ঢলা দীঘলীয়া হেঁতা।

স্পৃহা- ইচ্ছা; কামনা; বাসনা।

সোণগুই- পিঠি হালধীয়া এজাতি সৰু গুই সাপ।

সৌৰভ কমলা- ৰতিপ্ৰিয়া।

সৌৰি- যম; শনি; কৃষ্ণ।

হাটফোট- দুখত চটফটাই থকা।

হটবাদ- অবিবেকিতা।

হৰিষি- হৰষিত; আনন্দেৰে।

হৰিহয়- ইন্দ্ৰ; দেৱৰাজ।

হানিল- ক্ষতি বা নাশ কৰিল।

হাহা হুহু- স্বৰ্গৰ গন্ধৰ্ব; সূৰ্য্যৰ শ্ৰেষ্ঠ গায়ক আছিল।

হেতি- অস্ত্ৰ-শস্ত্ৰ; আঘাত; পোহৰ; জুইৰ শিখা।

হেলিয়া- অৱহেলা কৰি; হেয়জ্ঞান কৰি।

হিম- বৰফ; নিয়ৰ, তুষাৰ।

হুমহুমি- দূৰৰ পৰা শুনা মেঘৰ গাজনিৰ দৰে শব্দ।

হ্ৰস্ব- চুটি; চাপৰ; চমু।

হ্ৰেষণি- ঘোঁৰাৰ চিঞৰৰ বাখৰ।

ক্ষণাৰ্দ্ধো- নিচেই অকণমান; জ্যোতিষ মতে দুই মিনিট।

ক্ষমা- দোষ মাৰ্জনা; দোষ-মৰ্ষণ।

ক্ষেপ- দলিওৱা কাৰ্য্য।

## দ্বাদশ স্কন্ধ

অকিঞ্চন- অতি দুখীয়া; নিঃকিন।

অঙ্কুৰ- গজালি; পোখা।

অচিন্ত্য- চিন্তাশূন্য; নিশ্চিন্ত।

অজৰ অমৰ-জৰা-মৃত্যুহীন; চিৰস্থায়ী।

অজীণ পাতকী- দুষ্ট; অনাৰি লোক; দন্দুৰা মানুহ।

অদ্যাপিও- আজিও; আজিলৈকেও।

অনুৱৰ্ত্তি- আজ্ঞা পালন কৰি।

অন্তৰ্জল- পানীৰ ভিতৰ।

অভীষ্ট দায়ক- বাঞ্চিত ফল দিওঁতা।

অভিলাস- ইচ্ছা; হেপাহ; হাবিয়াহ।

অমাত্য- মন্ত্ৰী; সচিব।

অযুত- দহ হাজাৰ; ১০,০০০

অৱসান- অন্ত; শেষ; ওৰ; সমাপ্তি।

আশেপাশে- দাঁতিয়ে কাষৰে; ইফালে সিফালে।

অশ্ৰুপাত-চকুৰ পানী বৈ পৰা।

অসজ্ঞাতি- অবিশ্বাসী; বিশ্বাসৰ অযোগ্য।

অসুৰ- দেৱতাৰ শত্ৰু।

অক্ষমালা-জপমালা।

আলয়- ঘৰ; আশ্ৰয়স্থল।

আশাপাশে- আশাৰজৰী; এৰিব নোৱাৰা আশা।

আৱৰয়- ঢাকে; আবৃত কৰে।

আধাৰি পকাই- কধৰা মেৰিয়াই।

আৰস্ফুটি- আস্ফালন।

উগ্ৰশ্ৰবা- ৰোমহৰ্ষণ মুনিৰ পুতেক; শুনা মাত্ৰেই সকলো কথা মনত ৰখা লোক।

উগ্ৰদণ্ড- নিষ্ঠুৰ শাস্তি; নিষ্ঠুৰ যাতনা।

উচ্ছাদিয়া- উচ্ছেদ কৰি; বিনাশ কৰি।

উত্তম শ্লোক- প্ৰাতঃস্মৰণীয়; পুণ্যশ্লোক; পুণ্য-কীৰ্ত্তি বিশিষ্ট; ঈশ্বৰ; বিষ্ণু।

উদাস- বিষয়ত বিৰাগ; অনুৰাগৰ অভাৱ; বৈৰাগ্য।

উন্মাদ- উন্মত্ত; বলিয়া।

উদগাৰ- উগাৰ।

উদিস- উদয় হোৱা; মলত্যাগ কৰা।

উচ্ছকুচ- ওখ স্তন; ডাঙৰ পিয়াহ; গুপুতে ৰাখিবলগীয়া অঙ্গ।

একাৰ্ণৱ জল- একাকাৰ জল; চৌদিশ জলময়।

ঐশান্য- পূব আৰু উত্তৰ চুক।

কটকৰ বাজু- সন্য বাহিনীৰ বাহুৰ বেষ্টনী।

কটাক্ষতে- তুচ্ছ-জ্ঞানেৰে; কোপ-দৃষ্টিৰে।



কটাহ- কেৰাহি; লোহোৰা; কুঁৰা।

কটূৰ- টান; মৰম চেনেহ নোহোৱা; সাৰ নোহোৱা।

কণ্ঠাগত- ডিঙিৰ গুৰি পোৱা; বাহিৰ ওলাই যাওঁ যাওঁ হোৱা।

কৰ্ণশ্ৰুতি- কাণেৰে শুনা; কৰ্ণগোচৰ।

কপট- চাতুৰী; প্ৰতাৰণা।

কল্প- ব্ৰহ্মাৰ এদিন আৰু এৰাতি; ৪৩২, ০০০,০০০ বছৰ

কলহ- কাজিয়া; খৰিয়াল; দ্বন্দ্ব; বিবাদ।

কল্কি/কল্কী- বিষ্ণুৰ এক অৱতাৰ।

কল্লোল- সাগৰৰ ডাঙৰ ঢৌ; পানীৰ খলকনি।

কামদেৱৰ পঞ্চবান- উন্মাদন; তাপন; সন্মোহন; শোষণ; স্তম্ভন।

কাৰুণিক- কৃপালু; দয়ালু।

কুনীতি- বেয়া আচাৰ-ব্যৱহাৰ; অধম ৰীতি।

কুলীন- উত্তম জাতিৰ; শ্ৰেষ্ঠ বংশত উৎপন্ন।

ক্ৰুৰ- নিষ্ঠুৰ; মমতাশূন্য।

কৃষ্ণদ্বৈপায়ন- ব্যাস মুনি।

কৈৱৰ্ত্ত- নদীয়াল; মৎজীৱী লোক।

কোকিল- কুলি চৰাই।

কোঞ্চাই- বেঁকা কৰি; কেকোঁৰা কৰি।

ক্ৰোধী- খঙাল; ক্ৰোধযুক্ত।

কৌপীন- লেংটি; ককালত পিন্ধা সৰু কাপোৰ।

খঙ্গাল- স্বভাৱতে ক্ৰোধী; ক্ৰোধ হোৱা স্বভাৱযুক্ত।

খতিধন- ভেটিৰ ধন।

খপন্তে- জুইৰ জালত পুৰোঁতে পুৰোঁতে।

খড়িয়া/খৰীয়া- খৰিকটীয়া মানুহ; খৰি যোগনীয়া মানুহ।

খাণ্ডা- তৰোৱাল।

খেদ- অনুতাপ; আক্ষেপ।

খোট- ঠোটৰ আঘাত; দংশন; সাপৰ কামোৰ।

গোত্ৰ- বংশ; ঋষি প্ৰৱৰ্ত্তিত বংশ।

গোপ্যঅঙ্গ- যোনি বা লিংগ ভাগ।

গোময়- গোবৰ।

ঘাঞ্চ- দ্ৰোহ; অপৰাধ।

চণ্ডশাপ- উগ্ৰসাপ; প্ৰাণান্তিক শাও।

চতুৰ্ব্বিধ প্ৰলয়- নিত্য প্ৰলয়; নৈমিত্তিক প্ৰলয়; প্ৰাকৃত প্ৰলয় আৰু আত্যন্তিক প্ৰলয়।

চাৰি- আশ্ৰম- ব্ৰহ্মচৰ্য্যাশ্ৰম; গাৰ্হস্থ্যাশ্ৰম; বানপস্থাশ্ৰম; সন্ন্যাসাশ্ৰম।

চূৰ্ণীকৃত- মিহিকৈ গুড়ি কৰা; ভাঙি ডোখোৰ ডোখোৰ কৰা।

চোসন্তে- ওঁঠৰে চেপি ৰস খাওতে।

ছড়াই- অতিক্ৰম কৰি।

ছায়াবাজী- কোনো বস্তুৰ আকৃতিৰ ছাঁটো কাপোৰৰ ওপৰত পেলাই দেখুৱা বিদ্যা।

ছেদিয়ো- কাটিও; খণ্ড খণ্ড কৰিয়ো।

ছোটকায়া- ক্ষীণ দেহৰ; কৃশ শৰীৰৰ।

জৰ্জ্জৰিত- বেদনাত কাতৰ।

জাঁজি- উটি অহা কাঠ বা খাগৰি।

জ্ঞানভ্ৰষ্ট- জ্ঞানহীন; জ্ঞানশূন্য।

জ্যোতি- চক্ৰৰ সংস্থান।

টলি- বুজি; মন মেলি।

টাটকীয়া- ভেল্কী জনা; বাজীকৰ; প্ৰতৰণা কৰা।

নিদানে- বাবে; কাৰণে; নিগুণে।

নিসেৱন- উপাসনা নকৰা; আৰধনা নকৰা; সম্ভোগ নকৰা।

তাৎপৰ্য্য- মৰ্ম্ম; ভাবাৰ্থ; উদ্দেশ্য; ভাৱ।

দাৰুৰ- কাঠৰ; দৰবৰ; ফটিকাৰ।
দাহঁৰা- খকুৱা।
দিগ- বিৰক্তি; আমনি।
দীন- দৰিদ্ৰ; দুখীয়া; গৰিব।
দূৰিত- পাপ; দুষ্কৃতি।
দেৱৰিপু- স্বৰ্গ; দেৱলোক।
ধৰ্মৰ চাৰি চৰণ- সত্য; শৌচ; ক্ষমা; দয়া (তপ; শান্তি; তুষ্টি; মৈত্ৰী)
ধাকুৰয়- বুকুত ভুকুৱাই আক্ষেপ কৰে।
ধূৰুতালি- টেঙৰালি।
নটলে- লৰচৰ নকৰে।
নিবিড়- ঘন; গভীৰ; গাঢ়।
নিৰ্ব্বাত- বতাহ নথকা।
নিৰেক্ষি- দূৰৰ পৰা দৃষ্টি কৰি।
নিশান- যুদ্ধৰ সময়ত বজোৱা বাদ্য।
নিসেৱন- সেৱা নকৰা কাৰ্য্য।
নিহালয়- দেখি; দৃষ্টি কৰি।
পঞ্জৰ- সাঁজা; বাহ; পঁজা।
পদ্মগৰ্ভ- যাৰ গৰ্ভৰ পৰা পদুম ফুলৰ দৰে উত্তম বা নিৰ্ম্মল সন্তান জন্ম হয়।
পৰদাৰ- লোকৰ তিৰোতা।
পৰিতোষ- পৰিতুষ্টি।
পৰবৰ্ত্তি- ঘূৰি অহা।
পটোৱাৰী - শিল্পী।
পাৰ্শ্বত- কাষত; ওচৰত।
পুষ্য- পুষ্যা নক্ষত্ৰ।
প্ৰকট- বাহিৰ কৰ; উলিয়া।
প্ৰাণগুৰু- আত্ম-জ্ঞান দিওঁতা গুৰু; প্ৰাণ তুল্য গুৰু।
প্ৰতিপাদ্যে- নিৰ্ণেয়; নিৰ্ণয় কৰিব লগীয়া।
বজ্ৰ- ইন্দ্ৰৰ প্ৰধান অমোঘ অস্ত্ৰ।

বৰিষ- বছৰ; বৰ্ষ।
বলিষ্ঠ- অধিক বলী; বৰ বলৱন্ত।
বহুবল্কী- কথকী; কথা চহকী; বহু কথা কোৱা লোক।
বাজী- ঘোঁৰা; অশ্ব।
বাৰহয়- প্ৰকৃত বাৰ।
বালমুকুন্দ- শিশু কৃষ্ণ; বিষ্ণু।
বিকট- ভয়ানক; দেখিলে ভয়লগা।
বিগুতি- যন্ত্ৰণা; পৰিহাস; নিন্দা।
বিছাই- বস্ত্ৰ পাৰি দিয়া।
বিদূৰৰ- বহু দূৰৰ ঠাই।
বিস্বাদ- অতি বেগেৰে; ধ্বনিৰ গতিৰে।
বিষ্ণুমায়া- যি মায়াৰ প্ৰভাৱত জগতক সঁচা আৰু ঈশ্বৰক মিছা জ্ঞান কৰে।
ব্যঘ্ৰচৰ্ম্ম- বাঘৰ ছাল।
ব্যথিত- যিয়ে বেথা পাইছে।
বৃত্তিশূন্য- জীৱনৰ উপায় নাইকিয়া কৰণ।
ব্ৰহ্মচাৰী- ব্ৰহ্মচৰ্য্য পালনকাৰী।
বৈভৱ- ঐশ্বৰ্য্য; সম্পত্তি।
বৈৰাজ- শোভাকৰি থাক; প্ৰকাশ কৰি।
বোকোণ্ডা- জোলোঙা বা টোপোলা তুলি লোৱা অৱস্থাত পিঠিখন।
ভঞ্জন- ভাঙন; নাশ কৰণ।
ভণ্টাখেড়ি- টাংগুটি খেল।
ভাগিৰথীতীৰ - গঙ্গা নৈৰ দাঁতি।
ভিড়ি- আগৰ সন্মান হেৰুওৱা; অকামিলা হোৱা।
ভূবিভঙ্গ- অলপ মনোযোগ; দিশ বিদিশ নেদেখা হোৱা; তমোময় দেখা।
মশক- মহ; এবিধ তেজপিয়া কীট।



মহাজ্ঞান- আত্ম-জ্ঞান; ঈশ্বৰ জ্ঞান।
মুনিষাই- পুৰুষালি; মুনিহালি।
মূষল- উৰাল মাৰি; মুদ্গৰ শ্ৰেণীৰ অস্ত্ৰ বিশেষ।
মেদিনী- পৃথিৱী; ধৰণী।
যজ্ঞ- বৈদিক অনুষ্ঠান বিশেষ; হোমাদিকাৰ্য্য।
যাগ-যজ্ঞ; হোম।
ৰতিত কুশল- সম্ভোগত দক্ষ; মৈথুনত পাৰ্গত; কাম-শক্তিমান।
ৰাঘৱ- ৰঘু ৰজাৰ বংশত জন্মা ৰামচন্দ্ৰ।
লম্পট- কামুক; কামাতুৰ; পৰস্ত্ৰীত ৰত।
লয়লাস- তালেৰে মিলাই কৰা নাচ।
শলাকা- শলা; মূৰ জোঙা গোটা কাঠী।
শয়ন- শোৱা; নম্ৰ; ভদ্ৰ; সুশীল।
সংহতি- সংযোগ; সম্প্ৰদায়; সংস্থান।
সঙ্কলি- সংগ্ৰহ কৰি।
সঙ্গোগ- ঘটনা।
সচল- লৰি চৰি ফুৰা; একে ঠাইতে নৰৈ নথকা।
সঞ্চাৰ- গমন; চলন, উত্তৰ আৰু বিস্তাৰ।
সঞ্চৰৈ- চলাচল কৰি।
সম্পৃষ্ট- পৰিপুষ্ট; শক্তিশালী; পৰাক্ৰমী।
সম্ভাষণ- অভিনন্দন; আদৰণ।
সৰোৰুহ- কমল; পদুম।
সৰ্পসত্ৰ- সৰ্পযজ্ঞ।
সাউদে- সদাগৰে; বণিকে।
সুষম- গঢ়িত; সুন্দৰকৈ সমানভাৱে নিৰ্মিত।
সৈন্যাসী- বৈৰাগী; সংসাৰৰ সুখ এৰি ঈশ্বৰত মন লগোৱা।
হৰ্ত্তাকৰ্ত্তা- সকলো ক্ষমতাৰ অধিকাৰী।
হংস- ৰাজহাঁহ।

হৃষ্টপুষ্ট- নোদোকা; তেজাল; স্বাস্থ্যবান।
হৃষ্টভাৱে- আনন্দৰে; হৃষ্টচিত্তে।
ক্ষীণবিন- নিশকতীয়া; লাহী গা।

## ওপৰঞ্চি বিভাগ (শ্ৰীকৃষ্ণ গীতা)

অকণ্টকামহী- শত্ৰুহীন ধৰণী।
অঙ্কুশ- মাউতে হাতী চলোৱা লোহাৰ এবিধ জোং; গজাকোঁহ; লাংচিং।
অঙ্গদ- বালিৰ পুতেক।
অচাপল্য- ধীৰ স্থিৰ।
অঞ্জন- কজ্জল; চকুৰ পিৰিকটিত ঘহা এবিধ কলা বস্তু; এখন পৰ্বতৰ নাম।
অণিমা- সূক্ষ্মত্ব; যি শক্তিৰে শৰীৰক অণুপ্ৰমাণ কৰা যায়।
অধিযজ্ঞ- মানবাত্মা।
অধিদেৱতা- অন্তৰ্যামী পুৰুষ; অধিষ্ঠাত্ৰী দেৱতা।
অধিভূত- পঞ্চভূত থকা দেহ; শৰীৰ।
অনাৰব্ধ- যিটো আৰম্ভ কৰা হোৱা নাই; যিটো উপাৰ্জন কৰা হোৱা নাই।
অন্তৰঙ্গ ভক্তি- মুখ্যা ভক্তি; প্ৰধান; ভিতৰুৱা ভক্তি।
অপৰাপ্ৰকৃতি- শৰীৰ; পঞ্চভূতাত্মক দেহ।
অভিচাৰ মন্ত্ৰ- আনৰ অনিষ্ঠ কৰিবলৈ প্ৰয়োগ কৰা মন্ত্ৰ।
অমেধ্য- অপবিত্ৰ।
অলোলুপ্ত- নিৰ্লোভ; সংসাৰিক বস্তুৰ প্ৰতি উদাসীন।
অৱতীৰ্ণ- আকৃতি ধৰি পৃথিৱীত উপস্থিত; যি নামি আহিছে।

অহংমম- মই বৰ ভাব।
অক্ষৰ- পৰমাত্মা, ব্ৰহ্ম।
আজানুলম্বিত- আঁঠুলৈকে ওলমি থকা; আঠু স্পৰ্শ কৰি থকা (হাত)
আৰ্জ্জব- অকপট ভাব, সৰল ভাব।
আততায়ী- ঘৰত জুই দি; বিহ দি; ধন ভাৰ্য্যা হৰি আৰু প্ৰাণে মাৰি অনিষ্ট কৰিব খোজা মানুহ; শত্ৰু, বৈৰী।
আধি- মনৰ কষ্ট বা দুখ; মনৰ চিন্তা।
আৰব্ধ- যি আৰম্ভ কৰা হৈছে।
আৰুৰুক্ষু- যোগ সাধনাত প্ৰবেশ কৰা।
আৰূঢ়যোগী- যোগ সাধনাত সিদ্ধি লাভ কৰা লোক; যি উঠিছে; আৰোহণকাৰী।
আস্তিক্য- ঈশ্বৰ বিশ্বাস, ধৰ্মত বিশ্বাস।
আড়ম্বৰ- জাকজমক; বিপুল আয়োজন।
ইন্দ্ৰজাল- মায়া বিদ্যা; ভেলকী; ভোজবাজী।
ইষ্টকাম- বাঞ্ছিত বিষয়।
উজাগৰ- ৰাতি টোপনি নহাকৈ থকা অৱস্থা; সাৰে থকা অৱস্থা।
উদাস- বিষয়ৰ প্ৰতি বিমুখ; অনুৰাগহীন।
উপৰতি- বৈৰাগ্য; নিবৃত্তি।
উপৰাম- নিবৃত্তি; বিৰাম।
উপস্থ- জননেন্দ্ৰিয়।
উপাধি- মায়া; খিতাপ, সন্মান বুজোৱা নাম।
উৰগ- যি বুকুৰে যায়; সাপ আদি প্ৰাণী।
উষ্ণ- তপত; তাপ।
উৰ্মি- ঢৌ।
ঋজু- অকপট; চিধা, পোন; সৰল।
ঐশ্বৰ্য্য- বিভূতি, ধন-সম্পত্তি; বিভৱ।

ওবা- হেৰা।
কৰ্ণিকা- পদুমৰ চকা বা বীজ-কোষ; কাণৰ অলঙ্কাৰ।
কল্পবৃক্ষ- সকলো কামনা পূৰণ কৰা এজোপ স্বৰ্গৰ গছ।
কাণ্ডাৰী- গুৰিয়াল, কৰ্ণধাৰ।
কাঞ্চী- ককালৰ পৰা ওলোমাই পিন্ধা কেইবাগছীয়া হাৰ।
কাৰুণিক- দয়ালু; কৃপাৱন্ত; কৃপালু।
কাহল- শুকান; লেৰেলা।
কায়তপ- দেৱ; দ্বিজ, গুৰু আৰু জ্ঞানীক পূজা কৰা।
কিঙ্কিণী- ঘুগুৰা; সৰু সৰু ঘণ্টাৰ মালা।
কুঞ্জৰ- হাতী, হস্তী, কৰী, গজ।
কুটস্থ- আজ্ঞা চক্ৰৰ ওপৰত বিকাৰহীন স্থান; টুটকীয়া।
কুতুপৰ বেলা- মধ্যাহ্নকাল, একোদিষ্ট শ্ৰাদ্ধৰ প্ৰশস্ত কাল।
কুম্ভকাৰ- কুমাৰ; মাটিৰ পাত্ৰ গঢ়োঁতা।
কুষিত- পানী মিশ্ৰিত।
কূটনাট- লগনীয়া কথা; টুটকীয়া কথা।
কৃচ্ছচান্দ্ৰয়ণ- এক কঠোৰ ব্ৰত বিশেষ। এই ব্ৰত চাৰি প্ৰকাৰ। পিপীলিকা মধ্য চান্দ্ৰায়ণ; যৱমধ্য চান্দ্ৰায়ণ; যতি চান্দ্ৰায়ণ; শিশুচান্দ্ৰায়ণ।
কেয়ূৰ- বাজু; বাহুত পিন্ধা এবিধ অলংকাৰ।
কোৰণ্ডা- ভঁজা চাউল।
খৰ্ববাক- অহংকাৰী কথা; গবৰী ভাৱৰ কথা।
খেচৰ- চৰাই; পখী; ভূত-প্ৰেত; দেৱতা।



গঙ্গোদক- পবিত্ৰ গঙ্গাৰ পানী।
গুল্ম- সৰু জোপোহা গছ।
গুহ্য- গোপনীয়; লুকাই থোৱা; গুপ্ত।
গুড়াকেশ- নিদ্ৰা জয় কৰোঁতা; অৰ্জ্জুন।
গোৰোচনা- গৰুৰ পিত্তৰসৰ পৰা কৰা এবিধ হালধীয়া বস্তু আৰু দৰবতো ব্যৱহাৰ হয়।
ঘৃতকুম্ভ- ঘীৰ কলহ।
চক্ৰবেহু- যুদ্ধত ঘূৰণীয়াকৈ শাৰি কৰি ৰখা সৈন্যসমূহ।
চতুবৰ্গ- ধৰ্ম; অৰ্থ; কাম; মোক্ষ।
চৰ্ব্ব্য- দাঁতেৰে চোবাই খাবলগীয়া বস্তু।
চোষ্য- ওঁঠেৰে চেপি ৰস খোৱা।
ছয়গোটাতৰ্ক-ছয়খন দৰ্শন শাস্ত্ৰৰ অমিল মতক লৈ কৰা তৰ্ক।
জঙ্গম- গতিশীল; লৰচৰ কৰিব পাৰা।
জল্প- মিছাতৰ্ক; পৰস্পৰ যুক্তি খণ্ডন কৰি নিজৰ যুক্তি প্ৰতিপন্ন কৰা।
জল্পিয়া- মিছা কথা কৈ; মিছা তৰ্ক কৰি।
জায়া- ভাৰ্য্যা, স্ত্ৰী, সহধৰ্মিণী।
জ্ঞেয়- যাক জানিব পাৰি; যাক জনা উচিত।
টুটী- কমহোৱা; ক্ষয় হোৱা।
তট- কূল; নৈৰ বা আন কোনো জলাশয়ৰ দাঁতি।
তণ্ডুল- চাউল।
ত্ৰিতাপ- আধিদৈৱিক, আধিভৌতিক, আধ্যাত্মিক।
আধিদৈৱিক ঃ- দৈৱ-জনিত; বজ্ৰ ঢেৰেকনি (পয়োগৰঃ) শিলাবৃষ্টি; ধুমুহা আৰু গ্ৰহাদিৰ পৰা পোৱা তাপ বা দুখ।

আধিভৌতিক ঃ- পঞ্চভূতৰ পৰা; প্ৰাণীৰ পৰা; ভূত-প্ৰেত; অপদেৱতা আৰু দুষ্কৃতিকাৰী মানুহৰ পৰা পোৱা তাপ বা দুখ।
আধ্যাত্মিক ঃ- মানসিক; আৰু শাৰীৰিক পীড়া; বাত, পিত্ত, কফ, জৰ, ব্যাধি; কাম ক্ৰোধাদিৰ পৰা পোৱা তাপ বা দুখ।
তত্ত্বমসি- তুমিয়ে সেই পৰমব্ৰহ্ম।
ত্ৰিবেণী- গংগা; যমুনা; সৰস্বতীৰ সংগমস্থল; আজ্ঞা চক্ৰ।
তুষ- তুহ;ধানৰ চোকোৰা; সন্তুষ্ট কৰ।
দশদল- দহটা পাহি।
দিব্যচক্ষু- পৰমাৰ্থিক দৃষ্টি; পৰম জ্ঞান।
দুৰ্ঘট- সহজে নঘটা।
দূষণ- দোষ দিয়া কাৰ্য্য।
দেহী- জীৱ; আত্মা, দেহ থকা।
ধনেশ্বৰ- কুবেৰ; যক্ষৰাজ।
ধূম্ৰ- ধোঁৱা।
নটী- নাচনী; বেশ্যা।
নৱগোটাদ্বাৰ- দুই চকু; দুই নাক; দুই কাণ; মুখ, গুহ্য; লিংগ বা যোনি।
নিতম্ব- পিঠিফালে কঁকালৰ তলৰ ভাগ।
নিবাস- থকা ঠাই; ঘৰ; বসতি; আবাস।
পটহ- এবিধ যুদ্ধ বাদ্য; জয় ঢাক।
পটন্তৰ- উদাহৰণ; যোজনা।
পতঙ্গ- পাখি লগা পোক; ফৰিং আদি।
পৰাৎপৰ- শ্ৰীকৃষ্ণ; বিষ্ণু।
পৰাপ্ৰকৃতি- জীৱ; প্ৰাণ; আত্মা।
পৰিজ্ঞাত- যাক ভালদৰে জনা গৈছে; ভালকৈ জ্ঞাত হোৱা।

পৰ্য্যুষিত- বাহী; পাছদিনলৈ থকা।
পঞ্চমহাপাতক- ব্ৰহ্মবধ; সুৰাপান; গুৰু ভাৰ্য্যা গমন; সোণচুৰি; উল্লিখিত পাপীৰ সংসৰ্গ।
প্ৰগল্‌ভ- নিৰ্ভীক; নিঃ সঙ্কোচে কথা কয়।
প্ৰাৰব্ধ- পূৰ্ব জন্মত উপাৰ্জিত।
পাৰুষ্য- অপ্ৰিয় ভাষণ; কঠোৰ বাক্য; অপমান।
পাশ- জৰি; লেজু।
পুৰাতন- পুৰণি।
পুষ্কৰিণী- পুখুৰি; সৰোবৰ।
পেয়- পি খোৱা; পি খোৱাৰ যোগ্য।
পৈশুন্য- টুটকীয়া ভাৱ, কুৎসা ৰটনা; নিষ্ঠুৰতা।
বৰ্ণসঙ্কৰ- বিভিন্ন জাতিৰ স্ত্ৰী-পুৰুষৰ মিলনৰ পৰা উৎপন্ন হোৱা সন্তান।
বসু- এক প্ৰকাৰ দেৱতা; অষ্টবসু।
বাক্যতপ- সত্য কথা কোৱা।
বাঁজীগাই- পোৱালি হ'ব নোৱাৰা গাই।
বাণ্টি- ভাগ কৰি, বিভাজন কৰি।
বাদ- তৰ্ক, বিপক্ষক, তৰ্কত হৰুৱাই, নিজৰ শুদ্ধ যুক্তি সাব্যস্ত কৰা।
বাসি- বাহী, খাবলৈ তৈয়াৰ কৰা বস্তু পিছ দিনালৈ থৈ দিয়া।
বাসুদেৱ বুদ্ধি- সমস্ত প্ৰাণীত ঈশ্বৰক দেখা জ্ঞান।
ব্যাধি- শৰীৰৰ ৰোগ বা নৰিয়া; বেমাৰ।
ব্যাপৃত - লাগি থকা; নিযুক্ত।
ব্যামোহ- বিমূঢ়তা, যন্ত্ৰণা; ৰোগ; পীড়া; ব্যাধি।
বিতণ্ডা- নজিৰ পক্ষ ৰাখিবলৈ যত্ন কৰা মিছা তৰ্ক।
বিদ্যাধৰ- গন্ধৰ্ব্ব; স্বৰ্গৰ গায়ক।
বিন্দুপাত- বীৰ্য্য স্খলন, শুক্ৰ পতন।
বিপ্ৰৰ নৱ গুণ- শম; দম; তপ, শৌচ; ক্ষমা, ঋজু (অকপট); আস্তিক্য (ঈশ্বৰ বিশ্বাস) জ্ঞান; বিজ্ঞান।
বিৰিঞ্চি- ব্ৰহ্মা; প্ৰজাপতি।
বিহঙ্গ- চৰাই; পক্ষী।
বিড়ম্বিত- নিৰাশ, প্ৰতাৰিত; বঞ্চিত।
বৃহন্নলা- অৰ্জুনৰ ছদ্ম নাম।
ব্যৱসায়াত্মিকতা বুদ্ধি- হৰিক বিশ্বাস কৰি দেহমন অৰ্পণ কৰা জ্ঞান; দৃঢ় সংকল্প যুক্ত বুদ্ধি।
ব্ৰহ্মবন্ধু/দ্বিজবন্ধু- বেদ অধ্যয়ন আদি ব্ৰাহ্মণৰ কৰ্ম নকৰা অধম ব্ৰাহ্মণ; নিকৃষ্ট ব্ৰাহ্মণ।
ব্ৰহ্মাযোনি- ব্ৰহ্মা; প্ৰজাপতি।
ব্ৰহ্মাসূত্ৰ- উপবীত; লগুণ।
ভ্ৰূকুটি- খঙত কপাল কোঁচাই কৰা দৃষ্টি; ক্ৰোধ দৃষ্টি।
ভতাৰ- স্বামী, গৰাকী।
মদান্ধ- মদমত্ত; অহংকাৰৰ দ্বাৰা কণা।
মহোদধি- মহাসাগৰ।
মাৰ্গফাৰে- মলদ্বাৰ বিদীৰ্ণ হয়।
মাতোৱাল- মদপী, মদাহী লোক।
মিত্ৰ- পৰস্পৰে পৰস্পৰৰ হিত চিন্তা কৰে।
মুমুক্ষু- মোক্ষ পাবলৈ ইচ্ছুক, মুক্তি প্ৰাৰ্থী।
যাপক- কাল কটোৱা লোক।
ৰোগৰূঢ়- আসক্তিহীন; মুক্ত।
ৰটে- প্ৰকাশ কৰে; কৈ ফুৰে।
ৰাসোৱাল- গৰখীয়া, গৰু চৰাওঁতা।
ৰুধিৰ- তেজ; ৰক্ত।



লেলিহান- ওলাই থকা; মেলি থকা।
লেহ্য- লেচেকি খোৱা খাদ্য।
শ্বান- কুকুৰ।
শ্লাঘ্য- প্ৰশংসা; গুণৰ বৰ্ণনা।
শিশিৰ- শীত ঋতু, নিয়ৰ; হিম।
শিশ্নোদৰ- লিঙ্গ আৰু পেট।
শূদ্ৰ- বৰ্ণাশ্ৰম ব্যৱস্থা অনুসৰি চতুৰ্থ বৰ্ণ, অশৰণীয়া লোক।
শৃগাল- শিয়াল; জম্বুকঃ।
শোকপঙ্কে- মানসিকভাৱে অত্যন্ত পীড়িত।
সদাশিৱ- পৰমব্ৰহ্ম; কৃষ্ণ; ভোলানাথ।
সন্তৰে- সাতোৰে।
সন্নিকট- নিচেই ওচৰ।
সন্নিহিত- যিটো ওচৰত থাকে; নিকটৱৰ্তী।
সন্মোহ- অধিক মোহ।
সঞ্চে- সঁচ; পোৱালি জন্মে।
সম্পূৰণ- পূৰ্ণ কৰা কাৰ্য্য; সম্পন্ন কৰা কাৰ্য্য।
স্কন্দ- কাৰ্ত্তিক; অগ্নিভুঃ; সেনানী।
সংসিদ্ধিক- সম্যক সিদ্ধিলাভ।
সংশপ্তকগণ- যুদ্ধত বিপৰ্য্যয়ৰ সময়তো পলায়ন নকৰো বুলি প্ৰতিজ্ঞা কৰা আৰু আনকো পলায়ন কৰিব নিদিয়া যোদ্ধা সকল; এবিধ নাৰায়ণী সেনা।
সাংখ্যজ্ঞান- কপিলমুনি প্ৰবৰ্ত্তিত দৰ্শন শাস্ত্ৰৰ জ্ঞান।
সাগ্নিক- নিত্য যজ্ঞৰ কাৰণে সদায় জুই ৰখা; অগ্নিহোত্ৰী।
স্থাৱৰ- গতিশীল নহয়; লৰচৰ কৰিব নোৱাৰা।
স্বাধ্যায়- বেদ-অধ্যয়ন।
স্থিতপ্ৰজ্ঞ- যিজনে বিষয় বাসনা কৰ আত্মাৰ চিন্তাতে মগ্ন থাকে।
স্নিগ্ধ- শীতল, কোমল, মিহি।
সিন্ধু- সাগৰ; অৰ্ণৱ।
সুহৃদ- যি স্বপ্নতো মন্দ বা বেয়া নেদেখে।
ক্ষৰ- দেহ; বিনাশশীল.
ক্ষাৰোদক- ক্ষাৰণি।
ক্ষেত্ৰবিদ- চৌবিশ তত্ত্ব জনা লোক।

## ওপৰঞ্চি বিভাগ (নামঘোষা)

অখণ্ডিত - নভঙা-চিছিগা; অকাট্য।
অচ্যুত- যাৰ নাশ, পতন বা ধ্বংস নাই; পৰমেশ্বৰ।
অধক্কৃত- অনাদৰ; আওহেলা।
অধোক্ষজ- ইন্দ্ৰিয়াধীশ্বৰ।
অঞ্জনীয়া- পোহৰ কৰোঁতা; বাট দেখুৱাওঁতা।
অঞ্জলি- আঁজলি।
অনাত্মা- প্ৰাণহীন; মিছা শৰীৰ।
অন্বয়- সম্বন্ধ; বংশ; সৰল অৰ্থ নিৰ্ণয়।
অনুপাম- অতুলনীয়।
অন্তৰ্যামী- ঈশ্বৰ; যি অন্তৰৰ কথা জানে।
অপবৰ্গ- মুক্তি।
অপহৰ্ত্তা- হৰণকৰ্ত্তা; বিনাশক।
অবিদ্যা- অজ্ঞান; মায়া।
অবিৰক্ত- আসক্তি থকা; সংসাৰৰ প্ৰতি স্পৃহা থকা।
অবিনাশী- কেতিয়াও নাশ নোপোৱা; সদায় থকা।
অব্যয়- অক্ষয়; ব্যয়হীন।
অব্যভিচাৰী- অন্য দেৱ-দেৱীক এৰি একমাত্ৰ কৃষ্ণ ভগৱন্তক পূজা কৰা।
অভিষেক- পবিত্ৰ পানীৰে শান্তি কৰি ৰাজ সিংসাসনত নিয়োগ।

অমোঘ- অব্যৰ্থ, গুৰুতৰ; সহজে মোচন নোপোৱা; যি নিষ্ফল নহয়।

অৰবিন্দ- ৰঙা পদুম।

অসন্ত- মিছা, প্ৰকৃততে যাৰ অস্তিত্ব নাই।

অহংমম- মই আৰু মোৰ এনে ভাৱৰ।

অক্ষৰ- ব্ৰহ্ম; ঈশ্বৰ।

আগমশাস্ত্ৰ- যি শাস্ত্ৰই লোকক সকাম পূজা সেৱাত প্ৰবৃত্ত কৰায়।

আচমন- শুচি হবৰ উদ্দেশ্যে হাতৰ তলুৱাত পানী লৈ তিনিবাৰ মুখত দি নাক, কাণ, চকু আদি ছোৱা কাৰ্য্য।

আচান্ত- আচমন; ভোজনৰ পাছত মুখ ধোঁৱা কাৰ্য্য।

আত্যন্তিক সুখ- বৰ বেছি সুখ; অসীম আনন্দ।

আদ্যৰ- প্ৰথমৰ।

আপোনহৰে- আপোনা-আপুনি।

আয়াযাত- জনম মৰণ; অহা-যোৱা কাৰ্য্য।

উছন্ন- ধ্বংস; নিৰ্ম্মূল।

উপলা- শিল; পাথৰ।

উপাম- উপমা; তুলনা।

উত্তম শ্লোক- পুণ্য শ্লোক; বিষ্ণুৰ যশস্যা গোৱা কথা।

উৰুক্ৰম- বিষ্ণুৰ বামন অৱতাৰ।

একাজানি- একান্ত বশ।

এতাৱন্ত- এনেকুৱা।

ঐকান্তিক- অতিশয়।

কপট- ছল; যথাৰ্থ; ভাৱৰ গোপন।

কপাট- দুৱাৰ।

কমন কাৰণে- কেনেকৈ।

কমনে- কেনেকৈ।

কমললোচন- পদুমৰ দৰে শুৱনি চকু থকা লোক; বিষ্ণু; কৃষ্ণ।

কল্মষ- পাপ; কলুষ।

কল্যাণী- সুখত থকা; ভাগ্যৱতী।

কুতৰ্কী- অন্যায় ৰূপে তৰ্ক কৰা।

কুণ্ঠ- ভয়; আশঙ্কা।

কুত্তা- কুকুৰ।

কুলবধু- বংশৰ সতী বোৱাৰী।

কৃতকৃত্য- কৃতকাৰ্য্য; সিদ্ধ কাম।

কৃশতা- লাহী গা থকা।

কৈতব- কপট; ছলনা।

কৌতুক- আনন্দ; ৰং; ধেমালি।

খলখলি- ডাঙৰ হাঁহিৰ পৰা হোৱাৰ নিচিনা শব্দ।

স্খলন- সৰিপৰা; পতন।

গঞ্জয়- দমন কৰোঁতা।

গুণলুব্ধ- নিজৰ গুণ শুনি মুগ্ধ হোৱা।

গোচৰ- ইন্দ্ৰিয়বে বোধ কৰা বিষয়; শুনিবলৈ পোৱা।

গ্ৰাম্যকথা- সাংসাৰিক কথা; বিষয় বাসনাৰ কথা; বৃথা কথা।

ঘাটি- অপৰাধ; জগৰ।

চাৰু- উত্তম; সুন্দৰ; ধুনীয়া।

চিদাঙ্গ- মনৰূপ প্ৰবৃত্তি।

চিন্তামণি- বহুমূলীয়া।

চুৰিয়ো- ছিঙা; ভাঙা।

চ্যুতি- পতন অৱস্থা; অধোগতি; অৱনতি; ধ্বংস।

চৈতন্য-ঈশ্বৰ- পৰমাত্মা; যি সকলোকে চেতন কৰে।

ছয়উৰ্ম্মি- শোক; মোহ; জৰা; মৃত্যু; ভোক; পিয়াহ।



ছান্দা- বান্ধ; কথাৰে বান্ধ।

ছিদ্ৰ- বিন্ধা; জগৰ; দাই; দোষ।

ছিৰীৰাম- শ্ৰীৰাম।

ছেদিবাক- কাটিবাক।

জগজীৱ- জগতৰ জীৱ; ঈশ্বৰ।

জগনিবাস- পৰমেশ্বৰ।

জড়ৰাশি- কেৱল জড় পদাৰ্থৰ পৰা উৎপত্তি হোৱা।

জাৰপতি- উপপতি।

ঝুণ্ট- সৰু জোপোহা গছ।

ঝাণ্টে- সোনকালে; শীঘ্ৰে।

ঝুটা- মিছা, অসত্য।

টেৰ- বেঁকা; বক্ৰ।

ঠাকুৰ- প্ৰভু; গোঁসাই।

ঠাকুৰালি- স্বামীত্ব; প্ৰভুত্ব।

ডাটি- ডাঠকৈ; গধুৰভাৱে; দৃঢ়ভাৱে।

ডৰে- ভয়ত।

ডুকৃঞ কৰণে- সংস্কৃত ব্যকৰণৰ এটি সূত্ৰ।

তলব- তলপ; আদেশ, হুকুম।

তাসম্বাৰ- তেওঁ বিলাকৰ।

তাৱত- তেতিয়ালৈকে।

তিনিতাপ- আধিদৈবিক; আধিভৌতিক; আধ্যাত্মিক।

ত্ৰিতয়ৰ- তিনিৰ।

থৰথৰীয়া- অতিশয় কঁপনি।

দঢ়াই- ভৰ দি কোবা।

দায়াদ- পুত্ৰ; তনয়; পো।

দিগপাল- দশদিকৰ অধিষ্ঠাত্ৰী বিভিন্ন দেৱতা।

দুজা- দ্বিতীয়, দ্বিতীয় বস্তু।

দুৰাশয়- বেয়া ইচ্ছা, কু অভিপ্ৰায় যুক্ত।

দুৰ্ঘোৰ- মহাপাপ, বৰ ভয়ঙ্কৰ; প্ৰবল।

দুৰ্ব্বাৰ- অদম্য; দুৰ্দ্দমনীয়; দুৰ্ণিবাৰ।

দুৰ্ব্বাসনা- বেয়া ইচ্ছা; দুৰ্ভাগ্য; পূৰ্বজন্মৰ সংস্কাৰ।

দেৱান- মন্ত্ৰী; ৰজাৰ প্ৰধান কৰ্মচাৰী।

নফৰ- ভৃত্য; অনুচৰ; চাকৰ. দাস।

নয়- মত; স্বৰূপ।

নৰোত্তম- নৰৰ মাজত উত্তম; ঈশ্বৰ; মহাপুৰুষ।

নিগম- বেদাদি শাস্ত্ৰ, নিবৃত্তি শাস্ত্ৰ।

নিদান- বিপদ; বিপত্তি।

নিদানভূত- কাৰণ স্বৰূপ।

নিধি- ভঁৰাল; আধাৰ।

নিৰ্ম্মৎসৰ- হিংসা বা দ্বেষ নথকা।

নিৰ্য্যাণ- ধ্বংস; মৃত্যু; প্ৰস্থান।

নিৰঞ্জন- পৰমেশ্বৰ; নিৰ্মল।

নিশ্চল- আচল।

নিশ্খল- দুষ্ট; নিষ্ঠুৰ, নিৰ্দয়; খলুৱা।

নিষ্ট- নিষ্ঠ; নিশ্চয়ে; ভক্তিযুক্ত।

নিষ্ঠ- নিশ্চয়, নিৰ্ণয়।

নিস্পৃহ- স্পৃহা বা ইচ্ছা নকৰা।

নিয়ন্তা- নিয়মক।

পঞ্জৰ- পিজৰা; চৰাই থোৱা সজা।

পট- ঢাকনি; মুৰ্ত্তি, গৰ্ব।

পৰমানন্দ- অতিশয় আনন্দ; পৰমেশ্বৰ।

পৰাঙ্মুখ- মুখ ঘূৰাই পাছলৈ যোৱা; প্ৰতিকূল।

পতিতপাৱন- পাপীক উদ্ধাৰ কৰোতা; কৃষ্ণ; বিষ্ণু; ভগৱান।

পামৰ- নৰাধম; অতি নীচ মানুহ।

পানৈযুৰি- পাদুকা; খৰম।

পাষণ্ড আচাৰ- কু-নীতি, বৌদ্ধ তান্ত্রিক; অভক্ত।
প্ৰগলভ- সাহসী; ভয় নথকা; নিৰ্ভীক; অকুণ্ঠিত।
প্ৰণত- সেৱক; আশ্রিত; ভৃত্য।
প্ৰপন্ন- শৰণাগত; সেৱা পৰায়ণ।
প্ৰভাৱ- তেজ; সামৰ্থ; মহিমা; শক্তি।
প্ৰসাদ- দেৱতাক নিবেদন কৰা খাদ্য; অনুগ্ৰহ; কৃপা।
প্ৰাৰ্থনী- বাঞ্ছা কৰিবৰ যোগ্য।
পিশুন- সূচক; টুটকীয়া।
প্ৰৌঢ়ি- তেজস্বিনী ভাষা; প্ৰভাৱ-দীপ্ত কথা।
ফাড়ি- ফালি পেলোৱা; চিৰি পেলোৱা।
বৎসল- কৃপাময়; দয়ালু; চেনেহ কৰা।
বৰাক- দুখীয়া; নিঃকিন; নিঃস্ব; দৰিদ্ৰ।
বৰাই- গৰ্ব; অহংকাৰ।
বল্লভ- প্ৰিয়লোক; স্বামী; বন্ধু।
বহিৰ্ভূত- বাহিৰত আছে; বহিৰ্গত।
বাঘজালি- বাঘ ধৰিবলৈ জাল পতা কাম; যম, কাল আৰু মায়াৰ ফান্দ।
বাপদায়- পিতৃ স্বৰূপে আশ্ৰয় গ্ৰহণ কৰি।
বামানয়- চলিত মতৰ আৰু বেদৰ বিৰুদ্ধ (শাস্ত্ৰ)
বাড়ৱ অগনি- সাগৰৰ তলত থকা জুই।
বাহুড়াৱে- বন্ধ কৰে; নিৰোধ কৰে।
বাঝু- সৈন্যৰ ছাউনি; বন্ধন।
বিকল্প- ভেদবুদ্ধি; ভ্ৰম; বিভিন্ন কল্পনা।
বিদিত- জনা; বুজ পোৱা; জ্ঞাত।
বিড়ম্বয়- তুচ্ছ জ্ঞান কৰে।
বিমৰ্দ্দন- নাশ কৰোতা।
বেকত- প্ৰকাশ্য কৈ।

বেত্ৰৰ প্ৰহাৰ- বেতৰ কোব বা আঘাত।
ভঞ্জন- নাশ কৰোঁতা; ভাঙন।
ভৰ্ত্তা- স্বামী; গৰাকী।
ভৱকূপ- সংসাৰ ৰূপ কূপ; সংসাৰ নাদ।
ভাৱন্তা- সৃষ্টি কৰোতা।
ভাৱক সকল- যি ঈশ্বৰক চিন্তা কৰে; ভকত, ঈশ্বৰ সেৱক।
ভিৰি- উলটি; বেগাই।।
ভূত- পঞ্চভূত, প্ৰাণী।
মকৰন্দ- ফুলৰ মৌ।
মধুমতী মায়া- ঈশ্বৰ আৰু নিজক পাহৰি যোৱা মায়া; ভ্ৰম।
মস্তকমণি- সৰ্বশ্ৰেষ্ঠ বা পূজনীয় লোক; ঈশ্বৰ কৃষ্ণ।
মষিমূৰ- ধ্বংস; নাশ।
মহোদয়- মনৰ উচ্চ ভাৱ; মহানন্দ; মহানুভৱ; সদাশয়।
মাতঙ্গ- মতা হাতী; মখনা।
মাৰ- মৃত্যু; বিনাশ।
মাধৱ- লক্ষ্মীপতি; বিষ্ণু; কৃষ্ণ।
মৰণামাৰে- যুদ্ধ কৰে আক্ৰমণ কৰে।
মুকুন্দ- মুক্তি দাতা; বিষ্ণু।
মুগুধ- মূঢ়; অজ্ঞানী।
মুদভাঙ্গি- ঢাকনি গুচাই; জঁপা খুলি।
মুমুক্ষু- মুক্তি বাঞ্ছা কৰা; মুক্তি প্ৰাৰ্থী।
মুৰুখমতি- অজ্ঞানী; জ্ঞানহীন।
মৃগতৃষ্ণাৰ্ণৱজলে- মৰীচিকাৰ সাগৰ; জলভ্ৰম।
মৃতসঞ্জীৱনী- মৰা মানুহক জীয়াবপৰা।
যজোক- যজ্ঞেৰে পূজা কৰক।
যোগেশ্বৰ- মহাযোগী কৃষ্ণ।



ৰকাৰাদি নাম- ৰ আখৰ আগত থকা নাম।
ৰতি- আসক্তি; হেঁপাহ; অনুৰাগ।
ৰহস্য- গুপ্ত সত্য; গোপন মৰ্ম; আমোদ; কৌতুক; গুপ্ত তত্ত্ব।
লড়বড়- লৰচৰ।
লুঠ- লুট কৰা।
লুব্ধমতি- লুভীয়া।
শীঘিৰ- শীঘ্ৰ; বেগবন্ত।
শোচ্য- শোক কৰাৰ যোগ্য; দুখজনক; শোচনীয়।
শ্ৰুতি- বেদ।
শ্ৰীমধুদ্বিষ- শ্ৰীকৃষ্ণ।
সঙ্কল্প- অভিলাস, মনোৰথ।
সঞ্চা- সত্য; সঁচা।
সনাতন- সদায় থকা, চিৰকলীয়া, নিত্য, অনন্ত।
সঞ্জীৱনী- জীৱনী- শক্তিদানকাৰী।
সমসৰ- সমান।
সহজানন্দ- পৰমেশ্বৰ।
সৰ্ব্বস- সৰ্ব্বস্ব; সৰ্ব্বহ।
সৰ্ব্বশ্ৰুতি শিৰোৰত্ন- বেদৰ সাৰভাগ; ভাগৱত গ্ৰন্থ।
সৰ্ব্ববেত্তা- সকলো জানা, ভূত ভৱিষ্যত জানা।
সব্যসাচি- বাওঁহাতে কাঁড় মাৰে; অৰ্জ্জুন।
সতীমতি- নিৰ্মল চৰিত্ৰৰ তিৰোতা।
সন্নিতে- ওচৰতে; সমীপতে।
সত্ত্বস্থ- নম্ৰ; শান্ত।
স্খলন- পতন; সৰি পৰা; বিচ্যুতি।
সম্যকে- সম্পূৰ্ণৰূপে।
সৰি- সমান।

সূচক- নিন্দুক; টুটকীয়া।
সেৱাচোৰ- ভক্তি অৱহেলাকাৰী; দেৱতাত অবিশ্বাসী লোক।
স্বৰূপানন্দ- পৰমেশ্বৰ; পুৰুষোত্তম।
হলাহল- বৰবিহ।
হামাৰ- মোৰ; হমাৰ।
হৃষীকেশ- ইন্দ্ৰিয়ৰ অধিষ্ঠাতা; ইন্দ্ৰিয়গণ জয় কৰোতা; শ্ৰীকৃষ্ণ।
ক্ষৰ- দেহ; শৰীৰ; টোপাটোপে পৰ।

## উপৰুৱা বিভাগ

**(ফাৰ্চী, উৰ্দ্দু, আৰবী, হিন্দী, সংস্কৃত আদি ভাষাৰ শব্দাৰ্থ।)**

অঘী- পাপী; অধৰ্মী মানুহ।
অনৃত- মিছা; অসত্য; নিৰৰ্থক।
অৰথী- মৰা মানুহ নিয়া চাঙি।
অলী- মহাপুৰুষ।
ওৱালীদ- পিতা; পিতৃ।
অলীদাহ- মাতা; মাতৃ; মা।
অহী- ঐশীবাণী।
আকীদা- বিশ্বাস।
আখেৰাত- পৰকাল।
আখুন- ভাই; ভাতৃ।
আজু গছল- পবিত্ৰ।
আজান- নামাজৰ সূচনা দিবলৈ মছজিদৰ পৰা কৰা ধ্বনি।
আদাব- নমস্কাৰ; প্ৰণাম; সেৱা।
আমৰখ- ক্ৰোধ, খং।
আমল- কৰ্ম; কাম।
আলআমীন- বিশ্বাসভাজন।
আলীম- শিক্ষিত; বিদ্যান; জ্ঞানবন্ত।
আৰজুন- পৃথিবী; মাটি।

আৰদাছ- প্ৰাৰ্থনা; উপাসনা।
আলি- সখী; বন্ধু; সখা; মিত্ৰ।
আছমান- আকাশ।
ইকতাৰা- টোকাৰী।
ইচাৰা/ইশাৰা- ইঙ্গিত; সঙ্কেত, ঠাৰ।
ইছলাম- শান্তিকামী; এক ঈশ্বৰৰ ওচৰত আত্মা সমৰ্পণ কৰা।
ইনছান/ইনসান- মানুহ; মনুষ্য।
ইফ্তাৰ- লঘু আহাৰ গ্ৰহণ কৰি ৰোজাৰ ব্ৰত ভঙ্গ কৰা।
ইমাম- ধৰ্ম্ম গুৰু; পুৰোহিত; নেতা।
ইলাহ- উপাস্য।
ইলাহী- পৰমেশ্বৰ, খোদা।
ইলিম- শিক্ষা; বিদ্যা।
ইল্লীন- পুণ্যাত্মা সকলৰ বাসস্থান।
ইয়াৰব- ঈশ্বৰ; ভগৱান, ইয়াঅহবু, ইয়াছামাদু।
ইশৰত- সন্তোষ; তৃপ্তি।
ঈমান- ধৰ্ম্ম; বিশ্বাস; সত্য।
ঈহা- ইয়াত।
উখতুন- ভনী; ভগিনী।
উচক্কা- ধূৰ্ত্ত; ঠগ; প্ৰতাৰক।
এতিম- অনাথ; আশ্ৰয়হীন।
এবাদত- উপাসনা; প্ৰাৰ্থনা।
ঔদস- অপযশ; দুৰ্নাম; অপবাদ।
আওলীয়া- সিদ্ধি লাভ কৰা সন্নাসী।
কজ্জাক- ডকাইত; লুটিয়াৰ।
কবুল- গ্ৰহণ কৰা।
কাওকাবুন/নজমুন- তৰা; নক্ষত্ৰ।
কাফ্ফাৰা- প্ৰায়শ্চিত্ত।
কাফান- শ ঢাকনি কাপোৰ।
কাফিৰ- বিধৰ্মী; ইছলাম ধৰ্ম্ম নামানা লোক; নাস্তিক; অবিশ্বাসী।
কামাৰুণ- জোন; শশী; চন্দ্ৰ।
কুৰবানী- আল্লাৰ ওচৰ পোৱাৰ বাবে চেষ্টা কৰা; বলিদান কৰা; ত্যাগ কৰা; উছৰ্গা কৰা।
কালবুন- কুকুৰ।
কালাম- কথা; শব্দ; বাণী।
কেৰাদাতুন- বান্দৰ।
কিয়ামত- শেষ বিচাৰৰ দিন; পৰকাল।
কাহাফ- গুহা।
খোদা হাফিজ- বিদায় সম্ভাষণ।
খোহ- গুহা; গহ্বৰ।
গযৱ- ক্ৰোধ; ৰোষ; শাস্তি।
গুনাহ- পাপ; দোষ; অপৰাধ।
গুনাহগাৰ- পাপী; দোষী; অপৰাধী।
গোছল- গাধোৱা, স্নান কৰা।
চটাৱন- অন্নপ্ৰাশন।
চটোৰা- খকুৱা; লুভীয়া।
চৰিয়ত- ইছলামী বিধি বিধান।
চাওৰুণ- ষাঁড় গৰু; বিপ্লৱী।
চিজ্জীন- মৃত্যুৰ পিছত পাপাত্মাৰ স্থান।
ছালাম- নমস্কাৰ।
ছিজদা- সাষ্টাঙ্গে প্ৰণাম কৰা।
ছেন্নুৰুণ- মেকুৰী।
ছেহ্ৰী- ৰোজা ব্ৰত পালন কৰা বাবে শেষ ৰাতিৰ এটি নিৰ্দিষ্ট সময়লৈকে আহাৰ গ্ৰহণ কৰা সময়।
ছো- প্ৰেম; প্ৰীতি; দয়া।
ছোৱাব- পুণ্য, সৎকৰ্ম্ম।



জান্নাত- স্বৰ্গ, উদ্যান।
জাবালুন- পাহাৰ, পৰ্বত।
জামালুন- উট
জামুছোন- মহ।
জালিম- অত্যাচাৰী।
জাহান্নাম- নৰক; মৃত্যুৰ পাছত পাপীক শাস্তি দিয়া ঠাই।
জিনা- অবৈধ মিলন।
জিন্দা- জীৱিত।
জিন্দেগী- জীয়াই থকা।
জিহাদ- ধৰ্মযুদ্ধ।
জোনাব- ডাঙৰীয়া, বৰলোক।
তক্দীৰ- ভাগ্য; কপাল।
তক্লিফ- কষ্ট; অসুবিধা; অনুশোচনা।
তালাক- বিবাহ বিচ্ছেদ।
তাহিৰ- পবিত্ৰ জীৱন।
তৌবাহ- পাপৰ পৰা অনুশোচনা কৰি আঁতৰি অহা।
তৌহিদ- একত্ববাদ; এক বিনে নাই কেউ।
দফন- মৰাশ মাটিত সমাধি (পোতা) কৰা কাৰ্য্য; কবৰ দিয়া কাৰ্য্য।
দৰবেছ- আত্মা সংযমী পুৰুষ।
দ্বীন- ধৰ্ম্ম।
দ্বীনে হানিফ- একেশ্বৰবাদী সনাতন ধৰ্ম্ম।
দোজখ- নৰক।
নাজিল- অৱতাৰণ; প্ৰেৰণ।
নাদান- অবোধ; অজ্ঞান; মূৰ্খ।
নবী- ৰছুল; ঈশ্বৰ-প্ৰেৰিত দূত।
নফৰ- ভৃত্য; চাকৰ; দাস।
নহৰুণ- স্বৰ্গৰ নদী; তটিনী; নৈ।
নাপাক- অপবিত্ৰ; অশুচি; চুৱা।
নাৰুণ- জুই; অগ্নি
নামাজ- ইছলাম ধৰ্মৰ বিশেষ প্ৰাৰ্থনা।
নিকাহ- মুছলমান বিধি অনুসৰি হোৱা বিবাহ।
নিয়ামৎ- আশীৰ্বাদ; অনুগ্ৰহ; দান।
নুক্কা- শুক্ৰ; বীৰ্য্য।
নূৰ- পোহৰ; দীপ্তি; আলোক; ৰশ্মি।
পয়গম্বৰ- ঈশ্বৰ-প্ৰেৰিত দূত।
পাক- পৰিস্কাৰ; পবিত্ৰ; নিৰ্মল।
পানাহ- মুক্তি।
ফকিৰ- সন্নাসী; গৃহত্যাগী লোক; সন্ত।
ফৰজ- অপৰিহাৰ্য্য ধৰ্মীয় কৰ্ত্তব্য।
ফাৰাছুন- ঘোঁৰা; অশ্ব।
ফাহিশ্বা- অলাগতিয়াল কথা; বেশ্যা; অসতী তিৰোতা।
ফিৰিস্তা- সৰগৰ দেৱদূত।
ফিল- হাতী; হস্তী।
বদৰুণ- পূৰ্ণিমাৰ জোন।
বাইয়াৎ- দীক্ষা।
বাকাৰুণ- গাই গৰু।
বাকাৰাতুন- গাই গৰু; মাইকী গৰু।
বান্দা- দাস; চাকৰ।
বহৰুণ- সাগৰ; অৰ্ণৱ।
বেহেস্ত- স্বৰ্গ; দেৱলোক; পৰলোক।
মকবৰা- সমাধি; কবৰস্থান।
মকৰূহ- অপৰাধ; ঘৃণিত।
মৰঘট- শ্মশান; মৰিশালি।
মাউন- পানী; জল।
মাওত- মৰণ; মৃত্যু।
মান্না- স্বৰ্গীয় আহাৰ।
মুনাফিক- প্ৰবঞ্চক; ছল কৰোঁতা; প্ৰতাৰণা।

মিৰ্ছৱাৰ্ক- দাঁতোন।
মুৰ্শিদ- গুৰু; সৎপথ প্ৰদৰ্শক; শ্ৰেষ্ঠ; চতুৰ।
মেহেৰবানী- কৃপা; দয়া; অনুগ্ৰহ।
মেহৰা- নপুংসক; ক্লীৱ।
মোমিন- বিশ্বাসী।
মোহতাজ- দুখীয়া; দৰিদ্ৰ।
যাকাত- সঞ্চিত ধন-সম্পত্তিৰ ওপৰত নিৰ্ধাৰিত ধৰ্মীয় কৰ; দান।
ৰছী- লোভ; লিপ্সা, আকাংক্ষা।
ৰুকু- ককালৰ পৰা শৰীৰৰ উৰ্দ্ধাংশ উপাসনাৰ কাৰণে নত কৰা।
ৰূহ- আত্মা; প্ৰাণ।
ৰহম- দয়া; কৰুণা; কৃপা; অনুগ্ৰহ।
ৰিহুন- বতাহ; বায়ু।
ৰোজা- বিৰত থকা; উপবাস।
লজ্জত- সোৱাদ।
লাচ- মৰা শ; মৃতদেহ।
ললিতা- স্বেচ্ছাচাৰিণী তিৰোতা; ৰমণী।
লুলু- মূৰ্খ; অজ্ঞানী।
ৱতী/অতী- সঙ্গম; বৈধ মিলন।
শ্বাতুন- ছাগলী।
শ্বামচুন- বেলি; সূৰ্য্য।
শ্বীৰ্ক- শাক্তধৰ্ম্মী।
সোৰনী- বাঢ়নী।
হাৰাম- নিষিদ্ধ; অবৈধ; অপবিত্ৰ।
হালাল- ইছলাম ধৰ্ম মতে বৈধ কৰ্ম্ম।
হিফাজত- ৰক্ষণা বেক্ষণা কৰা।
হিজ্ৰত- দেশান্তৰ গমন।
হিৰাতুন- মেকুৰী; বিড়াল।
হেলালুন- কাঁচিজোন।
হোৰসা- চন্দন-পটা।

## সংস্কৃত শব্দাৰ্থ

অধ্যক্ষৰং- ওঁ অক্ষৰ।
অনগাৰ- মুনি; সন্যাসী।
অনঘ- নিষ্পাপ; দোষশূন্য।
অনঘঃ/অনদ্যঃ- বিষ্ণু; শিৱ; বগা সৰিয়হ।
অনপত্য- নিঃসন্তান।
অনপত্ৰপ- নিলৰ্জ্জ।
অনমঃ- ব্ৰাহ্মণ।
অনম্বৰঃ- বৌদ্ধ সন্যাসী; দিগম্বৰ; নঙঠা।
অনিকেত- গৃহহীন; যাযাবৰ।
অনিকং- যুদ্ধৰ ডবা; শিঙা।
অনুবন্ধ- পিতা-মাতা বা গুৰুক অনুকৰণ কৰা পুত্ৰ বা শিষ্য।
অণুলোম- উচ্চ বৰ্ণৰ পিতা আৰু নিম্ন বৰ্ণৰ মাতাৰ সন্তান।
অপৰুচ- ক্ৰোধ শূন্য।
অলি- ভোমোৰা; মৌমাখি।
অৱতৰণিকা- ভূমিকা; পাতনি।
অৱী/উদক্যা-ৰজস্বলা তিৰোতা; ঋতুমতী।
অন্তকঃ- মোক্ষ; নিৰ্বাণ।
অভ্যানং- গালি; নিন্দা।
আড্ড/আতুঃ- ভেল; ভুৰ; মাৰনাঁও।
আচমনং- খোৱাৰ আগত বা পিছত মুখ ধোৱা কাৰ্য্য।
আত্মন কাম- আত্মপ্ৰেমী; ব্ৰহ্মপ্ৰেমী।
আন্ধসিকঃ/আৰালিকঃ- ৰান্ধনি।
আপালিঃ- ওকণি।
আৰামিকঃ- মালী।
আৰ্দ্ৰকং- কেঁচা আদা।
আৰ্য্যকঃ- ককা; আতা।
আলাবু- লাউ।

আৱৰকং- ঢাকনী; ওৰনি।
আৱিবচূৰ্ণং- ফাকুগুড়ি।
আশাবন্ধঃ- মকৰাৰ জাল।
আশ্ৰং- চকুপানী।
আহ্ল্যং- তগৰ ফুল।
ইন্দীবৰিণী/কন্দোট/কুৱলয়িনী-নীলাপদুম।
ইক্ষণিকঃ - জ্যোতিষী; দৈৱজ্ঞ।
ঈৰ্য্যা- ভিক্ষাব্ৰত; ব্ৰহ্মচাৰীৰ দৰে ঘূৰি ফুৰা।
উচ্চূড়লঃ- ধ্বজা; পতাকা।
উচ্ছাস্ত্ৰ- শাস্ত্ৰ বিৰোধী।
উদ্দংশ/কিটিভঃ- উৰহ; মহ; দাঁহ।
উন্নতি ঈশঃ/বিহগেন্দ্ৰ/কাশ্যপিঃ-গড়ুৰ।
উপাঙ্গঃ- তিলক ; ফোঁট।
উপানহ- পাদুকা; জোতা।
উৰগঃ/উৰঙ্গঃ- সাপ; সৰ্প।
উৎপাংশু- মনে মনে কৰা জপ।
উৰ্ণনাভঃ/উৰ্ণপটঃ- মকৰা; উণ সূতা।
উপস্কন/উহনী- বাঢ়নী।
ঋচীষঃ- ঘণ্টা; টিলিঙা।
ওদনঃ- চাউল; ভাত; আহাৰ।
ঔঘঃ- বানপানী।
ঔদনিকঃ- ৰান্ধনী।
কন্টকিলতা- তিয়ঁহ।
কন্টদলা/কৈতকং- কেতেকী ফুল।
কং- মূৰ; শিৰ।
কব্যং- পিতৃ পুৰুষলৈ পিণ্ড দান।
কপিঞ্জল- চাতক পক্ষী; তিত্তিৰি চৰাই।
কৰঙ্ক- নাৰিকলৰ কোৰোকা।
কৰালক- ক'লা তুলসী।
কৰ্ত্তনী/কৰ্তৰী/কৰ্ত্ৰী- কেঁচী; চুৰী কটাৰী।
কৰ্ফৰা- আৰ্চী; দাপোণ।
কৰ্মন্দী- ভিক্ষু সন্যাসী।

কৰ্মসন্যাসী- পাৰ্থিব কৰ্মৰ প্ৰতি স্পৃহাহীন
কৰ্ষণী- অসৎ চৰিত্ৰৰ তিৰোতা।
কলাদঃ - সোণাৰী।
কাপ্যকৰঃ- নিজে কৰা পাপ কৰ্ম নিজে ব্যক্ত কৰা লোক; স্ব-পাপবক্তা।
কামলিকা- সুৰা।
কালপাশঃ- যম ৰজাৰ ৰচি বা পঘা।
কালীচী- যম ৰজাৰ বিচাৰ ভূমি।
কাষ্ঠীলা- কলগছ।
কাসৰঃ/কাসৰী- ম'হ।
কাহল- মেকুৰী; কাউৰী।
কাহাৰকঃ- দোলাভাৰী।
কিকি- নাৰিকল গছ।
কিখিঃ/মৰ্কট- বান্দৰ।
কীটমণিঃ- জোনাকী পৰুৱা।
কীৰেষ্টঃ/কোশি/চূত্যঃ- আমগছ।
কুঃ- পৃথিৱী; বসুমতী।
কুণ্ডঃ- অবৈধ সন্তান।
কুণ্ডী- কমণ্ডলু।
কমুৎ/কুমুদ/কোকনদং- ৰঙা পদুম।
কুৰণ্ট- হালধীয়া পাৰিজাত।
কুৰুণ্টঃ- ৰঙা পাৰিজাত।
কুৰুম্বং- কমলা টেঙা।
কুলপাংসুকা- বংশৰ দুৰ্নাম অনা তিৰোতা
কুশীদং- ৰঙা চন্দন।
কৃলকঃ/ক্ৰিমিশৈলঃ- উঁইৰ হাফলু।
ক্ৰিয়া সংক্ৰান্তি- দীক্ষা দান কৰ্ম।
ক্ৰোশঃ চাৰি হাজাৰ হাত (দীঘল বা দূৰত্ব) পৰিমাণ।
কৌল্কুটিক- যিয়ে তলমূৰকৈ খোজ কাঢ়ে যাতে খোজত পোক-পৰুৱা আদিৰ মৃত্যু নহয়।

কৌশলিকং- ভেটী।

খট্টনঃ- বাওনা; বামন; কটীয়া।

খট্টিঃ- মৰা শ নিয়া গাড়ী বা চাঙী।

গোৱশা- বাজীগাই।

চতুৰ মাসং ব্ৰত- আহাৰৰ শুক্লা একাদশীৰ পৰা কাতি মাহৰ শুক্লা একাদশীলৈ কৰা চাৰি মাহৰ ব্ৰত।

চীৱৰং- বৌদ্ধ ভিক্ষুৱে পিন্ধা কাপোৰ।

জিনঃ- বৌদ্ধ বা জৈন ধৰ্মগুৰু।

দাণ্ডাজিনিকঃ ভণ্ড সন্যাসী; ঠগ।

দৈৱাৰিপ- শঙ্খ।

ধৰ্মভাণকঃ- ধৰ্মপুথিৰ পাঠক; ব্যাখ্যাকাৰক।

নন্দকঃ- বিষ্ণুৰ গদা।

নন্দিঘোষঃ- অৰ্জুনৰ ৰথ খনৰ নাম।

পৌগণ্ডং- পাঁচ বছৰৰ পৰা দহ বছৰৰ ভিতৰৰ কাল।

প্ৰদ্যু- পুণ্য।

প্ৰাচীনাৱীতং- সোঁকান্ধত বাওঁফালে ওলোমাই লোৱা লগুণ।

পট্টং/পট্টঃ- পাগুৰি।

পণাঙ্গনা/পণ্যাঙ্গনা- বেশ্যা; যোষিৎ, পুংচলী; মঞ্জিকা।

পয়োব্ৰতঃ- মাথোন পানী খাই পালন কৰা ব্ৰত বিশেষ।

পৰসংজ্ঞকঃ- আত্মা।

পৰাক- খড়্গ; তাৰোৱাল।

পৰ্ণাস- তুলসী গছ।

পৰ্য্যুষিত- যোৱা ৰাতি এৰি থোৱা বস্তু।

পক্ষিণী- দুদিন এৰাতি।

পাঠীনঃ- পুৰাণ, ভাগৱত আদি পাঠ কৰি ফুৰা ব্যক্তি।

পাণিঘঃ- হাতেৰে কোবাই বজোৱা বাদ্য; ঢোল, মৃদঙ্গ।

পাৰ্বণঃ- অমাৱস্যাৎ কৰা শ্ৰাদ্ধ তৰ্পণ।

পিণ্ডাতঃ/পিণ্যাকং- ধূপ-ধূনা।

পীয়ূষং/পেযূষং- অমৃত ; গাখীৰ।

পূটী/মলংমল্লকঃ- কৌপীন; লেংটি।

প্ৰতিলোম- উচচ বৰ্ণৰ মাতা আৰু নিম্ন বৰ্ণৰ পিতাৰ সন্তান।

ফক্কিকা- ফাঁকি; মিছা।

বৃহতী- নাৰদৰ বীণা;বেঙেনা।

ভামিনী- খঙাল তিৰোতা।

মকৰঃ- ঘঁৰিয়াল; কুম্ভীৰ।

মাৰ্গশিৰঃ/মাৰ্গশীৰ্ষঃ- আঘোণ মাহ।

মিতাশন- কমকৈ আহাৰ কৰা লোক।

মিথুনেচৰ- চাকৈ-চকোৱা।

মুকুৰ- দৰ্পণ; দাপোণ।

মূক- বোবা; কথা কব নোৱাৰা।

মৃতাঙ্গ- মৰা শ।

যষ্ঠি- লাঠী; পতাকাদণ্ড; গদা; খুঁটা।

যোগাৰূঢ়-ইন্দ্ৰিয় ভোগ বস্তু সমূহৰ প্ৰতি অনাসক্তি; ধ্যানমগ্ন।

লগ্নিকা- উলঙ্গ; নঙঠা তিৰোতা।

সণ্ডিশঃ/সন্দংশিকা- চেপেনা; চিমটা।

সিতাভঃ/সিতাভ্ৰঃ- কৰ্পূৰ।

স্বাধ্যায়ঃ- নিজে নিজে বেদাধ্যয়ন কৰোঁতা।

স্বস্তিকং- মাঙ্গলিক ফোঁট; তিলক।

সীৰী- বলৰাম।

সুৰাৰ্হং/সিতোত্তৰং- বগা চন্দন।

হল্লকং/কৃষ্ণকন্দং- ৰঙা পদুম।

হৰিদ্ৰা/সচ্চাৰা- হালধি।

হৰীতকী/কায়স্থা- শিলিখা।

হীৰাঙ্গঃ/শতাৰং- ইন্দ্ৰৰ বজ্ৰ।

ক্ষপণকঃ- জৈন বা বৌদ্ধ সন্যাসী।

ক্ষীৰওদনঃ/ক্ষৈৰেয়ী- পায়স, পৰমান্ন।

**হৰি ওম্ তৎ সৎ।**